সম্পাদনাত : শ্ৰী মোহন জোনোৱাৰ

# কলাৰ আলোচনী



# কাঁনৈ কলেজ আলোচনী

আন্তৰিক শ্ৰদ্ধা প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰীযুক্ত/যুক্তা ........................................................ লৈ।

সম্পাদক :
শ্ৰীমোহন সোনোৱাল।
১৯৭০-৭১ চন।

সম্পাদক :—মোহন সোনোৱাল

# কানৈ কলেজ আলোচনী

॥ বছেৰেকীয়া প্ৰকাশ ॥

২৬শ বছৰ। ২৫তম সংখ্যা। ১৮৯৩ শক। ১৯৭০—৭১ চন।

সম্পাদক :—মোহন সোনোৱাল

আমাৰ সম্পাদনা সমিতি :—

অধ্যাপক—শ্ৰীযুত যাদৱ চন্দ্ৰ বৰুৱা ( আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক )

অধ্যাপক—শ্ৰীযুত ৰঞ্জিত কুমাৰ ৰয়। ( উপদেষ্টা )

শ্ৰীমোহন সোনোৱাল ( সম্পাদক )

সভ্য :—শ্ৰীকুঁহিৰাম গগৈ

„ কুমুদ ৰঞ্জন দাস

„ বুলন সোনোৱাল

„ হিতেশ্বৰকাশ গগৈ

„ লম্বেশ্বৰ চোতিয়া

কুমাৰী ৰাণু চাংমাই

প্ৰকাশক :—মোহন সোনোৱাল

বেটুপাতৰ শিল্পী :—চদৰুদ্দিন আহমেদ

মুদ্ৰন :—লখিমী প্ৰেছ : ডিব্ৰুগড়

ব্লক সাজিছে :—পিক প্ৰিণ্ট প্ৰাইভেট লিমিটেড : গুৱাহাটী।

ব্লক চপাইছে :—প্ৰিণ্ট ক্ৰেফট্ : ডিগবৈ।

''চিৰ অভাগিনী অসম দুখুনী
পাই হেৰুৱালী
পোৱালৰ মণি,


দিগন্তৰ সউ পাৰাপাৰ জিনি
দীপাতি বিলোৱা
ৰক্ত দিনমণি।''



॥ মৃত্যু— ২৫ ফেব্ৰুৱাৰী ১৯৭১ ॥

অসম মাতৃৰ দিনমণি স্বৰূপ, বদান্যতাৰ এক উজ্জ্বল প্ৰতিভূ স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাদেৱৰ পুণ্য স্মৃতিত এই সংখ্যা আলোচনী উৎসৰ্গা কৰা হ'ল।

## এটি স্কেচ




আঁকিছে— অঞ্জন কুমাৰ আগমাচাৰ্য্যাই।

# MESSAGE.

PRESS SECRETARY TO THE PRESIDENT
OF INDIA,
**Rashtrapati Bhavan,**
New Delhi—4
July 23, 1971.

Dear Shri Sonowal,

The President desires me to acknwoledge the receipt of your letter of the 20th July, 1971, and to convey to you his best wishes.

Yours Sincerely,
A. M. Abdul Hamid.

---

MINISTER OF STATE, EDUCATION
**Assam, Shillong.**
July 28, 1971.

Dear Shri Sonowal,

I am glad that the 25th issue of the 'Kanoi College Alochani' is going to be published soon. Such an 'Alochani' ( magazine ) can do a lot of good to teachers, students and parents alike.

Mere acquisition of knowledge or learning is not education but it is the art of untilization of knowledge or learning which is more important and essential. A magazine can contribute immensely in developing this art.

I wish the 'Kanoi College Alochani' will cater to the need of the present day students and teachers in developing the art of utilizing the academic knowlgdge well.

Yours Sincerely,
S. C. Goswami.
Minister of State Education.
Assam, Shillong.

DIBRUGARH UNIVERSITY
Dibrugarh, Assam.
*Date. 3. 9. 71.*

My dear Sriman Mohan,

Many thanks for your letter No K/ C/ A/ E dated the 2nd September, 1971. I am glad to learn that you considered my greetings sent to you on the eve of the Independence Day as "Opportune and significant."

You are now asking me to send a message for publication in the Annual Kanoi College Magazine. It is indeed a difficult task; You may not believe, but it is true; that though I am now 62 years of age and once read in a college, I do not know what "Education" really means. Nobody has yet been able to satisfy me with a good definition. Having failed in all these years to discover what education is I call myself uneducated. That is why I always feel shy to give advice or send a message to a college magazine dealing with educational topics. I may, however, tell you something from my own experience.

Both health and wealth are necessary for existence. But if we make pursuit of wealth as the only aim or object of life, it may prove fatal to our moral progress. Plain living and high thinking must be the ideal ever before us. I once read the following lines in my school days and that greatly helped me in my life. It may also help you in the future.

'You are old, father William", the young man cried,
"And pleasures with youth pass away"
And yet you lament not the days that are gone,
Now tell me the reason, I pray."
'In the days of my youth", father William replied,
"I remembered that youth would not last,
I thought of the future, whatever I did,
That I never might grieve for the past."

With best wishes,

Yours Sincerely,
M. N. Phukan.
Vice – Chancellor.
Dibrugarh University.

# —সম্পাদকীয়—

## সমকালীন সাহিত্য

সমকালীন সাহিত্য আৰু সাহিত্য জগতৰ সন্দৰ্ভত যিকোনো সমালোচনা তথা মন্তব্য তৎক্ষণাত দিব নোৱাৰি। কাৰণ সাম্প্ৰতিক-বিশ্ব বিশ্ব-প্ৰৱাহ আৰু সাহিত্য-প্ৰবাহ ক্ষুৰ ধাৰৰ দৰে যেনেদৰে সুতীক্ষ্ণ, সেই দৰে তীক্ষ্ণধাৰৰ গতিও বৈচিত্ৰ-ৰঞ্জিত। এইষাৰ কথাৰ প্ৰতি বিস্মিত হলে নহ'ব। সামাজিক, বৌদ্ধিক আৰু সাংস্কৃতিক চিন্তা-চৰ্চ্চাৰ জগতত হ'ব ধৰা মূৰ্হুমূৰ্হু পৰিবৰ্ত্তন আৰু বৈপ্লৱিক জাগৰণলৈ লক্ষ্য ৰাখি ইয়াকে কব পাৰি যে সমকালীন সাহিত্যই ক'তো কোনো দেশতে, কোনো সমাজতে কিছুমান পৰম্পৰাগত নীতি শৃঙ্খলা মানি এটা গতানুগতিক নিৰান্ধিত পথেদি আগবাঢ়িবলৈ ইচ্ছা কৰা নাই। সেই বাবেই সমকালীন সাহিত্যই সমালোচনাৰ সন্মুখীন হৈও বিচিত্ৰ বুটা-বচা দলিচাৰ দৰে. নানা দেশত নানা জনৰ হাতত বৈচিত্ৰ্যৰ বৰ্ণালি সিচি যোৱা দেখা যায়। অৱশ্যে এইয়া বৌদ্ধিক নিস্তৰঙ্গতাৰ পৰিচায়ক নে. সৃষ্টিশীলতাৰ প্ৰতি-বন্ধকতানে. নে মানুহক বিক্ষিপ্ত চিন্তাধাৰাৰ আৰু অন্ত:সাৰ শূণ্য বাস্তৱক স্বীকাৰ কৰিবলৈ কৰা উদ্দাত্ত প্ৰত্যাহবান সেইয়া ইতিহাসে বিচাৰ কৰিব। অথচ কিছুদিনৰ পৰা মৌলিক, সৃষ্টিমূলক আৰু একক-প্ৰচেষ্টাজনিত গভীৰ সাহিত্য সম্পদৰ সলনি বিবিধ যৌন-আবেদনময় আৰু অন্যান্য সাময়িক দাবী পূৰণ কৰিব পৰা ডুখৰীয়া ৰচনাৰ প্ৰচেষ্টাহে আমাৰ চকুত বেচিকৈ পৰিবলৈ ধৰিছে। যিয়েই নহওক এনে প্ৰচেষ্টাই সাম্প্ৰতিক সাহিত্যক সবল নকাৰ বৰঞ্চ ডুখৰীয়া সাহিত্য সৃষ্টিৰ ক্ষণিক প্ৰেৰণা, উৎসাহ, আদায় কৰি উত্তৰসাধক সকলক দেউলীয়া কৰাৰ ভয়হে বেচি থাকে। যুগজয়ী প্ৰচেষ্টা নিহিত থকা, সৃষ্টিমূলক ৰচনাৰ প্ৰয়োজন এতিয়া আমি সমকালীন সাহিত্যত অধিক প্ৰয়োজনীয় বুলি ভাবো। কিয়নো ভৱিতব্যৰ বিৰাট গহবৰত সাম্প্ৰাতিক শতাব্দীটোৱে যেতিয়া ইতিহাসৰ ৰূপ পৰিগ্ৰহ কৰিব তেতিয়া বিগত শতিকাটোৰ প্ৰতিনিধিত্ব কৰিব পৰাকৈ সমকালীন সাহিত্যৰ বিশিষ্টতা, স্বকীয়তা আৰু যুগ সন্মত-সাৰৱত্তা বিচাৰি পাব লাগিব।

## ইন্দো—চোভিয়েত মৈত্ৰী চুক্তি

যোৱা ৯।৮।৭১ তাৰিখে নতুন দিল্লীত ৰুচ বৈদেশিক মন্ত্ৰী মিঃ আন্দ্ৰেগ্ৰমিকো আৰু ভাৰতৰ বহিঃ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী শ্বৰণ সিঙৰ মাজত স্বাক্ষৰিত হোৱা ইন্দো-চোভিয়েত মৈত্ৰী-চুক্তি খন দুয়োখন দেশৰ ইতিহাসত উল্লেখযোগ্য ঘটনা। ভাৰত আৰু চোভিয়েত প্ৰজাতন্ত্ৰৰ মাজত গঢ়ি উঠা সম্প্ৰীতি, পাৰস্পৰিক বুজা পৰা ৰৰ নাটকীয় নহয়। অথ নৈতিক, কাৰিকৰী আৰু সাংস্কৃতিক দিশত ৰাষ্ট্ৰদুখনৰ পৰস্পৰৰ বিনিময় সাধন আৰু ভাৰতে লাভ কৰা ৰুচ সাহায্য যোৱা কেইবছৰ মানৰ পৰা মন কৰিব লগীয়া দিশ। গোষ্ঠী নিৰপেক্ষতা নীতিৰ চেলু উলিয়াই চুক্তিখনৰ দেশৰ বাহিৰে ভিতৰে সমালোচনা হলেও সাম্প্ৰতিক আন্তৰ্জাতিক পৰিস্থিতি দেশ দুখনৰ অৱস্থান, এচিয়াৰ মাটিত আমাৰ ভৱিষ্যত দিক দৰ্শন ইত্যাদি কেইবাটাও দিশৰ পৰা আমি ইন্দো-চোভিয়েত মৈত্ৰী-চুক্তি খনক ওলগনি জনাইছোঁ।

## সংবিধান সংশোধনী খচৰা

প্ৰথিত-যশা আইনজ্ঞ খনি আৰু গধুৰ তাঁথা দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী মোহন কুমাৰ মঙ্গলম্ আৰু আইনমন্ত্ৰী গোখলেই প্ৰধানমন্ত্ৰী তথা তেওঁৰ চৰকাৰৰ ইচ্ছাৰ সাপেক্ষে সংবিধানৰ বিশেষ ধাৰাৰ নাগৰিকৰ সম্পত্তিৰ মৌলিক স্বত্বৰ সৰ্ব্বোচ্চ নিৰিখ সম্পৰ্কীয় যি সংশোধনী আনিছে তাৰ প্ৰতি আমাৰ আন্তৰিক ওলগ জনাইছো। স্বাধীনতাৰ বহু দিনৰ পিছতো সমাজবাদৰ আদৰ্শৰ প্ৰতি আমাৰ চৰকাৰে একো উৎসাহ নেদেখুৱাই জন মানসক উলাই কৰি আহিছে। একালৰ প্ৰখ্যাত সমাজবাদী নেতা ডঃ লোহিয়া, মধুলি মায়ে, শ্ৰীনাথ পাই আৰু এইচ. ভি কামাথে এনে সংশোধনৰ বাবে প্ৰচেষ্টা চলাইছিল। এতিয়া পলমকৈ হলেও চৰকাৰে সৰ্ব্ব-সাধাৰণৰ প্ৰতি সদয় হৈ সংবিধানৰ আৱশ্যকীয় সংশোধনী খচৰা প্ৰস্তুত কৰিবলৈ লোৱাটো চৰকাৰৰ সাহসিকতাৰ কাম হৈছে। আমি সংবিধান সংশোধনী খচৰা বিলখনক স্বাগত জনাওঁ।

## আমাৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ

লুইতপৰীয়া এইখন মহাবিদ্যালয়ে এইবছৰ বয়সৰ লেখেৰে একুৰি পাঁচ বছৰ পাৰ কৰিলে। সেই উদ্দেশ্যেই চলিত বছৰৰ ডিচেম্বৰ মাহত মহাবিদ্যালয়খনে ৰূপালী

জয়ন্তী উৎসৱ মহাসমাৰোহেৰে পালন কৰিব। অসমৰ শিক্ষা, সংস্কৃতি আৰু ৰাজনৈতিক দিশত এইখন মহাবিদ্যালয়ৰ অবিহনা কম নহয়। আটক ধুনীয়া ভৱন, প্ৰাঙ্গণ আৰু বহুশ ছাত্ৰছাত্ৰী তথা এক বৃহৎ সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীৰে পূৰ্ণাঙ্গ মহাবিদ্যালয়খনৰ এই সমাৰোহজনিত উৎসৱটি ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰী, অসমৰ শিক্ষানুৰাগী সুধীসমাজ আৰু সৰ্ব্বসাধাৰণ ৰাইজৰ পূৰ্ণ সহযোগত সাফল্যমণ্ডিত হʼব বুলি আমি আশা ৰাখিছোঁ।

## অন্তহীন আমাৰ অভাৱ : কৰ্ত্তৃপক্ষলৈ পুনৰ দৃষ্টিগোচৰ

যিদিনাই আমাৰ সহানুভূতিশীল কৰ্ত্তৃপক্ষই আমাৰ ছাত্ৰছাত্ৰীসকলৰ কাৰণে **অধ্যাপকৰ** অভাৱ মোচন কৰিব, ***পুথিভঁৰালটি*** সুপৰিচালনাৰ দ্বাৰা পৰিচালিত কৰি এটি সুন্দৰ পঢ়া কোঠা দিব, ছাত্ৰছাত্ৰীৰ কাৰণে সুকীয়া দুটি ***জিৰণি কোঠা*** সজোৱাই দিব কাৰণে মহাবিদ্যালয়ৰ ক্ৰীড়ামোদী ছাত্ৰছাত্ৰী সকলে খেলিব পৰাকৈ এখন নিজা ***খেল পথাৰ*** কৰি দিব, কলেজ চৌহদত এখন নিজা ***কেণ্টিন*** পাতিব, **ছাত্ৰ-ছাত্ৰী নিবাস** দুটাত যি অসুবিধা আছে তাক দূৰ কৰিব আৰু ***বিজ্ঞানাগাৰৰ যান্ত্ৰিক আসোঁৱাহ*** দূৰ কৰি নতুনকৈ প্ৰতিষ্ঠা কৰা ***ছাত্ৰ নিবাসটো "যতীন দুৱৰা ছাত্ৰ নিবাস"*** হিচাবে মুকলি কৰিব সিদিনাই কাৰণে মহাবিদ্যালয়ৰ যশস্যা দুগুণে চʼৰিব।

## জ্ঞানবিজ্ঞানৰ মজিয়াত

দুখন আলোচনা চক্ৰ :—

(ক) ইং ২৯।১২।৭০ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুখ্য অধ্যাপক ডঃ যোগীৰাজ বসুদেৱে "বিজ্ঞান আৰু কবিতা" ( Science and poetry ) এই বিষয়টিৰ ওপৰত যি এটি মূল্যবান বক্তৃতা দিলে সি কাৰণে মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰাণিত কৰি তুলিলে।

(খ) ইং ৩।৯।৭১ তাৰিখে গুৱাহাটী আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ সু-সাহিত্যিক শ্ৰীযুত গিৰিধৰ শৰ্ম্মাদেৱে "শিক্ষা বিস্তাৰত গ্ৰন্থাগাৰৰ ভূমিকা" এই বিষয়বস্তুৰ ওপৰত এটি সুন্দৰ আলোচনা দাঙি ধৰি শিক্ষক শিক্ষয়িত্ৰী সকলক অধ্যয়নৰ এটি সুস্থ পৰিবেশ সৃষ্টি কৰিবলৈ আহ্বান জনাই ছাত্ৰ-ছাত্ৰী সকলকো সেই পথৰে যাত্ৰা হবলৈ

সোঁৱৰাই দিয়ে।

পুনৰ সুঁৱৰিলো :— কাটন মহাবিদ্যালয়ৰ বুৰঞ্জীৰ পাতনিত সকলো বিভাগ সাঙুৰি যি এখনি "সাহিত্য সমাজ" নামৰ অধ্যয়ন চক্র শ্রদ্ধেয় অধ্যাপক শ্রীযুত ভীমকান্ত কোৰঁৰ দেৱৰ আহ্বানত ঠনধৰি উঠিব বুলি ভাবিছিলো, তাৰ নিশ্চুপ নিৰবতাত আমি দুঃখীত হৈ এই বছৰত তাৰেই পুনৰ জন্মৰ কামনা কৰিলো।

## ব্যক্তিগত দু-আষাৰ

হতাশাত মন মৰহি যায় ই সচাঁ কথা। কিন্তু হতাশাৰ কলীয়া ডাৱৰৰ ডাঠ চামনি যেতিয়া ধৈৰ্য্যৰ দ্বাৰা প্ৰতিহত হৈ ছিটিকি পলায় তেতিয়া পোৱা আনন্দ মৰমতকৈও মধুৰ। 'কাটন কলেজ আলোচনীৰ' সম্পাদকৰ বাবলৈ মই যেতিয়া ছাত্ৰ-ছাত্ৰী সকলৰ পৰা প্ৰবন্ধ পাতি বিচাৰিছিলো ইয়াৰ সংখ্যা লঘিষ্ঠতাই মনলৈ হতাশাৰ ভাৰ কঢ়িয়াই আনিছিল। কেৱল ইয়েই নহয় আৰু বহুতো অসুবিধাৰ সন্মুখীন হব লগীয়া হৈছিল। তথাপি সকলো বাধা- বিঘিনি সুবিধা অসুবিধা মূৰ পাতি লৈ আলোচনীখন কেইটিমান ন পুৰণি চ'ৰাৰে সুন্দৰ কৰি তুলিবলৈ যত্নপৰ হৈছিলো। মোৰ আশাবাদী মনে সদায় বিচাৰে উঠি অহা ছাত্ৰ ছাত্ৰীৰ মাজত সাহিত্য চৰ্চাৰ স্পৃহা—যাৰ অভাৱত মই ৰব লগীয়া হৈছিল দিনৰ পিছত দিন গনি প্ৰবন্ধপাতি পোৱাৰ আশাৰে। আশাকৰো ভৱিষ্যতলৈ এই অভাৱৰ মোচন হব আজি আপোনালোকৰ হাতত এই আলোচনীখন তুলি দিলো — কি দিব প্যাৰিছো তাক কোৱাৰ সামৰ্থ্য মোৰ নাই। ই মোৰ কাৰ্য্যকাল আৰু কাৰ্য্যভাৰ দায়িত্ব কি দৰে বহন কৰিছে তাৰ যথাযথ দোষ গুণ পাঠক পাঠিকাই নিজেই বিচাৰ কৰিব।

## কৃতজ্ঞতা স্বীকাৰ

ব্যক্তিগত কামৰ মাজতো না না সু-দিহাপৰামৰ্শৰে আলোচনীখনক পোহৰ পথলৈ অনাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত সুশীল চন্দ্ৰ দত্তদেৱে যি সহায় কৰিলে তাৰবাবে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰথমেই জ্ঞাপন কৰিলো।

সম্পাদনা সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত যদুৰ চন্দ্ৰ বৰুৱা দেৱে প্ৰথমৰ পৰাই নিজৰ সময়কো নষ্ট কৰি আলোচনীখনৰ প্ৰবন্ধপাতি চাই মেলি সু-দিহা পৰামৰ্শৰে মোক যি সহায় কৰিলে তাৰবাবে তেখেতৰ ওচৰত মই সুজিব নোৱাৰা ধাৰত ধৰুৱা। মোৰ কাৰ্য্যকাল ছোৱাত তেখেতৰ নিচিনা যে এজন অভিজ্ঞ লোকক পালো তাৰ বাবে মই

নিজেই গৌৰৱ অনুভৱ কৰিছো। উপদেষ্টা শ্ৰীযুত ৰঞ্জিত কুমাৰ ৰয়দেৱে তেখেতৰ দিহা-পৰামৰ্শৰে মোক যি অৰিহনা যোগালে তাৰ বাবে মই তেখেতৰ ওচৰতো ঋণী। প্ৰৱন্ধ পাতি চোৱাৰ পৰাই আদিকৰি মোক সকলো সময়তে বুদ্ধি ভৰষা আগবঢ়াই প্ৰৱন্ধ পাতি লিখি আৰু বহুমূলীয়া উপদেশেৰে উৎসাহিত কৰাবাবে মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু পৰীক্ষিত হাজৰিকা, ডিম্বেশ্বৰ চলিহা, সুনীল কুমাৰ বৰঠাকুৰ, ফৰিদা চাৰ্ফউদ্দিন, ভীমকান্ত কোঁৱৰ, প্ৰফুল্ল ভট্টাচাৰ্য্য, অলকা বৰুৱা, পিয়াংশুপ্ৰৱাল উপাধ্যায়, শৰৎ বৰুৱা, মহম্মদ চেলিম আৰু মদন মোহন গোস্বামীদেৱলৈ মোৰ ভক্তিভৰা কৃতজ্ঞতা আগবঢ়ালো। ইয়াৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত আৰু অসমীয়াৰ মুখ্য অধ্যাপকবৃন্দ ডঃ যোগীৰাজ বসু, ডঃ মহেশ্বৰ নেওগ, অসমৰ সঙ্গীত জগতৰ খ্যাতনামা শিল্পী ডঃ ভূপেন হাজৰিকাদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। তেখেতসকলৰ মূল্যবান প্ৰৱন্ধ পাতিৰ দ্বাৰা মোৰ আলোচনীৰ মূল্য বৃদ্ধি হৈছে বুলি মই গৌৰৱ কৰিছো।

সম্পাদনা সমিতিৰ সভ্য সৰ্ব্বশ্ৰী কুঁহিৰাম গগৈ, কুমুদ ৰঞ্জন দাস, হিতেশ বিকাশ গগৈ, বুলন সোনোৱাল, লম্বেশ্বৰ চেতিয়া আৰু ৰাণু চাংমায়ে ইটো সিটো কামত মোক যি সহায় কৰিলে তাৰ বাবে তেওঁলোকক মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ। আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নাহেন্দ্ৰ পাহন, আৰু মনোৰমা বৰুৱাই গল্প কবিতাৰে মোক যি সহায় কৰিলে— তাৰ বাবে তেখেতসকললৈ মোৰ মিঠা আন্তৰিকতা থাকিল। মোৰ দাদা শ্ৰীযুত কন্তিৰাম সোনোৱাল, গুনেশ্বৰ সোনোৱাল, শ্ৰীযুত বসন্ত কুমাৰ বৰা, প্ৰাক্তন সম্পাদক শ্ৰীযুত ভীম ককাইদেউ, অঞ্জলি সোনোৱাল আৰু বন্ধু অজয় কুমাৰ দাসে মোক যি সহায় কৰিলে তাৰবাবে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ। ইয়াৰ বাহিৰেও মোক বিভিন্ন দিশত সহায় কৰা বন্ধুবৰ দুৰ্গা, লীলেশ্বৰ, টঙ্কেশ্বৰ, পীতাম্বৰ, দেৱেণ, সুনীল, ভূবন, উপেন, দিলীপ, গোলোক, অনন্ত, চন্দ্ৰেন্দু, বান্ধবী অনিমা, জকীমাই, হেমপ্ৰভা, ৰাণু কাকতি আৰু ভাইটি ডালিংহঁতে তেওঁ-লোকলৈ মোৰ আন্তৰিক মৰমবোৰ থাকিল।

বিশেষকৈ যিসকল ছাত্ৰছাত্ৰীয়ে নিজৰ বহুমূলীয়া সময় নষ্ট কৰি বিভিন্ন প্ৰৱন্ধ পাতিৰে আলোচনী খনৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছা জ্ঞাপন কৰিলো। নানান কামৰ মাজতো মোৰ এই আলোচনী খনৰ বহু দায়িত্ব বহন কৰি প্ৰুফ আদি চাই সহায় কৰাত লক্ষ্মী প্ৰেছৰ গৰাকী শ্ৰীযুত বিপিন শৰ্ম্মা আৰু তেখেতৰ কৰ্ম্ম কৰ্ত্তা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ থাকিল।

সদৌ শেষত এটা বছৰৰ কাৰণে মোক আমাৰ কলেজ আলোচনী খনৰ সম্পাদনা কৰিবলৈ সুবিধা দিয়াৰ বাবে সমূহ কানৈয়ান ছাত্ৰছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক এনে এটা সুবিধা দিয়াৰ বাবে তেখেত সকলৰ ওচৰত মই চিৰদিন ঋণী হৈ থাকিম। বহুতো উপায় অৱলম্বন কৰা স্বত্বেও অজানিত ভাৱে আলোচনী খনত দুই এটি ভুল ৰৈ গ'ল তাৰ বাবে যেন পাঠক পাঠিকাই মোক ক্ষমা কৰে। বাস্তৱৰ মাজত যি অকন সময় পাইছিলো তাতে আন্তৰিকতাৰে খাটি আলোচনী খনক সুন্দৰ কৰিবলৈ যত্ন কৰিছিলো; যদি আপোনালোকৰ দৃষ্টিত ইয়াতে কিঞ্চিৎ মাত্ৰ সফল হব পাৰিছো সেয়ে মোৰ আনন্দ। সৰ্ব্বশেষত কানৈ কলেজ আলোচনীৰ সুন্দৰ ভৱিষ্যত কামনা কৰি আলোচনীৰ কাম ইমানতে সামৰণি মাৰিলো।

— ধন্যবাদ --

শ্ৰীমোহন সোনোৱাল
সম্পাদক।


# EDITORIAL BOARD.
## KANOI COLLEGE ALOCHANI SESSION—1970-71.



Sitting (From L. to R.) Mr. Mohan Sonowal (Editor, College Alochani), Prof. R. K. Roy (Adviser, Magazine), Prof. Jadav Chandra Barua (Prof-in-charge, Magazine), Miss Ranu Changmai (St. Member).
Standing (From L. to R.) Mr. Kuhi Ram Gogoi (St. Member), Mr. Hitesh Vikash Gogoi (St. Member), Mr. Kumud Ranjan Das (St. Member), Mr. Bulan Sonowal (St. Member), Mr. Lambeswar Chetia (St. Member).

# D. H. S. K. COLLEGE STUDENTS' UNION

## EXECUTIVE BODY SESSION 1970-71.



Sitting (L. to R.)—Prof. R. K. Roy (Adviser, Magazine), Prof. P. C. Chakravarty (Prof-in-charge, Music), Prof. P. C. Bhattacharyya (Prof-in-charge, General Sports), Vice-Principal Mrs. L. Dutta, Principal S. C. Dutta (President), Prof. T. K. Aiyar (in-charge), Prof. P. P. Upadhyaya (Prof.-in-charge, Gymnasium), Prof. J. C. Barua (Prof.-in-charge, Magazine), Prof. A. K. Dutta (Prof.-in-charge, Boy's Common Room), S. K. Das (General Secy.).

Standing (L. to R.)—Miss B. Devi (Minor Games Secy.), Mr. J. N. Pegu (Major Games Secy.), Mr. M. Sonowal (Editor), Mr. U. K. Gogoi (Cultural Secy.), Mr. C. K. Das (Welfare Secy.), Mr.M. Singh (General Sports Secy.), Mr. M. L. Saikia (Assistant General Secy.), Mr. D. K. Changmai (Debating Secy.), Miss L. Gogoi (Girls' Common Room Secy.).

॥ যুগ্মৰ পলাশ পাতত প্ৰগতিৰ শোভাযাত্ৰা ॥ ১ ॥

॥ অনুশোচনা ॥ ৩ ॥

॥ বিষন্ন এটি সন্ধিয়া ॥ ৪ ॥

॥ তিনিটা কৱিতা ॥ ৫ ॥

॥ প্ৰাৰ্থনা ॥ ৬ ॥

॥ উত্তেজনা : ক্ষণিকৰ ॥ ৭ ॥

॥ যুগপৎ ॥ ৮ ॥

॥ প্ৰতীক্ষা ॥ ৯ ॥

॥ দুটা কবিতা ॥ ১০ ॥

॥ তুলিকা তোমাৰ ৰূপেৰে ॥ ১২ ॥

# যুগৰ পলাশ পাতত প্ৰগতিৰ শোভাযাত্ৰা

হিতেশ বিকাশ গগৈ
প্ৰাকবিশ্ববিদ্যালয় (কলা)

যুগৰ পলাশ পাতত প্ৰগতিৰ শোভাযাত্ৰা ··· ···
চিনেমাত চুইজাৰলেণ্ডৰ অপৰূপ লেক ; পাৰত
যুগল যৌৱনৰ উন্মুক্ত স্বাধীনতা
নগ্ন সৌন্দৰ্য্যৰ উপভোগ ।
ভিয়েটনামৰ বোৱাৰীৰ কেচুৱাক গাখীৰ দিবৰ পৰতো
ৰাইফলৰ ট্ৰিগাৰত আঙুলিৰ সচেতন স্পৰ্শ.
মৰণলৈ ভয় নাই । কিন্তু মৰাৰ আগতে ··· ···
ধিক্ আমেৰিকাণ সাম্ৰাজ্যবাদ ।
বাংলাদেশ । মুক্তিৰ সংগ্ৰাম ।
কেচা তেজৰ অকাল সমাধি ।
পৃথিবীৰ ইতিহাসত চ'তৰ শুকান পাতৰ বিষণ্ণ কোৱাছ ।
মহাবিজ্ঞানৰ নিতে নৱ প্ৰস্তুতি
ভীষণ প্ৰতিযোগিতা । উপগ্ৰহৰ পৰা গ্ৰহ ··· ···
অভাৱ ব্ৰীক্ষৰ তলত এটুকুৰা শুকান ৰুটিৰ বাবে
জীৱন্ত নৰকঙ্কালৰ হাহাকাৰ ;
ওপৰত আকাশ নীলা। 'ফিয়েষ্টা'ত যুগৰ তিলোত্তমাহঁতৰ হাহিঁৰ চিম্ফনি ।

ভাৰতৰ গৌৰৱ ভাৰতৰ লাজ
ধন্য ডঃ খোৰানা । পৰৰ দেশৰ নাগৰিকত্বই
তোমাকে দিলে নোবেল বটাৰ সন্মান ।
চতুৰ্থ সন্তানৰ ক্ৰন্দন
তেজৰঙা ত্ৰিভুজৰ সহজ বিতৰণ ।

এজাক শিশুৰ মাজত নকৃত্ত৷ িয়াৰ সহস্ৰত৷ খিনিৰে
এজাক জনতাক ভুলাই বথা
সিহঁতৰ যাদুকৰী শক্তি৷ অৱস্য৷ ।
কথাৰ লগতে কামো লাগে । জনতাই বুজিছে
সেয়ে চিঞৰিছে : ৰাজধানী ভৈয়ামত লাগে
পাহাৰলৈ গলে সিহঁতে লাইনপিকা গাৰঁৰ আনিব বাৰিষাৰ বোকা
আৰু মাটিহীন কৃষকৰ সমস্যা পাহৰি যায় ।
এটা নতুন সজাগতা । ইয়াৰ মৃত্যু নাই ।
নিতে নব ফেচনৰ আমদানি
বাতৰি কাগজৰ পোনে এক পৃষ্ঠাতেই বিজ্ঞাপনৰ অবাধ ৰাজত্ব ।
নগ্ন মডেলৰ আলোচনীৰ পাতে পাতে
বহুত নতুন পুৰুষৰ নিবদ্ধ দৃষ্টি । সাহিত্য সংস্কৃতিৰ পথাৰলৈ
দৃষ্টিৰ অৱকাশ নাই ।
এই যুগ : মিনি যুগ
মিনিৰ পৰা মেক্সি, মেক্সিৰ পৰা মিনি ;
বিচিত্ৰ এই মানুহৰ মন । বিচিত্ৰ এই যুগ । বিচিত্ৰ দুনীয়া ।

---

"জীৱনৰ ডাঙৰ ডাঙৰ কথাবোৰত মহত্ত্বৰ পৰিচয় দিব পৰাটো বিশেষ টান কাম নহয় ; আটাইতকৈ টান কাম হ'ল জীৱনৰ সৰু সৰু কথাবোৰত মহত্ত্বৰ পৰিচয় দিব পৰাটোহে ।"

— টি, এছ, এ'লিয়ট ।

# অনুশোচনা

মাহমুদা খাতুন।
প্ৰথম বাৰ্ষিক কলা

ক্লান্ত মন আৰু হুচকুত উৎকণ্ঠা লৈ
মই যেতিয়া 'বলবয়েট'ৰ
পৰা নামিছিলোঁ ;
সন্ধ্যা আহিছিল মহানগৰীৰ
কুৎসিত গলিত।
প্ৰাণ প্ৰাচুৰ্য্যতাৰে শ্ৰম মিহলি
এয়া যেন নতুন পদক্ষেপ
নিঃসঙ্গ নিৰ্জ্জন
সেউজীয়া বনৰ মাজত। কিন্তু
আবেলি আহিব মোৰ জীৱনলৈ
ভাৰাক্ৰান্ত
পৃথিৱীত
বৰ্ষা আৰু হেমন্তৰ
হিম আৰু জোনাকৰ
মায়াময়ী পৰশলৈ
ৰজনীগন্ধা তোমাক জনালোঁ
নিমন্ত্ৰণ
লাজুকী হাঁহিৰে
তুমি আদৰিবা
মহানগৰীৰ সন্ধিয়াক।

# বিষণ্ণ ঃ এটি সন্ধিয়া

এটি কবিতা—

এইয়া শৰৎ ; হিম চেঁচা এক বিষণ্ণ সন্ধিয়া ।
শেৱালি ফুলবোৰ ফুলি সৰিছিল,
এখন আকাশ তেতিয়া পৃথিবীলৈ নামি আহিছিল ।
এক অশৰীৰী হাতেৰে এডাল মালা গাথিছিল
নিৰ্জ্জন এটি উপকূলত,
আকাশত তেতিয়া আৰু ডাৱৰ নাই ।
নীলা পৰ্দা ফাকত এটি উচুপনি—
বন্ধু বেদনাৰ— ।
দিগন্ত বিয়পা কুৱঁলী আঁৰত
শুভ্ৰ এখনি নাৰী মুখ ;
শিশুৰ দৰে উচুপিছিল—,
এটি অনুকম্পাৰ প্ৰতীক্ষাত ।
কক্ষচ্যুত হৈ বাগৰি আহিছিল এটি তৰা ।
এখনি হিয়া থক্ থক্ কৰি কঁপিছিল—
ভয় আৰু গ্লানিত ।
শাৰদী সন্ধিয়া বিষাক্ত হৈ পৰিছিল
গছৰ পাত কপাঁই পখী জাক জপজপাই উৰিছিল ।

দুৰ্গেশ্বৰ চাংমাই ।
তৃতীয় বাৰ্ষিক কলা ।

# তিনিটা কবিতা

টঙ্কেশ্বৰ হাজৰিকা।
১ম বাৰ্ষিক কলা।

## ॥ লোভ ॥

মন্দিৰত
মঙ্গল আৰতি ধ্বনি
বতাহত কঁপিছিল ।

ধূপৰ পবিত্ৰ ঘ্ৰাণ
নাকৰ পাহিত ।

লোভনীয় ঐশ্বৰ্য্য
পূজা মণ্ডপ ।

পূজাৰীৰ আগত প্ৰতিমা
পূজাৰীৰ চকু পকা কলৰ ওপৰত ।

## ॥ পাপ ॥

ৰাম বিলাস আগৰৱালাৰ কোটি টকাৰ বিল্ডিংটো
চূৰ্ণ হ'ল ।
প্ৰৰক্ষিত সম্পত্তি ।,

এটি অসহায় আৰ্ত্তনাদ

জনতাৰ হাজাৰ পদক্ষেপত
অনেক পকৰাৰ
অপমৃত্যু ।

## ॥ মৃত্যু ॥

এজাক এন্ধাৰ
এজোৰ জ্বলন্ত চকু !

এটা বিকট চিয়ঁৰ
হৃদয়
জঠৰ !
অসাৰ শৰীৰ ।

# প্ৰাৰ্থনা

বাসন্তী মৰাং।

২য় বাৰ্ষিক কলা।

বস্তুতো আত্মাৰ নদী সাতুঁৰি আহি
যি প্ৰশ্ন এটিবাৰো কৰা নাই
সেই প্ৰশ্নৰ দিগন্ত বিচাৰি
মোৰ আকাশ এয়া
কাজল বুলীয়া হ'ল।
হে ঈশ্বৰ,
এই বননিত অভিশপ্তা ক্ৰন্দসী মদাৰৰ
কান্দোন উপচি পৰিছে।
কিয় বাৰু ?
কাৰ কবিতাৰ বাবে ?
কাৰ স্বপ্নেৰে জীয়াই থকাৰ এই সংগ্ৰাম ?
সেয়েহে, এই বননিলৈ যদিহে ফাগুন আনা
মদাৰৰ ৰংবোৰ মচি দিবা
একাজলি সুৰভিৰে,
এইবোৰ মদাৰৰ পাহিত সানি দিবা অযুত বাসনা।
নিদিয়া যদিহে,
শীতৰ কুঁৱলীৰে ঢাকি দিবা ৰিক্ত মন;
ফাগুন নেলাগে হে ঈশ্বৰ,
এই বননিত।

# ॥ উত্তেজনা : ক্ষণিকৰ ॥

মৃগেন গগৈ ।
প্ৰাকবিশ্ববিদ্যালয় ( বিজ্ঞান )

মই উত্তেজিত হৈ উঠিছিলো, সমগ্ৰ সত্বা মোৰ কঁপি উঠিছিল,
এক দুৰ্ব্বাৰ তাড়ণাত, মই যেন জমদগ্নি হৈ পৰিছিলো ;
—তেওঁ বহুতো ভাল ভাল কথা কৈছিল, তেওঁৰ কথাত যেন অগ্নিৰ স্ফুলিঙ্গ
ছিটিকি পৰিছিল ।

আমাৰ দেহৰ শিৰা উপশিৰাত তপত তেজৰ প্ৰবাহ অনুভৱ কৰিছিলো ।
তেওঁও উত্তেজিত হৈছিল, উদ্দীপ্ত কণ্ঠেৰে কব ধৰিছিল—
—'তেল শোধানাগাৰ,' 'সংগ্ৰাম পৰিষদ,' 'নিবনুৱা সমস্যা'ৰ কথা,
বহুতো শব্দ আমাৰ কাণত অহৰহ বাজি আছিল ।
আমি ৰুদ্ধ কণ্ঠে শুনিব ধৰিছিলো 'কেন্দ্ৰৰ দুৰ্ব্যৱহাৰ,' 'অসম
চৰকাৰৰ দুৰ্ব্বলতা',

আমি কঁপিব ধৰিছিলো খঙত, ঘৃণাত মুখ বিকট হৈছিল,
প্ৰতিশোধৰ তাড়ণাত আমাৰ চকু জ্বলিছিল ;
তেওঁ কৈছিল, –'নতুন পুৰুষ', 'ন-জোৱান'— 'দেশৰ ধৰণী'—
আৰু আমি ৰোমাঞ্চিত হৈছিলো, গৰ্ব্বিত হৈছিলো ;
বহু যুগৰ—মূৰত যেন আমি সাৰ পাই উঠিছিলো, সকলো
নতুন কৰাৰ সপোন দেখিছিলো ;
এসময়ত আমি এক দৃঢ়-সঙ্কল্প লৈ ঘুৰি আহিছিলো
নতুনৰ সপোন আমাৰ চকুত অহৰহ জিলিকিব ধৰিছিল ।
—কিন্তু দুদিনৰ পিচত এয়া কি হ'ল— এতিয়া
আমি এটা ঘূৰণীয়া হৈ থকা কেৰেলুৱাৰ দৰে স্থবিৰ শান্ত ।

# ॥ যুগপৎ ॥

লম্বেশ্বৰ চেতিয়া।
২য় বাৰ্ষিক কলা।

জীৱনটোলৈ বহুত বহাগ আহিছিল।
তাতঁৰ পাতত
জীৱনৰ বহুত গামোচাৰ ফুল বাচি বাচি
ৰংবোৰ নতুন কৰিছিলোঁ।
বহুতোবাৰ তুষ্ট অলকা কেইডালে
আমনি কৰিছিল ঘনে ঘনে,
মই তেতিয়া আত্মহাৰা।

এইবাৰো বহাগ আহিল
—নানা ৰং নানা হাঁহি লৈ।
কিয় জানো এইবেলি বহাগক দেখিলোঁ,
দেখিলোঁ কোনোবাই মৰমৰ হেতালি খেলি থকা
এটি যেন নতুনকৈ কিনা জাপানী পুতলা।
যৱনিকা বিভ্ৰাটঃ
নেপথ্যত
বিনিময়ত
অপমৃত্যু কাৰোবাৰ!
অভিযোগৰ উচুপনি—'মানিকী মধুৰী জহাধানৰ সঁচ তাত নাই।'
বেদনাৰ শেতাঁ সেঁওতাৰ লিপিত
যুগৰ, সমাজৰ ভুলবোৰেই ভাস্কৰ্য্য নেকি?

# প্র তী ক্ষা

উজাগৰী ৰাতিৰ সতে মই আজি মিতিৰালি পাতিছোঁ।
পূর্ণিমাৰ ক্ষণ গণা জোনটো
আৰু,
থোপাথুপি তৰা মিচিলেৰে আকাশ শুৱনি এতিয়া
জোনাকৰ গতি খেদি তুমি যেন মোৰ বাবে আহিবা।
মইও আজি পুৰণা ৰঙৰ চামনি
নতুন ৰঙেৰে ঢাকিব খুজিছোঁ,
মদাৰৰ ৰংলৈ তুমি আহিবা
স্নিগ্ধ সুবাস সানি আহিবা
আৰু মোৰ বাবে—
তোমাৰ উদাসী মনটো আনিবা।
নীড় ভাঙি ভাঙি তুমি আহিবা
ৰঙেৰে ৰক্তাভ হৈ আহিবা,
জোনাকৰ ঢৌৰে ঢৌৰে আহি
মোৰ মনৰ ভুবৰি ডবাত
এটি নিয়ৰ কণা সানিবা
তোমালৈ থাকিব মাথোঁ আকুল প্ৰতীক্ষা।

মায়া গগৈ।
তৃতীয় বাৰ্ষিক কলা।

# ॥ দুটা কবিতা ॥

পীতাম্বৰ দত্ত।
১ম বাৰ্ষিক কলা।

## ॥ তোমাৰ হৃদয় ॥

যৌৱনৰ প্ৰাৰম্ভতে
মোৰ নিলয় কোনত তুমি
গোপনে জ্বলালা
দুটি নয়নেৰে
এটি আশাৰ বন্তি।
আৰু, এটি মিচিকিয়া হাঁহিৰে
বেদনাৰ ঢৌ
দূৰতে গুচালা।
এখন নিৰিবিলি অন্তৰত
সাদৰি সজাই প্ৰেম
অজ্ঞাতে জগালা
দুৰ্ব্বাৰ কামনা আৰু শেষত
মনাকাশ ঢাকি
এজাক কলীয়া ডাৱৰে কপাঁই তুলিলে
তোমাৰ হৃদয়।

## ॥ তুমি মই মই তুমি ॥

যৌৱন এটি উদ্‌ভ্ৰান্ত হেপাঁহ
কামনাৰ জাগৰণ।
প্ৰেম এটি অবুজ চেতনা
সৌন্দৰ্য্যৰ আমনি।
এটি মানসিক সংঘাত্ উগুল থুগুল
দুটি নয়নৰ; প্ৰথমে .
এষাৰ মাত 'দাদা আৰু ভালপোৱা"।
তাৰ পাচত—?
তুমি মই, মই তুমি।
আৰু—
সময় আহিলে শিৰত
বোৱাৰী জীৱনৰ ৰঙা লাইচেঞ্চ।
তুমি মোৰ পিছে পিছে
মাজত মামনি জিন্তু
ফেমিলি প্লেনিং
আমাৰ দেহত জুই,
কামনাৰ শিহৰণ
যৌৱনৰ আমনি
কাজেই
তুমি মই, মই তুমি ॥

---

"কবি সকলে ডাঙৰ আৰু জ্ঞানী কথা কয় — যিবোৰৰ অৰ্থ তেওঁলোকে নিজে নুবুজে।"
—প্লেটো

# ॥ তুলিকা ঃ তোমাৰ ৰূপেৰে ॥

অজয় কুমাৰ দাস।
প্ৰথম বাৰ্ষিক কলা

গোলাপ বুলীয়া এক মসৃন তুলিকা,
তুলি লৈ চেপি ধৰো তিনি আঙুলিৰে
অশান্ত মনক ধৰি
শান্ত সুগভীৰে।
ৰঙা-নীলা-হালধীয়া ৰঙৰ টেমাত,
তিয়াঁলো তুলিকাৰ আগ
আলফুলকৈ,
তোমাক চিত্ৰিত কৰো—
এই অভিপ্ৰায়ে।
কমনীয়তাৰ পাৰ ভঙা,
চকু জুৰা ৰূপে ভৰা,
তোমাৰ দেহৰ অঙ্গে অঙ্গে
প্ৰাণ ভৰা উদ্যমেৰে

বোল দিম ৰঙা-নীলা
বহু ৰঙৰ সমষ্টিৰে।
লুইতৰ পাৰত বহি
জলধিৰ ঢৌ লেখি
নীলিম দিগন্তৰ শূণ্য সীমনাত,
চুমা যাচি উৰা মৰা
পৰাণ পুলকে ভৰা
শুকুলা পাখিৰে পূৰ্ণ
বগলীৰ জাক,
অন্তিম সূৰুজৰ সোণালী কিৰণে
ফাঁকু সানি আঁকি দিয়া
সোণ বৰণীয়া আভা
নীড়মুখী উধাও হোৱা
বিহঙ্গ দলক, হেপাহেৰে চাই-চাই
হৰিণী নয়ন পতা
ঘনে পিৰিকায়,
আবেগৰ তন্দ্ৰালসে
তন্ময় অলস হৈ
মৃদু আখেজেৰে ভৰা
ভুৰবিৰ দলিচাত,
মূৰ গুঞ্জি শুই পৰা
অনুপম অনন্য দৃশ্যক
প্ৰাণৰ পৰশ সানি,
তুলিকাৰে বোল দিম
তোমাৰ চিত্ৰক।

---

১। "অভিজ্ঞতাৰ সমষ্টিয়েই হৈছে সাহিত্য।"
— ৰিচাৰ্ড —।

# ভেলি অব দি ডলচ

'নিস্তব্ধ
উপত্যকাটোত
বন্ধুৰ কন্দোনে
পৰিবেশটো আৰু গহীন
কৰি পেলাইছিল। এটা দুটাকৈ
মানুহবোৰ আতৰি গ'ল নীৰৱে। ক'ৰ
বাত আৰু হাতুৰী কোবোৱাৰ শব্দ ভাঁহি
আহিল। পুনৰ কাম হ'ব-ঘৰ হ'ব. মানুহৰ
গতানুগতিক কৰ্ম্মতৎপৰতাৰে উপত্যকাটো মুখৰ হৈ পৰিব।'


মমতা দাস।
৩য় বাৰ্ষিক, কলা।


ডাঙৰ ডাঙৰ ঘৰ হ'ব, কাৰখানা হ'ব। সৰু ডাঙৰ নানান মেচিন বহিব। হাজাৰ হাজাৰ মানুহে কাম কৰিব। কথা আৰু কৰ্ম্মব্যস্ততাৰে গোটেইখন মুখৰ হ'ব। বিজুলী চাকিৰ পোহৰত উপত্যকাটো উদ্ভাসিত হ'ব। আৰু যে কত কি!

বহুতো পৰ্য্যবেক্ষণৰ অন্তত এই অঞ্চলটোত কয়লা আবিষ্কৃত হৈছে। বাতৰিটোৱে কাষৰ চহৰখনকে ধৰি সকলো ঠাইতেই বেচ আলোড়নৰ সৃষ্টি কৰিছে। কিন্তু এই পাহাৰীয়া অঞ্চলটো আগৰ দৰেই নিমাত নীৰৱ হৈ ৰ'ল। আচলতে দহমাইলমান বিস্তৃত এই অঞ্চলটো প্ৰায় জনপ্ৰাণীহীন। মাজে মাজে দুই এখন সৰু ফাৰ্ম আছে আৰু তাত কাম কৰা মানুহবোৰ। অৱশ্যে এই সুন্দৰ পাহাৰীয়া উপত্যকাটোত মানুহ একেবাৰেই নাছিল বুলি ক'লে নিতান্তই ভুল কৰা হ'ব। এসময়ত ইয়াতো মানুহ আছিল। সৰু ডাঙৰ অনেক ঘৰৰ অৱশিষ্ট আৰু এটা প্ৰকাণ্ড অট্টালিকাৰ ভগ্নাৱশেষে এই কথা প্ৰমাণ কৰে।

যুদ্ধৰ আগতে এই উপত্যকাটোত

মানুহ আছিল ; আৰু আছিল এটা চঞ্চল মুখৰ পৰিবেশ। কিন্তু যুদ্ধৰ ধ্বংস কাৰ্য্যৰে বোমা-বাৰুদৰ বোৰঁৰে পৰিত্যক্ত অঞ্চলবোৰে যুদ্ধৰ পিচত মানুহবোৰ পুনৰ ঘূৰি নাহিল। হয়তো মানুহবোৰ যুদ্ধত মৰিল নতুবা কৰবালৈ — বহুদূৰলৈ গুচি গ'ল।

এটি ছুটিকৈ বছৰ বাগৰিল। বহুদিন বহুবছৰৰ মৃতবৎ নিৰ্জ্জন অঞ্চলটোত জনসমাগম হৈছে। হাজাৰ হাজাৰ বনুৱা, ইঞ্জিনীয়াৰ, কাৰিকৰ, গৱেষকে অবিৰাম কাম কৰিছে। বনুৱাবোৰৰ উচ্ছ্বাসিত কোলাহ'ল, হাতুৰী বটালীৰ টুং টাং শব্দ, ট্ৰেক্টৰ, ৰ'লাৰ আদিৰ গৰ্জ্জনে নিৰ্জ্জন উপত্যকাটোৰ সুপ্ত প্ৰাণ সঞ্জীৱিত কৰিছে। আৰু কিছুদিনৰ পিচত অঞ্চলটো হৈ পৰিব অন্যতম এক শিল্প প্ৰধান চহৰ। গচ-গছনি ভাঙি পাহাৰৰ গা কাটি ঘৰ দুৱাৰ নিৰ্ম্মাণৰ প্ৰস্তুতি ইতিমধ্যে আৰম্ভ হৈছেই।

চোনিয়া, মিনি, যশোদাহঁতৰ যৌৱ-নোচ্ছল হাঁহিৰ ধ্বনি-প্ৰতিধ্বনিৰে পাহাৰীয়া অঞ্চলটো মুখৰিত হৈ উঠিছে। বনুৱাচামৰ বাবে চোনিয়াহঁতৰ প্ৰতিটো ইঙ্গিতত একো একো'টা বিৰাট অৰ্থ লুকাই আছে। সিহঁতৰ হাঁহি আৰু চাৱনিত এক পুলক ভৰা আকৰ্ষণ বিৰাজমান। আন সকলোতকৈ এই বনুৱা ডেকা গাভৰুচামৰ উদ্যম বেচি। নতুনকৈ হ'বলগীয়া বিস্তীৰ্ন কয়লা খনিটোত ভৱিষ্যতে নিগাজীকৈ থকাৰ হেপাঁহ আৰু কল্পনাত সিহঁতৰ হিয়া মগ্ন। সিহঁতৰ আশাৰ গোপন কলিবোৰ যেন ফুল হৈ ফুলাৰ বতৰ আহিছে। নতুন বতৰটোৰ প্ৰতি জন্মা এই মোহে সকলোকে উন্মনা কৰিছে। আচলতে এই পাহাৰীয়া উপত্যকাটিৰ মধুৰ পৰিবেশে সকলোকে মুগ্ধ কৰি তুলিছিল। অৱশ্যে যান্ত্ৰিক যুগৰ পৰিবেশনে এই শান্ত পৰিবেশৰ যে অতি সোনকালেই অৱসান ঘটাব সেই কথাও কম বেচি পৰিমানে সকলোৱে অনুভৱ কৰিছে।

চোনিয়াই অতি সোনকালেই ঠাই-ডোখৰ ভাল পালে। তাইৰ বন্ধু মহ'লত কথাটো ওলাই পৰিছেই। তাই হেনো যেনে তেনে কয়লাৰ খনিটোত কাম এটা লবই। লগৰ বাকীবোৰে তাইক জোকাবৰ চলেৰে সেয়ে কয় — 'চোনিয়া, তোৰ দৰে ছোৱালীয়ে কয়লাৰ খনিতনো কি কাম কৰিবি! ভাতোকৈ ফাৰ্মৰ কামলৈকে উভতি যা। জন নাথাকিলেও, গছ-বনেৰে ভৰা পথাৰ, পথাৰভৰা গৰু-গাই বোৰতো আছে। তইতো সেইবোৰেই ভাল পাৱ। এই পাহাৰ, গছ-বন আটা-ইবোৰ এটা সময়ত পৰিষ্কাৰ হৈ যাব। কয়লাৰ গুৰি আৰু ধোৱাই গোটেই উপত্যকাটোকেই ক'লা কৰি পেলাব।

তই জানো ভাগ পাবি ? ভাগ পাবি জানো অনবৰত মাটিৰ তলৰ আন্ধাৰত লেম লৈ কাম কৰিবলৈ ?”

মনে মনে গুণি থাকে চোনিয়াই। এৰা, কথাবোৰ মিছা নহয়। প্ৰাকৃতিক সৌন্দৰ্য্যৰে পূৰ্ণ উপত্যকাটোক কয়লাৰ ক'লা ক'লা দৈত্যবোৰে এসময়ত গ্ৰাস কৰি পেলাব। তাতোকৈ তাই ইতিপূৰ্ব্বে কাম কৰা ফাৰ্মখনেই হয়তো বহুত ভাল। কিন্তু…কিন্তু…তাত তাইৰ এটা অতীত লুকাই আছে। যি অতীতক তাই পাহৰিব পৰা নাই খোজে। আৰু জন — যাৰ স্মৃতিয়ে তাইৰ জীৱনত আউল লগাই থাকে, সেই আউল তাই সযতনে ভাঙিব খোজে। সকলো প্ৰস্তুতি কৰা স্বত্বেও সিহঁত এক হ'ব নোৱাৰিলে। ষাড় গৰুৰ জোৱাল শিঙৰ আঘাতত ক্ষত বিক্ষত হৈ প্ৰাণ এৰা জনৰ স্মৃতি সাৱটি তাই বাৰু কি দৰে সেই ফাৰ্মখনত থাকিব পাৰে। চোনিয়াই তাইৰ অকলশৰীয়া জীৱনটোৰ কথা বহুবাৰ ভাবিছে। শৈশৱতে মাক-বাপেকক হেৰুওৱা নিঠৰুৱা চোনিয়াক জনৰ দেউতাকেই নিজৰ পৰিয়ালটোৰ সৈতে সাঙুৰি লৈছিল। সাধাৰণ ভাৱেই ফাৰ্মত কাম কৰি জনৰ দেউতাকে পৰিয়ালটোৰ ভৰণ-পোষণ দিছিল। দেউতাকৰ মৃত্যুৰ পিচত জন আৰু চোনিয়াই ফাৰ্মৰ কাম কৰিবলৈ লৈছিল। কৈশোৰ পাৰ হৈ যৌৱনত ভৰি দিছিল দুয়ো। সিহঁত ডাঙৰ হৈছিল। দুজন হৈছিল। পৰস্পৰৰ সংযত পৰস্পৰৰ বাবে এক নতুন মৰম অন্তৰ্ভূত হৈছিল। সিহঁতৰ মন-প্ৰাণ একেটা সম্পৰ্কত একীভূত হৈছিল। তথাপিতো, সমাজক সাক্ষী ৰাখি সেই বন্ধন দৃঢ় কৰাৰ আগতেই জনৰ মৃত্যু হ'ল। এই বেদনা যিমানেই গভীৰ হ'ল সিমানেই ফাৰ্মখনত কাম কৰাৰ মোহ চোনিয়াই হেৰুৱাই আছিল। আৰু যেতিয়াই কয়লা আৱিষ্কাৰ কৰাৰ কথা তাই শুনিলে, ফাৰ্মৰ চাকৰিটো এৰি থৈ তাই ইয়ালৈ লৰি আহিল। তাইৰ শৈশৱ যৌৱনৰ সকলো আশা-আকাঙ্খা, দুখ-বেদনা অতীতৰ বুকুতে সমাধিস্থ কৰাৰ মানসেৰে তাই এইখিনি পালেহি। আচলতে… আচলতে তাই নিজেই তাইৰ অতীতটোৰ পৰা লুকাই থাকিব খোজে।

দীঘলকৈ হুমুনিয়াহ কাঢ়ি মিনিহঁতৰ সৈতে তাই পুনৰ কামত লাগি যায়। পাহাৰৰ শিল ভাঙি, মাটি খহাই এটা সময়ত তাই বিস্মৃত হয়, তাইৰ দুখ-বেদনা। জীয়াই থকাৰ এক দুৰ্ব্বাৰ বাসনাই তাইক পুলকিত কৰি তোলে। থিক এই উপত্যকাটোতে পাহাৰীয়া নৈখনৰ কাষত সাজিবলৈ লোৱা বনুৱাৰ ঘৰবোৰৰে এটা সৰু ঘৰত থকাৰ অভিলাষক তাই গুপুতে মনত পুহি ৰাখিছে। কি সুন্দৰ এই উপত্যকাখন !

দিনবোৰ আগবাঢ়ি গৈছে। কামৰ

অন্ত নাই। এটাৰ পাচত আন এটা পাহাৰ ভাঙি সমান কৰি দিয়াত সিহঁত ব্যস্ত। কিন্তু মাজে মাজে কিবা এক অজ্ঞান আশঙ্কাই মানুহবোৰক ব্যতিব্যস্ত কৰি তোলে। হাঁহিবোৰ মাৰ যায়। যুদ্ধত অভিশপ্ত উপত্যকাটিৰ অ'ত ত'ত হাড়-মূৰ-জ্কা, বিধ্বস্ত ঘৰবোৰৰ অৱশিষ্ট ভেটি বা অংশই সিহঁতৰ মনত হেৰাই যাব খোজা বহু ভাব বহু স্মৃতিক সজাগ কৰি দিয়ে সিহঁত সচকিত হৈ পৰে। অৱশ্যে সেয়া মুহূৰ্ত্তৰ বাবেহে। এৰি অহা দিনৰ স্মৃতিতকৈ এতিয়া সিহঁতৰ মনত নতুন দিনৰ প্ৰীতি হেপাহ বেচি।

তথাপি — সিহঁত আকৌ এবাৰ সচকিত হৈ পৰিছিল। সকলোৰে শিৰাই শিৰাই উত্তেজনা বাগৰি গৈছিল। পাৰ হৈ যোৱা যুদ্ধৰ সকৰুণ সোঁৱৰণে সকলো আলোচনাৰ শিখৰত স্থান পাইছিল — যেতিয়া সিহঁত বিধ্বস্ত, উৰুলি যোৱা প্ৰকাণ্ড অট্টালিকাটোৰ ভগা দেৱাল বোৰ খহাই পেলোৱাত ব্যস্ত আছিল। মকৰাজালে ছাটি ধৰা অংশবোৰলৈ চাই চোনিয়াহঁত শিঁয়ৰি উঠে। কি যে এক অদ্ভুত পৰিবেশ। সিহঁতে হাঁহি বলৈ পাহৰি যায়। চৌদশ বোবা স্তব্ধতাই আগুৰি পেলায়। ইমান সুন্দৰ উপত্যকা-টিত ইমানবোৰ ধ্বংসস্তূপ। যুদ্ধৰ প্ৰতি বিতৃষ্ণা জন্মে। মনৰ কথা ইজনে সিজনক কৈ কাম কৰি যায়।

কথাটো প্ৰথমে চোনিয়াই মন কৰিলে। তাৰ পিচত তাইৰ বন্ধু মহলত কথাটো এটা ৰহস্য হৈ পৰিল। লাহে লাহে কথাটোৱে বন্নুৰাচামৰ মাজত আলোড়ণ তুলিলে। এদিন সকলোৱে দেখিলে। প্ৰত্যেকৰ মনত নানা প্ৰশ্ন, নানা সন্দেহ। সমাধান কিন্তু নাই।

অট্টালিকাসদৃশ ঘৰটোত কাম কৰাৰ পাছতেই চোনিয়াই মন কৰিলে এজন অচিনাকি বৃদ্ধই লাখুটিত ভৰ দি সিহঁতৰ কামবোৰলৈ নিৰ্বাক দৃষ্টি নিক্ষেপ কৰি ৰৈ আছে। মানুহজন ক্ষীণ, ওখ, পাতল চুলিবোৰ সম্পূৰ্ণ পকা। বয়স হোৱাৰ বাবেই অলপ হাউলি খোজ কাঢ়ে। মানুহজনৰ চকুলৈ ভালদৰে চোৱাৰ সাহস চোনিয়াৰ নহ'ল। চকুজুৰিত বেদনাৰ চিন যিদৰে সুস্পষ্ট সেইদৰে চাৰনিত সেয়া যেন তীব্ৰ একুৰা জুইহে জ্বলিছে। দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে, ঘৰটো ভঙাৰ কাম আগবঢ়াৰ লগে লগে মানুহজন ক্ৰমান্বয়ে বেচি চঞ্চল হৈ পৰিল। বহুতে সন্দেহ কৰিলে, হয়তো যুদ্ধত বেয়াধৰণে আহত আৰু ক্ষতিগ্ৰস্ত হোৱা এই বৃদ্ধজনৰ মগজুৰ বিকৃতি ঘটিছে। নহ'লেনো আটাইবোৰে জাউৰিয়ে জাউৰিয়ে কৰা প্ৰশ্নৰ উত্তৰত মানুহজনে একো কব নাপায়নে? কিন্তু সিহঁতৰ বৰ বেচি ৰবৰ বা ভাবিবৰ অৱসৰ নাই। যন্ত্ৰৰ লগতে সিহঁতো যন্ত্ৰত পৰিণত হৈছে।

কাম, মাথো কাম। বৃদ্ধ জন এটা সাঁথৰ হৈ ৰ'ল।

কিন্তু এটা সময়ত বৃদ্ধই কথা কলে, চিঞৰি উঠিল। মানুহবোৰ বিস্মৃত হ'ল। হাতুৰী বটালীৰ শব্দ স্তব্ধ হৈ গ'ল। ঘটনাটো ঘটিছিল— বিধস্ত প্ৰায় অট্টালিকাটোৰ পূব প্ৰান্তৰৰ উৰলীযোৱা দেৱালখন ভঙাৰ পিচত কেইজনমান বনুৱাই প্ৰায় দহগজ আতঁৰৰ মেগ্নোলিয়া আৰু ইউকোলিপটাচ্‌ গছকেইজোপা কাটিবলৈ লৈছিল। লগে লগে গছ কেইজোপাৰ গুৰিৰ মাটি ডোখৰ খন্দাৰ কামো আৰম্ভ হৈছিল। এনে সময়তে ইমানদিনে এই কামবোৰলৈ একমনে লক্ষ্য কৰি থকা বৃদ্ধই প্ৰায় চোচাঁ মাৰি আহি গছ জোপাৰ মাজৰ মাটি খিনিত শুই পৰিল। সিহঁতে অবাক হৈ বৃদ্ধক আতঁৰাই নিবলৈ বিচাৰিলে যদিও বৃদ্ধই শৰীৰৰ সমস্ত বল দি বিৰোধিতা কৰিলে। এনেকৈ থাকোতেই এবাৰ হঠাৎ বুঢ়াৰ কৰ্কালৰ পৰা চুৰীখন ওলাই পৰিল আৰু ই বৃদ্ধৰ সোঁ বাহুটোত আঘাত কৰাত তেজ বৰলৈ ধৰিলে। তেজৰে ৰাঙলী বৃদ্ধক কেইবাজনো বনুৱাই দাঙি আনি শুশ্ৰুষা কৰিলে। আহত হোৱা অংশটো বান্ধি দিলে। অপ্ৰত্যাশিত ঘটনা সম্বন্ধে বনুৱাবোৰৰ উপৰিও ইঞ্জিনীয়াৰ, কনট্ৰেক্টৰ, গৱেষক সকলো অনিসন্ধিৎসু হৈ পৰিল।

বহুসময় নিশ্চল হৈ পৰি আছিল বৃদ্ধ সকলোৰে আগ্ৰহ আৰু উৎসুকতাৰ উত্তৰত বৃদ্ধই কথা কলে। যুদ্ধৰ কথা: বন্দুক মেচিনগান আৰু বোমা বিস্ফোৰণত হোৱা মানুহৰ মৃত্যুৰ কথা। যুদ্ধৰ পাৰিনতি স্বৰূপে ধ্বংস হোৱা গাওঁ চহৰবোৰৰ কথা। আশ্ৰয়হীন মানুহৰ দুৰ্দ্দশাৰ কথা। দুৰ্ভিক্ষৰ কথা। আৰু ক'লে মনুষ্যত্ব হেৰুৱাই সৃষ্টি কৰা এচাম মানুহৰ আত্মতৃপ্তিৰ পাশৱিকতা কি যে ভয়াবহ! বৃদ্ধই কৈছিল "যুদ্ধৰ আগতে এই পাহাৰীয়া উপত্যকাটিত মানুহ আছিল। আছিল এখন বিৰাট জমিদাৰী। এই অট্টালিকাটো আছিল জমিদাৰৰ বাসভৱন। মই তেতিয়া কৰ্ম্মক্ষম আছিলো। এইখন জমিদাৰীত মোৰ এখন সন্মানিত আসন আছিল। জমিদাৰৰ হাউলীত মই অবাধে যাতায়ত কৰিছিলো। অৱশ্যে থিক জমিদাৰৰ ওচৰলৈ বুলি ক'লে ভুল হ'ব মই আহিছিলো জমিদাৰ পত্নী আৰু কন্যাৰ ওচৰলৈ। জমিদাৰবোৰ সাধাৰণতে যেনে হয়, এওঁ তাৰ ব্যতিক্ৰম নাছিল। নৃত্য-গীত মজলিচ আৰু সুৰা-পান লৈয়েই তেওঁ ব্যস্ত। ৰুগ্ন পত্নী আৰু সুন্দৰী যুৱতী কন্যাৰ বাবে ভবাৰ অৱকাশ তেওঁৰ নাছিল। প্ৰত্যেক নিশা মজলিচ বহে। সেয়া যুদ্ধৰ সময়। তথাপিও তেওঁলোকৰ জীৱনলৈ যুদ্ধই বিশেষ পৰিবৰ্ত্তন আনি দিব পৰা নাছিল। সাধাৰণ প্ৰজাশ্ৰেণীৰ মানুহবোৰ কিছু

পৰিমানে আতঙ্কিত হৈছিল। কিন্তু যুদ্ধ প্ৰতিবোধ কৰাৰ আচনি লবপৈ সিহঁত অপৰাগ. এদিন ওচৰচুবুৰীয়া গাওঁবোৰপৈ সৈন্যৰ আগমন ঘটিল। এদিন দুদিন। তাৰপিচত এনিশা সঘনে বন্দুক-মেচিনগান গৰজি উঠিল। অ'ত ত'ত বোমাবৰ্ষণ হ'ল। জমিদাৰৰ বাসভৱনৰ আশে পাশে গুলিবৰ্ষণৰ শব্দ শুনি মই মোৰ একমাত্ৰ লৰাটো লৈ জমিদাৰৰ ঘৰলৈ লৰৰি আহিলো। মজলিচ সিদিনাও বহিছিল। অথচ মানুহবোৰ কলৈ গ'ল কব নোৱাৰিলো। মোৰ একমাত্ৰ চিন্তা তেতিয়া জমিদাৰ পত্নী আৰু কন্যাৰ বাবে। মোৰ হয়তো যথেষ্ট পলম হৈছিল। ঘন আন্ধাৰ আৰু এক ভয়ানক নিস্তব্ধতাই চাৰিওফালে আবৰি ৰাখিছিল। সদায় উৎসৱমুখৰিত ঘৰটোত মৰিশালীৰ নিৰ্জ্জনতা বিৰাজমান। ঘৰটোত সোমাব খুজিও হঠাৎ অদূৰত বুট জোতাৰ গধুৰ শব্দ শুনি আমি উচপ্ খাই উঠিছিলো। ভয়ত লৰাটোৱে মোৰ হাতত খামুচি ধৰিছিল। শ্বাস-প্ৰশ্বাস বন্ধ কৰি আমি এন্ধাৰৰ আঁৰত লুকাইছিলো। বিকৃত হাঁহিৰে দুজন সৈনিক আমাৰ সন্মুখেৰে আঁতৰি গৈছিল। কিবা এক আশঙ্কাত মোৰ দেহ মন কঁপি উঠিছিল। সদায় আহ থকাৰ উমানৰে এন্ধাৰে এন্ধাৰে আগবাঢ়িছিলো ভিতৰলৈ। বেদনামিশ্ৰিত এটা উচুপনি ক্ৰমান্বয়ে আমাৰ কাষ চাপি আহিছিল। আমি গৈ যেতিয়া সেই বিশেষ কোঠাটো পাইছিলো, দেখিছিলো— তেতিয়াও মৃদু মৃদু জ্বলি থকা চাকিটোৰ পোহৰত—তেজেৰে লুতুৰি পুতুৰি হৈ মজিয়াত পৰি থকা জমিদাৰ কন্যাক। অসহ্য যন্ত্ৰনাত তাই ছাটি ফুটি কৰি উচুপি আছিল। আৰু জমিদাৰ পত্নী? নিশ্চল ভাৱে মজিয়াৰ এচুকত উবুৰি খাই পৰি আছিল। কি বীভৎস দৃশ্য! ক্ষন্তেকৰ বাবে মই চেতনা হেৰুৱাই পেলাই দিছিলো। যেতিয়া সম্বিত ঘূৰাই পালো, লৰালৰিকৈ জমিদাৰ পত্নীৰ কাষলৈ গৈ ব্যস্ততাৰে নাড়ী পৰীক্ষা কৰি চালো ইতিমধ্যেই মানুহগৰাকীৰ মৃত্যু হৈছিল। হয়তো চকুৰ আগতে ধৰ্ষিতা কন্যাৰ লাঞ্ছনা সহিব নোৱাৰি হৃদৰোগত ভোগা মানুহগৰাকীৰ মৃত্যু হৈছিল। ছোৱালীজনীয়ে তেতিয়াও ক্ষীণভাৱে লৰচৰ কৰি আছিল। মই তাইৰ কাষলৈ গলো। তাই মোক বৰ কষ্টেৰে পানী খুজিলে। মই পানী আনিবলৈ আগবাঢ়ি যাওঁতেই এক করুণ আৰ্ত্তনাদ শুনি উভতি চালো। আচলতে তাই এটা সুবিধা বিচাৰিছিল। মই মন কৰাই নাছিলো সৈনিক এজনৰ বন্দুকৰ পৰা অসাবধানতাৰ বাবে খহি পৰি যোৱা বেনেটৰে তাই নিজৰ বুকুত শেষ আঘাত মাৰি দিলে। মোৰ লৰাটোৱে দুহাতেৰে চকু ঢাকি চিঞৰি উঠিছিল। মই কান্দিব পৰা নাছিলো। তাৰ পাছত মই মোৰ

লৰাটোৰ সৈতে দুয়োৰে শ দুটা আ'নি মেগ্নোলিয়া আৰু ইউকেলিপটাচ্ গছ দুজোপাৰ মাজৰ এই মাটি দোখৰতে সমাধিস্থ কৰিলো। সেইখিনি কাম কৰোঁতে আমি দুয়ো খুউব কান্দিছিলো। গুলীবৰ্ষণৰ শব্দ তেতিয়া ক্রমাৎ ক্ষীণ হৈ আহিছিল। কিন্তু ধোৱাঁ আৰু বাৰুদৰ গোন্ধে তেতিয়াও গোটেই উপত্যকাটো ছাটি আছিল' জমিদাৰৰ হাউলীটোত শেষ দৃষ্টি ফুৰাই আন্ধাৰৰ মাজেদি আগবা-ঢ়োতে অনুভৱ কৰিছিলো হিয়া ভৰা যন্ত্রনা। জীৱিত মানুহৰ চিনচাব নাছিল। কেৱল অ'ত ত'ত মৰাশবোৰ পৰি আছিল। এনেকৈ গৈ থাকোঁতে হঠাত ক'ৰবাৰ পৰা অগা গুলী এটাই লৰাটোৰ বুকু ভেদ কৰি গ'ল। চকুৰ আগতে মোৰ সন্তানৰ মৃত্যু হ'ল। সকলো হেৰুৱাই মোৰ স্মৃতিও লুপ্ত হ'ল। ইমানদিন কেনেকৈ ক'ত ঘুৰি ফুৰিলো মনত নপৰে। কেনেকৈ আকৌ এইখিনি পালোহি মযো নাজানো' কিন্তু ইয়ালৈ অহাৰ লগে লগে মোৰ সকলো মনত পৰিল। দেখিলো, ইয়াত বহুত মানুহ। বহুতো নতুন ঘৰ সাজিবলৈ লোৱা হৈছে। দেখিলো মোৰ সন্মুখতে জমিদাৰৰ হাউলী মাটিৰ লগত মিহলি হৈ গ'ল মই নিমাতে আছিলো। কিন্তু যেতিয়া সেই মাটিডোখৰ খান্দিবলৈ লোৱা হ'ল, মই অস্থিৰ হৈ পৰিলো। কাৰণ, সেয়াই যে তেওঁলোকৰ সমাধি। য'ত হয়তো তেওঁলোক ইমানদিনে শান্তিৰে আছিল। আপোনালোকে তেওঁলোকক শান্তিৰে শুই থাকিবলৈ দিয়ক" বৃদ্ধৰ কথাবোৰ কান্দোনত থোকাথুকি হৈছিল।

নিস্তব্ধ উপত্যকাটোত বৃদ্ধৰ কান্দোনে পৰিবেশটো আৰু গহীন কৰি পেলাইছিল। এটা দুটাকৈ মানুহবোৰ আতৰি গ'ল নীৰৱে। ক'ৰবাত আকৌ হাতুৰী কোবোৱাৰ শব্দ ভাঁহি আহিল। পুনৰ কাম হ'ব— ঘৰ হ'ব, মানুহৰ গতানুগতিক কৰ্ম্মতৎপৰতাৰে উপত্যকাটো মুখৰ হৈ পৰিব। কিন্তু চোনিয়া? যুদ্ধৰ প্ৰতি এক তীব্র ঘৃণা অন্তৰত লৈ তাই স্তব্ধ হৈ থিয় হৈ থাকিল। তাই...... তাই হয়তো এই উপত্যকাত আৰু নাথাকিব।

॥ ভেজি অব দি ভলাচ, ॥ ১৪ ॥

॥ অন্তরালত ॥ ২১ ॥

॥ আক্ষেপ ॥ ২৬ ॥

॥ বিভ্রান্ত মন ॥ ৩০ ॥

# অন্তৰালত

উজ্বলা দত্ত।
প্ৰাক্‌বিশ্ববিদ্যালয়, কলা।

"তোমাক বাকহীনা কৰাৰ মূলতে মোৰ দেউতা, তাক তুমি নাজানা। মই জানিলো দেউতাৰ ডায়েৰীৰ পৰা আৰু তেখেতে কৰা পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ মই তোমাক গ্ৰহণ কৰিব খুজিছো। যাবা বাবৰি? যাবা তুমি মোৰ জীৱনৰ মজিয়ালৈ?"

কোনেও ভাবিব নোৱাৰাকৈ বাবৰি বাইদেউৰ আজি চাৰিদিনৰ আগতে বিয়া হৈ গ'ল। মা, দেউতা, মই, স্বপ্নালী কোনোৱে এদিনলৈও ভবা নাছিলো বাবৰি বাইদেউৰ যে এদিন বিয়া হব কোনোৱেই ভাবিব পৰা নাছিল। বাবৰি বাইদেউৰ বাবে সেয়া আছিল ভয়াবহ কল্পনা। দেউতাই নিৰাশাৰ হুমুনিয়াহ কাঢ়ি মোক প্ৰায়ে কৈছিল – "পাপৰিমাই, মোক ভাগ্যই বৰ বেয়াকৈ প্ৰবঞ্চনা কৰিলে। বাবৰিজনীৰ ধুনীয়া মুখখন এনেদৰে দিনৰ পিচত দিন ধৰি কেনেকৈ চাই থাকিম বাৰু?" এয়া আছিল দেউতাৰ ভগ্নহিয়াৰ বেদনা-বোধৰ স্বাক্ষৰ। মাই নিৰলাত বহি চকুলো টুকিছিল বাবৰিবাইৰ ভাগ্য বিপৰ্যায়ক লৈ। স্বপ্নালীয়ে প্ৰতিদিনে মোক আমনি কৰিছিল—"পাপৰি বাই, বাবৰি বাইৰ বাবে কিবা অকণমান কৰিব নোৱাৰিমনেকি? যিকণ কৰিলে বাবৰিবাইৰ জীৱনটোৱে অকণমান হাঁহিবলৈ পাব?" মোৰ হাঁহি উঠিছিল নৱম শ্ৰেণীত পঢ়া এতিয়াও তেনেই সৰু ছোৱালী হৈ থকা স্বপ্নালীৰ কথাত। তাইৰ নিটোল বগা গালখনত চুমা এটা আঁকি দি কৈছিলো—"বাবৰিবাইৰ বাবে আমি কোনোৱেই একো কৰিব নোৱাৰিম স্বপ্না। ভাগ্যই বৰ বেয়াকৈ উপহাস কৰিলে অপৰূপা বাবৰি বাইদেউজনীক।" মোৰ পৰা সন্তোষ জনক

সমিধান নাপাই স্বপ্নালীয়ে অন্য কথাৰ আঁত বিচাৰিছিল। আৰু মই ?? মই যেন পলাৰ বিচাৰিছিলো ৰাবৰি বাইদেউৰ কাষৰ পৰা। সেমেকা চকুহালিৰে অনবৰতে কিবা ভাবি থকা ৰাবৰিবাইজনীৰ মুখলৈ মই মূৰ তুলি চাব নোৱাৰা হৈছিলো। উদাস দৃষ্টিৰে বিচনাত বহি থকা ৰাবৰিবাইক মায়ে এদিন কৈছিলে আনন্দ মনেৰে থাকিবলৈ। কিন্তু সেইদিনা ৰাবৰিবায়ে হুকুহুকাই কান্দি দিছিল। মোৰ অনুমান হৈছিল ৰাবৰিবাই যেন বুজি পাইছে, ঘৰখনৰ ৰংবোৰ হেৰাই যোৱাৰ মূলতে তেওঁ। কিন্তু ৰাবৰিবাইৰ বাবে কোনো উপায় নাছিল। সচাঁ, পৃথিবীত ৰাবৰিবাইৰ যেন জন্ম অকল কান্দিবৰ বাবেই। ইমান মন যায় ৰাবৰিবাইক ৰাংঢালী ৰূপত চাবলৈ। কিন্তু ৰাবৰিবাই যেন হাঁহিবই নাজানে। হাঁহিলেও ৰাবৰিবাইক কন্দাৰ দৰে দেখি।

পৃথিবীখন পুৰাতন হৈ গৈ আছিল। দিনবোৰৰ লগে লগে ঘৰখনলৈ সামান্য পৰিৱৰ্ত্তন নামিছিল। মই কলেজীয়া জীৱনৰ শেষ সীমাত থিয় হৈছিলো আৰু স্বপ্নালীয়ে স্কুলীয়া জীৱন শেষ কৰি কলেজত ভৰি দিছিল।

স্বপ্নালী মৰম লগাকৈ ডাঙৰ হৈ আহিছিল। ঘৰখনৰ অস্বাভাৱিক গহীন পৰিবেশটো তাইৰ সহজাত ৰাংঢালী মনটোৰে সৰস সজীৱ কৰি তুলিবলৈ যত্নপৰ হৈছিল। দেউতাই চৰকাৰী কামৰ পৰা অৱসৰ লৈছিল। দেউতাৰ চুলিবোৰত বয়সৰ ৰূপালী দাগ পৰিছিল। দিনে দিনে দেখিছিলো আমাৰ কোমল মুখৰ মাজতো যেন বৰ বেয়াকৈ বয়সে চুই গৈছিল। আৰু ৰাবৰি বাইদেউ! তাই এইবোৰৰ মাজত নীৰৱ দৰ্শকৰ ভূমিকালৈ চকুপানী টুকিছিল। নিজম নিশা সাৰ পাই বহুদিন শুনিছিলো মাই উপায়হীন হৈ উচুপি উচুপি কান্দিছে। আৰু দেউতাই যেন সপোনতে ভাগ্যৰ লগত প্ৰতিদ্বন্দ্বিতা চলাইছে। কাণ দুখন সজোৰে বন্ধ কৰি মই বাগৰ সলাই শুবলৈ যাওঁ। কিন্তু কোনো দিনেই মোৰ টোপনি ধৰা নাছিল। স্বপ্নালীক সাৱটি ধৰি মই কান্দি পেলাইছিলো।

কিন্তু হঠাৎ এদিন ৰাবৰিবাইদেৱে অপূৰ্ব-ৰূপে হাঁহি দিছিল। নাহাঁহিবই বা কিয়? ৰাবৰিবাইৰ ভাষাসনা চকুযুৰিৰ, মৰম সনা চাৱনিৰ যে সমিধান দিবলৈ এক সুন্দৰ যুৱক স্বেচ্ছাই আগুৱাই আহিল। সেই দিনা আমাৰ ঘৰত এটা আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হৈছিল। স্বপ্নালীয়ে সুখ্যাতিৰে প্ৰাকবিশ্বৱিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হোৱা বাবে দেউতাই চাহমেলৰ আয়োজন কৰিছিল। অতিথিয়ে আমাৰ ঘৰ ভৰি পৰিছিল। সন্ধ্যা ভগাৰ পিচত

সকলোটি ঘৰাঘৰি গ'ল। তেনেসময়তেই আহিছিল শেষ অতিথি হিচাবে ডাঃ নিশান্ত চলিহা। আমাৰ কম্পাউণ্ডৰ ভিতৰতে থকা সৰু ভাড়া ঘৰটোলৈ অহা নিশান্ত চলিহাৰ কথা দেউতাৰ মুখত শুনিছিলো। শুনিছিলো খুউব মাৰ্জিত, অমায়িক ভদ্ৰ ল'ৰা বুলি। শুনিছিলো চহৰত নিশান্ত চলিহাই ভাল চিকিৎসক হিচাবে খুব কম সময়ৰ ভিতৰতে বেছ নাম কাঢ়িছে। কিন্তু চিনাকি হোৱাৰ সৌভাগ্য হোৱা নাছিল। সেইদিনা দেউতাই নিশান্তদাদাৰ লগত আমাক চিনাকি কৰি দিছিল। মিঠা মুখৰ নিশান্ত দাদাই সেইদিনা হাঁহি হাঁহি ঘৰলৈ উভতিছিল। তাৰ পিচত নিশান্তদাদা প্ৰতিদিনে আমাৰ ঘৰলৈ আহিছিল। মা-দেউতাৰ মৰম, মোৰ ও স্বপ্নালীৰ শ্ৰদ্ধাই আৰু বাবৰিবাইৰ চকুৰ ভাষাই নিশান্ত দাদাক আবৰি ৰাখিলে। দিনে দিনে আমাৰ লগত নিশান্তদাৰ মৰমৰ বান্ধ কটকটীয়া হৈ আহিল। নিশান্ত দাদা অসম্ভৱ সুখী যেন অনুমান হ'ল। আৰু এদিন দেউতাৰ কাষত বহি তেওঁ বহুত সময় অকলশৰীয়াকৈ কথা পাতি দেউতাই বাবৰিনজনা বহুত কথাই ব্যক্ত কৰিলে। বাবৰিবাইৰ কাষত সহজতে পৰিছিল নিশান্তদা। এদিন হঠাৎ বাবৰিবাইৰ কোঠালৈ সোমাই দেখিছিলো বাবৰিবাইৰ কাষত বহি নিশান্তদাই বাবৰিবাইক কিবা কৈছে। কিন্তু বাবৰিবাই প্ৰত্যয় যোৱা নাই। কথাটো সবিশেষ জনাৰ আগ্ৰহ লৈ মই নিশান্তদাদাৰ কাষলৈ আগুৱাই গৈছিলো। নিশান্তদাদাই মোৰ আগ্ৰহৰ যেন বুজি পাইছিল। আৰু হাঁহি হাঁহি কৈছিল "পাপৰি মই বাবৰিক ভাল পাই পেলাইছো। তোমালোকৰ ঘৰখনৰ সন্মতি পালেই মই তেওঁক বিয়া কৰাবলৈ প্ৰস্তুত।" বিস্ময়, আনন্দত মই হতবাক হৈ গৈছিলো নিশান্তদাদাৰ কথা শুনি। বাবৰিবাইলৈ চাই দেখিছিলো বাবৰিবাই হাঁহি হাঁহি কান্দিছে। মই নিশান্তদাৰ কাষৰ পৰা সেইদিনা দৌৰ দিছিলো মাৰ কাষলৈ, স্বপ্নালীৰ কাষলৈ।

অপ্ৰত্যাশিত ভাৱে আমাৰ ঘৰখনলৈ এক বুজাব নোৱাৰা আনন্দৰ ঢল নামি আহিছিল। দেউতাৰ বয়স যেন ত্ৰিশ বছৰ মান কমি গৈছিল। তথাপি ? তথাপি যেন আমি কোনোৱে সম্পূৰ্ণ ৰূপে সুখী হব পৰা নাছিলো। মাই বাবৰিবাইৰ অসম্পূৰ্ণ জীৱনক লৈ চিঞৰি চিঞৰি কান্দিছিল। দেউতাই বাবৰিবাইৰ জীৱনৰ দাৰুণ স্মৃতিবোৰক সুঁৱৰি চকুলো টুকিছিল। মই ও স্বপ্নালীয়ে নিশান্তদাৰ মৰমৰ উদাৰ ৰূপটোৰ কথা আলোচনা কৰিছিলো। নিশান্তদাদা কিন্তু দৃঢ় প্ৰতিজ্ঞ। বাবৰিবাইক তেওঁ বিয়া কৰাবই। নহলে দুটা জীৱন সম্পূৰ্ণ অসুখী হৈ ৰব। কিন্তু বাবৰিবাই ৰাজী হব পৰা নাছিল। এই প্ৰস্তাৱত নিশান্তদাদাক আপোন কৰিব

খুজিও যেন তেওঁ আপোন কৰিবলৈ অপাৰগ। নিজৰ ভাগ্যলিপিক লৈ বাবৰি-বাই যেন চকুৰ পানীৰে পৃথিৱীখন তিয়াই দিব। ইতিমধ্যে নিশান্তদাদা প্ৰায় প্ৰস্তুত হৈ উঠিছিল। কিন্তু হঠাৎ এদিন নিশান্ত-দাই আমাৰ মুখে যোৱাৰ গম পালে বাবৰিবাই কোনো পধ্যেই বিয়াত বাজী হব পৰা নাই তেতিয়া দেখিলো নিশান্তদাই হাঁহি মুখে বাবৰিবাইৰ কোঠাৰ ফালে আগুৱাই গৈছে। বাবৰিবাই নিশান্তদাক দেখি করুণ চাৱনীৰে দৃষ্টি নিক্ষেপ কৰিছিল আৰু সেইদিনা বাবৰিবাইৰ আগত নিশান্ত-দাই সকলো কথাকেই ভাঙি কৈছিল। চকুত মিঠা মৰম সানি নিশান্তদাদাই লাহে লাহে কৈ গৈছিল – "জানা বাবৰি, তোমাক চিৰজীৱনৰ বাবে ক্ৰন্দসী কৰাৰ মূলতে মোৰ দেউতা। ইয়াত কোনেও নাজানে সেই ৰহস্য। আনকি ময়ো নাজানিছিলো। কিন্তু ভগৱানৰ আশীৰ্ব্বাদত মই জানি উঠিলো। এইয়া সময়ে শুৱাই থোৱা দহটা বছৰৰ আগৰ কথা। তুমি তেতিয়া খেলিবলৈ ভাল পোৱা ফুটফুটীয়া ৰং-বিৰঙৰ ফ্ৰক পিন্ধা অকণমান ছোৱালীজনী। বহুতো লৰা ছোৱালীৰ দৰে বালিঘৰ সাজি ধেমালিতে ভাত ৰান্ধি কইনা দৰাৰ বিয়া পাতি তুমি ৰঙিয়াল হৈছিলা। সেই বিশেষ দিনটোত তোমালোকৰ ঘৰৰ সন্মুখত ধূলি বালি লৈ বালিঘৰ সজাত তুমি ব্যস্ত হৈ উঠিছিলা। বালিঘৰটো সমনীয়া ছোৱালী এজনীয়ে ভাঙি দিছিল হয়তো, নতুবা আন এটা নতুন ঘৰ সজাৰ অভিলাষেৰে তুমি কান্দ কান্দি দৌৰ দিছিলা আলিৰ ইপাৰৰ ঘৰটোৰ কাষলৈ। কিন্তু ৰাজ আলিত বৰ্তা তেজৰ চেকুৰা এ'ৰ তুমি পাৰ গৈছিলা; মুখত আৰু মূৰত তুমি অসম্ভৱ ৰূপে আঘাত পাইছিলা। তোমাক আঘাত কৰা গাড়ী-খন, তাৰ চালক মোৰ দেউতাই পিচলৈ উলটি নোচোৱাকৈ প্ৰচণ্ড গতিৰে পাৰ হৈ গৈছিল। সদায়ে নিয়মিত মাত্ৰাত মদ খোৱা দেউতাই কিয় কব নোৱাৰো সেইদিনা অতিৰিক্ত মদ খাইছিল। যাৰ ফলত হেনো সেই দুৰ্ঘটনা ঘটিছিল। তাৰ পাচত গম নাপালো তোমাৰ বেদনাভৰা জীৱনটোৰ ইতিহাস খনৰ সম্ভেদ। কিন্তু সুদীৰ্ঘ দহটা বছৰৰ পিচত এইয়া তোমাক লগ পালো এজনী বোবা ছোৱালী হিচাবে। তোমাক বাকহীন কৰাৰ মূলতে মোৰ দেউতা তাক তুমি নাজানা। মই জানিলো দেউতাৰ ডায়েৰীৰ পৰা আৰু তেখেতে কৰা পাপৰ প্ৰায়শ্চিত কাৰবলৈকে মই তোমাক গ্ৰহণ কৰিব খুজিছো। এজন বিখ্যাত মনো-বিজ্ঞানীৰ আশ্বাস অনুযায়ী মই তোমাক লৈ অলপতে কলিকতালৈ যাম তোমাৰ চিকিৎসাৰ বাবে। নিশ্চয় তুমি ভাল হবা। যাবা বাবৰি ?? যাবা তুমি মোৰ জীৱনৰ মজিয়ালৈ ?" মুখত আগ্ৰহ লৈ উত্তৰৰ বাবে ৰৈ থকা নিশান্তদাক বাবৰিবাই উত্তৰ দিব খুজিও দিব নোৱাৰি কান্দি দিছিল।

তাৰ পিচত চকুলো মচি টেবুলৰ পৰা কাগজ এখন আনি লিখিছিল—"তোমাৰ মৰমে, মনৰ উদাৰতাই মোক উন্মনা কৰিছে। তোমাৰ আহ্বান মই উপেক্ষা কৰিব নোৱাৰিম।"

তাৰ পিচত সুন্দৰ ভাবে, সুপৰিকল্পিত ভাবে বিয়াখন হৈ গৈছিল আজি চাৰি-দিনৰ আগতে। কোনেও ভাবিব নোৱাৰাকৈ নিশান্তদাই বাবৰিবাইক বিয়া কৰালে। দুয়োকে সম্পূৰ্ণ সুখী যেন অনুভব হৈছিল। মুখেৰে নকলেও বাবৰিবাই চকুৰে বুজাব পাৰিছিল, নিশান্তদাৰ লগত তেওঁ সুখী হব পাৰিছে। হাঁহি হাঁহি বামুণে শিকাই দিয়া মন্ত্ৰ মতা নিশান্তদাটোলৈ মই সকলোৰে অলক্ষিতে লক্ষ্য কৰিছিলো। দেখিছিলো নিশান্তদাৰ মুখত পৃথিৱী বিজয়ৰ আনন্দ। সেই মুখত বেদনাৰ কোনো ছাঁ নাই। নিশান্তদাই যেন নাজানে বাবৰিবাই এজনী বাকহীনা ছোৱালী। ইমান জটিল পৃথিৱীখনত বাবৰিবাইক ইমান সহজে গ্ৰহণ কৰা নিশান্তদালৈ মোৰ অত্যন্ত মৰম লাগিছিল। আমি কোনেও নভবাকৈ বিয়া হ'ল। কোনোৱে ভবা নাছিলো ; মা, দেউতা, স্বপ্নালী মই·········আনকি বাবৰিবাইও।

১৯২

যি জনৰ আনৰ দুখত দুখী হ'ব পৰা অন্তৰ এখন আছে সেইজন ব্যক্তি বহুতো তথাকথিত শিক্ষিত জনতকৈ অধিক শিক্ষিত, তথাকথিত জ্ঞানীজনতকৈ অধিক জ্ঞানী।

— হেম বৰুৱা।

# আক্ষেপ

শ্ৰীখগেশ্বৰ গোহাঁই।
২য় বাৰ্ষিক, কলা।

'ভাবি গ'ল অনুলেখাই কিয় বাক বিৰোৱে আজিও বিয়া কৰোৱা নাই। অৱশ্যে বিয়া কৰোৱাৰ সময় এতিয়াও বিৰোৰ পাৰ হৈ যোৱা নাই। তথাপি জীৱনৰ আন আন অংকবোৰ মিলি যোৱাৰ লগে লগে এই অংকটোও কিয় মিল নগ'ল। সে সি অনুলেখাৰ বাবেই .. ... ...।"

কাণৰ ওচৰত পোন্ পোন্ কৈ মহজনীয়ে ক'ত পৰিম বুলি ভাবি থকাৰ দৰে অনুলেখায়ো ভাবি গ'ল তাই এই আঠাইশ বছৰীয়া জীৱনৰ কোনটো মুহূৰ্তৰ কোনটো ক্ষণত আজিৰ দৰে চৰম পৰাজয়ৰ সূচনা হৈছিল। ভাবি গ'ল অনুলেখাই। ভাবি ভাবি এটা সময়ত হতাশ হৈ ড্ৰইং ৰুমৰ পোনৰ শোৱনী কোঠালৈ সোমাই গ'ল। পালেং খনত নিশ্চুপ হৈ শুই থকা মালালৈ একেৰাহে চাই ৰ'ল অনুলেখাই। টোপনিতে মালাক আলফুলে হাতবুলাই ফুল কোমল যেন গাল দুখনিত চুমা খালে এটা, দুটা, কেইবাটাও: কিবা এক অনামী তৃপ্তিত ভৰি পৰিল অনুলেখাৰ মনটো। এইবাৰ মালাক তাই গালে উঠৌ জোৰেৰে চুমা খাই দিলে। তাই ইচ্ছা কৰিছিল মালা যেন সাৰ পাই যক আৰু তাইক যেন আমনি কৰক। কিন্তু সাৰ নাপালে মালাই, তাই পৰি থাকিল চেতনাহীন এটুকুৰা জড় পদাৰ্থৰ দৰেহ।

এটা সময়ত তাই ওলাই আহিল শোৱনী কোঠাৰ পৰা। পুনৰ তাই বহি পৰিল ড্ৰইং ৰুমৰ বেতৰ চকী খনতে। ঘড়ীটোলৈ চাই তাই আঁতৰি হৈ পৰিল। চাৰি বাজিবলৈ এতিয়াও ডেৰঘণ্টা বাকী। চাৰি বজাতে বিকাশ আহি পাবহি। ভাবি ভাবি অকাৰণতে তাইৰ বিকাশলৈ খং উঠি গ'ল। মানুহজনে কেনে কিতাপ আৰু ছিগাৰেটহে চিনি পায়। কিন্তু কিতাপৰ জগতখনত যে সকলোৱে সমানে আনন্দ লাভ কৰিব নোৱাৰে হয়তো সেই কথা সি অনুভৱেই কৰিব নোৱাৰে। কিয় জানো আজি তাই বিকাশৰ উপস্থিতি কামনা কৰিও যেন নকৰিলে।

বিৰোক লগ পোৱাৰ পৰা তাইৰ মনটো কেনেবা কেনেবা লাগি আছে। অথচ তাই ইচ্ছা কৰিলেই বিৰোক লগ পাবলৈ গৈছিল। বিৰো এজন নামী ডাক্তৰ। অনুলেখাৰ একমাত্ৰ ছোৱালী মালাৰ বাবেই তাই পুনৰ বিৰোৰ ওচৰলৈ যাব লগা হ'ল। জন্মৰ দুবছৰ মানৰ

পাচতেই এটা ডাঙৰ বেমাৰ হৈছিল। এক-মাত্ৰ জীয়েকৰ এই দুখত বিকাশ মৰ্ম্মাহত হৈ পৰিছিল। বহুতো চিকিৎসকক দেখুৱাইছিল কিন্তু ফল একো নাপাইছিল। অৱশেষত অনুলেখাৰ উপদেশ ক্ৰমে তেওঁলোক বিৰোৰ কাষ চাপিলে।

বিৰোৰ প্ৰথম দৰ্শনেই অনুলেখাৰ স্মৃতিৰ পৰ্দ্দাত অতৰ্কিতে চমকি উঠিছিল আজি আঠোটা বছৰৰ আগৰ কথ বোৰ। অনুলেখাৰ ইচ্ছা নাছিল আকৌ সেই অতীতলৈ ঘূৰি যোৱাৰ। কিন্তু অজানিত ভাবেই তাই ঘূৰি যাবলৈ বাধ্য হ'ল সেই অতীত বোৰলৈ। ভাবি গ'ল অনুলেখাই বিকাশ আৰু বিৰো দুজন একেই মানুহ। একেই সমান সামাজিক মৰ্য্যদা সম্পন্ন, একেই সমান ধুনীয়া। কিন্তু যেতিয়া বিৰোৰ লগত অনুলেখাই ফাগুনৰ দুবৰি বনত লিহিৰি লিহিৰি খোজ পেলাই ধীৰ পদক্ষেপেৰে দিগন্তৰ সীমা বিচাৰি গৈছিল তেতিয়া বিকাশক লগ পোৱা নাছিল। যৌৱনৰ প্ৰথম পুৱাত যেতিয়া অনুলেখাৰ সৰ্ব্বশৰীৰ কঁপি উঠিছিল তেতিয়া তাই বিকাশক লগ পোৱা নাছিল।

যি বিৰোৱে এদিন তাইৰ অন্তৰত যৌৱনৰ প্ৰথম সঁহাৰি দি গৈছিল সেই বিৰোৱেই এদিন তাইৰ কাষৰ পৰা আঁতৰি গৈছিল। তাই বিশ্বাস কৰিব পৰা নাছিল বিৰো যে তাইৰ কাষৰ পৰা চিৰ দিনৰ বাবেই আঁতৰি গৈছে।

কিন্তু সি চিৰ দিনৰ বাবেই আঁতৰি গৈছিল। সি কৈছিল "লেখা, তোমাৰ ভাল পোৱাৰ ওপৰত মোৰ কোনো আস্থা নাই" অনুলেখাই প্ৰশ্ন কৰিছিল— "কিয় ?"

"কিয় তুমি নিজেই সোধা, যি নাৰীয়ে একেলগে কেইবা জনকো ভাল পাব পাৰে সেই নাৰীৰ প্ৰেমৰ ওপৰত মোৰ কোনো আস্থা নাই। মই ভাবো ভাল মানুহে জীৱনত এবাৰ এজনকহে ভাল পাব পাৰে।" হাঁহি হাঁহি অনুলেখাই উত্তৰ দিছিল— "আপুনি খুউব classical minded." "আৰু তুমি— তুমি হবলা শতিকাৰ উদ্‌ভ্ৰান্ত নাৰীহে যৌৱন— উন্মাদনা মহাকাশত লালসাৰ ৰকেট উৰোৱাইছা।" "তাৰমানে আপোনাৰ মতে মই এজনী বেশ্যা।"

"ধন্যবাদ, তোমাৰ লগত তৰ্ক কৰিবলৈ যোৱাটো মোৰ নিজৰেই ভুল।"

ভাবি গ'ল অনুলেখাই। এইয়া জানো দোষ আছিল অনুলেখাৰ। সেই সময়ত কোনেনো কাৰ মৰম বুটলিবলৈ নিবিচাৰে বাৰু? একেলগে কেইবাজনকো ভাল পোৱা নাৰী জানো কেৱল অনুলেখাই আছে। তাইৰ লগৰ ছোৱালী বহুতেইতো সেই সময়ত কেইবা জনৰো লগত প্ৰেমৰ সম্পৰ্ক ৰাখিছিল। ছোৱালী বিলাকৰ জীৱনলৈ এনে এটা বয়স আহে যিটো বয়সত প্ৰত্যে-

কজন ধুনীয়া ডেকাৰেই প্ৰেমত আপোন লাগি যায়, যিটো বয়সত বহুতো ডেকাৰ ধুনীয়া ছাঁহিৰে অনুৰাগৰ ভেতুপাতৰ বোলৰ দৰে হৈ পৰে মনটো, সেয়ে তেনে এটা বয়স আহিছিল অনুলেখাৰ জীৱনলৈও। সেই বয়সতেই পৰি অনুলেখাই ভাল পাইছিল বহুতো ডেকাক। বহুতো ডেকাৰ পৰা প্ৰেম পত্ৰ গ্ৰহণ কৰিছিল। বহুতে কেৱল অনুলেখাৰ ৰূপৰ খ্যাতি প্ৰশংসা কৰিয়েই ক্ষান্ত আছিল। গৌৰৱত অনুলেখাৰ বুকু ফুলি গৈছিল। কিন্তু সেয়া জানো প্ৰেম আছিল? নিজকেই প্ৰশ্ন কৰিলে অনুলেখাই। হয়তো বহুতৰ মাজত এজনকহে ভাল পাইছিল, এজনকহে অন্তৰত ঠাই দিছিল, হয়তো সেইজনেই আছিল বিৰো। সিহঁতৰ এজনৰ লগতো অনুলেখাৰ বিয়া নহ'ল। অথচ অনুলেখাৰ বিয়া হ'ল এনে এজন মানুহৰ লগত যি জন মানুহৰ ভাই সেই সময়ত ছাঁটোও দেখি নাপাইছিল।

ভাবি গ'ল অনুলেখাই এটা এটাকৈ আঠোটা বছৰৰ ব্যৱধানত স্মৃতিৰ বুকুত লীন হৈ যোৱা বিৰোৰ কথা। তথাপিও কেতিয়াবা মনৰ সংগোপন স্থপীত বিৰোৰ কথা মনত পৰিলে অজানিতে বুকুৰ কোনোবা এটা চুকত বিষাই উঠে। সময়ৰ নিষ্ঠুৰ পৰশে এই স্মৃতি নিঃচিহ্ন কৰিবলৈ বিচাৰিলেও ৰিণি ৰিণি মনত পৰে বিৰোৰ কথা।

অৱশ্যে ইচ্ছা নাছিল অনুলেখাৰ আকৌ সেই অতীতলৈ ঘূৰি যোৱাৰ। কিন্তু কিয় জানো ইচ্ছা গ'ল বিকাশৰ সহধৰ্মিনী হৈ বিৰোৰ আগত এবাৰ দেখা দিয়াৰ। গতিকে অনুলেখা গ'ল বিৰোৰ ওচৰলৈ একমাত্ৰ পাঁচ বছৰীয়া জীয়েক মালাৰ বাবে নিজকেই সাজ কাচি ধুনীয়া কৰি নিলে অনুলেখাই। মালাৰ কেচটো serious ভাবেই লৈছিল। বিৰোৱে কৈছিল -- 'এই ধৰণৰ পেচেণ্ট মই এইবাৰহে লগ পাইছো। তথাপিও ভাল কৰিবলৈ মই যৎপৰোনাস্তি চেষ্টা কৰিম বাৰু।''

'আপুনি বোধহয় মোৰ ভুল বুজিছে। তায়েই মোৰ একমাত্ৰ ছোৱালী, যদি আপুনি ভাল কৰি দিব পাৰে তেন্তে আপোনাৰ ওচৰত মই কিদৰে কৃতজ্ঞতা জনাম নিজেই নাজানো।'' ''আশীৰ্বাদ কৰক আপোনাৰ ইচ্ছা যাতে মই পূৰণ কৰিব পাৰোঁ।''

সেইদিনা ইটো সিটো বহুতো কথা পাতিছিলে বিৰোৰ লগত। বিৰোৱে কৈ গ'ল বহুতো কথা। কেনেকৈ অধ্যৱসায় আৰু আত্মবিশ্বাসৰ বলত নিজকে প্ৰতিষ্ঠা কৰিলে। সিহঁতৰ ঘৰুৱা অৱস্থা হেনো আগতে সিমান ভাল নাছিল। কিযে এটা আত্মবিশ্বাসৰ ওপৰত সি মেডিকেল পঢ়ি

বলৈ গৈছিল সি হেনো নিজেই নাজানে। বহুতো কথাই পাতিছিল বিৰোৰ লগত। সৰহ ভাগ কথাই আছিল নিজক লৈ কোৱা। কিন্তু এবাৰো নকলে সেই অতীতৰ কথা। অনুলেখাই ইচ্ছা কৰিছিল বিৰোৱে যেন এবাৰ কব সেই অতীতৰ কথা। কিন্তু নকলে বিৰোৱে। অনুলেখাৰ লগত যে এসময়ত অতীতত জড়িত আছিল তাৰ অকণমানো ইঙ্গিত কিয় বাৰু নিদিলে বিৰোৱে? হয়তো এটা সময়ত যিটো আটাইতকৈ গুৰুত্বপূৰ্ণ আছিল আন এটা সময়ত সিয়েই একেবাৰে গুৰুত্বহীন হৈ পৰিল।

ভাবি গ'ল অনুলেখাই। অনুলেখাৰ সুখী সংসাৰ খন দেখি কিয় বাৰু বিৰো এবাৰো ঈৰ্ষান্বিত নহ'ল। যিদিনা মালা ভাল হৈ গৈছিল সেই দিনা সেইটো সময়ত অনুলেখাৰ আনন্দ খিনি দেখি কিয় বাৰু অলপো বিচলিত নহ'ল বিৰো? মাত্ৰ কৈছিল— "কোনো ভয় নাই, একেবাৰে ভাল হৈ গৈছে।" বিয়াৰ বিষয়ে সোধাত বিৰোৱে উত্তৰ দিছিল— "জীৱনৰ আন আন অংক বোৰ মিলাই থাকোতে বিয়াৰ অঙ্কটো মিলাবই পৰা নাই এতিয়ালৈকে।"

ভাবি গ'ল অনুলেখাই কিয় বাৰু বিৰো নামৰ মানুহজন আজি তাইৰ নিচেই আপোন আপোন লাগিছে। আৰু কিয় বাৰু আজিও বিৰোৱে বিয়া কৰোৱা নাই। অৱশ্যে বিয়া কৰোৱাৰ সময় এতিয়াও বিৰোৰ পাৰহৈ যোৱা নাই। তথাপি জীৱনৰ আন আন অংকবোৰ মিলি যোৱাৰ লগে লগে এই অঙ্কটোও কিয় মিলি নগ'ল। নে সি অনুলেখাৰ বাবেই........। সেই জনেই বিৰো, যাৰ এক উদাস দৃষ্টিৰে বিকাশৰ প্ৰতি থকা গভীৰ—চেনেহ, গভীৰ ভক্তিক নিমিষতে ছাই কৰি দিব পাৰে।

"আৰে একেবাৰে আন্ধাৰে মুন্ধাৰে বহি আছা, লাইটটো জ্বলাই দিয়া নাই কেলৈ?" লাইটটো টিপি টিপি কৈ গ'ল বিকাশে। বিকাশৰ মাতত মনৰ তন্ময়তা ভাগি গ'ল অনুলেখাৰ। "বৰ মৌন হৈ আছা, কিবা হৈছে নেকি তোমাৰ?" খুউব মৰমৰে হাতখন বুলাই বুলাই প্ৰশ্ন কৰিলে বিকাশে। অনুলেখাই বিকাশৰ মুখলৈ এবাৰ চালে। বিকাশৰ মৰম আকলুৱা মুখখনে যেন কিবা এটা বিচাৰিছিল অনুলেখাৰ পৰা। বিকাশৰ কোলাত মূৰটো থৈ বিকাশক মৰম কৰিবলৈ উদ্‌-গ্ৰীৱ হৈ পৰিল অনুলেখা।

ভাবি গ'ল অনুলেখাই; বিকাশ তাইৰ স্বামী, বিকাশক সেৱা কৰাতকৈ তাইৰ জীৱনত আৰু একো ডাঙৰ কাম হব নোৱাৰে। বিৰো তাইৰ কোনো নহয়। কোনো নহয়... ... ... ... অথচ।

# ॥ বিভ্ৰান্ত মন ॥

কমলা দেৱী।
৩য় বাৰ্ষিক কলা (বিজ্ঞান)

অকল সোণেৰেই খাৰু বনাব নোৱাৰি নহয়। তাত তাম মিহলি কৰিবই লাগিব। নহলে সহজেই ভাঙি যাব। ... ... তেতিয়াহলে মোৰ এই পবিত্ৰ প্ৰেমো সোণৰ খাৰু কেইপাতৰ দৰেই নিৰ্ভেজ নহয় নেকি ?

মহাবিদ্যালয়ৰ শেষ পৰীক্ষাটো দিয়াৰ পাচতেই অনিতাৰ বিয়া হৈ গ'ল, ইঞ্জিনীয়াৰ ৰাজেন দত্তৰ লগত। ৰাজেনৰ আগমনে তাইৰ আউল লাগিব ধৰা জীৱনটো, খেলিমেলি ভাৱবোৰ আৰু কল্পনাৰ ৰঙীণ সপোনবোৰৰ পৰিবৰ্ত্তন আনি দিলে। বিয়াৰ পাচত এইয়া ছমাহ। এই সময় চোৱাত ৰাজেনে তাইক বহুত কথাকেই কৈছে। তাইও এৰি অহা অতীতৰ বহুতো ৰঙীণ ছবিকেই ৰাজেনৰ আগত ডাঙি ধৰিছে। এদিন ৰাজেনে তাইক ধেমালিতে সুধিছিল "কলেজীয়া জীৱনত তোমাৰ বাৰু কাকোৰেই ভাল লগা নাছিলনে ? মানে ধৰা ভাল পোৱা নাছিলানে ?" 'নাই, নাই' ভাল লাগিব পৰা মই কাকোৰেই পোৱা নাছিলো। অৱশ্যে এই বিলাক ৰাজেনে ধেমালিতেহে সুধিছিল, কাৰণ ৰাজেনহঁতৰ ঘৰখনে অনিতাক বহুত দিনৰ পৰাই জানিছিল। তেনেস্থলত ভাবিব লগীয়া বিশেষ একো নাছিল। তাৰোপৰি অনিতাৰ নাৰী সুলভ ব্যৱহাৰত ৰাজেন একেবাৰে মুগ্ধ হৈ গৈছিল।

বিবাহিত জীৱনৰ প্ৰাৰম্ভণীত অনিতাইও বিশেষ আমনি পাব লগীয়া হোৱা নাই। ৰাজেন অফিচলৈ ওলাই যোৱাৰ পাচত Radio শুনি, গল্প কিতাপ পঢ়ি, বন্ধু-বান্ধৱীহঁতলৈ চিঠিলিখি আৰু মাজে সময়ে কাঞ্চাটোক কি কি ৰান্ধিব, কেনেদৰে ৰান্ধিব ইত্যাদি পৰামৰ্শ দি দিনবোৰ অতিবাহিত কৰি দিছে। মাজে সময়ে কলেজীয়া জীৱনটোৰ কথাও ভাৱে।

মধুৰ দিন বিলাকৰ কথা। মীনা, ৰাজু, দীপি, দৃষ্টিহঁতৰ কথা। আটাই কেইজনীয়ে একেলগে একেখন বেঞ্চতে ক্লাচ কৰাৰ কথা আৰু বহুতো......... । লৰাবোৰে সিঁহতক পঞ্চকন্যা বুলি জোকাইছিল। ৰাজু আৰু অনিতাৰ বাহিৰে বাকী কেইজনীয়ে সিঁহতক ভাল কৈ মজা দিয়েও। সিহঁত আটাইকেইজনীয়ে বোৰ ধৰি অনিতাক সোধে— 'অনিতা, তোৰ বাৰু কাকোৰেই ভাল লাগি যোৱা নাই নে ?' সিঁহতে বাৰু কিয় তেনেদৰে সুধিছিল ? একো ধৰিব

পৰা নাছিলতো ? যিহেতু চতুৰ ছোৱালী।

সিদিনা ৰাজেনেও তাইক সুধিছিল— 'তোমাৰ বাৰু কাকোৱেই ভাল লগা নাছিল নে ?' তাই বাৰু মিছা কলে নেকি ? কিন্তু ক'তা তাইৰকো মনত ৰাখিবলগীয়া তেনে কোনো নাই । অৰূপ········ ?

কি যে ধুনীয়া অৰূপৰ হাতৰ ছবি-বোৰ । 'পানীৰ মাজত কেইটামান ফুটো ফুটো কৰা পদুমৰ কলি, ওপডি থকা ডাঙৰ ডাঙৰ পদুমৰ পাতবোৰ, কেইটামান চৰি থকা বগা ৰাজহাঁহ আৰু পানীৰ তলৰ সেই সুৰ্য্যটো ।' অৰূপে বাৰু ছবিখনৰ মাজেদি কি বুজাব খুজিছিল ? ছবিখন কিন্তু বৰ ধুনীয়া হৈছিল । অনিতাই চাই চাই চকু ঘূৰাব পৰা নাছিল । যিয়েই বুজাব নোখোজক লাগে তাই কিন্তু অৰূপক এখন ছবি খুজিবই ! এইবাৰ তাই কবই কব— 'অৰূপ, তোমাৰ হাতৰ ছবিবোৰ ইমান ধুনীয়া ; মোক এখন তোমাৰ হাতৰ ছবি দিবা ?' অৰূপে যদি কৈ দিয়ে " দিম কিয় নিদিম ? মোৰ সঁচা ছবিখন তোমাৰ কাষতেই সজাই থম "। তাই বাৰু তেতিয়া কি ক'ব ? হয়তো লাজতে তলমূৰ কৰি থাকিব, নাইবা কব 'তুমি যে কি কথাবোৰ কোৱা ?' নাইবা সুবুজাৰ দৰে আকৌ এবাৰ সুধিব কি ক'লা ?

কিন্তু সেইবোৰ তেতিয়া একোৱেই কোৱা নহ'ল । কিয় কব নোৱাৰিলে বাৰু ? কৈ দিয়া হ'লেই ভাল আছিল । তেতিয়া সিহঁতৰ মাজত জনা-জানি হৈ গ'লহেতেন ? দুয়ো দুয়োকে লৈ জীয়াই থাকিলহেতেন ? বহুত দিনৰ পাচত সিহঁতৰ বিয়াহৈ গ'লহেতেন ? কি যে ভাল লাগিলেহেতেন ?

কিন্তু ভাল পালেই জানো বিয়া হব ? ক'তা তাইৰ লগৰ ৰূপাহঁতেও চোন ভাল পাইছিল । দৃষ্টিৰ কথা শুনিলে হাঁহিয়েই উঠে । যিহে কলেজৰ সেই বিশিষ্ট ৰুমটোত বহি কত ঘণ্টা ধৰি কথা পাতি থাকিব । মাহেকৰ ভিতৰতে কিমান যে চিনেমা চাবলৈ যাব আৰু চুপাৰৰ আগত না না প্ৰকাৰৰ ফাঁকি দি ঘণ্টা ঘণ্টা ধৰি 'ৰেষ্টুৰেণ্টত' বহি থাকিব । দিনটোত এবাৰ দীলিপক নেদেখিলে পাগল হৈ যোৱা দৃষ্টিয়েও চোন এচিচ টেণ্ট মেনেজাৰ ৰাতুলক বিয়া কৰালে । অৱশ্যে মীনাৰ কথা বেলেগ । মীনাই যদিও জগতক ভাল পায়, হিন্দি চিনেমাৰ দৰে পাচে পাচে ঘূৰি ফুৰে । কথা বতৰাও তেনে ধৰণে নাই । মাত্ৰ ভাল পায় দুয়ো দুযোকে খুউব । এদিনা-খন তাই কোৱা এষাৰ কথা অনিতাৰ স্পষ্ট মনত আছে— 'জান অনি, আজি কালি পৃথিবীত Commercial প্ৰেমৰ বহুল প্ৰচলন হৈছে । অৱশ্যে দেশ

ধনেই বাণিজ্যৰ। ধন নহলে চব মিছা। 'ধনেই আলাউদ্দিনৰ বস্তি।' মোৰ কেতিয়াবা বৰ ভয় লাগে জগতে যদি কেতিয়াবা কোনোবা কৰাল গ্রাসত পৰি আমাৰ এই পবিত্র প্রেমকো জলাঞ্জলি দিয়ে। মোৰ কি ভাল লাগে জান; জগতে ভালকৈ প'ঢ়ৰ, এটা ভাল কাম কৰিব। য'ত, দিনত সভ্য ৰাতি জঘন্য, ওপৰত এটা পৰিষ্কাৰ খদ্দৰ পাঞ্জাবী পিন্ধি তলত এটা লেতেৰা গেঞ্জী পিন্ধা মানুহৰ সমাজখন নাথাকিব। বেচি পইচাৰ দৰকাৰ নাই। টুকটাককৈ চলি যাব পৰা এখন সৰু সংসাৰ"

মীনা ছোৱালীজনী অলপ ৰসিকাও কেতিয়াবা তাই ৰগৰ কৰি যিহে কব— "জগত যদি কেৰাণী হয় এটা লৰা, য'দ প্রফেচাৰ হয় লৰাছোৱালী এহাল। আৰু যদি অলপ বেচি পইচাৱালা হয় লৰাছোৱালী তিনিটা। বচ, নিজেই সকলো কাম কৰিম।" তাইৰ মতে অলপ অভাৱ নাথাকিলে চিন্তাশক্তি নাইকীয়া হয়, আৰু অবিবেচকৰ দৰে সকলো কাম কৰিবলৈ মন যায়; সেয়েহে ধনী মানুহ বিলাকৰ চৰিত্রৰ কোনো বিচাৰ নাই।

এতিয়া মীনা আৰু জগত দুয়ো বিশ্ববিদ্যালয়ত পঢ়ে। কোনে জানে এদিনাখন সিহঁতৰ বিয়া হৈ যাব পাৰে। 'ভগবানে সিহঁতক সহায় কৰক'।

অৰূপৰ প্ৰতি অনিতাৰ ভালপোৱা খিনিও জানো মীনাৰ দৰে নাছিল? কিন্তু ক'তা? মীনাৰ দৰে তাইতো অৰূপক একো কথাই কব পৰা নাছিল। অৰূপক দেখিলে কিয় তাইৰ লুকাই যাবৰ মন গৈছিল? কিয় মৰসাহ কৰিও তাই অৰূপক একো কথাই কব নোৱাৰিলে? স্পষ্ট মনত আছে এদিনাখন তাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল— হে প্ৰভু! কোনোদিন যাতে অৰূপৰ ওচৰত ধৰা পৰি নাযাওঁ। কিয় কৰিছিল বাৰু? আৰু অৰূপ?

অৰূপে তাইক ভাল পোৱা নাছিল? তেন্তে কিয় কেতিয়াবা কেতিয়াবা অবুজ চাৱনীৰে তাইলৈ চাই আছিল? তাইতো সেই চাৱনীতেই ভোল গৈছিল।

'প্ৰত্যেক কামৰে প্ৰতিক্ৰিয়া আছে।' তাই যদি অৰূপক ভাল পাইছিল, অৰূপে জানো তাইক ভাল পোৱা নাছিল? যদি পাইছিল, তেন্তে কিয় তাইক একো কব নোৱাৰিলে? সেই খিনি সৎসাহসো তাইৰ নাই? আৰু সচাঁকৈ যাদ সিহঁতৰ মাজত মীনা জগতৰ দৰে প্ৰেম হৈ গ'লহেতেন— তাই জানো সেই প্ৰেম জীয়াই ৰাখিব নোৱাৰিলেহেতেন? তাই জানো মীনাৰ দৰে একব্ৰতী নহয়? মীনাৰ দৰে তাই জানো মাক-দেউতাকৰ কথা প্ৰত্যাখান কৰিব নোৱাৰিলেহেতেন? হয়তো অৰূপে

তাইক কব নোৱাৰিলে। অৰূপ ভাল ল'ৰা, বুজন ল'ৰা। অৰূপে যদি সেই দিনাখন সেইবিলাক কথা কৈ দিলেহেতেন, আজি তেন্তে নিবিড় ভাৱে তাই কেতিয়াও ৰাজেনক ভাল পাব নোৱাৰিলেহেতেন।

নীৰৱ সাধকৰ দৰেই অৰূপ আঁতৰি গ'ল। আঁতৰি আহিল অনিতাও। গুৱাহাটীৰ মেডিকেল কলেজৰ চতুৰ্থ বাৰ্ষিকত পঢ়া অৰূপৰ খবৰ লবলৈ অনিতাৰ আৱশ্যক নাই, ইচ্ছাও কৰা নাই। তাইৰ বাবে এতিয়া কেৱল ৰাজেন। ৰাজেনৰ পাতলীয়াকৈ নোম থকা বহল উদাৰ বুকুখনৰ মাজত সোমাই তাই আপোন পাহৰা হয়। তাই ৰাজেনক মিছা কথা কোৱা নাই। ঠিকেই কৈছে। তাইৰ লগৰ কোনেও কব নোৱাৰে তাই যে কাৰোবাক ভাল পাইছিল। ৰাজেনেও কোনো দিন সন্দেহ কৰিব নোৱাৰে। অৱশ্যে অৰূপৰ কথা তাই ৰাজেনক কব পাৰিলেহেতেন। কব পাৰিলেহেতেন তাইৰ মন কাঢ়ি নিয়া সেই চতুৰ চকুহালিৰ কথা। ধুনীয়া ছবি অকা এজন শিল্পীৰ অন্তৰৰ কথা। কিন্তু তাই নকয়। এদিন তাইৰ লগৰ ছোৱালী এজনীয়ে কৈছিল— 'পুৰুষবোৰে ভাৱে ছোৱালীবোৰে বহুত কথা লুকুৱাই কয়।' তাই ৰাজেনক অৰূপৰ বিষয়ে যিমান কব ৰাজেনে যদি তাতকৈ বহুত বেছি ভাবি লয়! নাই নাই কেতিয়াও কব নোৱাৰে।

ৰাজেনৰ মুখখনলৈ তাইৰ মনত পৰে। তাইৰ একমাত্ৰ ভাল পোৱা ৰাজেন। অফিচৰ পৰা অহাৰ পাচত এই ৰাজেনৰ কাৰণেই তাই ব্যস্ত হৈ পৰে। ৰাজেনলৈ তাই নিজ হাতেৰে চাহকাপ কৰি আনিবলৈ খুউব ভাল পায়। 'চাহকাপ কৰোতে তোমাৰ হাতৰ খাৰুৰ জুন্‌জুন্ শব্দটো মোৰ খুউব ভাল লাগে।' ৰাজেনৰ কথাত তাই আপ্লুত হৈ পৰে। এই কেইপাত খাৰুৰ শব্দতেই ৰাজেন বলীয়া হয়। তাই নিজেই এবাৰ খাৰু কেইডাল বজাই লয়।

এই কেইপাত খাৰু তাইক ৰাজেনেই দিয়া। সোণৰ খাৰু। খাৰু কেইডালৰ ভিতৰফালে অলপ তাম দিয়া আছে। তাই আজি খাৰু কেইডাল চাই চাই ভাবিছে— কিয় বাৰু খাৰু কেইডাল কেৱল সোণেৰেই নবনালে। কেৱল সোণেৰে বনোৱা হলে বেছি উজ্জ্বল হলহেতেন। ইঞ্জিনীয়াৰ ৰাজেন দত্তই সেইখিনি কথাও ভাবিব নোৱাৰিলেনে? শুদ্ধ সোণেৰেইতো এডাল খাৰু হয়। ৰাজেন অফিচৰ পৰা অহাৰ পাচত আজি তাই সুধিব কিয় ইমানবোৰ সোণ দিয়া স্বত্তেও তাম লগাব লগীয়া হ'ল।

তাই আজি কিযে কথাবোৰ ভাবি আছে। ৰাজেন আহিবৰে হ'ল। সোৱা

ৰাজেন আহিছেই। তাই লৰালৰিকৈ চাহ কৰি আনিব। ৰাজেনে আক' কব থ'ক কেইপাতৰ জুন্‌জুন্ শব্দৰ কথা। তাই আজি খাৰু কেইপাতৰ কথা ৰাজেনক সুধিবই! লাগিব।

*　　*　　*

পৃথিৱীলৈ সন্ধ্যা নামিছিল। সুমধুৰ সন্ধ্যাৰ জিলমিল আন্ধাৰত ডুবগৈ নিচেই কাষলৈ চাপি আহি তাই ৰাজেনক সুধিলে—

এটা কথা সুধিম ?

সোধা।

এই খাৰু কেইপাত কেৱল সোণেৰেই বনাব পাৰিলেহেঁতেন। কিয় মিছামিছি তামবোৰ লগাই দিলে।

অকল সোণেৰেই খাৰু বনাব নোৱাৰি নহয়। তাত তাম মিহলি কৰিবই লাগিব। নহলে সহজেই ভাঙি যাব। ইমান আকৰি। এইটো কথাকে নাজানা ? অভিজ্ঞ ইঞ্জিনীয়াৰ ৰাজেন দত্তই যিমান পাৰে বুজাই দিবলৈ যত্ন কৰিলে।

তেতিয়া হলে মোৰ এই পবিত্ৰ প্ৰেমো সোণৰ খাৰু কেইপাতৰ দৰেই নিভাঁজ নহয় নেকি ?

পৃথিৱীৰ বহুত কথা নজনা অনিতা-জনীলৈ ৰাজেনৰ খুব মৰম লাগি গৈছিল। কিবা এক অজান অনুভূতিত ৰাজেনে তেতিয়া অনিতাক বুকুৰ মাজত লৈ ভাবিছিল—

কিযে আকৰি এই ছোৱালীজনী……।

১৷৫

মানুহে শুনিব খোজে　　জীৱনৰ ইতিহাস
সৃজনৰ কাহিনী দুখৰ ;
হেজাৰ প্ৰশ্নৰ তাৰ　　দুৰ্ব্বল মানুহে আজি
প্ৰত্যেকৰে বিচাৰে উত্তৰ।

— দেৱকান্ত বৰুৱা

# প্ৰবন্ধ

॥ বৰ্ত্তমান ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ সমাজৰ ভৱিষ্যত ॥ ৩৫ ॥
॥ ন্যায় বৈশেষিক দৰ্শনৰ পৰমাণুকাৰণবাদ ॥ ৪৯ ॥
॥ জৰুৰীকালীন অৱস্থা আৰু নতুন নাগৰিক ॥ ৬০ ॥
॥ এজন শল্য চিকিৎসকৰ ব্যৱচ্ছেদ ॥ ৬৩ ॥
॥ মিচিং সমাজৰ প'ৰাগ উৎসৱ ॥ ৭৩ ॥
॥ এটি সাক্ষাৎ প্ৰসঙ্গ ॥ ৭৭ ॥

# ৷ বৰ্ত্তমান ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ সমাজৰ ভৱিষ্যত ॥

শ্ৰীকুমুদ ৰঞ্জন দাস।
প্ৰথম বাৰ্ষিক কলা।

বৰ্ত্তমান ভাৰতীয় শিক্ষা ব্যৱস্থাত আমূল পৰিবৰ্ত্তনৰ প্ৰয়োজন। ভাৰতত বৰ্ত্তমান গতানুগতিক যি শিক্ষা পদ্ধতি চলিছে তাৰ এটি সংস্কাৰৰ প্ৰয়োজন আজি সকলোৱে উপলব্ধি কৰিছে। বৰ্ত্তমান ছাত্ৰ সমাজৰ ভৱিষ্যত নিৰ্ভৰ কৰে শিক্ষা ব্যৱস্থাৰ এটি সু-পৰিকল্পনাৰ ওপৰত। কুমুদৰঞ্জন দাসে এই প্ৰবন্ধটিৰ দ্বাৰাই এটি নিখুঁত আলোচনা দাঙি ধৰিছে।

১৯৬৮ চনৰ পহিলা ফেব্ৰুৱাৰীৰ দিনা দিল্লী বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন উৎসৱত এটা অতি তাৎপৰ্য্যপূৰ্ণ ঘটনাৰ সৃষ্টি হৈছিল। উৎসৱ আৰম্ভ হোৱাৰ আধাঘণ্টা মানৰ পিচতেই ডিগ্ৰী লবলৈ অহা এজন ছাত্ৰই মঞ্চলৈ গৈ উপাচাৰ্য্যাই ভাষণ দি থকাৰ পৰা মাইকটো আতঁৰাই আনি "আমাক এইবোৰ ডিগ্ৰী নালাগে" বুলি চিঞৰি উঠে। বিশ্ববিদ্যালয়ৰ বিভিন্ন বিষয়ববীয়া সকলে কোনোমতে তেওঁক মঞ্চ আৰু প্ৰেক্ষাগৃহৰ পৰা বাহিৰলৈ উলিয়াই দিয়ে। ছাত্ৰজনে হেনো কব বিচাৰিছিল যে ডিগ্ৰী-বোৰৰ একো মূল্য নাই, কিয়নো ডিগ্ৰী থাকিলেও আজিকালি চাকৰি নাপায়। সমাবৰ্ত্তনতে থকা বৰ্ত্তমানৰ ৰাষ্ট্ৰপতি (তেতিয়াৰ উপৰাষ্ট্ৰপতি) ভাৰতৰ এগৰাকী বিশিষ্ট ৰাষ্ট্ৰনায়ক শ্ৰীভি, ভি, গিৰিয়ে এই ঘটনা সংক্ৰান্তত মন্তব্য দিয়ে যে বৰ্ত্তমান সৰহ ভাগ অশান্তিৰ মূলতে হতাশা; দেশত কৰ্ম্ম সংস্থানৰ সুযোগ সুবিধা যথেষ্ট নোহোৱাই এই হতাশাৰ উৎস। গতিকে হতাশা স্বপ্নভঙ্গ আৰু প্ৰদৰ্শকৰ (enlightened guidanee) অভাব—এইবোৰৰ বাবেই ছাত্ৰৰ মাজত বিক্ষোভৰ সৃষ্টি হৈছে। —এইয়া ভাৰতৰ স্বাধীনতাৰ দুই দশকৰ পিচৰ ছবি; ভাৰতৰ গৰ্ব্বিত আৰু উন্নতশিৰ তাৰুণ্য আহত আৰু লাঞ্ছিত হোৱাৰ ঐতিহাসিক আলোক চিত্ৰ। ভাৰতৰ ৰাজধানীৰ বুকুত থকা দেশৰ নেতৃস্থানীয় শিক্ষানুষ্ঠান দিল্লী বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তনত স্বয়ং ৰাষ্ট্ৰ প্ৰধান এজনৰ উপস্থিতিত হোৱা এই ঘটনাৰ ঐতিহাসিক তাৎপৰ্য্য অসীম।

ভাৰতবৰ্ষত সভ্যতা, সংস্কৃতি আৰু দৰ্শনৰ ইতিহাস বিশ্ব মানৱৰেই এক আপুৰুগীয়া আৰু পবিত্ৰ সম্পদ। ইতিহাসৰ গৰে যুগৰ বিভিন্ন শিক্ষা আৰু ইয়াৰ প্ৰণালীৰ সূক্ষ্ম পৰ্য্যবেক্ষণে আমাক ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বিভিন্ন ইঙ্গিত দিয়ে। বৈদিক যুগত শিক্ষাদান আৰু শিক্ষা গ্ৰহণ প্ৰণালীৰ এক সুন্দৰ পৰিবেশ আছিল। গুৰু গৃহত থাকি কিছু বছৰ নানা প্ৰকাৰে গৃহত— প্ৰকৃতিৰ বুকুত— দৈনন্দিন জীৱনৰ কাম কাজৰ মাজত প্ৰকৃত শিক্ষা ছাত্ৰই গুৰুৰ পৰা লাভ কৰে এক বিশুদ্ধ বাতাবৰণৰ মাজত আৰু ক্ৰমান্বয়ে সুস্থ আৰু সবল মানসিকতাৰ গৰাকী হয়। বৈদিক যুগৰ ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বাণপ্ৰস্থ আৰু সন্যাস— এই চাৰি আশ্ৰমৰ তাৎপৰ্য্য মন কৰিব লগীয়া। সি যি কি নহওঁক, পৰিবেশৰ আৰু যুগ সময়ৰ ক্ৰমাগত গতিশীলতাই বহু ধৰণে বহুতো পৰিবৰ্ত্তন সূচায়। সেয়ে হয়তো বৈদিক যুগৰ শিক্ষা প্ৰণালী আৰু শিক্ষা ব্যৱস্থাৰ উপস্থাপন বৰ্ত্তমান যুগৰ আধুনিক পৰিবেশত খাপ খাব নোৱাৰাটোৱেই স্বাভাৱিক। —কিন্তু, এইটো অনস্বীকাৰ্য্য যে এখন দেশ বা এটা জাতিৰ মানুহৰ মানসিক, আধ্যাত্মিক, সামাজিক, ৰাজনৈতিক আৰু শাৰীৰিক উৎকৰ্ষতাৰ সৈতে শিক্ষা-ব্যৱস্থাৰ এটা মধুৰ সম্পৰ্ক আছে। শিক্ষা মানেই হৈছে এটা নীতিগত জীৱন আৰু পৰিবেশ। সেয়ে এখন সুস্থ, সবল দেশ গঢ়ি তুলিবলৈ এটা জাতিয়ে এই নীতিগত জীৱন আৰু পৰিবেশৰ মাধ্যমত, আনকথাত শিক্ষা-সাঁকোৰ ওপৰেদি গাত নিক্ষেপ কৰিব লাগিব। ভাৰতবৰ্ষত এই দৃষ্টি কোণেৰে আজিৰ কথা বাদ দি আত প্ৰাচীন কালৰে পৰা এটা শিক্ষা পদ্ধতিৰ উপস্থাপন আছে। অতীজৰে পৰা বেলেগ বেলেগ সময়ত প্ৰচলিত বিভিন্ন শিক্ষা নীতিয়ে বৃটিছৰ শাসনৰ তলত বা বৃটিছ শাসনৰ উত্তৰ কালত এটা নতুন ৰূপ লৈ ইংৰাজ আগমনৰ পূৰ্ব্বোক্তৰ যুগৰ শিক্ষা নীতিক সমাধিস্থ কৰিলে। মন কৰিবলগীয়া যে বৰ্ত্তমান ভাৰতৰ শিক্ষা ব্যৱস্থাটো ভাৰতবৰ্ষই ইংৰাজ সকলৰ শাসন কালৰ ব্যৱস্থাৰ পৰাই আহৰি লৈ প্ৰৱৰ্ত্তন কৰিছে। সেয়ে Lord Macaulay ৰ আহিত বৰ্ত্তমান অনুমোদিত শিক্ষা পদ্ধতিৰ নানা আসোঁৱাহ থকা স্বাভাৱিক। তাৰোপৰি Lord Macaulay ৰ মুখ্য উদ্দেশ্য আছিল বিভিন্ন কাম কাজত সহায়ক আৰু কেৰাণীৰ পদৰ বাবে ভাৰতীয় সকলক ইংৰাজী শিক্ষা দিয়া— যাৰ ফলত ইংৰাজ সকল নানান অসুবিধাৰ পৰা মুক্ত হ'ব। এই দৃষ্টিকোণেৰে চালে এটা কথা নিঃসন্দেহে পৰিষ্কাৰ হৈ পৰে যে যি আদৰ্শক লৈ ভাৰতীয় শিক্ষা ব্যৱস্থা গঢ়ি উঠিছে, সেয়া ভেটিৰে সৈতে সম্পূৰ্ণ নষ্ট কৰি বৰ্ত্তমান ভাৰতীয় শিক্ষা পদ্ধতিৰ সংস্কাৰ সাধন কৰাটো ভাৰতৰ পক্ষে অতি মঙ্গলজনক

হব। যিহেতু বৃটিছৰ শিক্ষা পদ্ধতি জন সাধাৰণৰ উন্নতি আৰু বিকাশৰ আদৰ্শ লৈ গঢ়ি উঠা নাছিল।

ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ পৰবৰ্ত্তী কালছোৱাত দেখা গ'ল যে বৃটিছৰ দিনৰ শিক্ষা পদ্ধতিৰ বিশেষ একো পৰিবৰ্ত্তন হোৱা নাই। আন কি যি সকল শিক্ষকে স্বাধীনতাৰ পূৰ্ব্বে যি পদ্ধতিৰ আলমত শিক্ষাদান কৰিছিল, সেই একে আলমতেই সেই শিক্ষক সকলে স্বাধীনতাৰ পৰবৰ্ত্তী কালছোৱাতো শিক্ষা দিবলৈ ধৰিলে। মুঠতে এটা সুস্থ আৰু পৰিপক্ক শিক্ষা প্ৰণালীৰ অভাৱ বাকৈ-কৈয়ে ৰৈ গ'ল। এইখিনিতে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এটি সম্যক আৰু সাময়িক পৰিচয় দিয়া যুক্তিসঙ্গত হব।

শিক্ষাৰ আৰম্ভনি হয় প্ৰাথমিক স্কুল বা পঢ়াশালিৰ জৰিয়তে। ভাৰতবৰ্ষত প্ৰাথমিক বিদ্যালয়ৰ সময় পাচ বছৰ। এই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিবলৈ পঢ়াশালিত চাৰি/পাচ বছৰ বয়সৰ পৰাই লৰা-ছোৱালীৰ নাম ভৰ্ত্তি কৰা হয়। আমাৰ প্ৰাথমিক শিক্ষাদান ব্যৱস্থা দোষ-শূণ্য বুলি কব নোৱাৰি। সৰু ল'ৰা-ছোৱালীক কোন পৰিবেশত শিকাৰ-পঢ়াৰ লাগে সেই সম্বন্ধে শিক্ষক সকল অকণো আগ্ৰহান্বিত নহয়। ইউৰোপ, আমেৰিকা আদিৰ বিভিন্ন দেশৰ তুলনাত আমাৰ প্ৰাথমিক শিক্ষাদান প্ৰণালী অকণো ভাল নহয় বুলি কব পাৰি। শ্ৰেণীত বেত দিয়া প্ৰথা প্ৰচলন অশুভ আৰু অযুক্তিকৰ। আনহাতে মৰম, খেলধেমালি আৰু ল'ৰাছোৱালীৰ মন বুজি সেই মতে বিভিন্ন পৰিবেশত বিভিন্ন ধৰনেৰে শিক্ষা দিয়া প্ৰণালীহে উত্তম আৰু কাম্য। এই প্ৰথা বিদেশৰ প্ৰাথমিক স্কুল সমূহত প্ৰয়োগ কৰা হৈছে সুন্দৰ আৰু নিয়াৰিকৈ। আমাৰ দেশত বৰ্ত্তমান বেত দিয়াৰ প্ৰথাক চৰকাৰে উঠাই দিলেও শিক্ষা ব্যৱস্থাৰ কেৰোণ না না ধৰণেৰে বিয়পি পৰিছে। প্ৰথম কথাতেই কবলৈ গলে এটা ভাল আৰু মধুৰ পৰিবেশৰ অভাৱ। এই কথা বিচাৰ কৰি চালে দেখা যাব যে সৰহ ভাগ ক্ষেত্ৰতেই শিক্ষক সকলৰ উদাসীনতা প্ৰকট হৈ পৰিছে। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা কৰি দুবেলা দুমুঠি খাবলৈ শিক্ষক সকলৰ নোজোৰে। অতি কম দৰ্মহাৰে সংসাৰৰ না না আহুকালৰ মাজত এক অতৃপ্ত মনলৈ পঢ়াশালিত প্ৰকৃত শিক্ষা দিবলৈ শিক্ষক সকল অপৰাগ। ফলত এটা ভাল পৰিৱেশৰ ঠাইত ল'ৰা-ছোৱালীয়ে পায় কঠুৱা আৰু নিৰস পৰিবেশ। শিক্ষাৰ মানদণ্ডৰ কথা নকলোৱেইবা। প্ৰথম অৱস্থাতেই এনে ধৰণৰ ব্যৱহাৰ পাই বহুতো ল'ৰা-ছোৱালীৰেই মানসিক অৱস্থা

দুৰ্ব্বল হৈ পৰে। পঢ়াশুনাৰ প্ৰতি আগ্ৰহ নোহোৱা হয়। ফলাফল ভাল নহয়। পাঠ্য-পুথিৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ৰ ওপৰৰ শ্ৰেণীত সাধাৰণজ্ঞান, ভূগোল আৰু বুৰঞ্জীৰ জ্ঞান দিয়া হয় প্ৰাথমিক ভাবে। শিক্ষকবোৰ ব্যৱহাৰিক নোহোৱাত বহুতো সময়ত শিক্ষাৰ মানদণ্ড নিম্ন হোৱাও দেখা গৈছে। মুঠতে আমাৰ দেশৰ প্ৰাথমিক শিক্ষাৰ প্ৰদানৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হৈছে অভাৱ— সেয়া অৰ্থনৈতিক আৰু মানসিক দুয়োটা দিশৰ পৰাই। অৰ্থনৈতিক দিশটো ইতিমধ্যেই পৰিষ্কাৰ হৈ পৰিছে। আৰ্থিক অৱস্থাত জুৰুলা হোৱা শিক্ষকৰ মানসিক অৱস্থা কোনোৰকমেই সুবিধাজনক নহয়। তাৰোপৰি সৰু ল'ৰা-ছোৱালীক চাৰিত্ৰিক, মানসিক, শাৰীৰিক আৰু আধ্যাত্মিক দিশবোৰ গঢ় দিয়া বৰ সাধাৰণ কথা নহয়। বিদেশৰ স্কুল সমূহৰ প্ৰাথমিক শিক্ষাদান প্ৰণালীৰ প্ৰধান নীতি হৈছে — "ছাত্ৰ-ছাত্ৰীক অনুসৰণ কৰা—আদেশ নিদিবা।" কিন্তু ভাৰতৰ সৰ্ব্ব সাধাৰণ পঢ়াশালি সমূহত এনে নীতিৰ নিয়োগ হোৱা দেখা নাযায়। ইয়াৰ উপৰিও সৰু ল'ৰা-ছোৱালীৰ মন বুজি কাম কৰিব পৰা সক্ষমতা হয়তো বহুতো শিক্ষকৰেই নাই। প্ৰকৃততে এনেবোৰ ক্ষেত্ৰত শিক্ষকসকল বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত হব লাগে।

প্ৰাথমিক বিদ্যালয়ৰ পিচতেই উচ্চ মাধ্যমিক বিদ্যালয়। এই বিদ্যালয় সমূহতো একে সংক্ৰামক ব্যাধিয়ে শিক্ষা ব্যৱস্থাক পঙ্গু কৰি পেলাইছে। চতুৰ্থ মান শ্ৰেণীৰ পৰা দশম মান শ্ৰেণীলৈকে ছাত্ৰই যিবোৰ বিষয় পঢ়িব লাগে প্ৰায় আটাইবোৰেই বাধ্যতামূলক। মাতৃ-ভাষা, ইংৰাজী, গণিত আৰু অঙ্কশাস্ত্ৰ, বিজ্ঞান, বুৰঞ্জী ভূগোল, সংস্কৃত বা হিন্দী বা উৰ্দ্দু, আৰবীক আদি নানা বিষয় বস্তুৰে উচ্চ মাধ্যমিক শিক্ষা প্ৰণোদিত হৈছে। কিন্তু এনেবোৰ বিষয় পঢ়োৱাৰ সময়ত সকলোবোৰ ক্ষেত্ৰতেই ছাত্ৰৰ ৰুচি অভিৰুচিক সামান্যতম মৰ্য্যাদাও দিয়া নহয়। বহু সময়তে সেয়ে দেখা গৈছে যে নিজ নিজ স্বকীয় অভিৰুচিৰ বিৰুদ্ধে গৈ বহুতো ছাত্ৰই নানান ভাবে বিপৰ্য্যয়ৰ সন্মুখীন হৈছে। একেটা বিষয়তে অতি কম নম্বৰ পাই পৰীক্ষাত একে লেঠাৰীয়ে কেইবাবাৰো অকৃতকাৰ্য্য হোৱা ছাত্ৰৰ সংখ্যা কম নহয়। সৰহ ভাগ ছাত্ৰ-ছাত্ৰীয়ে গণিত আৰু ইংৰাজীত সাফল্য লাভ কৰিবলৈ অসমৰ্থ হয়। গণিতৰ ক্ষেত্ৰত ইয়াৰ কাৰণ বিচাৰি গলে দেখা যাব যে গণিতৰ প্ৰাথমিক জ্ঞান সম্পৰ্কে সম্যক আৰু প্ৰয়োজনীয় শিক্ষাক বুজি পাবলৈ ছাত্ৰই কিছু অসুবিধা পায়। যিহেতু অঙ্কশাস্ত্ৰ বৰ সহজে বোধগম্য নহয়। অবশ্যে যত্ন আৰু চেষ্টাৰ ফলত সহজেই এই

বিষয়টোক ছাত্রই আয়ত্ত কৰি লব পাৰে। ইংৰাজী শিক্ষা বা বিষয় সম্বন্ধে ভিন্ন সুৰীয়া মতামত পোৱা গৈছে। প্ৰকৃত কথা হৈছে, বিদেশী ভাষা এটাৰ জ্ঞান থকা প্ৰয়োজন; যিহেতু ইংৰাজী এটা আন্তৰ্জাতিক ভাষা (International language) কিন্তু সেইবুলি বিদেশী ভাষা এটাক সমান গুৰুত্ব দিয়াও সমীচীন নহয়। অপৰিপক্ক শিক্ষাই বহুক্ষেত্ৰত এই-দৰে শিক্ষাৰ মানদণ্ড, পৰিবেশ আৰু ল'ৰা-ছোৱালীৰ সৰ্ব্বতো প্ৰকাৰ উন্নতিত বাধাৰ প্ৰাচীৰ স্বৰূপ হয়

কলেজীয়া বা মহাবিদ্যালয়ৰ শিক্ষা প্ৰদান পদ্ধতিও নানান প্ৰকাৰে আসোঁৱাহপূৰ্ণ। এইটো কলেজীয়া স্তৰত বৰ্ত্তমান ভাষা সম্পৰ্কে সেই একেটা সমস্যাই গুৰুতৰ ৰূপ লৈছে। মহাবিদ্যা-লয় সমূহত ইংৰাজীৰ মাধ্যমত শিক্ষা দিয়া হয়। স্কুলীয়া পৰিবেশ এটাৰ পৰা কলেজীয়া পৰিবেশলৈ যাওঁতে স্বাভা বিকতেই ছাত্ৰ ছাত্ৰীৰ কিছু মানসিক পৰিবৰ্ত্তন দেখা যায়। সেয়া কলেজৰ মুকলি পৰিবেশৰ বাবেই হওঁক বা স্কুলীয়া শিক্ষাৰ উপৰিও আৰু কিছুমান শিক্ষা আৰু জ্ঞান পোৱাৰ আশাতেই হওঁক। পৰিবেশৰ সালসলনিৰ লগে লগে শিক্ষা ব্যৱস্থাৰো পৰিবৰ্ত্তনত বিদ্যাৰ্থী সকলে কিছু অসুবিধা (Uneasy) বোধ কৰে। এই অসু-বিধা সমূহ আতঁৰাব পাৰিলেতো ভালেই আৰু নহলে সময়ত এই অসুবিধাই ছাত্ৰ সকলৰ জীৱনলৈ প্ৰচুৰ আশঙ্কা, ভয়াবহতা কঢ়িয়াই আনে। তেওঁলোকৰ বহুতেই ইংৰাজী ভাষাৰে শিক্ষা-প্ৰদান কৰা পদ্ধতিৰ সৈতে অভ্যস্থ নহয়। ইংৰাজী মাধ্যমত শিক্ষা দিয়া বিষয় সমূহ বুজি পোৱা বা আয়ত্ত কৰা তেওঁলোকৰ পক্ষে জটিল হৈ পৰে। ফলত অকৃতকাৰ্য্য ছাত্ৰ ছাত্ৰীৰ সংখ্যা দিনৌ ভয়াবহ ভাবে বৃদ্ধি হোৱাৰ উপক্ৰম কৰিছে।

এইখিনিতেই মনকৰিব লগীয়া যে আজি কিছু বছৰৰ পৰা ভাৰতীয় শিক্ষা পদ্ধতিত হায়াৰ চেকেণ্ডৰী বা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰবৰ্ত্তন কৰা হৈছে, আৰু লগে লগে কলেজৰ চাৰি বছৰীয়া পাঠ্যক্ৰমৰ আই, এ (২ বছৰীয়া) আৰু বি, এ (২ বছৰীয়া) এই দুই মহলাৰ সলনি প্ৰাক্ বিশ্ববিদ্যালয় (Pre univ-ersity)— এবছৰীয়াকৈ আৰু বি, এ/বি এচ. চি/বি, কম আদিৰ বাবে তিনি বছৰীয়া পাঠ্যক্ৰমৰ প্ৰবৰ্ত্তন কৰা হৈছে। যিহেতু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উচ্চ মাধ্যমিক বিদ্যালয়ৰ দৰে দশম শ্ৰেণীলৈকে স্কুলীয়া শিক্ষা নাথাকি একাদশ শ্ৰেণীলৈ পাঠ্যৰ পৰিসৰ বহল কৰা হৈছে। উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অষ্টম মান শ্ৰেণীৰ পৰাই ছাত্ৰ-ছাত্ৰীয়ে কলা, বিজ্ঞান, বাণিজ্য আদিৰ ভিন্ ভিন্ পথ বাছি লব

পাৰে। এইটো অৱশ্যেই আনন্দৰ কথা যে ছাত্র-ছাত্রীয়ে অষ্টমমান শ্রেণীৰ পৰাই নিজ অভিৰুচি অনুসৰি শিক্ষাৰ বিভিন্ন দিশৰ পৰা একোটা বিশেষ পথ বাছি লব পাৰে। কিন্তু এইখিনিতে কিছুমান ভুল, ত্রুটীয়ে নানান আসোঁৱাহৰ সৃষ্টি কৰে। ৫ চি ভাগ ক্ষেত্রতেই দেখা যায় যে অভিভাৱক সকলে ছাত্রৰ স্বাধীনতাত হস্তক্ষেপ কৰি ছাত্রৰ অভিৰুচিৰ বিৰুদ্ধে ছাত্রক শিক্ষা গ্রহণ কৰিবলৈ বাধ্য কৰায়। ফলত ছাত্র-ছাত্রীৰ কুমলীয়া মনত এক পৰাধীন আৰু হতাশাৰ ভাবে গা কৰি উঠে। আনহাতে প্রাক্ বিশ্ববিদ্যালয় শ্রেণীতে, যি সময় ছোৱাৰ ভিতৰত পাঠ্যক্রম আয়ত্ত কৰিব লাগে, সেয়া বিদ্যা অৰ্জ্জনৰ বাবে যথেষ্ট নহয়। যিহেতু পৰীক্ষাত উৰ্ত্তীন হোৱাই ছাত্র সকলৰ প্রধান উদ্দেশ্য হব নোৱাৰে। প্রকৃততে তেওঁলোকে কেনেদৰে শিক্ষা লাভ কৰি প্রকৃত জ্ঞান লাভ কৰিছে আৰু আগলৈ সেই জ্ঞানক ব্যৱহাৰিক জীৱনত কেনেদৰে খটুৱাব পৰা যাব—সেই সম্পৰ্কেহে চকু ৰখা উচিত।

মাধ্যমিক শিক্ষা বোৰ্ডৰ দ্বাৰা নিয়োজিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলা, বিজ্ঞান আদি শাখা-বিভাগ থকাৰ দৰে কলেজীয়া পাঠ্যক্রমত কলা, বিজ্ঞান; বাণিজ্য আদিৰ বিভাগ আছে। কলাবিভাগৰ বিভিন্ন বিষয়, যেনে, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বুৰঞ্জী, ভূগোল, তৰ্কশাস্ত্র আৰু দৰ্শন, সংস্কৃত, মাতৃভাষা, নৃতত্ত্ব, সমাজ বিদ্যা আদি সম্বন্ধে জ্ঞান আহৰণ কৰিবলৈ কলেজত ছাত্রই অসুবিধা নাপায়, যদি তেওঁলোকে ইংৰাজী মাধ্যমৰ শিক্ষা প্রদান সম্পৰ্কত সজাগতা অবলম্বন কৰে। বাণিজ্য বিভাগ বা বিজ্ঞানৰ ক্ষেত্রতো সেই একেই অৱস্থা; অৱশ্যে বিজ্ঞান শাখাতে ব্যৱহাৰিক দিশৰ প্রাধান্য মন কৰিবলগীয়া। তিনি বছৰীয়া স্নাতক মহলাৰ পাঠ্যক্রমত Honours বা সন্মান বিভাগ খোলা হৈছে। অধ্যৱসায়ী ছাত্রই অনুৰাগ আৰু আগ্রহ থকা বিষয় এটিৰ বিশেষ অধ্যয়ন কৰিব পাৰে। দুই এটা সুবিধাজনক শিক্ষা প্রণালীৰ বাদেও আমাৰ মহাবিদ্যালয়ৰ কিছুমান আসোঁৱাহ এতিয়াও ৰৈ গৈছে।

বিশ্ববিদ্যালয়ৰ প্রাঙ্গণতো ছাত্র সকলে নানা অসুবিধাক স্বীকাৰ কৰিব লগা হয়। শিক্ষা ব্যৱস্থাৰ বিভিন্ন ধৰণৰ বিশৃঙ্খলাই বিশ্ববিদ্যালয়ৰ প্রাঙ্গণ ভয়াবহ কৰি তোলে। অধিক নেলাগে, অসমৰ বিশ্ববিদ্যালয় দুখনৰে ছবি এই সম্পৰ্কে উদাহৰণ স্বৰূপে দাঙি ধৰিলেই যথেষ্ট হব। গুৱাহাটী বিশ্ববিদ্যালয়ত যি বিষয় সমূহ আছে, সেইবোৰৰ বাহিৰত নতুন বিষয় অধ্যয়নৰ সুবিধা ডিব্রুগড় বিশ্ববিদ্যালয়ে দিব পৰা নাই। যদিও বা নতুন বিষয় দুই এটাৰ (যেনে, সমাজ বিদ্যা) প্রৱৰ্ত্তন ডিব্রুগড় বিশ্ববিদ্যালয়ে নকৰাকৈ থকা নাই তথাপিও শিক্ষাৰ প্রসাৰতা আৰু প্রগতিৰ ক্ষেত্রত

আৰু বস্তুত 'কিবা' কৰিবলৈ এতিয়াও বাকী। এই খিনিতে মন কৰিব লগীয়া যে আমাৰ দেশত technical education বা কাৰিকৰী শিক্ষা প্ৰচলনৰ প্ৰয়োজনীয়তা বৰ্ত্তমান বাকুকৈয়ে উপলব্ধি কৰা হৈছে। যদিও অসমৰ কাৰিকৰী শিক্ষানুষ্ঠান সমূহত যেনে, ইঞ্জিনীয়াৰিং কলেজত আজি কিছু দিন ধৰি ছাত্ৰৰ সংখ্যা কমি আহিছে, তথাপিও আজি সমগ্ৰ ভাৰতবৰ্ষতেই কাৰিকৰী শিক্ষাদানৰ বাবে অধিক অনুষ্ঠানৰ প্ৰয়োজন কাৰিকৰী বিভাগত আমাৰ দেশ এতিয়াও নানা সমস্যাৰে আবৃত। অৰ্থনৈতিক, সমাজিক সকলো দিশতেই technical education এ আগভাগ লোৱা দেখা গৈছে। মেডিকেল কলেজতো ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট। অৱশ্যে শিক্ষাৰ মানদণ্ড যথেষ্ট শক্তিশালী নহলে সকলোবোৰ শিক্ষা অনুষ্ঠানেই এক বিৰাট অসাফল্যৰ সন্মুখীন হয়। মুঠতে শিল্প আৰু বাণিজ্যৰ ক্ষেত্ৰত প্ৰগতি লাভ কৰিবলৈ হলে ভাৰতে কাৰিকৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। অৱশ্য কাৰিকৰী শিক্ষানুষ্ঠান সমূহৰ বাবে এক শকত অঙ্কৰ অৰ্থৰ প্ৰয়োজন— আৰু প্ৰয়োজন আহিলাপাতি, সঁজুলি, সামগ্ৰী আদিৰ – এইবোৰ বিদেশৰ পৰা সাধাৰণতে কিনি অনা হয়। বৰ্ত্তমান ভাৰতত খৰগপুৰ, মাদ্ৰাজ, বোম্বে, দিল্লী আৰু পিলানীত কাৰিকৰী শিক্ষা-গাৰ গঢ়ি উঠিছে। প্ৰকৃততে এনেবোৰ শিক্ষানুষ্ঠানেই এখন দেশক স্বাৱলম্বী কৰি তুলি প্ৰগতিৰ সোপানত উঠাই লৈ যাবলৈ সক্ষম হয়।

গান্ধীজীৰ মতে, শিক্ষাই হৈছে জাতীয় আৰু সামাজিক জীৱনৰ এক অন্যান্য বিভাগ। এখন দেশৰ সুস্থ আৰু সবল প্ৰগতিত শিক্ষানুষ্ঠান সমূহে নানা প্ৰকাৰে সহায় আগবঢ়ায়। গান্ধীজীয়ে প্ৰাথমিক শিক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি মন্তব্য কৰে যে এই অনুষ্ঠান সমূহেই শিশুক মানসিক ভাবে সবল আৰু চৰিত্ৰবান আৰু শাৰীৰিক সুস্থতাৰ গৰাকী কৰি তোলে। এই ক্ষেত্ৰত ঘৰুৱা পৰিবেশত মাক বাপেক বা অভিভাবক সকলে নিষ্ঠাৰে শিশুৰ সৰ্ব্বতো প্ৰকাৰে কল্যাণ সাধনত অংশ লব লাগিব। শিশুক এইদৰে ব্যৱহাৰিক জীৱনত কেনে ধৰণেৰে শিক্ষাৰ দ্বাৰা, প্ৰভাৱান্বিত কৰিব পাৰি, সেই সম্পৰ্কে গান্ধীজীয়ে নিজ অভিমত দিছে। গান্ধীজীয়ে Basic education বা বুনিয়াদী শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দি 'নই তালিম' শিক্ষাৰ প্ৰসাৰতা সম্পৰ্কে বিচাৰ কৰে। কৃষি আৰু গৃহ শিল্পৰ উন্নতি গান্ধীজীয়ে শিক্ষাৰ জৰিয়তে বিচাৰ কৰি চাইছিল। সেয়ে গান্ধীজীয়ে বুনিয়াদী শিল্পক শিক্ষাৰ অন্তৰ্গত কৰিবলৈ মন্তব্য প্ৰকাশ কৰিছিল। উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহত বিজ্ঞান আৰু কাৰিকৰী

বিদ্যাৰ শিক্ষা দিয়া সম্বন্ধে গান্ধীজীয়ে নিজ অভিমত দিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ কিছু সাল-সলনি নহলে শিক্ষা ত্ৰুটিপূৰ্ণ হৈ ৰ'ব। আমাৰ শিক্ষা প্ৰদানত বহুতো বেমেজালিৰ সৃষ্টি ইতিমধ্যে নোহোৱাকৈ থকা নাই। শিক্ষাৰ মাধ্যমৰূপে কি ভাষা হব লাগে; ইংৰাজীক শিক্ষাৰ মাধ্যম ভাষা হিচাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা অনুচিত; তাৰ সলনি প্ৰান্তীয় ভাষা শিক্ষাৰ মাধ্যম হব লাগে—আদি নানা প্ৰস্তাৱ উত্থাপনেই বৰ্ত্তমান শিক্ষাৰ পৰিবেশ বিশৃঙ্খলাময় কৰি তুলিছে। পূৰ্ব্বৰ শিক্ষা মন্ত্ৰী ত্ৰিগুণা সেনৰ ত্ৰি ভাষা সূত্ৰ আদিৰ পৰীক্ষামূলক বিচাৰ, নানা আলোচনা বিলোচনাই বেলেগ বেলেগ পদ্ধতিৰ উপস্থাপন কৰাত ব্যতিব্যস্ত হৈ পৰিছে। আমাৰ শিক্ষা ব্যৱস্থাৰ অতি দোষণীয় দিশটো হৈছে স্বদেশৰ প্ৰাচীন অথচ চিৰযুগমীয়া ঐতিহ্যৰ প্ৰতি অবহেলা কৰা। ভাৰতত অনেক বছৰ ধৰি ভাৰতৰেই Classical language সংস্কৃতৰ শিক্ষা একেবাৰেই কমি আহিছে। যি ভাষাৰ মাজত এখন দেশৰ গৌৰৱ, ধন-সম্পদ, ঐতিহ্য সোমাই আছে, সি ভাষাৰ পূৰ্ণ বিকাশৰ ফলতেই এদিন বেদ উপনিষদ আদিৰ দৰে বিশ্বৰ শ্ৰেষ্ঠতম চিৰযুগমীয়া পবিত্ৰ গ্ৰন্থৰ সৃষ্টি হৈছিল, সেই সংস্কৃত ভাষাৰ প্ৰতি ভাৰতবৰ্ষৰ অবহেলা পূৰ্ণ মনোভাব অতি দোষণীয়। সংস্কৃত শিক্ষাৰ এনে অবনতিয়ে ভাৰতীয় ছাত্ৰ সকলক এক অমূল্য জ্ঞান লাভৰ পৰা চিৰদিন বঞ্চিত কৰি ৰাখিব। আনহাতে আজি কেইবছৰ মানৰ পৰা পশ্চিমীয়া দেশ সমূহত সংস্কৃত শিক্ষাৰ প্ৰৱৰ্ত্তন কৰা হৈছে বিশ্ববিদ্যালয়ৰ ভিন্ ভিন্ প্ৰাঙ্গণত। এই পশ্চিমীয়া দেশ সমূহৰ মতে সংস্কৃত শিক্ষাৰ অন্তৰালত প্ৰকৃততেই এক চিৰন্তন যুগমীয়া সম্পদ লুকাই আছে— সেয়া ভাৰতে উপলব্ধি কৰিব পৰা নাই। ফ্ৰান্স, জাৰ্ম্মানী, জাপান ৰাচিয়া আদি বিভিন্ন দেশৰ প্ৰান্তৰে প্ৰান্তৰে সংস্কৃত শিক্ষাৰ যি জাউৰি উঠিছে সেয়া অৱশ্যাই বিস্ময়জনক। তেওঁলোকৰ (পশ্চিমীয়া লোকৰ) দৃষ্টিত ভাৰতৰ প্ৰতিজন ছাত্ৰৰেই সংস্কৃত ভাষা সম্বন্ধে সম্যক জ্ঞান থকা নিতান্তই প্ৰয়োজন। ভাৰতত সংস্কৃত শিক্ষা বাধ্যতামূলক নোহোৱাত পাশ্চমীয়া দেশ সমূহে আজি বিস্ময় প্ৰকাশ কৰিছে। মুঠতে ভাৰতত বৰ্ত্তমান সংস্কৃত শিক্ষা বাধ্যতামূলক কৰি দিয়া নিতান্তই প্ৰয়োজন। তাৰোপৰি এই সংস্কৃত শিক্ষাই ভাৰতীয় শিক্ষাই ভাৰতীয় ছাত্ৰক প্ৰাচীনৰ চিৰনতুন জ্ঞান লাভত সহায়ক হব। এক গভীৰ অধ্যয়নে আমাক 'Revival of the Vedic period' সম্পৰ্কে সকিয়াই দিয়ে।

আজি পশ্চিমীয়া দেশ সমূহত (আমেৰিকা আদিত) যি বিশৃঙ্খলতাৰ সৃষ্টি হৈছে যুৱক সম্প্রদায়ৰ মাজত তাক আঁতৰাবলৈ আজি সেই দেশ সমূহে বেদ-উপনিষদৰ সহায় লবলৈ লৰিব আহিছে। প্রকৃততে, তেওঁ-লোকৰ মতে ভাৰতীয় বেদ আৰু উপনিষদেহে বৰ্ত্তমান অশান্তিৰ মূল নাশ কৰিবলৈ একমাত্র শক্তি সঞ্চয় কৰি আহিছে। বহুতে মন্তব্য কৰে, present Western civilization is more or less, the reflection of the past Vedic civilization of India. এই সম্পৰ্কে এই কথা কব পাৰি যে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ—এই সকলোকেইটিৰ পূৰ্ণ বিকাশে বৈদিক সভ্যতাক এক মঙ্গল ৰূপ দিছিল। কিন্তু বৈদিক যুগত ধৰ্ম্ম আৰু মোক্ষক বেচি প্রাধান্য দিয়া হোৱাত কোনো বিশৃঙ্খলাৰ সৃষ্টি হোৱা নাছিল। বৰ্ত্তমান পৰিবেশত ভাৰততেই কিয় সমগ্ৰ পৃথিবীতেই অৰ্থ আৰু কামৰ প্রতিহে বেচি মনোনিবেশ কৰা হৈছে। অৰ্থ আৰু কাম বৈদিক যুগত নথকা নহয়, কিন্তু সেয়া আধ্যাত্মিকতাৰ প্রবলভাবে দমন কৰি ৰখা হৈছিল। এই ক্ষেত্ৰত আমি যযাতিক স্মৰণ কৰিব পাৰোঁ। চাৰ্বাকৰ বস্তুবাদ বা materialism বিশ্ববিখ্যাত—কিন্তু তেৰোঁ আধ্যাত্মিকতাৰ প্রবলতাৰে বন্দী আছিল। অৱশ্যে পশ্চিমীয়া দেশ সমূহত ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ— ইয়াৰ ভিতৰত অৰ্থক প্রাধান্য দি materialism সম্বন্ধে সবল হলেও বৰ্ত্তমান বহুতো দেশে ধৰ্ম্ম আৰু মোক্ষক এৰি দিব খুখুজি সাবটিহে লব বিচাৰিছে। —এই প্রসঙ্গতেই এই কেইশাৰী কথা উল্লেখ কৰা হ'ল যে বৰ্ত্তমান যিখিনি ভাৰতীয় মৰ্য্যদা সেয়া প্রকৃততেই বেদ উপনিষদৰ ওপৰত প্রতিস্থিত আৰু বৈদিক যুগৰ সেয়ে পুনৰ নিৰ্ম্মাণ হোৱা প্রয়োজন। অৱশ্যে সমসাময়িক আৰু যুগৰ পৰিবৰ্ত্তনক স্বীকৃতি দি বৈদিক শিক্ষা নীতিত নহলেও আলমত শিক্ষা প্রদান প্রণালীক পুনৰুত্থান কৰিলে হয়তো বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ নানান আসোঁৱাহ আঁতৰি পৰিব। এই প্রসঙ্গত আন এটি উক্তি মনত পৰে যে Modern man should be the combination of the East and the West। ভাৰতীয় আধ্যাত্মিকতা আৰু পশ্চিমীয়া বস্তুবাদৰ সম্যক উপলব্ধি-কেই এই উক্তিত কোৱা হৈছে দৰ্শন আৰু বিজ্ঞানৰ সমন্বয়, পূৰ্বৰ আৰু পশ্চিমৰ সংমিশ্ৰণ। এই সকলোবোৰৰ পশ্চাৎভূমিত ভাৰতীয় শিক্ষা ব্যৱস্থাই এক দোষহীন আৰু সুন্দৰ পৰিবেশৰ সৃষ্টি কৰিবলৈ সক্ষম হব।

আন এটি উল্লেখযোগ্য স্তৰ হৈছে শিক্ষা ব্যৱস্থাত নীতি-শিক্ষা (moral education)। ছাত্ৰ-ছাত্ৰীৰ মানসিক, আধ্যাত্মিক আৰু চাৰিত্ৰিক দিশবোৰ সবল কৰি তুলিবলৈ এই নীতি-শিক্ষা অন্যতম

অস্ত্র : প্ৰাথমিক স্কুলৰ পৰাই ক্ৰমাগত ভাবে এই নীতি-শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ নৈতিকতাক বিচাৰ কৰি চাব লাগে। লগে লগে বুজন বয়সৰ পৰাই তেওঁলোকক ethical view on human character and conduct আৰু কোনটো ভাল কোনটো বেয়া আদি সম্বন্ধে সম্যক জ্ঞান দিয়া আৱশ্যক।

ইতিমধ্যেই ভাষা সম্বন্ধে উল্লেখ কৰা হৈছে। বিদেশৰ নানা শিক্ষানুষ্ঠানত মাতৃভাষাৰ মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা আছে। ভাৰতত সেয়া ব্যতিক্ৰম। কিন্তু বিদেশৰ শিক্ষানুষ্ঠানত মাতৃভাষাৰ উপৰিও বিশ্বৰ বিভিন্ন ভাষাৰ শিক্ষা দিয়াৰ সুবিধা আছে। এই ক্ষেত্ৰতো ভাৰত ব্যতিক্ৰম। অৱশ্যে শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাত আপত্তি দৰ্শাবলৈ থল নাথাকিব পাৰে, কিন্তু সেইবুলি বিদেশী ভাষাৰে শিক্ষা দিয়াত ক্ষুণ্ণ হবলৈ যোৱা অনুচিত। জ্ঞান লাভৰ ক্ষেত্ৰত কিছুমান হীন দেঢ়িৰ সৃষ্টিয়ে শিক্ষাৰ পৰিবেশ ধ্বংস কৰে। সেয়ে অনতিপলমেই শিক্ষা সম্পৰ্কে বিভিন্ন আসোঁৱাহ পৰ্য্যবেক্ষণ কৰি গৱেষণামূলক পশ্চাৎভূমিত এক নতুন শিক্ষা পদ্ধতিৰ উপস্থাপন কৰাই শিক্ষাৰ ক্ষেত্ৰত অতি আৱশ্যকীয় পন্থা হব।

মন কৰিব লগীয়া যে ভাৰত এখন ধৰ্ম্ম নিৰপেক্ষ দেশ। সেয়ে ধৰ্ম্মৰ অসমতা সম্পৰ্কত দৃষ্টি নিক্ষেপ কৰা অতি প্ৰয়োজন। বহুতো গোড়া ধৰ্মীয় অনুষ্ঠানে শিক্ষাৰ নামত Communalism ৰ সৃষ্টি কৰিছে। ছাত্ৰ ছাত্ৰীৰ মনত এনে ভাবে বিষক্ৰিয়াৰ সৃষ্টি কৰে। সেয়ে বহুত সময়ত শঙ্কা আৰু সংশয়ক আঁতৰাই ৰাখিবলৈ ভাৰত চৰকাৰে এনে Communal institution বোৰ অনতিপলমেই উঠাই দিয়া কামৰ প্ৰতি মনোযোগ দিয়া উচিত।

স্থানীয় অৱস্থা আৰু প্ৰয়োজনৰ ওপৰত শিক্ষা পদ্ধতিয়ে বিশেষ ভাবে নিৰ্ভৰ কৰে। আমেৰিকাৰ নীতি ভাৰতত, দিল্লীৰ নীতি গুৱাহাটীত কাৰ্য্যকৰী নহবও পাৰে। অৱশ্যে সুপ্ৰতিষ্ঠিত নীতি সমূহ একেই থাকে, কেৱল সেই নীতিৰ কাৰ্য্যকৰী ৰূপায়নৰ পদ্ধতি বেলেগ হয়। গতিকেই ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰামৰ্শ সমূহ কাৰ্য্যকৰী কৰাৰ সময়ত স্থানীয় অৱস্থাৰ অধ্যয়ন কৰি তেনে পৰামৰ্শ প্ৰৱৰ্ত্তনৰ কাৰণে স্বকীয়া পদ্ধতিৰ উদ্ভাৱনৰ প্ৰয়োজন হয়। সুখৰ বিষয় যে শিক্ষা ব্যৱস্থাৰ ওপৰত বৰ্ত্তমান পুৰাদমে গৱেষণা কাৰ্য্য চলি আছিছে।

—ছাত্ৰ সমাজৰ ভৱিষ্যত সম্পৰ্কে প্ৰণোদিত শিক্ষা ব্যৱস্থাৰ বিশৃঙ্খলা আৰু অনিশ্চয়তাৰ ভয়াবহ ৰূপ আমাৰ সন্মুখত ভাঁহি উঠে। জনসংখ্যাৰ বৃদ্ধিৰ লগে

লগে ভাৰতত ভৱিষ্যত অনিশ্চয়তাৰ এক এৰাৰ নোৱাৰা সংশয়ে ভাৰতীয় ছাত্ৰক সকলোফালৰ পৰা আবৰি ৰাখিছে। আমি ইতিমধ্যে শিক্ষা ব্যৱস্থা সম্পৰ্কে আলোচনা কৰোঁতে ঠাই বিশেষে ছাত্ৰ-ছাত্ৰীৰ মানসিক অৱস্থা, অশান্তি আদিৰ কথা উল্লেখ কৰি আহিছোঁ। ছাত্ৰ সমাজৰ সৰ্ব্বতো প্ৰকাৰে উন্নতিৰ কথা বিচাৰ কৰি চালে প্ৰথমেই আমি শিক্ষা ব্যৱস্থাক নতুনকৈ গঢ়ি তুলিব লাগিব ক্ৰটিহীন হিচাবে। পৰীক্ষামূলক ভাবে ভিন্ ভিন্ নীতি কিছু বছৰৰ অন্তৰে অন্তৰে শিক্ষা পদ্ধতিত জাপি দিয়াতকৈ এটা সুপৰিকল্পিত আঁচনিৰ বাবে চিন্তাশীল ব্যক্তি বিশেষক এই সম্পৰ্কত গৱেষণা কৰিবলৈ দি অতি সোনকালেই শিক্ষা ব্যৱস্থাৰ এটি পৰিবৰ্ত্তন আনি দিবলৈ ভাৰত চৰকাৰ ব্যস্ত হব লাগে। তাৰ উপৰি আমাৰ শিক্ষা ব্যৱস্থাৰ পৰীক্ষাৰ আঁচনিও দোষপূৰ্ণ,— যাৰ বাবে ছাত্ৰ সমাজৰ ভৱিষ্যত অতি বেয়া ধৰণেৰে প্ৰভাৱান্বিত হৈছে। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হৈছে জ্ঞান দিয়া। কিন্তু এই জ্ঞান পৰীক্ষাৰ ঠেকগণ্ডীত সীমিত হব নালাগে। কিন্তু ভাৰতত সেয়াই হৈছে। ছাত্ৰ সকলৰ বহুতেই পৰীক্ষাত উত্তীৰ্ণ হবৰ বাবেহে পঢ়ে। জ্ঞান লাভৰ বাবে নহয়। সেয়ে স্কুল কলেজৰ ডিগ্ৰী এটা পোৱাৰ পিচত দেখা যায়, শ্ৰেণীত শিকা জ্ঞান বিদ্যা সমূহ ছাত্ৰই ব্যৱহাৰিক জীৱনত নিয়োগ কৰা দূৰৈৰ কথা— সেয়া ছাত্ৰৰ স্মৃতি শক্তিয়েও ঢুকি নাপায়।

প্ৰথম অৱস্থাত ছাত্ৰ সকলে ডিগ্ৰীৰ আশাতে পৰীক্ষাৰ দেওনাবোৰ এটাৰ পিচত এটাকৈ পাৰ হৈ যায়। ডিগ্ৰীৰ অন্তৰালত আন এটা আশা সেয়া কৰ্ম্ম সংস্থান। আৰু, প্ৰথম অৱস্থাত ছাত্ৰ সকল তেওঁলোকৰ লক্ষ্যত উপনীত হবলৈ সক্ষম হৈছিল। কিন্তু লাহে লাহে সেই আশাকল্পনাও অনিশ্চয়তাৰ ধূলি ধুসৰিত হৈবাই যাবলৈ আৰম্ভ কৰিলে, যেতিয়াই নিৱনুৱা সমস্যাই সমগ্ৰ ভাৰততেই গা কৰি উঠে। ডিগ্ৰীৰ মূল্য কমি আহিল— এটা সময়ত মূল্যহীন। ভাবিবলৈ সঙ্কোচ হয় যে আজি আমাৰ দেশত হাজাৰ হাজাৰ ইঞ্জিনীয়াৰ, বি, এ, এম, এ বা বিজ্ঞানৰ ডিগ্ৰীধাৰী ডেকা-সকলে অনিশ্চয়তাকেই জীৱনৰ— এক নিৱনুৱা জীৱনৰ সঙ্গী কৰি লৈছে। অলপতে প্ৰস্তাৱিত শিক্ষা সঙ্কোচনৰ ক্ষেত্ৰত এই কথাই কব পাৰি যে ইতিমধ্যে প্ৰচলিত শিক্ষাই প্ৰকৃত লক্ষ্যত যিহেতু উপনীত হব পৰা নাই, আৰু যিহেতু শিক্ষা সঙ্কোচনে ছাত্ৰৰ কোনো উন্নতি সাধন কৰিবলৈ থল ৰখা নাই, সেয়ে এই সম্বন্ধে ভাবি-চিন্তি সময় পাৰ কৰাৰ প্ৰয়োজন নাই। ভাৰোপৰি নিৱনুৱা সমস্যাৰ বাবে শিক্ষাকেই একমাত্ৰ জগৰীয়া

কৰিব নোৱাৰি। বিশ্ববিদ্যালয়ৰ শিক্ষা নোপোৱা আৰু অৰ্দ্ধশিক্ষিত অশিক্ষিত সকলেও জানো কিবা সংস্থান পাইছে ? নিবনুৱা সমস্যাৰ সমাধানৰ ক্ষেত্ৰত ৰাষ্ট্ৰ আৰু সমাজৰ দায়িত্ব আছে। শিক্ষা ব্যৱস্থা আৰু বৰ্ত্তমান যুগৰ সমস্যাৰ লগত সঙ্গতি ৰক্ষা কৰি ছাত্ৰক একোজন সু-নাগৰিক কৰি গঢ়ি তুলিব পৰা হব লাগিব।

বৰ্ত্তমান সৃষ্টি হোৱা ছাত্ৰ অশান্তি আৰু অন্যান্য অশান্তিবোৰৰ লগত নিবনুৱা সমস্যাৰ প্ৰভাব থকাটো নুই কৰিব নোৱাৰি। সমগ্ৰ দেশ জুৰি জনতাই এমুঠি ভাত আৰু এডোখৰ কাপোৰৰ বাবে হাহাঁকাৰ কৰিব লগীয়া হৈছে। ছাত্ৰয়ো ভবিষ্যতে অন্ধকাৰ ভবিষ্যতৰ ছবি এখন দেখা পাই বিমোৰত পৰিছে। বৰ্ত্তমান সমাজ ব্যৱস্থা উৰ্ৱলি গ'ল। দুৰ্নীতি, শোষণ নীতি, স্বাৰ্থপৰতাই ৰঘু-মলাৰ দৰে ছাতি ধৰিছে। নিম্ন স্তৰৰ পৰা উচ্চ পৰ্য্যায়লৈকে দুৰ্নীতি, স্বাৰ্থপৰতাই গ্ৰাস কৰিছে। ৰাজনৈতিক নেতাবোৰ ৰাজনৈতিক সমস্যাবোৰত হাত কৰিলেও তাৰ গুৰিতে নিবনুৱা সমস্যাকে সাৰথি কৰি ছাত্ৰৰ ওপৰ চাপে।

নিবনুৱা ভাবে দিন কটোৱাৰ অশান্তিময় কালছোৱাত (যাৰ নাই অন্য-গতি সি কৰে ৰাজনীতি ?) ছাত্ৰ-বিক্ষোভ ঘেৰাও, হুলস্থুল আদিৰে অশান্তিময় পৰিবেশত বিষ ঢালি দিয়ে ছাত্ৰ, নিবনুৱা যুবক চামে। ৰাজনীতিৰ পথাৰত মল্ল-যুদ্ধৰ সৃষ্টি হয়, ট্ৰাম-বাছ জ্বলে, ঘৰ ভাঙে, কাৰ্য্যালয় ধ্বংস কৰে, চৰকাৰৰ সম্পত্তিৰ নামত ৰাইজৰেই ঘামেৰে সঞ্চিত ধনৰ অপচয়—অপব্যয় হয়—নক্সালাইটৰ সৃষ্টি হয় আৰু কত কি! পাশ্চাত্যীয়া দেশৰ ঢঙত হিপ্পী আৰু LSD খাই প্ৰমবন্দী হোৱা যুবক ছাত্ৰৰ অভাব ক'ত ?

পাশ্চমীয়া সংস্কৃতিৰ অনুকৰণ কৰাটো দোষণীয় বুলিব নোৱাৰি। সংস্কৃতি পৰিবৰ্ত্তনশীল। যুগৰ পৰিবৰ্ত্তনৰ লগে লগে সংস্কৃতিৰো পৰিবৰ্ত্তন হোৱা স্বাভাবিক। মানৱজাতি অনুকৰণ প্ৰিয়। তথাপি আমি বেয়াখিনিক বাদ দি ভালখিনি গ্ৰহণ কৰিব লাগে। বৰ্ত্তমান বিষয়ৰ পৰিবেশত ছাত্ৰ-যুবক সকলৰ মাজত বিবেচনা, যুক্তি আদি কৰবাত আঁতৰি পৰে।

এইদৰেই দিন পাৰ হৈ গৈছে—সময় আৰু ইতিহাস আগুৱাই গৈছে কৰ-বালৈ,— নিশ্চয়তা অনিশ্চয়তাৰ প্ৰশ্নই বহু সময়তে মূৰ দাঙি তোলে। কিন্তু সমাধান ক'ত! দিব কোনে!

এটা সাধাৰণ কথা। সকলোৰে মুখে মুখে শুনিবলৈ পোৱা এটি সামান্য বাক্য; কেইটিমান শব্দৰ উচ্চাৰণেৰে সদায়েই শুনিবলৈ পোৱা 'আজিৰ ছাত্ৰ কাইলৈৰ দেশৰ নেতা'। কথাটো সঁচা।

মিছা নহয়। কিন্তু দেশৰ কাইলৈৰ ধৰণী আৰু ভবিষ্যত আজি অনিশ্চয়তাৰ পঙ্কিলময় গণ্ডীত পৰি আছে। ক্ষত বিক্ষত দেহেৰে সচাঁ, মিছা নানান যুক্তিৰে কলিকতা, দিল্লী, বেনাৰসকে ধৰি পশ্চিম-বঙ্গ, উত্তৰ প্ৰদেশ, পঞ্জাব, অন্ধ্ৰ তামিল-নাডু— সকলো প্ৰদেশতেই ছাত্ৰ-যুবকৰ নিষ্ফল চিএৎৰ ভাৰতত ধ্বনিত প্ৰতিধ্বনিত হৈছে।

উদ্বিগ্ন, অতিষ্ঠ আৰু বিক্ষুব্ধ ডেকা চামৰ বিস্তৃত আৰু ব্যাপক বিক্ষোভ প্ৰদৰ্শনে কেৱল শান্তি আৰু শৃঙ্খলাকেই বিপন্ন কৰি তোলা নাই, আমাৰ ৰাষ্ট্ৰীয় চৰিত্ৰৰ মানো ক্ষুণ্ণ কৰি তুলিছে। আজি যুৱক দলৰ দৃষ্টি উক্তি কৰ্ম্ম আৰু আচৰণত তীব্ৰ ৰোষৰ বিস্তৃত স্ফুলিঙ্গ; সকলো কৰ্ত্তৃত্বৰ নিষেধ ছিন্ন কৰি নতুন মূল্য-বোধৰ উদ্ভৱন কৰিব— এয়া গণতন্ত্ৰৰ অভিশাপ? নে ন্যায় নিষ্ঠা সাম্যবাদ প্ৰতিষ্ঠাপনৰ অভিযান! কিন্তু সাহিত্যিকৰ দৃষ্টিত ই আমাৰ অগ্নি পৰীক্ষা। বিক্ষোভ, শৃঙ্খলাৰ নামান্তৰ মাথোন। অৰণ্যে অকল ভাৰতবৰ্ষতেই নহয় ইণ্ডো-নেচিয়া, আমেৰিকা, ভিয়েটনাম, জাপান, ইংলেণ্ড, ফ্ৰান্স আদি বিভিন্ন ৰাষ্ট্ৰতো ছাত্ৰ বিক্ষোভৰ ক্ষতিশীল প্ৰশ্নই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই আন্তঃৰাষ্ট্ৰীয় সমস্যাৰ সুস্থ সমাধান নহলে আমাৰ সভ্যতা-সংস্কৃতিৰ গতি বিপৰীতমুখী হৈ উঠিব। বিক্ষোভ প্ৰদৰ্শন— শান্তি আৰু শৃঙ্খলাৰেই পৰিপন্থী নহয়, আন এটি দৃষ্টিত ই আমাৰ সভ্য আৰু সুশিক্ষিত (Cultured) জীৱন, ঐতিহ্য আৰু সাংস্কৃতিক মূল্যবোধৰ বিৰুদ্ধে এটা বিৰাট প্ৰত্যাহ্বান।

সমাজৰ বিভিন্ন পৰ্য্যায়ত শৃঙ্খলা-হীনতাৰ আবৃত্তি বাঢ়ি গৈছে— ছাত্ৰ সমাজৰ ব্যাপক বিশৃঙ্খলাই চিন্তনীয় ৰূপ ধাৰণ কৰিছে। আধুনিক শিক্ষাব্ৰতী যুৱকৰ অস্থিৰতা আৰু উদ্বিগ্নতা আৰু উত্তেজনাৰ ভয়াবহ লক্ষণ গবেষণাৰ তথ্য। কাৰো কাৰোবাৰ দৃষ্টিত আজি শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত গুৰু-শিষ্যৰ সম্পৰ্ক শিথিল হৈ পৰিছে। উভয়ৰ মাজত সেতুহীন ব্যৱধান গঢ়ি উঠিছে। কোনো কোনো ক্ষেত্ৰত শিক্ষক আৰু শিক্ষাৰ্থীয়ে সামান্তৰাল বাটে আগবাঢ়ি যোৱাও দেখা গৈছে।

উৰ্ব্বৰ যোৱা যুগৰ আচাৰ, ঐতিহ্য আৰু চলিত সমাজক্ৰমৰ প্ৰতি বিতুষ্ট এই ছাত্ৰ-যুৱক শক্তিৰ বিতৃষ্ণা আৰু বিক্ষোভৰ মনোভাব সহানুভূতি আৰু বুজাপৰাৰ দৃষ্টিৰে অধ্যয়ন কৰিব লগা হৈছে, কিয়নো ছাত্ৰ-যুৱক সকলৰ বিবেচনা হেতুহীন হব নোৱাৰে। এটা কথা সু-নিশ্চিত যে বৰ্ত্তমানৰ যুৱক সকল ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চিন্তাধাৰাৰ লগত আগৰ চামতকৈ বেচি পৰিচিত। অইন ঠাইত,

কিম্বা দেশৰ আচৰণ কৌশল অনুকৰণ কৰি আত্মমৰ্যদা আৰু আত্মপ্ৰত্যয় প্ৰতিষ্ঠা কৰাৰ মোহ তেওঁলোকে এৰিব নোৱাৰে। আকৌ, শিক্ষক, শিক্ষা, কৰ্তৃপক্ষ কিম্বা শিক্ষা প্ৰণালীৰ ছিদ্ৰ পালে যুৱক সকলে ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰি বিদ্ৰোহ কৰাৰ পন্থা হাতত লয়। উত্তপ্ত পৰিবেশৰ হেঁচাত তেওঁলোকৰ অপুৰঠ, অপৰিপক্ক মন প্ৰসঙ্গ-ক্ৰমে বিচলিত হোৱা স্বাভাবিক। বিক্ষিপ্ত আশা আকাঙ্ক্ষাৰে ভাৰাক্ৰান্ত চঞ্চল শিক্ষাৰ্থীৰ অন্তৰত সুস্থ আশা আদৰ্শৰ সংহতি গঢ়ি তুলিব লাগিব। তেনেহলেহে ছাত্ৰ-যুৱক শক্তি ৰাষ্ট্ৰীয় উদ্দেশ্যধৰ্ম্মী হৈ পৰিব।

আমাৰ মৌলিক সমস্যা অৰ্থনৈতিক দুৰ্যোগেই নহয় জাতীয় চৰিত্ৰৰ অভাৱো। জাতীয় চৰিত্ৰ আৰু সামাজিক শৃঙ্খলাৰ ওপৰত ৰাষ্ট্ৰৰ সন্মান নিৰ্ভৰশীল, প্ৰগতি নিৰ্ভৰশীল। 'বেয়া সজুলিৰে যেনেকৈ ভালবস্তু সাজিব নোৱাৰি, দুৰ্ব্বল চৰিত্ৰৰ দ্বাৰাও তেনেকৈ ৰাষ্ট্ৰ গঢ়িব নোৱাৰি।' আমাৰ, এইখিনিতে লক্ষ্য হব লাগিব দেশ-ৰাষ্ট্ৰ নিৰ্বিবশেষে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰবল বিকাশ কৰা। পাঠ্য-পুথি, খেলধেমালি, শৃঙ্খলা-প্ৰশিক্ষণৰ মাধ্যমত সজ আচৰণৰ প্ৰেৰণা-উদ্দীপনা ছাত্ৰ-যুৱকৰ হৃদয়ত সঞ্চাৰ কৰিব লাগিব যাতে যুৱা শক্তিয়ে সজ দৃষ্টি, সভ্য উক্তি, শিষ্ট আচৰণৰ, উদাৰ অথচ দৃঢ় মনৰ গৰাকীৰে গৌৰৱান্বিত হয়। 'ভোগতকৈ ত্যাগ, স্বাৰ্থতকৈ পৰাৰ্থ, আৰু গাইগুটীয়াতকৈ যুটীয়া লক্ষ্যৰ উৎকৃষ্টতাৰ প্ৰতি তেওঁবিলাকৰ আকৰ্ষণ বঢ়াব লাগিব'। সেয়ে হলেহে ছাত্ৰ-যুৱক সমাজৰ মাজত জাতীয় শৃঙ্খলা, জাতীয় চৰিত্ৰ আৰু সমাজ সচেতন মনৰ বুনিয়াদ গঢ়ি উঠিব। বিক্ষোভ-প্ৰদৰ্শন শক্তি-প্ৰাচুৰ্য্যৰ পৰিচায়ক নহয়—ই লক্ষ্য ভ্ৰষ্টতাৰ নিদৰ্শন ৰূপেহে প্ৰকৃত সত্যত পৰিচিত। বিজ্ঞানৰ গতি-চঞ্চলতাই আমাক বিমোহিত কৰি তুলিলেও সামাজিক আৰু জাতীয় আৰু নৈতিক চৰিত্ৰ আৰু মনৰ বিৰাট সম্ভাৱনালৈ উদাস মনোভাৱ প্ৰদৰ্শনে ৰাষ্ট্ৰৰ আৰু লগতে বিশ্বৰেই ক্ষতি সাধন কৰিব —আন্ত-ৰ্জ্জাতিক পথাৰত চেকা সানিব। ছাত্ৰ-যুৱকৰ এই উঠি অহা চামে গভীৰ ভাৱে এই সত্যৰ মৰ্ম্ম উপলব্ধি কৰি ৰাষ্ট্ৰীয় আৰু আন্তৰ্জ্জাতিক লক্ষ্য সাধনত শ্ৰেষ্ঠ আৱৰণা যোগাব পাৰিব।

> Education is the ability to listen to almost anything without losing your temper or your self-confidence.
>
> Robert Frost

# ন্যায়-বৈশেষিক দৰ্শনৰ পৰমাণুকাৰণবাদ

অধ্যাপক প্ৰিয়াংশু প্ৰৱল উপাধ্যায়

দৰ্শন শাস্ত্ৰৰ পঢ়ুৱৈ সমাজত বৈশেষিক আৰু ন্যায় দৰ্শনৰ নাম জনাজাত। বৈশেষিক আৰু ন্যায় দৰ্শন ভাৰতীয় আস্তিক দৰ্শন সমূহৰ অন্তৰ্ভুক্ত। ওপৰোক্ত দৰ্শনৰ মূলগ্ৰন্থ দুখন সূত্ৰ আকাৰে অৰ্থাৎ ভাবগধুৰ অথচ অতি সংক্ষিপ্ত বাক্যৰে বিৰচিত।

মহৰ্ষি কণাদ বৈশেষিক দৰ্শনৰ প্ৰণেতা আৰু মহামুনি গোতম বা গৌতম হৈছে ন্যায়দৰ্শনৰ ৰচয়িতা। ন্যায় আৰু বৈশেষিক দুখন দৰ্শন বিভিন্ন হলেও দুয়োখন দৰ্শনৰ প্ৰতিপাদ্য বিষয়ৰ ভালেমান অংশত সাদৃশ্য থকাত বহুতো সময়ত এই দুয়োখন দৰ্শন একে পৰ্য্যায়ত আলোচনা কৰা হয়। ন্যায় আৰু বৈশেষিক এই দুখন দৰ্শনে এই বিশ্বৰ দৃশ্য পদাৰ্থ সমূহৰ সম্বন্ধে বিশেষভাবে আলোচনা কৰিছে। তেওঁলোকৰ মতে পদাৰ্থ সম্বন্ধে যথাৰ্থ তত্ত্বজ্ঞান লাভ কৰিব পাৰিলে মিথ্যাজ্ঞান দূৰ হৈ যায় আৰু এই পদাৰ্থ জগতৰ দুঃখময় বন্ধনৰ পৰা অপবৰ্গ বা মুক্তিলাভ কৰা সম্ভৱ হয়। বৈশেষিক দৰ্শনে 'দ্ৰব্য', 'গুণ', 'কৰ্ম্ম', 'সামান্য', 'বিশেষ', আৰু 'সমবায়' এই ছয়টা ভাৱ পদাৰ্থ আৰু 'অভাব' পদাৰ্থ—মুঠতে এই সাতটা পদাৰ্থৰ কথা কৈছে। ন্যায় দৰ্শনে আকৌ 'প্ৰমাণ', 'প্ৰমেয়', 'সংশয়', 'প্ৰয়োজন', 'দৃষ্টান্ত', 'সিধান্ত', 'অৱয়ৱ', 'তৰ্ক', 'নিৰ্ণয়', 'বাদ', 'জল্প', 'বিতণ্ডা', 'হেত্বাভাস', 'ছল', 'জাতি' আৰু 'নিগ্ৰহস্থান' এই ষোলটা পদাৰ্থক মানিছে। ন্যায়-দৰ্শনকাৰ মহামুনি গোতমে প্ৰথমে প্ৰমাণৰ কথা কৈ তাৰ পিছতে প্ৰমেয় পদাৰ্থৰ কথা কৈছে। কাৰণ প্ৰত্যক্ষ, অনুমান আদি প্ৰমাণক অৱলম্বন কৰিহে প্ৰমেয় পদাৰ্থৰ প্ৰতিপাদন কৰা সম্ভৱ হয়। ন্যায়-দৰ্শনৰ মতে—আত্মা, শৰীৰ, ইন্দ্ৰিয়, অৰ্থ, বুদ্ধি, মন, প্ৰবৃত্তি, দোষ, প্ৰেত্যভাব, ফল, দুঃখ আৰু অপবৰ্গ বা মোক্ষ এই বাৰটা হৈছে প্ৰমেয় পদাৰ্থ। বৈশেষিক দৰ্শনৰ স্বীকৃত পূৰ্ব্বোক্ত দ্ৰব্য, গুণ, কৰ্ম্ম, আদি প্ৰমেয় পদাৰ্থ সাতটা ন্যায়দৰ্শনে মানি লৈছে। কিন্তু ন্যায়দৰ্শনৰ মতে দ্ৰব্য, গুণ, আদি প্ৰমেয় পদাৰ্থ অসংখ্য; পৰিগণনৰ দ্বাৰা তাৰ সংখ্যা নিৰ্দ্ধাৰণ কৰা সম্ভৱ নহয়। গতিকে আচাৰ্য্য গৌতমে সেইবিলাকৰ উল্লেখ নকৰি আত্মা, শৰীৰ আদি প্ৰমেয় পদাৰ্থৰ সম্বন্ধে তত্ত্বজ্ঞান

লাভ কৰিলে সেই সেই বিষয়ৰ অজ্ঞতা বা মিথ্যাজ্ঞানৰ উচ্ছেদ হৈ যায় আৰু সিয়ে হয় সকলো দুঃখৰ নিবৃত্তিৰ সাক্ষাৎ কাৰণ। দুঃখৰ সম্পূর্ণ নিবৃত্তিয়ে হৈছে অপবর্গ বা মুক্তি। এইদৰে ন্যায় আৰু বৈশেষিক দর্শনে পদাৰ্থ সম্বন্ধে বিস্তৃত আলোচনা কৰিছে। আমাৰ এই নিবন্ধৰ স্থান অতি সীমিত ভাবে নিৰ্দ্দিষ্ট হৈ থকাত সকলো কথা ইয়াত বিতংকৈ আলোচনা কৰা আমাৰ পক্ষে সম্ভৱ নহব। গতিকে আমি এতিয়া প্রাসঙ্গিক বিষয়লৈ আহোঁ।

ন্যায়দর্শন 'আন্বীক্ষিকী বিদ্যা' বা তর্কবিদ্যা নামেও অভিহিত হৈ থাকে। 'আন্বীক্ষিকী' শব্দৰ ব্যুৎপত্তিগত অর্থ বিচাৰিলে পোৱা যায় যে 'অনু' মানে পাশ্চাৎ বা পাছত আৰু 'ঈক্ষা' মানে দর্শন। অনু + ঈক্ষা সন্ধি কৰিলে হয় অন্বীক্ষা। 'অন্বীক্ষা' মানে পাশ্চাৎদর্শন। পশ্চাৎ বা পাছত শব্দটো কলেই 'কিহৰ পাছত' এই প্রশ্ন স্বভাৱতে মনলৈ আহে আৰু ইয়াত তাৰ উত্তৰ হৈছে শুনাৰ পাছত। তেনেহলে অন্বীক্ষা শব্দটোৰ তাৎপৰ্য্যাৰ্থ হৈছে শুনাৰ পাছতে দর্শন। যাৰ দ্বাৰা তত্ত্ববস্তু দেখা বা উপলব্ধি কৰা যায় তাক কয় দর্শন। ইয়াত দর্শন মানে বিচাৰ কৰি চোৱা। এই অন্বীক্ষাক সম্পাদন কৰে যি বিদ্যাই সেই সুযুক্তিপূর্ণ বিচাৰ বা বিতর্ক বিদ্যাক কোৱা হয় আন্বীক্ষিকী বিদ্যা। এই যুক্তি বিদ্যাক 'হেতুবিদ্যা' নামেৰেও অভিহিত কৰা হয়। ইয়াৰ আগতেই কোৱা হৈছে যে অন্বীক্ষা মানে পশ্চাৎদর্শন। সেই প্রত্যক্ষ প্রমাণ হৈছে বস্তুৰ যথার্থ জ্ঞানৰ কাৰণ। প্রত্যক্ষ প্রমাণৰ দৰে অনুমানো হৈছে এবিধ প্রমাণ; প্রত্যক্ষ প্রমাণৰ পিচতহে আহে অনুমান প্রমাণৰ কথা। এই অনুমান প্রমাণৰ যথার্থতা নির্ভৰ কৰে হেতুৰ বিশুদ্ধতাৰ ওপৰত। হেতু যদি বিশুদ্ধ নহয় অর্থাৎ কোনো অনুমান প্রদর্শন কৰোতে যদি হেত্বাভাস বা দুষ্ট হেতু ( fallacy ) প্রয়োগ কৰা হয়, তেনেহলে সেই অনুমানৰ প্রমাণ ( validity ) কেতিয়াও নেথাকে আৰু সেই অনুমান হব ভুল অনুমান। প্রত্যক্ষ প্রমাণক অবলম্বন কৰিহে প্রত্যক্ষৰ পাছত অনুমান প্রমাণৰ প্রতিষ্ঠা হয়। গতিকে 'অন্বীক্ষা' মানে 'অনুমান' এই অর্থও কৰা হয় আৰু আন্বীক্ষিকী বিদ্যাক হেতু বিদ্যা বুলি কোৱা হয়। ইতিপূৰ্ব্বে এই আলোচনীৰ এটা সংখ্যাত 'চাৰ্ব্বাক দর্শনৰ চমু পৰিচয়' নিবন্ধত কোৱা হৈছে যে চাৰ্ব্বাক দর্শনে প্রত্যক্ষক হে একমাত্র প্রমাণ বুলি স্বীকাৰ কৰে আৰু সেই প্রত্যক্ষ প্রমাণৰ ভিত্তিতহে চাৰ্ব্বাক দর্শন প্রতিষ্ঠিত অনুৰূপ ভাবে ন্যায় বৈশেষিকৰ 'পৰমানুকাৰণবাদ' অনুমান প্রমাণৰ ভিত্তিত সুপ্রতিষ্ঠিত। এই আন্বীক্ষিকী বিদ্যা অর্থাৎ যুক্তি বিদ্যা

সকলো বিদ্যাৰ প্ৰদীপ স্বৰূপ বুলি কোৱা হৈছে—

'প্ৰদীপঃ সৰ্ব্বশাস্ত্ৰাণাম্ উপায়ঃ সৰ্ব্বকৰ্ম্মণাম্।
আশ্ৰয়ঃ সৰ্ব্বধৰ্ম্মাণাং শশ্বদান্বীক্ষিকী মতা॥'
(অৰ্থশাস্ত্ৰ বিদ্যা সমুদ্দেশ প্ৰকৰণ)

উক্ত যুক্তি বিদ্যাই হৈছে শ্ৰুতিত অভিহিত মনন। শ্ৰুতিত কোৱা হৈছে— 'আত্মা বা অৰে, দ্ৰষ্টব্যঃ শ্ৰোতব্যো মন্তব্যো নিদিধ্যাসিতব্যঃ' পাৰ্থিৱ জগতৰ দুঃখৰ পৰা মুক্তি পাবলৈ হলে আত্ম সাক্ষাৎকাৰ কৰিব লাগে, অৰ্থাৎ নিজৰ যথাৰ্থ পৰিচয় পাব লাগে। তাক পাব লাগিলে আত্মা সম্বন্ধে যথাৰ্থ জ্ঞান থকা গুৰুজনাৰ পৰা সেই বিষয়ে শুনিব লাগে। উপদেশ গ্ৰহণ কৰিব লাগে। শুনাৰ পাচত আকৌ সেই বিষয়ে মনন কৰিব লাগে। এই মননেই হৈছে যুক্তি পূৰ্ণ বিচাৰ। কোনো গম্ভীৰ বিষয় শুনা মাত্ৰকেই গ্ৰহণ কৰি ললে সেই উপদিষ্ট বিষয়ে মনৰ দৃঢ়তা সম্পাদিত নহয়। কিন্তু সেই উপদিষ্ট বিষয় নিজে যুক্তিৰ দ্বাৰা বিচাৰ কৰি সত্যবস্তুক গ্ৰহণ কৰিলে সত্যবস্তুৰ সম্বন্ধে মনৰ ধাৰণা আৰু লৰচৰ নহয়। এই কাৰণে কোনো ভাবগম্ভীৰ বিষয় অকলে আবেগেৰে গ্ৰহণ নকৰি বিচাৰ পুৰ্ব্বক গ্ৰহণ কৰিব লাগে। মননৰ দ্বাৰা যিটো বস্তু সত্য বুলি গৃহীত হয় সেই বিষয় অৱলম্বন কৰি আকৌ নিদিধ্যাসন অৰ্থাৎ নিৰৱচ্ছিন্ন ধ্যান কৰিব লাগে। নিৰৱচ্ছিন্ন ধ্যানৰ দ্বাৰা আত্মা সাক্ষাৎকাৰ হোৱা সম্ভৱ হয়।

ভাৰতীয় দাৰ্শনিক চিন্তাৰ মূল হৈছে আত্মানুসন্ধান। এই আত্মানুসন্ধিৎসাই অৰ্থাৎ নিজৰ সম্বন্ধে জানিবৰ ইচ্ছাই হৈছে মানুহৰ বুদ্ধি বিকাশৰ চৰম নিদৰ্শন। মানুহৰ বুদ্ধি বিকশিত হোৱাৰ লগে লগে পাৰিপাৰ্শ্বিক জগতৰ বিস্ময়াবহ বিচিত্ৰতা, সদায় তাৰ পৰিবৰ্ত্তন আৰু তাৰ লগত নিজৰো পৰিবৰ্ত্তন নিবিষ্টভাবে লক্ষ্য কৰি থাকোঁতে নানাবিধ প্ৰশ্ন আমাৰ মনলৈ আহে। এই পৰিদৃশ্যমান বিশ্বব্ৰহ্মাণ্ডৰ উৎস বা মূল কাৰণ কি? কিহৰ পৰা আমাৰ উৎপত্তি হ'ল; আমিনো কেনেকৈ জীয়াই থাকোঁ; জীৱনৰ অৱসান হলে আকৌ কলৈ গৈনো আমাৰ অৱস্থিতি হয়; 'মই' বোলা বস্তুটোনো কি— ইত্যাদি ৰূপে বহুতো প্ৰশ্ন আমাৰ মনত উদয় হয়— নিজৰ স্বৰূপ জানিবৰ ইচ্ছাৰে অনুপ্ৰাণিত হৈ গভীৰ চিন্তাৰ সৈতে আত্মানুসন্ধানৰ ফলত যি তত্ত্বৰ উপলব্ধি হয়, দাৰ্শনিক সকলে নিজ নিজ উদ্ভাৱিত সেই তত্ত্বৰ সন্ধান আমাক দি আহিছে। এই তত্ত্ব উদ্ভাৱনৰ মূলতে আছে আকৌ কাৰ্য্যবস্তুক অৱলম্বন কৰি তাৰ কাৰণৰ অনুসন্ধান আৰু তাৰ পুঙ্খানুপুঙ্খ বিচাৰ বিশ্লেষণ।

আমি বাস্তৱ জগতত উৎপন্ন প্ৰতিটো কাৰ্য্যৰে কিবা এটা কাৰণ আছে বুলি লক্ষ্য

কৰি থাকোঁ। যেনে, গছ একজোপা চালে সেই গছৰ গুটিৰ পৰা যে তাৰ উৎপত্তি তাক আমি বুজি পাওঁ। সেই গুটিয়েই হৈছে গছজোপাৰ কাৰণ। সূতাৰ কাপোৰ এখন চালে আমি বুজি পাওঁ যে সূতাবোৰে পৰস্পৰ সংযুক্ত হোৱাৰ ফলত কাপোৰখন তৈয়াৰী হৈছে। সেই সূতাবোৰে হৈছে কাপোৰখনৰ কাৰণ। সূতাবোৰ থকা গতিকে কাপোৰখন তৈয়াৰী কৰা সম্ভৱ হৈছে। এইদৰে এই কৰ্ম্মজগতখনৰ কাৰণ আৰু সেই কাৰ্য্য আৰু কাৰণৰ অনুসন্ধান, তাৰ পৰ্য্যবেক্ষণ আৰু তাৰ বিচাৰৰ দ্বাৰা যি তত্ত্ব নিৰ্ণয় সেয়ে হৈছে দৰ্শন আৰু এনেধৰণৰ আলোচনী য'ত থাকে তাক কোৱা হয় দৰ্শন শাস্ত্ৰ। কাৰ্য্যকাৰণৰ তত্ত্ব নিৰ্ণয়হে দৰ্শন শাস্ত্ৰৰ মুখ্য প্ৰতিপাদ্য বিষয়। পাৰ্থিৱ জগতৰ পৰা পোৱা দুঃখৰাশিৰ কাৰণৰ অনুসন্ধান কৰি সেই কাৰণ সমূলে বিনাশ কৰিব পাৰিলে বা সেই কাৰণৰ পৰা নিজক মুক্ত কৰিব পাৰিলেহে সকলো দুঃখৰ চিৰকাললৈ অবসান হয় আৰু পৰম শান্তি লাভ হয়। দুঃখৰ কাৰণৰ ধ্বংস হোৱাৰ ফলত দুঃখৰূপ কাৰ্য্যবো ধ্বংস হৈ যায়। 'কাৰণাভাবাৎ কাৰ্য্যাভাবঃ', 'ন তু কাৰ্য্যাভাবাৎ কাৰণাভাবঃ'— (বৈশেষিক সূত্ৰ ১।২।১-২) অৰ্থাৎ কাৰণৰ অভাৱ বা নিবৃত্তি হলে কাৰ্য্য আৰু কোনোমতে উৎপন্ন হব নোৱাৰে; কিন্তু কাৰ্য্যৰ নিবৃত্তি হলেই কাৰণৰ নিবৃত্তি অভাব নহয়। যেনে, মাটি নেথাকিলে তাৰ অভাৱত মাটিৰ কলহ নিৰ্ম্মাণ কৰা সম্ভৱ নহয়, কিন্তু মাটিৰ কলহটো ভাগি নষ্ট হৈ গলেও তাৰ কাৰণ যে মাটি সি থাকি যায়।

ভাৰতীয় দৰ্শন সমূহে— জড়বাদী চাৰ্ব্বাক দৰ্শনৰ পৰা আৰম্ভ কৰি অদ্বৈত বেদান্তলৈকে সকলো দৰ্শনেই এই কাৰ্য্যজগতৰ কাৰণৰ অনুসন্ধান কৰিছে আৰু তাৰ সন্ধান আমাক দিছে। ন্যায় আৰু বৈশেষিক দৰ্শনেও এই পৰিদৃশ্যমান বিশ্বৰ মূল কাৰণ আৰু সেই কাৰ্য্যকাৰণৰ সম্বন্ধৰ কথা বিস্তৃতভাৱে আলোচনা কৰি নিজস্ব অভিমত ব্যক্ত কৰিছে। সৃষ্টিতত্ত্বৰ অনুসন্ধান আৰু সেই বিষয়ে কাৰ্য্য আৰু কাৰণৰ বিচাৰ 'আৰম্ভবাদ' 'পৰিণামবাদ' আৰু 'বিবৰ্ত্তবাদ'— এই তিনিটা ধাৰাত বিভক্ত। ন্যায়-বৈশেষিক সম্মত কাৰ্য্যকাৰণৰ বিচাৰ ধাৰা 'আৰম্ভবাদ' নামেৰে অভিহিত হয়।

ন্যায় বৈশেষিকৰ মতে উৎপত্তিৰ আগত এই বিশ্ব ব্ৰহ্মাণ্ডৰ সত্ত্বা নাছিল। তেওঁলোকৰ মতে— উৎপত্তি হোৱাৰ আগলৈকে কাৰ্য্যৰ সত্ত্বা একেবাৰেই নাথাকে। কাৰ্য্যৰ সত্ত্বা যে কাৰণৰ মাজত সূক্ষ্মভাৱে অপ্ৰকাশিত অৱস্থাত বিদ্যমান থাকে এনে ধাৰণা থিক নহয়। কাৰ্য্য আৰু কাৰণ দুয়োটা একেবাৰে স্বতন্ত্ৰ বস্তু, এই দুটা কেতিয়াও একে বস্তু হব নোৱাৰে।

অবয়ৱ দ্ৰব্যৰ পৰা অবয়ৱী দ্ৰব্যৰ উৎপত্তি হয়। অবয়ৱ আৰু অবয়ৱী কেতিয়াও একে নহয়। যেনে গুণ আৰু গুণী কেতিয়াও একে বস্তু নহয়। কিছুমান সূতা হৈছে কাপোৰ এখনৰ অবয়ৱ; আৰু সেই অবয়ৱে অবয়ৱী কাপোৰখনক আশ্ৰয় কৰি বিদ্যমান থাকে। কিন্তু সূতাবোৰেই কেতিয়াও কাপোৰ নহয়। কাৰ্য্য আৰু কাৰণ যদি একেই বস্তু হ'লহেঁতেন, তেনেহ'লে কাৰ্য্যবস্তু তৈয়াৰী কৰিবৰ কাৰণে একো যত্ন কৰিব নেলাগিলহেঁতেন। কিন্তু পৃথিবীত কোনো কাৰ্য্যই যে যত্ন বা চেষ্টা নকৰি পোৱা সম্ভৱ নহয় ই আমাৰ অনুভৱ সিদ্ধ কথা। তাৰোপৰি কাৰ্য্য আৰু কাৰণ একে বস্তু হলে কাৰ্য্যবস্তুৰ দ্বাৰা আমাৰ যি উদ্দেশ্য সাধিত হয় কাৰণ বস্তুৰ দ্বাৰাও সেই উদ্দেশ্যৰ সিদ্ধি হ'লহেঁতেন। যেনে, এখন কাপোৰ গাত লৈ শৰীৰটো আচ্ছাদিত কৰা যায় কিন্তু সেই কাপোৰখন তৈয়াৰী কৰোঁতে যিখিনি সূতা লাগে সেই সূতাবোৰ গাত মেৰিয়াই দিলে সেই উদ্দেশ্য সাধিত নহয়। মাটিৰ এটা কলহ লৈ আমি নৈ, পুখুৰী আদিৰ পৰা পানী ভৰাই আনিব পাৰোঁ। কিন্তু সেই কলহটো তৈয়াৰী কৰোঁতে যিখিনি মাটি লাগিছে সেই বোকা মাটিখিনিৰে পানী আনিব নোৱাৰোঁ। প্ৰচণ্ড গৰমৰ দিনা বাটেদি যাওঁতে এজোপা বট গছৰ ছাঁত বহিলে আমাৰ যি তৃপ্তি লাভ হয়, বট গছৰ গুটি এটাৰ দ্বাৰা আমাৰ সেই উদ্দেশ্য সাধিত নহয়— এইবোৰ সকলো আমাৰ অনুভৱসিদ্ধ কথা। গতিকে কাৰ্য্য আৰু কাৰণ কেতিয়াও একে বস্তু হব নোৱাৰে। কাৰণৰ স্বৰূপটো নষ্ট হৈ যোৱাৰ পাচতহে কাৰ্য্যবস্তুৰ উৎপত্তি হয়। এটা গুটিৰ পৰা অঙ্কুৰ গজিবৰ আগত গুটিৰ নিজৰ সত্তা নষ্ট বা পৰিবৰ্ত্তন হৈ যায়,— তাৰ পিচতহে গছ গজিব ধৰে। সকলো কাৰ্য্যৰ ক্ষেত্ৰতে এই কথা খাটে। গতিকে উৎপত্তি হোৱাৰ কাৰ্য্যবস্তু নাথাকে। এটা কাৰ্য্য উৎপত্তি হোৱাৰ সকলো কাৰণ একেলগে সন্মিলিত হোৱাৰ পিছতহে কাৰ্য্যৰ আৰম্ভ বা উৎপত্তি হয়। যেনে কাপোৰ এখন তৈয়াৰী হোৱাৰ আগলৈকে তাৰ সত্তা নাথাকে। কিন্তু কাপোৰখনৰ কাৰণ— সূতা, সূতাবোৰ পৰস্পৰ সংযুক্ত কৰাৰ যন্ত্ৰ, তাঁত, মাকো আদি শিপিনী প্ৰভৃতি সকলো কাৰণ একেলগে গোট খালে তেতিয়াহে কাপোৰখনৰ উৎপাদন সম্ভৱ হয়। অনুৰূপভাৱে সৃষ্টিৰ আগত এই দৃশ্য পদাৰ্থজগতো নাছিল; সৃষ্টিৰ আগলৈকে প্ৰত্যক্ষ হোৱাৰ যোগ্য বস্তু একোৱে নাছিল।

ন্যায় বৈশেষিকৰ মতে এই বিশ্বৰ সৃষ্টিৰ আগতে ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰত্যক্ষৰ সম্পূৰ্ণ অযোগ্য অতি সূক্ষ্ম পৰমানুৱে একমাত্ৰ বিদ্যমান আছিল। সেই

সূক্ষ্মাতি সূক্ষ্ম পৰমাণুৰ পৰাহে এই বিশাল বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তি হৈছে। পাৰ্থিৱ অৰ্থাৎ পৃথিৱী সম্বন্ধীয় পৰমাণু, জলীয় পৰমাণু, তৈজস বা অগ্নি সম্বন্ধীয় পৰমাণু আৰু বায়বীয় পৰমাণু— এইচাৰিবিধ পৰমাণুৰ পৰাহে এই পৃথিৱী, পানী, জুই আৰু বতাহেৰে পৰিপূৰ্ণ জগতখনৰ সৃষ্টি হৈছে। উক্ত চাৰিবিধ পৰমাণু অতি সূক্ষ্ম আৰু নিত্য — কেতিয়াও তাৰ উৎপত্তি বা বিনাশ নহয়। সেই পৰমাণুবিলাকেই হৈছে কাৰ্য্যদ্ৰব্যৰ উপাদান কাৰণ। পৰমাণুবোৰে দ্ব্যনুক ত্ৰ্যনুক ইত্যাদি ক্ৰমে এই জগতখন গঢ়ি তোলে। কাৰণৰ পৰা কাৰণত বিদ্যমান নথকা কাৰ্য্যবস্তুৰ উৎপত্তি বা আৰম্ভ হয় বুলি প্ৰতিপাদন কৰে হেতুকে ন্যায় বৈশেষিক সম্মত কাৰ্য্যকাৰণবাদক 'আৰম্ভবাদ' নামেৰে অভিহিত কৰা হয়।

সৃষ্টি আৰম্ভ হোৱাৰ আগৰ পৰাহে পাৰ্থিৱ, জলীয়, তৈজস (তেজ বা জুই-সম্বন্ধীয়) আৰু বায়বীয় এই চাৰিবিধ আৰু সংখ্যাতীত পৰমাণু, আকাশ, কাল, দিক্, আত্মা, মন, ঈশ্বৰ আৰু অসংখ্য জীৱাত্মা এই কেইটা বস্তু বিদ্যমান আছে। এই কেইটা বস্তু নিত্য আৰু এইবিলাকৰ এটাও ইন্দ্ৰিয়ৰ প্ৰত্যক্ষ গ্ৰাহ্য নহয়। পৰমাণুবিলাক সদায় কম্পমান অৱস্থাত বিদ্যমান থাকে। সৃষ্টিৰ আগত গতিশীল পাৰ্থিৱ পৰমাণু দুটা পৰস্পৰে জোৰা লাগি যায় আৰু তাৰ ফলত এটা 'দ্ব্যনুক'ৰ উৎপত্তি হয়। তিনিটা দ্ব্যনুক এনেদৰে সংযুক্ত হলে আকৌ 'ত্ৰ্যনুক' বা 'ত্ৰসৰেণু'ৰ সৃষ্টি হয়। এই ভাবে সূক্ষ্মাতি সূক্ষ্ম পৰমাণুৰ পৰা দ্ব্যনুক, ত্ৰ্যনুক ত্ৰসৰেণু ইত্যাদি ক্ৰমে স্থুল, স্থুলতৰ আৰু স্থুলতম এই বিশাল ভূমণ্ডলৰ সৃষ্টি হয়। ঠিক সেই একেদৰে জলীয়, তৈজস আৰু বায়বীয় পৰমাণুবিলাকে সংযুক্ত হোৱাৰ ফলত দ্ব্যনুকাদিক্ৰমে পানী জুই আৰু বায়ুমণ্ডলৰ সৃষ্টি হৈছে। উক্ত চাৰিবিধ পৰমাণুৰে পৰা সৃষ্টিৰ আৰম্ভ হয়। আকাশৰ কোনো অৱয়ৱ বা অংশ নথকাত তাৰ উৎপত্তি হোৱাটো অসম্ভৱ আৰু সেই কাৰণে তাৰ উপাদান পৰমাণু নাই। এই মতে আকাশ যে নিত্য দ্ৰব্য এই কথা ইতিপূৰ্ব্বে কোৱা হৈছে।

ন্যায় বৈশেষিকে জগৎ প্ৰপঞ্চৰ কাৰণ যে পৰমাণু এই কথা যুক্তিৰে প্ৰমাণিত কৰিছে। কাৰ্য্যদ্ৰব্যতকৈ তাৰ কাৰণ সদায় সূক্ষ্ম। কাৰ্য্যদ্ৰব্যক ভাগ কৰি কৰি এনে এটা সূক্ষ্মতম অংশলৈ অহা যায়, যিটো অংশ ভাগ কৰা আৰু মুঠেই সম্ভৱপৰ নহয়। তেনেহলে কাৰ্য্যদ্ৰব্যৰ কাৰণটো সদায় কাৰ্য্যতকৈ সূক্ষ্ম আৰু কাৰ্য্যদ্ৰব্যৰ সূক্ষ্মতম অংশই হৈছে কাৰ্য্যৰ মূল কাৰণ - সেই সূক্ষ্মতম অংশ হৈছে পৰমাণু। গতিকে এই পৰমাণু-কাৰণবাদ যুক্তিৰ ভিত্তিত সুপ্ৰতিষ্ঠিত।

এই পৰমাণু নিত্য, অতীন্দ্ৰিয় আৰু

নিৰবয়ব। অবয়ব থাকিলেই সি বিভাজ্য হৈ পৰিব, তাৰ উৎপত্তি মানিব লাগিব আৰু সি অনিত্য হব। পৰমাণু কেতিয়াও বিভাজনযোগ্য নহয়, বিভাগৰ পৰকাষ্ঠা য'ত সিয়ে হৈছে পৰমাণু। বিভাজনযোগ্য বা ইন্দ্ৰিয়গ্ৰাহ্য হলে সি আৰু পৰমাণু নহয়। পৰমাণু যে নিৰবয়ব বা অবিভাজ্য তাৰ প্ৰতি যুক্তি হৈছে এয়ে যে, পৰমাণুকো সবয়ব বুলি স্বীকাৰ কৰিবলৈ গলে তাৰো আকৌ বিভাজন মানিব লাগিব আৰু এইদৰে বিভাজন হব লাগিলে কোনো দ্ৰব্যৰেই বিভাজনৰ পৰিসমাপ্তি কেতিয়াও নহব। হিমালয় পৰ্ব্বতৰো অবয়বৰ বিভাজনৰ পৰিসমাপ্তি নহব, এটা সৰিয়হৰ গুটিৰো অবয়বৰ বিভাজনৰ পৰিসমাপ্তি নহব; অনন্ত অবয়বধাৰা চলিহে থাকিব। তেনেহলে হিমালয় পৰ্ব্বত বা এটা সৰিয়হৰ গুটিৰ বিভাজক অবয়বৰ সংখ্যা একে সমান হব আৰু দুটাৰে পৰিমাপ একেই হৈ পৰিব। ফলত ব্যৱহাৰিক ক্ষেত্ৰত কোনো বস্তুৰেই আকাৰ ক্ষুদ্ৰ বা বৃহৎ বুলি নিৰ্ণয় কৰা সম্ভৱ নহব; আৰু লৌকিক ব্যৱহাৰৰে উচ্ছেদ হৈ যাব। গতিকে কাৰ্য্যবস্তুৰ অবয়বৰ বিভাগ কৰি থাকোঁতে এনে এটা অৱস্থাত উপনীত হোৱা যায়, যিটো বিভাগৰ আৰু বিভাজন সম্ভৱ নহয়, তাতেই হয় বিভাজনৰ পৰিসমাপ্তি। সেই অবিভাজ্য নিৰবয়ব দ্ৰব্যই হৈছে পৰমাণু। এই পৰমাণুবোৰ নিত্য; পৰমাণুৰ উৎপত্তি বিনাশ নাই। পৰমাণুৰ পৰা এই বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি হয় আৰু কাৰ্য্যজগতৰ বিনাশ হলে এই বিশ্ব তেতিয়া উক্ত চাৰিবিধ পৰমাণু অৱস্থাত পৰিণত হৈ থাকে।

এতিয়া সংশয় হ'ল, এটি দ্ৰব্যৰ বিভাগ কৰি থাকোতে তাৰ বিভাজন আৰু সম্ভৱ নহলে সেই চৰম বিভাগেই যদি পৰমাণু হয়; তেনেহলে সেই অবিভাজ্য অংশতো শূণ্যহে হব। শূণ্যৰ পৰা দৃশ্যবস্তুৰ উৎপত্তি হোৱাৰ কথাটোতো একেবাৰে অবাস্তৱ, অযৌক্তিক। তাৰ উত্তৰত কব লগীয়া হৈছে এই যে শূণ্য কোনো কাৰ্য্যৰে উপাদান হব নোৱাৰে। পৰমাণুৰ পৰা দ্ব্যনুকাদিক্ৰমে এই দৃশ্যজগতৰ উৎপত্তি হয় আৰু বিপৰীত ক্ৰমে এই স্থূল কাৰ্য্যজগত খনৰ আপেক্ষিক সূক্ষ্ম ত্ৰসৰেণু তাৰ পিচত দ্ব্যনুক ইত্যাদি ক্ৰমে বিনাশ হৈ পৰমাণু অৱস্থাত স্থিতি হয়গৈ। স্থূল দ্ৰব্যৰ এই যে দ্ব্যনুকাদিক্ৰমে বিভাগ, ই কিবা এটা বস্তুক আশ্ৰয় কৰিহে হব লাগে। এই চৰমবিভাগ যাক অবলম্বন বা আশ্ৰয় কৰি থাকে, সেই অতি সূক্ষ্ম দ্ৰব্যই হৈছে পৰমাণু; গতিকে সি শূণ্য নহয়। এই মতে কোনো দ্ৰব্যৰ অবয়বৰ চৰম বিভাগ হলে একোৱে নেথাকে এই কথা অযৌক্তিক। দৃশ্যজগতৰ সকলো দ্ৰব্যৰ ধ্বংস হলেও প্ৰলয় অৱস্থাতো পৰমাণুৰ সত্তা বিদ্যমান থাকে।

আকৌ সংশয় হয় যে পৰমাণুক অতীন্দ্ৰিয় বুলি কোৱা হৈছে; সেয়ে যদি

হয়, তেনেহলে সেই অতীন্দ্রিয় অর্থাৎ প্রত্যক্ষৰ অযোগ্য পৰমাণুৰ পৰা সৃষ্ট হৈ এই পৃথিৱী খননে। কেনেকৈ প্রত্যক্ষ-যোগ্য হয় ? তাৰ উত্তৰ এই যে পৰমাণু যে কোনোমতেই প্রত্যক্ষযোগ্য নহয় তাৰ কাৰণ পৰমাণুৰ অতিসূক্ষ্মতা। সাক্ষাৎভাবে পৰমাণু বা পৰমাণুৰ পৰিমাণ কোনো দৃশ্যবস্তুৰ উৎপত্তি কাৰণ নহয়। এই মতে উপাদান কাৰণৰ সংখ্যাৰ বহুত্ব আৰু মহৎপৰিমান হৈছে কাৰ্য্যদ্রব্যৰ প্রত্যক্ষযোগ্য পৰিমাণ লাভৰ কাৰণ। দুটা সংখ্যাৰ অধিক হলেহে বহু হয়। এই কাৰণে দ্ব্যনুকত দ্বিত্ব সংখ্যা থকাত বহুত্ব সংখ্যা নথকাত দ্ব্যনুকো অণু বুলি কথিত হয় আৰু তাৰ প্রত্যক্ষযোগ্যতা নাই। বহু দ্ব্যণুক অর্থাৎ দুটাৰ বেছি—তিনিটা দ্ব্যণুক দ্রব্যৰ সংযোগৰ ফলত ত্রসৰেণুৰ উৎপত্তি হয়। তিনিটা দ্ব্যণুকত বহুত্ব সংখ্যা থকা গতিকে ই সর্ব্ব প্রথম প্রত্যক্ষযোগ্য স্থূলৰূপ লাভ কৰে। বৈশেষিক দর্শনে— 'কাৰণবহুত্বাচ্চ' (৭।১।৯) এই সূত্রত কাৰণৰ সংখ্যাৰ বহুত্বক বস্তুৰ প্রত্যক্ষযোগ্যতাৰ কাৰণ বুলি কৈছে। ত্রসৰেণু যে প্রত্যক্ষযোগ্য ই মনুসংহিতাত নিম্ন লিখিত দৰে কোৱা হৈছে—

'জালান্তৰ গতে ভানৌ যৎসূক্ষ্মং দৃশ্যতে ৰজঃ।
প্রথমং তৎপ্রমাণানাং ত্রসৰেণুং প্রচক্ষতে ॥'
(৮।৩২)

অর্থাৎ খিৰিকী দি সোমোৱা সূর্য্যৰশ্মিৰ লগত যি সূক্ষ্ম ধূলিকণাবিলাক দেখা যায়, সেই বিলাকেই হৈছে আটাইতকৈ প্রথম প্রত্যক্ষ প্রমাণৰ যোগ্য দ্রব্য আৰু তাকে ত্রসৰেণু বুলি কোৱা হয়।

আকৌ এটা সংশয় হয় যে, পৰমাণুক নিৰবয়ব বুলি কোৱা হৈছে, অথচ দুটা পৰমাণুৰ সংযোগৰ ফলত দ্ব্যণুকৰ উৎপত্তিৰ কথা কোৱা হৈছে। যিটো দ্রব্যৰ কোনো অবয়বেই নাই তেনেকুৱা দুটা পৰমাণুৰ সংযোগ নো কেনেকৈ সম্ভৱ হয়? ইয়াৰ উত্তৰত কব পাৰি যে ন্যায়-বৈশেষিক মতে নিৰবয়ব দ্রব্যাৰো সংযোগ সম্ভৱ হয়। প্রথম কথা সৃষ্টিৰ আৰম্ভ হোৱাৰ আগলৈকে পৰমাণুৰ অস্তিত্ব মানিবই লাগে। পৰমাণুৰ অস্তিত্ব স্বীকৃত হলে পৰমাণুবিলাকৰ সংযোগো স্বীকাৰ কৰিব লাগিব। নহলে পৰমাণুৰ পৰা পৃথিৱীৰ উৎপত্তি যুক্তিসিদ্ধ নহব। দ্বিতীয়তে, এই মতে আত্মাৰ লগত মনৰ সংযোগ হলেহে কোনো বস্তুৰ প্রত্যক্ষ বা যথার্থ জ্ঞান সম্ভৱ হয়; অথচ এই দুয়ো নিৰবয়ব। আত্মা আৰু মন দুয়ো নিৰবয়ব হলেও তাত যেনেকুৱা সংযোগ সম্ভৱ, তেনেকুৱা নিৰবয়ব দুটা পৰমাণুৰো সংযোগ অনুমান প্রমাণৰ দ্বাৰা সিদ্ধ হয়।

এইখিনিতে উল্লেখ কৰা আৱশ্যক যে, দৃশ্যজগতৰ যিকোনো দ্রব্যৰ পৰা আৰম্ভ কৰি দ্ব্যনুক পর্য্যন্ত সকলো অবয়বী দ্রব্যৰ

ভিন্ন ভিন্ন অবয়ব থকাৰ ফলত সেই দ্ৰব্য সকলোৰে পৰস্পৰৰ ভেদ বা পাৰ্থক্য প্ৰমাণিত হয়। কিন্তু সকলো পৰমাণু হৈছে অবিভাজ্য আৰু নিৰৱয়ৱ; সেই একে ধৰণৰ পৰমাণু বিলাকৰনো কেনেকৈ পৰস্পৰৰ বিভিন্নতা থাকিব পাৰে; গতিকে এই পৰমাণুবোৰৰ পৰস্পৰৰ বিভিন্নতা সিদ্ধিৰ কাৰণে আচাৰ্য্য কৰ্ণাদে 'বিশেষ' পদাৰ্থক মানি লৈছে। এই বিশেষ পদাৰ্থ স্বীকাৰ কৰা কাৰণে এই দৰ্শনৰ আখ্যা হৈছে বৈশেষিক দৰ্শন। বিশেষ পদাৰ্থৰ স্বভাৱেই হৈছে সি নিজক সদায় আন বস্তুৰ পৰা পৃথক কৰি ৰাখে; আৰু এই বিশেষ পদাৰ্থ ইতে পৰমাণুবোৰৰ পৰস্পৰৰ বৈশিষ্ট্য বা পাৰ্থক্য সাধন কৰে। পৰমাণু, আকাশ, কাল, আত্মা প্ৰভৃতি নিত্য-দ্ৰব্যবোৰ সমজাতীয় আৰু বিষমজাতীয় সকলো বস্তুৰ পৰা পৰস্পৰে পৃথক হৈ থাকে। বিশেষ পদাৰ্থ স্বীকাৰ কৰাৰ ফলত পৃথিবীৰ বিচিত্ৰ কাৰ্য্যকাৰণ ভাবকো প্ৰমাণিত কৰা যায়। উদাহৰণ স্বৰূপে—এটা আমৰ গুটি মাটিত ৰোপন কৰিলে তাৰ পৰা যে আমগছৰে উৎপত্তি হয়, বট গছৰ উৎপত্তি নহয় বা ধানৰ গুটি মাটিত সিঁচিলে তাৰ পৰা যে ধানগছৰে উৎপত্তি হয়, সৰিয়হৰ গছৰ উৎপত্তি নহয় তাৰ কাৰণ হৈছে,—মাটিত সকলো প্ৰকাৰ গছৰ উৎপাদনৰ উপাদান কাৰণ পৰমাণু-বিলাক যদিও থাকে, তথাপি সেই আমৰ গুটি বা ধানৰ বীজ সমজাতীয় পৰমাণুৰ লগত মিলিত হৈহে কাৰ্য্য উৎপাদন কৰে; বিজাতীয় পৰমাণুৰ লগত মিলিত নহয়। উপাদান পৰমাণুবিলাকৰ সমজাতীয় পৰমাণুৰ লগত মিলিত হোৱাৰ আৰু বিজাতীয় পৰমাণুৰ পৰা নিজক পৃথক কৰি ৰাখিবৰ যি সামৰ্থ্য সি বিশেষ পদাৰ্থ থকাৰ ফলতেই একমাত্ৰ সম্ভৱ হয়।

উল্লেখিত আলোচনাৰ দ্বাৰা প্ৰমাণিত হ'লযে, কাৰ্য্য উৎপত্তিৰ আগতে বিদ্যমান নেথাকে, কাৰণৰ পৰা কাৰণতকৈ পৃথক কাৰ্য্যৰ উৎপত্তি হয় আৰু সকলো কাৰ্য্য-দ্ৰব্যৰ উপাদান কাৰণ হৈছে পৰমাণু। এই উপাদান কাৰণ সমবায়িকাৰণ নামেও অভিহিত হয়—ইয়াক আমি পিছত দেখা পাম। এতিয়া, ইয়াত আলোচ্য কাৰ্য্য আৰু কাৰণৰ স্বৰূপ বিচাৰি গলে দেখা পাওঁ, কোনো ক্ৰিয়াৰ দ্বাৰা উৎপন্ন বা সম্পাদ্য দ্ৰব্যই হৈছে কাৰ্য্য। 'কাৰণ' বস্তুটোনো আকৌ কি তাক জানিবলৈ গলে দেখা যাব যে, ন্যায় বৈশেষিকৰ মতে কোনো কাৰ্য্যৰ উৎপত্তিৰ অব্যৱহিত আগমুহূৰ্ত্তত যিবিলাকৰ অৱস্থিতি একান্ত আৱশ্যক সেই বিলাকেই হৈছে কাৰ্য্যৰ উৎপত্তিৰ প্ৰতি কাৰণ। অৱশ্যে কোনো কাৰ্য্যৰ উৎপত্তিৰ আগমুহূৰ্ত্তত এই ক্ষেত্ৰত বিদ্যমান থকা সকলোৱে যে সেই কাৰ্য্যৰ প্ৰতিকাৰণ হব এনে নহয়। কাৰ্য্যৰ উৎপত্তিৰ প্ৰতি যাৰ অপৰিহাৰ্য্য আৱশ্যকতা

নেথাকে, সি কাৰণ নহয়। যেনে, কাপোৰ এখন তৈয়াৰীৰ ক্ষেত্ৰত সূতাবোৰ যেনেদৰে কাপোৰখনৰ কাৰণ সেইদৰে তাঁত বা মাকোৰ আকাৰ, তাৰ ৰং বা তাঁত চলোৱা সময়ৰ শব্দ আদি কাপোৰখন বোৱা সময়তে বিদ্যমান থাকিলেও সেই আকাৰ, ৰং বা শব্দ কাপোৰখন তৈয়াৰীৰ প্ৰতি কাৰণ নহয়। এনে ধৰণৰ বস্তু বিলাকক 'অন্যথাসিদ্ধ' বুলি কোৱা হয়। এই অন্যথাসিদ্ধ হৈছে পাঁচ ৰকমৰ। সেই সম্বন্ধে আমাৰ বিস্তৃত আলোচনা কৰাৰ অৱকাশ ইয়াত নাই

ওপৰৰ উল্লিখিত কাৰণ ন্যায় বৈশেষিকমতে ত্ৰিবিধ। (১) উপাদান বা সমবায়িকাৰণ। (২) অসমবায়িকাৰণ আৰু (৩) নিমিত্তকাৰণ যিটো বস্তুক আশ্ৰয় কৰি কাৰ্য্যৰ উৎপত্তি হয়, আৰু যাক আশ্ৰয় কৰি কাৰ্য্যদ্ৰব্য বিদ্যমান থাকে সি হৈছে কাৰ্য্যৰ উপাদান বা সমবায়িকাৰণ। কাৰ্য্য সমবায়িকাৰণত সমবায় সম্বন্ধ বিদ্যমান থাকে। সমবায়িকাৰণক আশ্ৰয় কৰি যিটো কাৰণ বৰ্ত্তমান থাকে আৰু যিটো কাৰণৰ নাশ হোৱা মাত্ৰেই কাৰ্য্যদ্ৰব্যযো বিনাশ হয়, সি অসমবায়িকাৰণ; আৰু কাৰ্য্যৰ উৎপত্তিৰ বাবে কাৰ্য্য উৎপন্ন হোৱাৰ আগমুহূৰ্ত্তত যি কাৰণৰ একান্ত আৱশ্যকতা অনুভূত হয় অথচ কাৰ্য্যোৎপত্তিৰ পৰমুহূৰ্ত্তত যাৰ আৰু প্ৰয়োজন নাথাকে সেই কাৰণ হৈছে নিমিত্তকাৰণ। যেনে কাপোৰ এখন তৈয়াৰী হয় কিছুমান সূতাৰ পৰা। সেই ক্ষেত্ৰত কাপোৰখন সূতা সমূহক আশ্ৰয় কৰি বিদ্যমান থাকে, এই কাৰণে সূতাবোৰ হৈছে কাপোৰখনৰ উপাদান বা সমবায়িকাৰণ। সেই সূতাবোৰক আশ্ৰয় কৰি সূতাবোৰৰ পৰস্পৰৰ মাজত সংযোগ ৰূপ গুণৰ সন্নিবেশ হোৱাৰ ফলত সূতাবিলাক আগৰ দৰে আৰু বিশ্লিষ্ট হৈ নেথাকে; তাত উৎপত্তি হয় কাপোৰৰ। সেই সূতা বিলাকৰ পৰস্পৰৰ সংযোগ নষ্ট হলে তৎক্ষনাৎ কাপোৰখন আকৌ সূতঁত পৰিণত হয়। সূতাবোৰৰ এই সংযোগ হৈছে কাপোৰখনৰ প্ৰতি অসমবায়িকাৰণ এই কাপোৰখনৰ ক্ষেত্ৰত সূতঁা বিলাকে নিজে নিজে পৰস্পৰৰ সংযুক্ত নহয়। সূতঁাবোৰৰ মাজত সংযোগ স্থাপন কৰে শিপিনী জনীয়ে তাঁত, মাকো আদিৰ সহায়েৰে এই বিলাক নেথাকিলে সূতঁাবোৰৰ পৰস্পৰৰ মাজত সংযোগ স্থাপন সম্ভৱ নহয়। কিন্তু কাপোৰখন তৈয়াৰী হোৱাৰ পিচ মুহূৰ্ত্তত আকৌ সেই কাপোৰখনৰ ক্ষেত্ৰত এইবিলাকৰ প্ৰয়োজনীয়তা আৰু নেথাকে। গতিকে সেই শিপিনী, তাঁত, মাকো আদি হৈছে কাপোৰখন উৎপত্তিৰ নিমিত্তকাৰণ। এইদৰে সকলো কাৰ্য্য উৎপাদনৰ ক্ষেত্ৰত উক্ত তিনিটা কাৰণ বিদ্যমান থাকে। জগত সৃষ্টিৰ ক্ষেত্ৰতো এই বিশ্ব ব্ৰহ্মাণ্ডৰ উপা-

দান কাৰণ হৈছে অসংখ্য পৰমাণু; সমবায় সম্বন্ধে এই জগতখন পৰমাণুসমূহক আশ্রয় কৰি বিদ্যমান। গতিকে পৰমাণুবোৰ হৈছে জগতৰ সমবায়িকাৰণ। পৰমাণুবিলাকৰ সংযোগ হৈছে অসমবায়িকাৰণ। কিন্তু পৰমাণুবোৰ জড়—গতিকে নিজে নিজে সংযুক্ত হব নোৱাৰে। পৰমাণুবোৰ অবিৰাম স্পন্দনৰ ফলত পৰস্পৰে সংযুক্ত হয় আৰু দ্ব্যণুকাদিক্রমে জগতখন গঢ়ি তোলে। ন্যায় বৈশেষিক মতে ঈশ্বৰৰ ইচ্ছাত পৰমাণুবোৰত স্পন্দন হৈ থাকে। সেইবাবে ঈশ্বৰ হৈছে জগৎ সৃষ্টিৰ নিমিত্তকাৰণ। নৈয়ায়িক সকলে ঈশ্বৰৰ সত্তা অনুমান প্রমাণেৰে স্থাপন কৰিছে। তেওঁলোকে কয়, পৃথিবীত যিকোনো কাৰ্য্য সম্পাদনৰ কাৰণে এজন কৰ্ত্তাৰ প্রয়োজন। জগতখনৰ ক্ষেত্রতো—জগতখন যিহেতুকে কাৰ্য্য, গতিকে তাৰো এজন কৰ্ত্তা নিশ্চয় থাকিব লাগিব; আৰু এই বিশাল বিশ্ব ব্রহ্মাণ্ডৰ নিৰ্ম্মাণৰ কৰ্তৃত্ব সকলোৰে পক্ষে সম্ভৱ নহয়; যাৰ দ্বাৰা ই সম্ভৱ হয় সেই কৰ্ত্তাজনেই হৈছে ঈশ্বৰ। কিছুমানে কব পাৰে কৰ্ত্তাজনৰ উপস্থিতি প্রমাণ কৰিবৰ কাৰণে শৰীৰৰ অৱস্থিতি দেখুৱা দৰ্কাৰ। কিন্তু ইয়াৰ উত্তৰত নৈয়ায়িক সকলে কয় যে শৰীৰৰ অৱস্থিতি বা অনৱস্থিতিৰ বিষয়ে এই ক্ষেত্রত আলোচনাৰ প্রশ্ন নুঠে। প্রতি কাৰ্য্যতে এজন যে কৰ্ত্তাৰ প্রয়োজন সেইটোহে কেৱল প্রতিপাদ্য বিষয়।

এইদৰে তিনিবিধ কাৰণক স্বীকাৰ কৰি সেই কাৰণবোৰৰ মাজেদি পৰমাণুৰ পৰা বিশ্ব ব্রহ্মাণ্ডৰ উৎপত্তিৰ কথা ন্যায় বৈশেষিকে প্রতিপাদন কৰিছে।

# ॥ জৰুৰীকালীন অৱস্থা আৰু নতুন নাগৰিক ॥

মোহন সোনোৱাল।
১ম বাৰ্ষিক কলা।

চীনা দাৰ্শনিক পণ্ডিত কণফুচিয়াচে কৈ গৈছে : "আমি পৃথিবীখনক সংগঠন কৰিব পাৰো দেশবিলাকক সংগঠিত কৰি, দেশবিলাক আকৌ সংগঠিত কৰিব পাৰো আমাৰ পৰিয়াল বিলাক সংগঠিত কৰি, আঁক পৰিয়াল বিলাক সংগঠিত হয় তেতিয়া, যেতিয়া আমি নিজে নিজক সু-সংগঠিত কৰি তুলিব পাৰো।"

কিন্তু যৌৱনৰ দুৱাৰ দলিত থিয় হৈ আমাৰ ডেকা-গাভৰু সকলে কি ভাবিছে ? এইটো এটা বৰ জটিল প্ৰশ্ন। ভাৰত এখন সমস্যা বহুল ৰাষ্ট্ৰ। এনে এখন সমস্যাবহুল ৰাষ্ট্ৰৰ বৰ্ত্তমান জৰুৰীকালীন অৱস্থাই ভাৰতীয় জনসাধাৰণক দুৰ্ব্বল কৰি পেলাইছে। এনে সঙ্কটাপন্ন অৱস্থাত জৰ্জ্জৰিত হোৱা বৰ্ত্তমান ৰাষ্ট্ৰৰ নতুন গোষ্ঠীটোৰ ডেকা-গাভৰু সকলে ভৱিষ্যতৰ কাৰণে এক মধুৰ কল্পনা কৰিব বা ভাবিব পাৰেনে ? পৃথিবীত জন্মগ্ৰহণ কৰা মানে হৈছে পৃথিবীৰ বায়ুপানী সেৱন কৰি নিজৰ তথা দহৰ উপকাৰ সাধি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰি যোৱা আজিৰ মানুহৰ আচল কৰ্ত্তব্য। কিন্তু বিংশ শতাব্দীৰ এই জৰুৰীকালীন সময়ছোৱাত দেখোন ভৱিষ্যতৰ কাৰণে কিবা এটি কৰিবৈ যোৱাতকৈ পেটৰ অন্নমুঠিৰ কাৰণেহে বেচি চিন্তা কৰিব লাগে। তেনেহলে পেটৰ অন্নমুঠিৰ চিন্তা কৰি আমি এখন নতুন পৃথিবী গঢ়িব পাৰিমনে ? অথবা এখন নতুন দেশৰ কথা ভাবিব পাৰিমনে ? বা পৰিয়াল এটি গঢ়ি তুলিব পাৰিমনে ? নাইবা আমি নিজকে প্ৰতিষ্ঠা কৰিব পাৰিমনে ? ভাৰতৰ নতুন নাগৰিকৰ কাৰণে এইটো এটা ভাবিব নোৱাৰা প্ৰশ্ন। বিশ্বৰ অন্যতম দাৰ্শনিক পণ্ডিত বাট্ৰাণ্ড ৰাচেলে হেনো পৃথিবীলৈ আহিছিল তিনিটা মনৰ আশা পূৰণ কৰিবলৈ। সেয়া হৈছে জ্ঞান অৰ্জন, প্ৰেম কৰা আৰু মানুহৰ দুখ নিৰ্ম্মূল কৰা। তেখেতে প্ৰথমৰ দুটা মনৰ আশা পূৰণ কৰিলে। কিন্তু শেষৰটো পূৰণ কৰিব নোৱাৰিলে। নিয়তিৰ নিষ্ঠুৰ পৰিহাসত শেষৰ অভিলাষটো পূৰণ কৰিবলৈ নোপাওঁতেই তেখেতৰ জীৱন বন্তি নুমাই গ'ল। কিন্তু আমাৰ জনসাধাৰণৰ আজি বিশ্বৰ সেই মহান মনীষীজনৰ দৰে চিন্তা কৰিবলৈ

এটা সুস্থ পৰিবেশ নাই মনৰ চিন্তা শক্তিবোৰ কমি আহিছে আৰু কল্পনাময় সপোনবোৰ মনৰ পৰা আঁতৰি পৰিছে। অথবা ভাবিলেও বৰ্ত্তমানৰ অবস্থাই জুকলা কৰি পেলাইছে। আজি আমাৰ ভাৰতবৰ্ষৰ শাসনভাৰ পুৰণি গোষ্ঠীৰ ওপৰত আৰ্পিত; কিন্তু কালিলৈ আমাৰ নতুন গোষ্ঠীটোৰ নতুন নাগৰিকৰ ওপৰত শাসনভাৰ অৰ্পিত হ'ব। বিশেষকৈ নতুনকৈ স্বাধীন হোৱা আমাৰ ভাৰতবৰ্ষৰ নিচিনা এখন দেশৰ ৰাষ্ট্ৰীয় দায়িত্ব বহন কৰি দেশমাতৃক প্ৰগতিৰ পথত আগুৱাই জাতিক জগাই তু'ল আমাৰ মন প্ৰাণ বহল আৰু পবিত্ৰ কৰি বিশ্বৰ দৰবাৰত থিয় হবলৈ যত্ন কৰিব লাগে। কিন্তু বৰ্ত্তমান অৱস্থাত আমি অতি দুৰ্ব্বল। আমি এলেহুৱা। মনৰ নতুন শক্তিক দুৰ্ব্বল হবলৈ আমি প্ৰশ্ৰয় দিছো। দেশৰ জনসাধাৰণ পথভ্ৰষ্ট হৈছে। নতুন নাগৰিকৰ মনক সংশয় আৰু সন্ত্ৰাসে আৱৰি ধৰিছে। তেওঁলোকে ভবিষ্যত জীৱনৰ নিৰাপত্তাৰ বাবে পৰিপক্ক জীৱনৰ চিন্তা কৰিব নোৱাৰে। বৰ্ত্তমান জনসাধাৰণৰ মাজত আত্মসচেতনতা হেৰাই আহিছে। যিবিলাকে শিক্ষিত হৈ বিদ্যালয়ৰ ডিগ্ৰী লাভ কৰিছে তেওঁলোকে চাকৰিৰ অভাৱত এক নৈৰাশ্য আৰু বিৰক্তিকৰ জীৱন অতিবাহিত কৰিব লাগিছে ই বাজেও এষাৰ কথা আছে "An idle brain is a devil's workshop." এই কথবাৰৰ যথেষ্ঠ তাৎপৰ্য্য আছে। তেওঁলোকৰ মনত অন্তৰ্দ্বন্দ্ব প্ৰতিটো মুহূৰ্ত্ততে আছে। ভবিষ্যতৰ অনিশ্চয়তাৰ কথা ভাবি মূৰ ঘমালেও নতুন নাগৰিকে আজি এক বৌদ্ধিক মনেৰে মনৰ মাজত থকা মৌলিক অনুভূতিক প্ৰকাশ কৰিবলৈ উপযুক্ত গবেষণাৰ সুবিধা পোৱা নাই। অৰ্থনৈতিক সমস্যা তথা মানসিক অন্তৰ্দ্বন্দ্বই আজি নতুন নাগৰিকক জৰ্জ্জৰিত কৰি পেলাইছে। তেনেহলে আজিৰ নতুন নাগৰিকে কি কৰিব পাৰে? বৰ্ত্তমান এই জৰুৰীকালীন অৱস্থাত আমাক সকলো লাগে। এটমিক ৰিয়েক্টৰ, ৰকেট পৰা ঘাটি, টেলিভিচন আদি বহুতো লাগে। নেহেৰুৱে কৈছিল "We must make India great by our toil." গতিকে নেহেৰুৰ এই কথাষাৰৰ তাৎপৰ্য্য বিচাৰ কৰি দেশৰ নতুন নাগৰিকে কৰ্ত্তব্য আৰু দায়িত্ব পালন কৰাত প্ৰথমে আমাৰ মাজত থকা প্ৰয়োজনীয় সমস্যাবোৰ সমাধান হোৱাত যত্নপৰ হোৱা উচিত। এই ক্ষেত্ৰত আমাৰ দেশৰ পৰিকল্পনাবোৰ সংশোধন কৰি দেশখনক সমৃদ্ধিশালী কৰি তুলিব লাগে। তাৰপাচত নতুন নাগৰিকে প্ৰয়োজনীয় যিবিলাক সমস্যা সমাধান তথা কৰ্ত্তব্যত অগ্ৰসৰ হোৱা উচিত সেইবিলাক—হ'ল :

## শিক্ষা পদ্ধতিত আমূল পৰিবৰ্ত্তন :—

বৰ্ত্তমান ভাৰতীয় শিক্ষাব্যৱস্থাত এক অনিশ্চয়তাই আবৰি ধৰিছে। দেশৰ জনসাধাৰণৰ মাজত খং, ৰাগ আৰু

বিতৃষ্ণাই ঠাই পাইছে। অতীত ভাৰতীয় শিক্ষা ব্যৱস্থা কেনে নিখুত আছিল বুৰঞ্জীৰ পৰা আমি জানিব পাৰিছোঁ। বৃটিছ শাসনৰ পৰাই ভাৰতীয় শিক্ষা ব্যৱস্থাত যি ৰুকাণ ভাগিল সি আৰু বৰ্ত্তমানলৈকে ঠন ধৰি উঠিব পৰা নাই। মুঠতে বৃটিছ সকলৰ উদ্দেশ্যই আছিল ভাৰতীয় সকলক শোষণ কৰি নিজৰ দেশক চহকী কৰা। ফলত তেতিয়া ভাৰতীয় শিক্ষা ব্যৱস্থা এনেধৰণৰ আছিল যাৰ দ্বাৰা ভাৰতবাসীৰ শাৰীৰিক, মানসিক আৰু অৰ্থনৈতিৰ অৱনতি ঘটিছিল আৰু যি শিক্ষা স্বাধীনতাৰ পৰিপন্থী আছিল। ভাৰতৰ শিক্ষা সম্প্ৰসাৰণৰ কাৰণে লৰ্ড বেণ্টিংকৰ শাসন কালত লৰ্ড মেকলেই যিখন আঁচনি পৰিকল্পনা কৰিছিল তাত আছিল—"We must at present do our best to form a class who may be interpreters between us and the millions when we govern a class of persons Indian in blood and colour but English in taste, in opinion, morals and in intellect. এয়েই আছিল ইংৰাজী আমোলত ভাৰতৰ শিক্ষাব্যৱস্থাৰ মূলনীতি। ইয়াৰ ফলত ভাৰতীয় শিক্ষা-ব্যৱস্থাত ইংৰাজী ভাষা প্ৰচলন হ'ল আৰু সংস্কৃত, আৰবী আদিৰে পৰিপূৰ্ণ ভাৰতীয় শিক্ষা ব্যৱস্থা লোপ পালে। ভাৰতীয় জনসাধাৰণ দুৰ্ব্বল হৈ পৰিল। ইয়াৰ পাচত মেকলেৰ শিক্ষা ব্যৱস্থাৰ এশবছৰৰ পাচত ১৮৩৫ চনৰ পৰা ভাৰতত ইংৰাজী ভাষাৰে শিক্ষা দিয়াৰ ব্যৱস্থা হৈছে। বৃটিছ সকলৰ শাসনৰ অন্তত ভাৰতে স্বাধীনতা লাভ কৰিলে। কিন্তু ভাৰতীয় শিক্ষা ব্যৱস্থাৰ কোনোমতে উন্নতি নহ'ল। চৰকাৰৰ পঞ্চবাৰ্ষিকী পৰিকল্পনাবোৰে হাৰ মানিলে। ১৯৫২ চনত ভাৰতৰ মাধ্যমিক শিক্ষাৰ উন্নতি আৰু সম্প্ৰসাৰণৰ কাৰণে ডাঃ লক্ষ্মণস্বামী মুদালিয়াৰৰ সভাপতিত্বত এখন আয়োগ নিযুক্ত হ'ল। তেতিয়াৰে পৰা এই আয়োগে আগবঢ়োৱা নীতিৰ ওপৰতে নিৰ্ভৰ কৰি ভাৰতীয় শিক্ষা ব্যৱস্থা বৰ্ত্তমানলৈকে চলি আছে। কিন্তু এই আঁচনিখনৰ এতিয়াও পৰীক্ষামূলক পৰ্য্যায় পাৰ হোৱা নাই। ইয়াতে আমি এটা কথা স্বীকাৰ কৰিবই লাগিব আৰু চৰকাৰেও এই ক্ষেত্ৰত সজাগ হব লাগে যে বৰ্ত্তমান ভাৰতীয় শিক্ষা পদ্ধতিৰ আমূল পৰিবৰ্ত্তনৰ প্ৰয়োজন। বৃটিছৰ যুগৰে পৰা বৰ্ত্তমান স্বাধীনতাৰ যুগলৈকে শিক্ষা পদ্ধতিত যি এটা সাঁচ বহি আহিছে সেই সাঁচ আমাৰ মাজৰ পৰা আঁতৰাব লাগে। সেই সাঁচ আঁতৰাবৰ কাৰণে ভাৰতীয় শিক্ষাৰ ভাষাৰ মাধ্যম মাতৃ ভাষাত প্ৰচলন কৰা প্ৰয়োজন। ইউৰোপ-আমেৰিকাৰ দেশ বোৰত শিক্ষাৰ গতি বিজুলী গতিৰে আগবঢ়াৰ কাৰণ

তাত মাতৃভাষা শিক্ষাৰ মাধ্যম হোৱাৰ হেতুকে। গতিকে বিদেশী ভাষা এটা প্ৰয়োগ কৰি আমাৰ নিজৰ ভাষাক এৰি পেলোৱা আমাৰ উচিত নহয়। "আমাৰ দেশৰ সংস্কাৰৰ বাবে আমাৰ দেশৰ কোনো আদৰ্শ নায়কৰ নেতৃত্ব লব লাগে বা আমাৰ ঐতিহ্যৰ পৰা ভাবাদৰ্শ গ্ৰহণ কৰিব লাগে। লোকৰ দেশলৈ নেতৃত্ব বিচাৰি যোৱা বা লোকৰ দেশৰ পৰা ভাবাদৰ্শ আমদানি কৰিব খোজা-বোৰ দেশদ্ৰোহী, বিশ্বাস ঘাটক"। সেয়েহে এতিয়া মূঠ কথা হ'ল গতানুগতিক শিক্ষাক বন্ধ কৰি এক নতুন সম্ভাগতাৰে ভাৰতীয় শিক্ষা ব্যৱস্থা প্ৰচলন কৰিব লাগে। দেশৰ বিজ্ঞান, কাৰিকৰী শিক্ষা, শিল্প, সাহিত্য দৰ্শন, বুৰঞ্জী আৰু অতীত ভাৰতৰ কলাকৃষ্টিৰ উন্নতিৰ কাৰণে দেশৰ জনসাধাৰণ সজাগ হব লাগে।

## আমাৰ চিন্তা শক্তি আৰু মৌলিক চিন্তাঃ—

মানুহৰ মগজুৰ বিকৃতি ঘটিলে মনে একো কাম নকৰে। মানুহ তেতিয়া পাগল হয়। চিন্তা শক্তিৰ ওৰ পৰে। দেশৰ বৰ্ত্তমান জৰুৰী কালীন অৱস্থাত আমাৰ নতুন নাগৰিক সকলৰো চিন্তাশক্তি-বোৰ ক্ৰমাৎ লোপ পাই অহা পৰিলক্ষিত হৈছে। সঙ্কটৰ সৃষ্টি হয় তেতিয়া, যেতিয়া মানৱ সমাজক উশৃংখল, সংশয়, সন্ত্ৰাস আৰু অনিশ্চয়তাই আৱৰি ধৰে। আজি আমি স্বাধীন দেশৰ স্বাধীন নাগৰিক হৈও স্বাধীনতাৰ সোৱাদ লৈ আমাৰ চিন্তাশক্তিক কাৰ্য্যত খটোৱাৰ পৰা নাই। মহাত্মা গান্ধী, মাক্স, লেনিন, ফ্ৰয়েদ, ঝা-পল-ছাট্ৰে, বাট্ৰাণ্ড ৰাচেল আদি বিশ্ববিখ্যাত মনীষী সকলৰ চিন্তাধাৰা কেনে উচ্চ ধৰণৰ আছিল কিন্তু আমাৰ দেশৰ নতুন নাগৰিকৰ বৰ্ত্তমান সময়ত নিজৰ প্ৰতি বিশ্বাস হেৰাই আহিছে। আমাৰ মাজৰ পৰাই উচ্চ চিন্তা কৰি নতুন কিবা এটা আবিষ্কাৰ কৰিবলৈ আমি অপাৰগ। গতিকে দেখা যায় প্ৰতিটো ক্ষণতে আমাৰ মাজত মানসিক সংঘাতৰ সৃষ্টি হয়। চুলিভানে কৈছিল - "পৰস্পৰ ব্যক্তিত্বৰ লগত ঠিকমতে খাপ খাব নোৱাৰাৰ কাৰণে সকলোধৰণৰ মানসিক সমস্যা হয়।" গতিকে দেখা যায় দেশৰ নতুন নাগৰিক সকলৰ এনেধৰণৰ মানসিক সংঘাত ঘটিছে। কিন্তু লক্ষ্য কৰিলে দেখা যায় আমাৰ মাজত আজি উপযুক্ত সুবিধাৰ অভাৱ। বৰ্ত্তমান জগতখনত সৃষ্টিৰ অবিহনে অসাৰ। নতুন সৃষ্টিৰ সন্ধানত উপনীত হব নোৱাৰিলে আজিৰ মানৱ পঙ্গু। গতিকে নতুন কিবা এটি উদঘাটন বা সৃষ্টি কৰিবলৈ আজিৰ মানৱৰ চিন্তাশক্তিৰ আৱশ্যক। মৌলিকত্ব-হীন সৃষ্টি সদায় মূল্যহীন। সময়ৰ সৎব্যৱহাৰ বুজি মৌলিক গৱেষণাত নতুন নাগৰিকে অগ্ৰসৰ হোৱা বৰ্ত্তমান অৱস্থাত

অতি প্ৰয়োজন। এজন দাৰ্শনিকে কৈছিল— "Money, lost, may be recovered even health, lost may be regained but time, gone, is gone for ever."
গতিকে আমাৰ জীৱনৰ এই সময়ছোৱাতে আমাৰ কল্পনা কৰ্ত্তব্যৰে বাস্তৱত পৰিণত কৰা উচিত।

## *পৰিবেশ আৰু পৰিস্থিতিঃ—*

নতুন নাগৰিকৰ অন্তৰ্দ্বন্দ্ব সৃষ্টি হোৱাৰ অন্যতম কাৰণ হৈছে পৰিবেশ আৰু পৰিস্থিতি। বহুতো ক্ষেত্ৰত পৰিবেশ আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি মানুহৰ জীৱনৰ গতি কোনফালে ধাবমান হয় তাক নিৰ্ণয় কৰিব পাৰি। অশান্তিকৰ ঘৰুৱা পৰিবেশ, সঙ্গদোষ, ঠেক মনোবৃত্তি, লোকাচাৰ, বাহিৰৰ জগতখনৰ লগত সম্বন্ধ নথকাৰ ফলত আমাৰ জীৱনৰ পতন হয়। তেতিয়া আমাৰ মাজত আত্মবিশ্বাস হেৰাই যায়। এক অশান্তিকৰ পৰিস্থিতিত জীৱন নিৰ্ব্বাহ কৰা জীৱনৰ আশা আকাঙ্খা অতীতৰ গৰ্ভলৈ ঠেলি দিব লগীয়া হয়। গতিকে দেশৰ নতুন নাগৰিকে পৰিবেশ আৰু পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই নিজৰো উন্নতিসাধন কৰাৰ লগে লগে পিচ পৰি থকা অঞ্চলবোৰতো অভিযান চলোৱা উচিত।

## *সমস্যা আৰু সমস্যাঃ—*

জগতখন সমস্যাবহুল। এই সমস্যাবহুল জগতৰে আমি প্ৰত্যেকে একোজন প্ৰতিনিধি। ব্যক্তিৰ সমষ্টিৰে সমাজ গঠিত আৰু এই ক্ষুদ্ৰ ক্ষুদ্ৰ সমাজবোৰক লৈ আমাৰ পৃথিৱীৰ দেশ তথা সমাজবোৰৰ সৃষ্টি। কিন্তু বৰ্ত্তমান যুগটোত সমগ্ৰ পৃথিৱী জুৰি যিবোৰ সমস্যাই কৰালৰূপ ধাৰণ কৰিছে তালৈ লক্ষ্য কৰিলে দেখা যায় যে আমাৰ চাৰিওফালে উশৃঙ্খলতাই বিৰাজ কৰিছে। ফলত সমগ্ৰ জগততে এক কঠিন আৰু ভয়াবহ অৱস্থাৰ সৃষ্টি হৈছে। আজি আমি দেখিছো অমুকত ছাত্ৰ অশান্তি, ছাত্ৰ বিক্ষোভ, তমুকত নিৰম্নুৰা ছাত্ৰ যুৱকৰ ধৰ্ম্মঘট আদি। তেন্তেহলে আমাৰ দেশৰ উঠি অহা ছাত্ৰ তথা যুৱকসকলৰ ভৱিষ্যত জীয়াই থকাৰ উপায় কি? আৰু তাৰ প্ৰতিকাৰ? বৰ্ত্তমান সময়ছোৱাত পৃথিৱীৰ সমগ্ৰদেশৰ দৰে ভাৰতকো নানান সমস্যাই জুকুলা কৰিছে। আমেৰিকা, ইউৰোপ, চীন, জাপান আদি দেশতো সমস্যা নোহোৱা নহয়। গতিকে পৃথিৱীৰ কিছুমান দেশ জৰুৰীকালীন এই সময়ছোৱাত আত্মনীৰ্ভৰশীল হব পৰা নাই। উপযুক্ত সা-সুবিধাৰ অভাৱে হয়তো আজিৰ দেশ তথা পৃথিৱীৰ ছাত্ৰ আৰু যুৱকসকলৰ মাজত দেখা দিয়া অশান্তিৰ মূল কাৰণ। ভাৰতবৰ্ষই পৰাধীনতাৰ কবলৰ পৰা মুক্তি পোৱা আজি ২২/২৩ বছৰ হ'ল। কিন্তু এই ইমান দীঘল সময়ছোৱাতো ভাৰত চৰকাৰে চিন্তা কৰি এক উচিত পৰিকল্পনা লব নোৱাৰিলে। গতিকে দেখা যায়— চৰকাৰ এই ক্ষেত্ৰত সম্পুৰ্ণৰূপে ব্যৰ্থ হৈছে।

বৰ্ত্তমান সময়ছোৱাত আমাৰ দেশখন কোনোকালে শক্তিশালী নহয়। বিভিন্ন সমস্যাই দেৱলীয়া কৰিছে। আমাৰ আজি পদে পদে অভাৱ। এই অভাৱ-বোধৰ দ্বাৰা আমাৰ নতুন নাগৰিকে কেনে এক বিৰক্তিকৰ জীৱন ধাৰণ কৰিছে তলৈ চিন্তা কৰিলে মূৰ ঘূৰে। কিন্তু অকল ইমানে নহয়; দুৰ্নীতিৰ প্ৰকাণ্ড ভূতটোৱে আজি আমাক বেছিকৈ ব্যাঘাত জন্মাইছে। দুৰ্নীতিৰ কবলত আজি জনসাধাৰণ দুৰ্ব্বল। আজি আমাৰ জনসাধাৰণৰ মাজত নৈতিকতাবোধ নাই। সচাঁকথা কবলৈ গলে যুগটোৱেই ভেজাল। ভেজাল বস্তু খাই বিংশ শতাব্দীৰ জন-সাধাৰণ ভেজাল হৈ পৰিছে। ইয়াৰ বাহিৰেও আমাৰ মাজত বহুত সমস্যা আছে: নিবনুৱা সমস্যা, খাদ্য সমস্যা, আৰ্থিক বৈষম্য, খাদ্যবস্তুৰ চৰাদাম, খাদ্য বস্তুত ভেজাল, সাম্প্ৰদায়িক বিদ্বেষ, প্ৰশাসনীয় দুৰ্নীতি ইত্যাদি সমস্যা আৰু সমস্যা।

## নতুন নাগৰিকক উপযুক্ত নেতৃত্ব লাগে

উপযুক্ত নেতৃত্বৰ অবিহনে নতুন নাগৰিকৰ জীৱনৰ গতিধাৰা নিৰ্ণয় কৰিব নোৱাৰি। এষাৰ কথা আমাৰ মাজত প্ৰচলিত হৈ আহিছে যে আগৰ গৰুহাল যিফালে যায় পিচৰ হালো সেই ফালে যায়। গতিকে দেখা যায় এই কথাষাৰ আমাৰ মাজতো তুলনা কৰিব পাৰি। নতুন নাগৰিকৰ মনবোৰ তেনেই কোমল। বাহঁৰ চেকনী ভাঁজ দিলে যিফালে ভাঁজ দিয়া হয় সেইফালে ঢাল খায়। নতুন নাগৰিকৰ মনবোৰো এনে ধৰণৰ। গতিকে এইচাম নতুন নাগৰিকক এদল প্ৰগতিশীল বুদ্ধিজীৱিয়ে যদি নেতৃত্ব বহন কৰি উপ-যুক্ত নেতৃত্ব দিব পাৰে তেতিয়াহলে নিশ্চয় নতুন নাগৰিকৰ জীৱনৰ গতিধাৰা জ্যোতিৰ কণাৰে জিলিকি উঠিব।

## সমস্যা সমাধানত আমাৰ কৰ্ত্তব্য—

গান্ধীজীয়ে কৈছিল, 'The students of today are the citizens of tomorrow ?' গান্ধীৰ এই ৰসাল কথাষাৰ নতুন নাগৰিকে পদে পদে উপ-লব্ধি কৰা উচিত। দেশৰ নাগৰিকৰ মাজত আজি বিৰাট সমস্যা থাকিলেও এই জৰুৰীকালীন অৱস্থাৰ সময় ছোৱাৰ যোগেদি সময়ৰ শৰ বুজি দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰাটো সমীচীন। প্ৰথমে এই ক্ষেত্ৰত আজি দেশৰ নতুন নাগৰিকে সচেতন হব লাগে বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ ক্ষেত্ৰত। ১৯৫০ চনৰ ৯ ডিচেম্বৰত দিল্লী বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন উৎসৱত ডঃ ৰাজেন্দ্ৰ প্ৰসাদে কৈছিল,— বৃটিছৰ যুগত এই শিক্ষাৰ যিয়ে আৰ্থিক আৰু ৰাজনৈতিক বিশেষত্ব নাথাকক সেই বিশেষত্ব আৰু থাকিব নোৱাৰে, আৰু নেথাকে। আমাৰ আজি প্ৰধান সমস্যা

হ'ল কেনেকৈ পৃথিবীৰ আন আন দেশৰ লগত আমাৰ এই আৰ্থিক আৰু সাংস্কৃতিক ব্যৱধান গুচাব পাৰি। এই বিষয়ত হেলা কৰিলে কেৱল আমাৰ স্বাধীনতায়েই নহয় আনকি আমাৰ অস্তিত্বও বিপদত পৰিব। এই গতিপথ ঠিক কৰিবৰ কাৰণে আমাৰ প্ৰত্যেকেই গাই গুটীয়াকৈ আৰু গোটেই জাতিয়ে অধ্যৱসায়েৰে সমূহীয়াকৈ যত্নবান হলেহে কৃতকাৰ্য্য হব পাৰিব। তেতিয়াহে ই সম্ভৱপৰ হব যেতিয়া প্ৰত্যেকৰ আভ্যন্তৰীণ ব্যক্তিত্বৰ গঠন প্ৰনালী আৰু সাম্প্ৰদায়িক জীৱনৰ মাজত থকা ব্যৱধান পূৰ্ণ হব। এতিয়া আমাৰ প্ৰথম আৰু জৰুৰী ব্যৱস্থা হৈছে আমাৰ ঐতিহাসিক পৰম্পৰা কেইটাৰ মাজত ঐক্য স্থাপন কৰা। মোৰ কাৰণে স্পষ্ট হৈ আছে যে এই ঐক্য সম্ভৱ হব একমাত্ৰ ইউৰোপীয় ধাৰাটো আৰবীয় ধাৰাৰ লগত সাঙুৰি আমাৰ দেশীয় প্ৰবাহিত সুঁতিটোৰ লগত মিলাব পাৰিলেহে।" গতিকে ড: প্ৰসাদৰ এই যুক্তিপূৰ্ণ কথাষাৰ উপলব্ধি কৰি আমাৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থাত যি হেঙাৰ আহিছে আজিৰ নতুন নাগৰিকে তাৰ পৰিবৰ্ত্তন আনিব লাগে। এয়ে হৈছে আজিৰ নতুন নাগৰিকৰ প্ৰধান কৰ্ত্তব্য। উদাহৰণ স্বৰূপে লব পাৰি আমেৰিকা আৰু ইউৰোপত শিক্ষাৰ আমূল পৰিবৰ্ত্তন হোৱাৰ লগে লগে দেখা গ'ল ২০/২৫ বছৰৰ ভিতৰত দেশ সমৃদ্ধিশালী হৈ পৰিল। গতিকে আমাৰ ভাৰতবৰ্ষও সমৃদ্ধিশালী নোহোৱাৰ কাৰণ থাকিব নোৱাৰে। ইয়াৰ কাৰণে লাগে আমাৰ নাগৰিকক এটি উচ্চ চিন্তাৰ সংস্কৃত মন। কিন্তু এটা উচ্চ সংস্কৃত মন গঢ়'ৰ লগে লগে নতুন নাগৰিকে আমাৰ দেশত হস্তশিল্পৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা উচিত। কিন্তু বৰ্ত্তমান আমাৰ দেশত দেখা গৈছে হস্তশিল্প গৌণ হিচাবে ব্যৱহাৰ হৈছে আৰু যন্ত্ৰশিল্প মুখ্য হৈ পৰিছে। গান্ধীজীয়ে কৈছিল—"যন্ত্ৰশিল্পৰ স্থান জাতীয় জীৱনত আছে, থাকিব; কিন্তু যন্ত্ৰশিল্পই মানুহৰ শাৰীৰিক শ্ৰমৰ স্থান দখল কৰিব নালাগে। এখন উন্নত ধৰণৰ নাঙলৰ আৱশ্যকতা আছে আৰু সেইটো এটা ভাল কথা, কিন্তু এই নাঙলে যদি ভাৰতবৰ্ষৰ সমস্তখিনি মাটি চাহ কৰি উৎপন্ন শস্যৰ সম্পূৰ্ণ অধিকাৰী হয় আৰু কোটি কোটি মানুহৰ কৰিব লগা একো কাম নেথাকে সিহঁত এলেহুৱা হব আৰু খাবলৈ নাপাই মৰিব। মানুহবিলাক ভেবা, মুৰ্খ হৈ পৰিব। এইদৰে যন্ত্ৰশিল্পৰ বিপদ বহুত আছে। ঘৰুৱা শিল্পৰ যন্ত্ৰৰ উন্নতি মই কামনা কৰোঁ।"

গতিকে দেখা গ'ল দেশখনক সমৃদ্ধিশালী কৰিবলৈ নতুন নাগৰিক সকলে বহুতো কাম কৰিব লাগিব। ভাৰতৰ শিক্ষানুষ্ঠানত যি দলীয় ৰাজনীতিৰ অৰাজকতা বিৰাজ কৰিছে সেই অৰাজকতাক দেশৰ নতুন নাগৰিকে বাধা দিব লাগে।

দেশত যি হিচাবে জন সংখ্যা বাঢ়ি আহিছে তাৰে চাই জনসংখ্যা হ্ৰাসত নতুন নাগৰিকে অধিক গুৰুত্ব দিয়া প্ৰয়োজন। ইয়াৰোপৰি দেশত চলি থকা দুৰ্নীতি বন্ধ কৰি দেশক প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ আমি অগ্ৰসৰ হব লাগে। দেশৰ থলুৱা প্ৰাৰ্থীক যিকোনো চাকৰিত নিয়োগ কৰি নিবনুৱা সমস্যাৰ ধ্বংসাত্মক বীজটোক আঁতৰাব লাগে। বৰ্ত্তমান যি হিচাবে আমাৰ দেশত ভগনীয়াৰ সোঁত অবাধ গতিৰে চলি আছে তাক বন্ধ কৰিব লাগে। শেষত চৰকাৰে বৰ্ত্তমান পৰিকল্পনাবোৰ সংশোধন কৰি দেশখনক প্ৰগতিৰ পথত আগুৱাবলৈ সমল যোগাওঁক। গতিকে দেখা গ'ল ইমান বিলাক কৰ্ত্তব্য যদি আমি জাতি বৰ্ণ নিৰ্ব্বিশেষে মোৰে দেশৰ ভাই-ককাই বুলি একত্ৰহৈ কৰিব পাৰো তেতিয়া হলে দেখা যাব নিশ্চয় আমাৰ দেশ নদন বদন হব। সেই হেতুকে আমি এই জৰুৰী কালীন অৱস্থাৰ সময় ছোৱাত দেশৰ নতুন নাগৰিক বৃন্দই এখন সুস্থসবল দেশ গঢ়াৰ মানসেৰে কৰ্ত্তব্যত নামি প্ৰত্যেকৰে নিৰ্ম্মল আৰু পবিত্ৰ প্ৰাণত প্ৰকৃত দেশ প্ৰেম জগাই তুলি দেশক যাতে উন্নতিশীল কৰিব পৰা যায় সেয়াই হৈছে নতুন নাগৰিকৰ কৰ্ত্তব্য।

১০৭

# —এজন শল্য-চিকিৎসকৰ ব্যৱচ্ছেদ—

**মূল ৰচনা : ৰবাৰ্ট চিলভাৰ বাৰ্গ।**

**অনুবাদ : অধ্যাপক শ্ৰীশৰৎ বৰবৰা।**

মানুহজন চুটি চাপৰ। স্থূলদেহী। লগতে জধলাও। চেহেৰাত তেওঁৰ যেনেকৈ কমনীয়তাৰ অভাৱ, জিভাখনো সেইদৰে মিহি নহয়। তেওঁক দেখিলে ৰাস্তাৰ ঝাড়ুৱালা যেনহে লাগে, সেই সময়ৰ বিখ্যাত চিকিৎসক সকলৰ এজন যেন নালাগে।

তথাপি তেওঁৰ মৃত্যুৰ প্ৰায় ১৭৫ বছৰৰ পিছত জন হাণ্টাৰৰ নাম এতিয়াও বিখ্যাত হৈ আছে, যি স্থলত তেওঁৰ লগৰ অন্যান্য ধুনপেছ মাৰি নিজকে আটক-ধুনীয়া কৰি ৰখা চিকিৎসক সকল কেতিয়াবাই পাহৰণিৰ বুকুত নিশ্চিহ্ন হৈ গ'ল। জন হাণ্টাৰৰ নাম তেওঁৰ নামৰ

সংগত জড়িত লণ্ডনৰ 'ৰয়েল কলেজ অব চাৰ্জনচ ত' থকা 'হান্টেৰীয়ান মিউজিয়ামেই' অমৰ কৰি ৰখা নাই, তেওঁৰ নাম চিকিৎসা বিজ্ঞানী সকলৰ অন্তৰত সযত্নে ৰক্ষিত হৈ আছে। তেওঁৰ সৰ্ব্বাধিক দান হৈছে ৰোগ নিৰূপন বিদ্যাৰ ক্ষেত্ৰত— অৰ্থাৎ যি বিদ্যাই বিভিন্ন ৰোগে শৰীৰত কি ধৰণে পৰিবৰ্ত্তন ঘটায়, এই বিষয়ে আলোচনা কৰে।

১৮শ শতিকাত চিকিৎসা বিজ্ঞানৰ উত্তৰোত্তৰ বিকাশ ঘটিছিল। অনুবীক্ষণ যন্ত্ৰ আদি নতুন কিছুমান বৈজ্ঞানিক যন্ত্ৰ-পাতি সেই সময়তে আবিষ্কৃত হৈছিল। সেই সময়তে চিকিৎসক সকলে এটা নতুন ভাৱধাৰাও প্ৰৱৰ্ত্তন কৰিছিল যে প্ৰত্যেক ৰোগৰে এটা স্বকীয়তা আছে, আৰু প্ৰথমে ৰোগীজনৰ কি ৰোগ হৈছে তাক ৰোগৰ উপসৰ্গ চাই ভালকৈ নিৰ্ণয় কৰি লৈহে চিকিৎসা আৰম্ভ কৰিব লাগে।

জন হান্টাৰৰ জন্ম হৈছিল গ্লাচগোত, ১৭২৮ চনত। তেওঁলোকৰ দহজন ককাই ভাইৰ ভিতৰত তেওঁ আছিল কনিষ্ঠ আৰু সবাতোকৈ নিকৃষ্ট। তেওঁৰ দুজন ককায়েকৰ ডাঙৰ মানুহ হোৱাৰ সম্পূৰ্ণ লক্ষণ আছিল। এজন হ'ল উইলিয়াম; ধুনীয়া, সুচাৰু, মাৰ্জ্জিত যি চিকিৎসা বিদ্যা অধ্যয়ন কৰিছিল; আৰু আনজন হ'ল জেম্‌চ; যাৰ আছিল ভৱিষ্যতে আইনজ্ঞ হোৱাৰ ইচ্ছা।

জনৰ যে ভৱিষ্যত অন্ধকাৰ তেওঁৰ হাবভাব দেখি সকলোৱেই সকলোৱে নিশ্চিত ভাৱে ধৰি লৈছিল। তেওঁ পঢ়াশালিলৈ যাবলৈ মন নকৰিছিল, কিতাপ স্পৰ্চুইছিল আৰু কোনোবাই জোকালে বা কিবা কথাত খং উঠিলে ঘন্টাৰ পিছত ঘন্টা ধৰি আপোন-মনে থাকিছিল। শিক্ষালাভ নকৰাকৈ আৰু অবাধ্য হৈ তেওঁ ডাঙৰ হবলৈ ধৰিলে। তেওঁৰ সামান্য বুদ্ধিমত্তাখিনি প্ৰকাশ পাইছিল প্ৰকৃতিৰ বিষয়ে তেওঁ হুকে বিহকে কৰা প্ৰশ্নবোৰত। 'মই যেতিয়া সৰু আছিলো', পিচলৈ তেওঁ এবাৰ কৈছিল, 'তেতিয়া মই ডাৱৰ, মেঘ আকাশৰ বিষয়ে জানিবলৈ ব্যতিব্যস্ত হৈছিলো। শৰৎ কালত নো গছৰ পাতে কিয় বৰণ সলায় জানিবলৈ বিচাৰিছিলো। পোক-পৰুৱা, মৌমাখি, নানা বিধৰ চৰাই, লালুকী আদিৰ জীৱনযাত্ৰা অনবৰত নিৰীক্ষণ কৰিছিলো। মানুহক মই এনে কিছুমান প্ৰশ্ন কৰিছিলো যিবিলাকৰ বিষয়ে তেওঁ-লোকে কোনোদিনে হয়তো ভবাই নাই বা ভাবি মূৰ ঘমাবলৈ অকণো প্ৰয়োজন বোধ কৰা নাই।'

জনৰ শৈশৱতে তেওঁতকৈ দহ বছৰৰ ডাঙৰ উইলিয়ামে ইতিমধ্যে চিকিৎসা-শাস্ত্ৰত উত্তীৰ্ণ হৈ লণ্ডনত চিকিৎসা ব্যৱসায় আৰম্ভ কৰিলে। মহানগৰীৰ এজন অগ্ৰ-গন্য শৰীৰবিদ আৰু শল্য চিকিৎসক হিচাবে তেওঁ যথেষ্ট সুনাম অৰ্জ্জন কৰিলে।

টকাও হ'ল। নাম যিমানে হ'ল, পৰিশ্ৰমো বেছি কৰিবলগীয়া হ'ল আৰু সেই বাবেই উইলিয়ামে এজন সহকাৰী বিচাৰিলে সেই সময়তে ভায়েক জেম্‌চে আইন পঢ়িবলৈ বৰ অসুবিধা পোৱাত লণ্ডনত ককায়েকৰ সহকাৰী হবলৈ আগবাঢ়ি আহিল। কিন্তু দুৰ্ভাগ্যবশতঃ অলপ দিনৰ পিছত জেম্‌চে দুৰাৰোগ্য অসুখ এটা চপাই লৈ আকৌ স্কটলেণ্ডলৈ ঘূৰি গ'ল আৰু তাতে চকু মুদিলে।

অপৰিপক্ক, শিক্ষাহীন জন সেই সময়ত বিশ বছৰীয়া। দেউতাকৰ পামত থাকি বিনা পৰিশ্ৰমে খাই জন অস্থিৰ হৈ পৰিছিল। কিবা এটা কৰাৰ আতিশৰ্য্যত তেওঁ ছাটি ফুটি কৰিছিল, কিন্তু কি কৰিব তাক স্থিৰ কৰিব পৰা নাছিল। অবশেষত উইলিয়ামৰ সহকাৰী হিচাবে থাকিবলৈ বিচাৰি ককায়েকলৈ তেওঁ এখন চিঠি লিখিলে। উইলিয়াম বিমোৰত পৰিল। ভায়েকক লৈ কি কৰে এতিয়া? শল্য চিকিৎসাৰ দৰে কঠিন কামতনো পৰিয়ালৰ এই অপদাৰ্থটো কিবা কামত আহিবনে? কিন্তু ভায়েকৰ প্ৰতি থকা অন্তৰৰ টানে সকলো যুক্তি উফৰাই দিলে। ১৭৪৮ চনত উইলিয়ামৰ সহকাৰী হৈ জনে লণ্ডন অভিমুখে যাত্ৰা কৰিলে।

অসীম আগ্ৰহেৰে জন কামত লাগি গ'ল। মানুহৰ শৰীৰৰ বিভিন্ন অংশ, যেনে মাংশপেশী, ৰক্তবাহীসিৰ আদি ব্যৱচ্ছেদ কৰাত তেওঁ নিজৰ বিচক্ষণতাৰ পৰিচয় দিলে। স্বেচ্ছাৰে তেওঁ গভীৰ ৰাতি পৰ্য্যন্ত কাম কৰিছিল। প্ৰথম বাৰৰ বাবে জীৱনত তেওঁ এনে এটা কামত মনোনিবেশ কৰিব পাৰিলে য'ত তেওঁ নিজৰ কৃতিত্বৰ চিনাকি দিবলৈ সক্ষম হ'ল।

সেই সময়ত বৃটেনত প্ৰাণদণ্ড দিয়া মানুহ বা আত্মহত্যা কৰা মানুহৰ শৱদেহহে মাত্ৰ ব্যৱচ্ছেদ কৰাটো বৈধ্য আছিল। এই সামান্য পৰিমাণৰ শৱদেহৰ বেছি অংশই ৰয়েল কলেজ অব্‌ চাৰ্জন্‌চ, বিশ্ববিদ্যালয় বা অন্যান্য ৰাজহুৱা অনুষ্ঠানৰ ভাগতহে পৰিছিল। উইলিয়াম হাণ্টাৰৰ দৰে ব্যক্তিগত বিদ্যালয় বিলাকত মৰাশৰ বাবে টনাটানি হৈছিল। কিন্তু সেই সুবিধা লৈয়েই এদল কবৰ চোৰৰ ৰাজত্ব চলিছিল। এই কবৰ চোৰ বিলাকে কবৰৰ পৰা সদ্য-প্ৰোথিত মৃতদেহ চুৰ কৰি উলিয়াই নি চৰা দামত চিকিৎসা বিদ্যাৰ ছাত্ৰ বিলাকক বিক্ৰী কৰিছিল।

স্বাস্থ্যজনিত কাৰণত কিছুদিন লণ্ডনৰ পৰা আতঁৰি থাকি জন হাণ্টাৰ ১৭৬৩ চনত লণ্ডনলৈ ঘূৰি আহি প্ৰায় কপৰ্দকহীন অৱস্থাৰে ব্যক্তিগত চিকিৎসা ব্যৱসায় আৰম্ভ কৰিলে, আৰু অলপ দিনৰ ভিতৰতে যথেষ্ট খ্যাতি অৰ্জ্জন কৰি ককায়েকৰ সমপৰ্য্যায়ৰ চিকিৎসক হিচাবে পৰিগণিত হ'ল। তেওঁ যিমানেই

ধন উপাৰ্জ্জন কৰিছিল, সেই সকলোখিনি গৱেষণা কামত খৰচ কৰিছিল। এই গৱেষণাৰ ফলত তেওঁ প্ৰাণী সমূহৰ শৰীৰতত্ত্ব সম্বন্ধে প্ৰভূত জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হ'ল।

মহানগৰীৰ উপকণ্ঠত তেওঁ এটা ঘৰ নিৰ্ম্মাণ কৰি বিভিন্ন ধৰণৰ জীৱজন্তুৰে সেই ঘৰ ভৰাই পেলাইছিল। জন্তুবোৰৰ ভিতৰত আছিল চিতাবাঘ, শিয়াল, অপ'চাম, জেব্ৰা ইত্যাদি। দূৰলৈ বা বিদেশলৈ যোৱা বন্ধু পালেই তেওঁবিলাকক বিদেশৰ পৰা তেওঁলৈ জন্তু পঠাবলৈ খাটনি ধৰিছিল। এজন বন্ধুৱে সেই কথা ৰাখি তেওঁলৈ তিমি মাছৰ কিছু অংশ পঠাইছিল, এজনে পঠাইছিল ম'হ আৰু ৰক্ষা। তৃতীয় জৰ্জ্জে পঠাইছিল এটা হাতী। গোটেই ঘৰটো তেওঁ জন্তুৰ জকা আৰু নানা তৰহৰ সৰু সৰু জন্তু বা জন্তুৰ শৰীৰৰ আধাৰত ৰক্ষিত অংশেৰে ভৰাই পেলাইছিল। দুই এটা দুৰ্ঘটনাও যে ঘটিছিল এনে নহয়। এবাৰ কিবা পাকত এটা চিতাবাঘ নিজৰ গড়ালৰ পৰা কেনেবাকৈ পলাই যাওঁতে তেওঁ হুদাহাতেৰে তাক ধৰি নি আকৌ গড়ালত ভৰাই থলেগৈ।

লণ্ডনৰ অধিবাসীয়ে তেওঁৰ এই কাৰ্য্যাৱলী খামখেয়ালী বা পাগলামি বুলিয়েই গণ্য কৰিছিল। এবাৰ তেওঁ ৰাস্তাত ম'হ এটা খেদি খেদি লৈ গৈছিল। মানুহে তেওঁৰ বিষয়ে কি ভাবে, নাভাবে সেই বিষয়ে তেওঁ অকণো কেৰেপকে নকৰিছিল। কেতিয়াবা যুদ্ধৰ বিজয়ী বীৰ সেনাপতি জেম্‌চ্ মুৰেক এবাৰ লগ পাই জন হাণ্টে চিধাচিধি কৈ পেলাইছিল, "আপোনাৰ বুকুখনত কি আছে, এবাৰ খুলি চাবলৈ পালে বৰ আনন্দ পালোহেঁতেন।"

উইলিয়ামৰ জনপ্ৰিয় ব্যক্তিগত চিকিৎসা বিদ্যালয়ৰ ছাত্ৰ কমি গৈ ক্ৰমান্বয়ে জনৰ বিদ্যালয়ত ভীৰ কৰিলেগৈ। অৱশ্যে তেওঁৰ বিদ্যালয়ত সদায়েই যে বহুতো ছাত্ৰৰ সমাবেশ ঘটিছিল, এনে নহয়। আৰম্ভণীতে এবাৰ তেওঁ শ্ৰেণীত সোমাই দেখে যে মাত্ৰ এজন ছাত্ৰহে উপস্থিত। এই কাণ্ডত পিচে জন অকণো হতাশ নহ'ল। বৰঞ্চ ওচৰৰ অন্য এটা কোঠাৰ পৰা এটা জকা চেঁচোৱাই আনি শ্ৰেণীৰ ভিতৰত থিয় কৰি লৈ সামান্য হাঁহি তেওঁ আৰম্ভ কৰিলে – 'ছাত্ৰ সকল .....।'

তেওঁ ছাত্ৰ সকলক এইটো শিকাইছিল যে অন্য উপায় থকালৈকে শল্য চিকিৎসাৰ সহায় লোৱাটো কোনোপধ্যে উচিত নহয়। অস্ত্ৰ চিকিৎসা একেবাৰে শেষৰ চিকিৎসা। অন্য কিছুমান চিকিৎসকৰ দৰে তেওঁ একেটা মতকে দৃঢ়ভাবে পোষণ কৰি থকা মানুহ নাছিল। তেওঁৰ জ্ঞানৰ পৰিধি

যিমানেই বাঢ়িছিল সিমানেই তেওঁ তেওঁৰ পুৰণি মতবোৰ পৰিবৰ্ত্তন কৰি গৈছিল। এবাৰ তেওঁৰ ছাত্র সকলে তেওঁ কৈ যোৱা প্ৰত্যেকটো শব্দ সাৱধানেৰে টুকি লোৱা দেখি তেওঁ কৈ উঠিছিল: 'এইদৰে লিখি নললেই ভাল হয়, কাৰণ অহাবছৰত মই হয়তো এই বিষয়ে মোৰ মত সলনি কৰিবও পাৰোঁ।"

জীৱনৰ শেষ কালছোৱাত তেওঁ হৃদ-ৰোগত ভুগিছিল। সেই বুলি তেওঁ যে দৈনন্দিন পৰিশ্ৰমৰ মাত্ৰা কমাই দিছিল, এনে নহয়। অতি প্ৰত্যুষতে উঠি শৱ ব্যৱচ্ছেদ কৰা, ৰোগী চোৱা, অধ্যাপনা কৰা, তাৰোপৰি দৈনন্দিন উল্লেখযোগ্য ঘটনাৱলী লিপিবদ্ধ কৰা বা বিভিন্ন ৰোগ সম্বন্ধে বিশ্লেষণমূলক টোকা লিখা ইত্যাদি বিভিন্ন কাম তেওঁ নিয়মিত ভাবে সম্পাদন কৰি গৈছিল। চিকিৎসা ব্যৱসায়ৰ পৰা তেওঁ সেই সময়ত বছৰে একেলাখতকৈ বেচি টকা আয় কৰিছিল যদিও ইয়াৰ প্ৰায় সকলো খিনিয়েই তেওঁ গবেষণা কাৰ্য্য আৰু প্ৰাণী সংগ্ৰহত ব্যয় কৰিছিল।

অস্বাভাৱিক মানুহেও তেওঁক আকৰ্ষণ কৰিছিল। চাৰ্লচ্ বাৰ্ণ নামৰ একৈশ বছৰীয়া আইৰিচ্ যুবক এজন সেই বয়সতে অতিপাত বাঢ়ি দৈত্যৰ দৰে আকৃতি লাভ কৰিছিল। তেওঁ এটা চাৰ্কাচ দলত যোগ-দান দি এই চাৰ্কাচ দলটোৰ লগতে লণ্ডনলৈ এবাৰ আহোঁতে জন হাণ্টাৰৰ চকুত পৰিল। অৱশেষে এইবাবে জন হাণ্টাৰে দৰ্শনী দি চাৰ্কাচৰ প্ৰৱেশ পত্ৰ গোটাবলগীয়া হৈছিল। জন হাণ্টাৰে বাৰ্ণক এবাৰ লগ ধৰিলে, হাণ্টাৰৰ অদম্য ইচ্ছা হ'ল কিহৰ বাবে নো এই যুবক-জনৰ দেহৰ উচ্চতা ইমান বেচি হ'ল সেই বিষয়ে জানিবলৈ। অসুখী বাৰ্ণক তেওঁ কলে: 'দৈত্যাকাৰ মানুহবিলাক খুব কম দিনেই জীয়াই থাকে। কিন্তু তোমাৰ শৰীৰটোৰ এটা বৈজ্ঞানিক মূল্য আছে। গতিকে তুমি যেতিয়া মৰিবা, ব্যৱচ্ছেদৰ কাৰণে তোমাৰ শ'টো মোলৈ এৰি যাবা।' এনে ধৰণৰ কথাত সাংঘাতিক ভয় খাই একৈশ বছৰীয়া দৈত্য জন হাণ্টাৰৰ কাষৰ পৰা আঁতৰিল। অলপ দিনৰ পিছতে বাৰ্ণ নৰিয়াত পৰিল আৰু মৰিল। কিন্তু মৰাৰ আগতে জনে যাতে তাৰ মৰাশটো পাব নোৱাৰে তাৰ বাবে টেমচ্ নদীৰ মোহনাত মৃতদেহৰ সলিল সমাধিৰ ব্যৱস্থা কৰি গ'ল। জন তাতকৈ বেচি বুধিয়ক। মৰাশ'ৰ ৰক্ষণাবেক্ষণ কৰা মানুহ কেইটাক ভেঁটি খুৱাই জনে মৰাশ'টো সমাধিস্থ কৰাৰ আগতেই সৰকালে আৰু নিজৰ সংগ্ৰহালয় নি পোৱালেগৈ। হাণ্টেৰিয়ান সংগ্ৰহালয়ত এতিয়াও বাৰ্ণৰ এই দৈত্যাকাৰ কঙ্কালটো দেখিবলৈ পোৱা যায়। যুদ্ধৰ সময়ত জাৰ্মাণৰ বোমা বাৰুদেও ইয়াৰ একো ক্ষতি সাধন নকৰিলে।

জন হাণ্টাৰৰ এই সকলো কাৰ্য্য তেওঁৰ এই বিচিত্র সংগ্রহ আৰু ব্যৱচ্ছেদ কাৰ্য্য হয়তো পাগলামি বুলিয়েই পৰিগণিত হল হেতেন যদি এটা অনুসন্ধিৎসু মনেৰে তেওঁ এইখিনি কাম সম্পাদন নকৰিলেহেঁতেন। তেওঁ গোটোৱা এই অমূল্য সম্পদ ৰাজিৰ পৰা জনে নানা অভিমতত উপনীত হব পাৰিছিল, যাৰ পৰিণতি হিচাবে তেওঁ কেইবাখনো অমূল্য গ্রন্থ প্রকাশ কৰি যাব পাৰিছিল।

হাণ্টাৰৰ ঐকান্তিক অধ্যৱসায়ৰ ফল স্বৰূপেই বিজ্ঞান সন্মত শল্য চিকিৎসাৰ ক্ষেত্ৰত যুগান্তৰ ঘটিল। পূৰ্ব্বতে শল্য-চিকিৎসক, ঔষধ সম্বন্ধীয় চিকিৎসক আৰু ঔষধ প্রস্তুতকাৰী ৰসায়ণবিদৰ সম্পূর্ণ পৃথক একোখন জগত আছিল। শল্য চিকিৎসক সকল প্রথমে সাধাৰণ কলাকুশলী বুলিহে পৰিগণিত হৈছিল। এজন শল্যচিকিৎসকে যেতিয়া ঔষধ সম্বন্ধীয় চিকিৎসক হবলৈ বিচাৰিছিল, তেওঁ প্রথমে শল্য চিকিৎসা সম্পূর্ণ ৰূপে বিসর্জন দিয়াটো সৰ্ব্বপ্রথম কৰ্ত্তব্য আছিল। হাণ্টাৰেই প্রথম বিজ্ঞানী যি ঔষধ সম্বন্ধীয় চিকিৎসা বিদ্যা আৰু শল্য চিকিৎসা বিদ্যাৰ এই দুখন পৃথক জগতৰ মাজত এডাল সাকোঁৰে সংযোগ স্থাপন কৰিলে।

তেওঁ নিজে সমাধা কৰি যোৱা কৰ্ত্তব্য সমূহ বা তেওঁ প্রণয়ন কৰা গ্রন্থ সমূহৰ উপৰিও তেওঁৰ শিক্ষাদান প্রণালীও সমানেই আদর্শনীয় আৰু অনুকৰণীয় আছিল। তেওঁৰ ছাত্র সকলৰ ভিতৰত অন্যতম উজ্জ্বল ৰত্ন আছিল এডোৱার্ড জেনাৰ। এডোৱার্ড জেনাৰৰ মনত এটা প্রত্যয় জন্মিছিল যে ছিটাৰ সহায়ত বৰ আই নিবাৰণ কৰাটো সম্ভৱ হাণ্টাৰৰ তেওঁৰ প্রতি উপদেশ আছিল: 'অকল চিন্তা কৰি থাকিলেই নহব চেষ্টা কৰা। ধীৰ আৰু শুদ্ধ ভাবে আগবাঢ়ি যোৱা। এই উপদেশ সাৰোগত কৰি ছাত্র জেনাৰে কেবা বছৰো আশাশুধীয়া পৰীক্ষা নিৰীক্ষাৰ পিছত বৰ আইৰ প্রতিষেধক ছিটা আৱিষ্কাৰ কৰিবলৈ সমর্থ হয়।

জন হাণ্টাৰে ১৭৯৩ চনত হৃদ যন্ত্ৰৰ অসুখত ভুগিয়েই মৃত্যুক সাৱটি লবলগীয়া হয়। হাণ্টাৰৰ বিষয়ে অবধান যোগ্য কথা এই-টোৱেই যে তেওঁ যুগতকৈ এখোজ আগ-বাঢ়ি আছিল। ষ্টিফেন পেজেটে তেওঁৰ বিষয়ে এইদৰে লিখিছিল যে জন আছিল একেধাৰে এজন শৰীৰবিদ্ জীৱ বিজ্ঞানী, প্রকৃতি বিজ্ঞানী, ঔষধ সম্বন্ধীয় চিকিৎসক, শল্য চিকিৎসক আৰু নিদান শাস্ত্ৰবিদ আৰু ইয়াৰ প্রত্যেকটো বিষয়তে তেওঁ আছিল অগ্রগণ্য আৰু নিঃসন্দেহে সৰ্ব্বোৎকৃষ্ট। ★

---

★ 'Anatomy of a Surgeon' by Robert Silverberg (Reader's Digest)

# ঃ মিচিং সমাজৰ প'ৰাগ উৎসৱ ঃ

ৰূপনাথ পেগু।
১ম বাৰ্ষিক কলা।

''গাৱঁৰ মাজৰ কোনোবা বহল ঠাইত আৱবেৰ নোহোৱাকৈ পাচফুট ওখ এটি সুন্দৰ চাংঘৰ সাজে। চটিত ফুলবাছি ইয়াৰ সৌন্দৰ্য্য অতি সুন্দৰ কৰে। উৎসৱৰ আগে আগে দেউধাইক স-সন্মানেৰে মাতি আনে। উৎসৱ তিনিদিনীয়াকৈ আৰম্ভ হয়। ডেকাসকলে সিবুগালুক, ডুমেৰ, গণবহ, উগন আৰু গাভৰুসকলে ৰিবিগাছেং পিন্ধে। ঢোলৰ চেৱেঁ চেৱেঁ আৰু নাচোনৰ লয়লাসে উৎসৱস্থলী মুখৰিত হয়। এয়ে প'ৰাগ উৎসৱ আৰু মিচিংসকলে এইদৰে তেওঁলোকৰ কৃষ্টি সংস্কৃতিক জীয়াই ৰাখে।''

প'ৰাগ মিৰিং জনজাতিৰ এটা লেখত লবলগীয়া উৎসৱ। পৃথিবীৰ সকলো জাতিৰে নিজৰ নিজৰ একোটা স্বকীয়া উৎসৱ আছে। এই পৃথিবীৰ মনুষ্য হিচাবে মিছিং জনজাতি সকলৰো নিজা উৎসৱ আছে। সেয়া হৈছে এটা প'ৰাগ আৰু আন এটি আলিয়াই লিগাং। প'ৰাগ শব্দটো কোন শব্দৰ পৰা আহিছে আৰু কেতিয়া কোনে এই শব্দ ব্যৱহাৰ কৰি মিছিং সমাজত এই উৎসৱ উৎথাপন কৰিলে জনা নেযায়। তথাপি মিছিঙৰ এই উৎসৱটো পাহাৰত থকা কালৰ পৰাই চলি আহিছে ই অনুমেয়। এই উৎসৱটো যদিও পুৰণি মিছিং সকলৰ সৃষ্টি তথাপি সেই কালত ইয়াৰ নাম প'ৰাগ নাছিল। জন শ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰি কব পাৰি যে প'ৰাগ শব্দটো মধ্যযুগৰ অৱদান। মধ্যযুগত যেতিয়া আহোম ৰাজত্ব সেই সময়ত কিছুমান বুধিয়ক মিছিঙে প'ৰাগ শব্দটো ব্যৱহাৰ কৰি ইয়াৰ ৰীতিবোৰ আহোম ৰজাঘৰীয়া বিষয়াৰ বিষয় বাবেৰে নামাকৰণ কৰি পালন কৰা যেন অনুমান হয়। এই বিষয়বাববোৰ লক্ষ্য কৰিলে অনুমান হয় প'ৰাগ শব্দটো আহোম ৰাজত্বৰ অৱদান। ইয়াৰ আগতে প'ৰাগ শব্দটোৰ ব্যৱহাৰ শুনা নেযায়।

ই যিকি নহওক প'ৰাগ উৎসৱ আদিম মিছিং সকলৰ অৱদান। কলামোদী মিছিং ৰাইজে আজিকোপতি ইয়াক জীয়াই ৰাখিছে। কিন্তু কিছুমান অঞ্চলত এই উৎসৱটোৰ প্ৰতি অৱহেলা কৰা দেখা যায়। বিশেষকৈ শদিয়াৰ কিছু অঞ্চলত আজি বিশ বছৰ

ধৰি এই উৎসৱ পালন কৰা দেখা নেযায়। ই মিছিং ৰাইজৰ বাবে দোষণীয়। এই উৎসৱ বছৰে বছৰে পালন কৰা নহয়। অৱস্থা অনুসৰি দুই-তিনি বছৰৰ মূৰে মূৰে পালন কৰা হয়। অতীতত কিন্তু বছৰে বছৰে পালন কৰিছিল বুলি বুঢ়ালোকৰ পৰা শুনা যায়। মিছিংসকল বিশেষকৈ নৈৰ পাৰত বাস কৰে। সেই কাৰণে পানীৰ অত্যাচাৰৰ পৰা হাত সাৰিবলৈ শীত বসন্ত কালত এই উৎসৱ পালন কৰা দেখা যায়। বিশেষকৈ ফাগুন আৰু চ'ত বহাগ মাহত এই উৎসৱ পালন কৰা হয়। তেতিয়া আকাশ মেঘমুক্ত হয়। তাৰ উপৰিও আঘোণ পুহ মাহত ধান দাই শেষ কৰি ভৰাঁল ভৰাই অন্ন চিন্তাৰ পৰা বিৰত থাকি উৎসৱত যোগ দিবলৈ সময় পায়।

এই উৎসৱত বিশেষকৈ ডেকা-গাভৰুৱে অংশ গ্ৰহণ কৰে। পুৰণি কালত অঞ্চল হিচাবে প'ৰাগ উৎসৱ পালন কৰিছিল। কিন্তু জনসংখ্যা বৃদ্ধি পোৱাৰ লগে লগে অতীতৰ একো অঞ্চলেই গাৱঁত পৰিণত হ'ল। সেয়েহে আজি গাওঁ হিচাবেহে এই উৎসৱ পালন কৰা হয়। এই উৎসৱ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এখন সুসংগঠিত সমিতি থাকে। প্ৰতিটো উৎসৱ পালন কৰাৰ পাচত ইয়াৰ বিষয়ববীয়া সকলৰ সলনি কৰি পুৰণিৰ ঠাইত নতুন পৰিচালনা সমিতি গঠন কৰে। এই পৰিচালনা সমিতিৰ মূৰব্বীজনক ডেকাফালৰ পৰা 'বঢ়া' আৰু গাভৰুফালৰ পৰা 'বঢ়ানী' বুলি কোৱা হয়। বঢ়া-বঢ়ানীয়েই উৎসৱৰ সৰ্ব্বেসৰ্ব্বা। ইয়াৰ পাচৰ উপাধিবোৰ ডেকাফালৰ ভূঞা, শইকীয়া, চৌকা, টেকেলা, চাবোকদাৰ, বাৰিক আৰু গাভৰু ফালৰ ভূঞাঞী, ৰেমী, পাঠগিৰি, পকয়প ইত্যাদি। প্ৰত্যেকৰে স্বকীয়া কাম আছে যদিও বঢ়া-বঢ়ানীৰ কথামতে চলিব লাগে। এই বিষয়বোৰৰ পৰা অনুমান হয় যে প'ৰাগ শব্দটো আহোম যুগৰ অৱদান। আহোম ৰাজসভাত তেনে উপাধি দেখা যায়। যিকি নহওঁক এই পৰিচালনা সমিতিয়ে দুই এবছৰৰ আগৰ পৰা পুঁজি সংগ্ৰহ কৰে। এই উৎসৱ যথেষ্ট ব্যয় বহুল। এই পৰিচালনা সমিতিয়ে নানা ধৰণে অৰ্থ সংগ্ৰহ কৰি সামৰ্থ্য অনুযায়ী উল্লেখিত মাহকেইটাৰ এটা শুভদিনত ইয়াৰ কাম আৰম্ভ কৰে।

গাৱঁৰ কোনোবা বহল ঠাইত ৫ফুট ওখকৈ এটা চাংঘৰ সাজি লয়। কিন্তু বেৰ নিদিয়ে। চটিত ফুল বাছি অতি সুন্দৰকৈ সজায়। দুদিন মানৰ আগতে দেউধাইক (মিবু) মাতিবলৈ বঢ়া-বঢ়ানী আৰু মুখীয়াল কেইজনমান যায়। আনোতে গাৱঁৰ মূৰত ডেকা-গাভৰুৰ দলে দেউধাইক সন্মানেৰে আদৰি আনে। ৰাতি আৰামত ৰাখি পিছদিনাৰ পৰা কাম আৰম্ভ কৰে। উৎসৱৰ কাম

তিনিদিনীয়াকৈ পালন কৰে। প্ৰথম দিনা (চ' মান) নাচগান আৰু মাজনিশা উৎসৱৰ দাগকাং (দেউধাইৰ প্ৰথম কাম আৰম্ভ কৰে, বাহেৰে মদ চাকিবলৈ সজা ডাঙৰ সৰঞ্জাম। সেইটো ঠিক হৈছেনে নাই তাক প্ৰমাণ কৰাই উৎসৱৰ দাগকাং) ' দেউধায়ে প্ৰমাণ কৰি কৈ দিয়ে। বেয়া হলে পুনৰ নতুন এটা সাজিব লাগে। সেইৰাতি বুঢ়া-বুঢ়ী সকলৰ পৰা ডেকা-গাভৰুৱে আশীৰ্বাদ লয়। সেই ৰাতিত গাহৰি কুকুৰা মাৰি ভোজ খায়। গোটেই ৰাতি ডেকা-গাভৰুৱে উজাগৰে থাকি নাচ গান কৰে। দ্বিতীয় দিনা উৎসৱৰ আচল কাম আৰম্ভ হয়। সেইদিনা মিচিঙৰ পিতৃ-পুৰুষ সূৰ্য্য-চন্দ্ৰৰ নামত গাহৰি মাৰে। বনৰ পৰা নানা ধৰণৰ গছৰ পাত আদি আনি মাংসৰ লগত বান্ধে। খোৱা বোৱাৰ পাচত ৰাতি দেউধায়ে মঙ্গল চায়। ইয়াত প্ৰথমে দেউধাই, তাৰ পাচত চাবোকদাৰ, বঢ়া-বাঢ়নী আদি কৰি ডেকা-গাভৰুৱে দেউধাইৰ পাচে পাচে শাৰী শাৰীকৈ নাচে। সেই ৰাতি দেউধাই অৰস হৈ পৰা বাবে পাচদিনা মঙ্গলৰ কথা-বোৰ সোধে। তেতিয়াই দেউধায়ে সকলো নকয়। তৃতীয় দিনা কাম শেষ কৰি দেউধাইক ঘৰত থবলৈ যায়। তেতিয়া বাটত কিছু কথা আৰু ঘৰত সকলো কথা কয়। যেনে গাওঁখনৰ ভালবেয়া, খেতি পথাৰৰ ভাল বেয়া আৰু ৰাইজৰ সুখ-দুখৰ কথা। দেউধায়ে মঙ্গলত উঠা সচাঁ সচাঁ কথাবোৰ কয়। এইদৰে তিনিদিনৰ পাচত উৎসৱ শেষ কৰে।

এই প'ৰাগ্‌তে মিছিঙৰ আচল কৃষ্টিৰ ৰূপ দেখা যায়। প্ৰতিজন ডেকাই মিবু, গালুক, ডুমেৰ, গনৰহ, উগন আৰু গাভৰুৱে বিবিগাছেং পিন্ধিব লাগে। ই পূৰ্বৰে পৰা চলি অহা নিয়ম। কিন্তু আজিকালি পচোৱাৰ বেঙণি পৰাত এই নিয়মত ব্যাঘাত জন্মা দেখা গৈছে। ছাইমদক আচল মিছিং সুৰাপান হিচাবে ধৰি পূজাত এই মদকে প্ৰয়োগ কৰে। ইয়াৰ উপৰিও বগা মদো (নাগিন আপং) পূজাত ব্যৱহাৰ কৰে। মিছিঙৰ আৰাধ্য দেৱতা চন্দ্ৰ সূৰ্য্যৰ (দঞিপ'ল) উপলক্ষে গাহৰি, কুকুৰা মাৰি উচ্ছ্ৰ্গা কৰে। অন্যগাৱঁৰ ডেকা-গাভৰুৰ এটা বা দুটা দল পূজাত নাচগান দেখুৱাবলৈ ও বিশিষ্ট অতিথি হিচাবে মতা হয়। ইয়াক 'মিনম্ গকনাম্' বুলি কোৱা হয়। ইয়াৰ উপৰিও ইচ্ছুক ডেকাগাভৰুৱে অন্য গাৱঁৰ পৰা আহি আনন্দৰ ভাগ লোৱাত আপত্তি নাই। এই (মিনম্) বিশিষ্ট অতিথি দল সমূহক স-সন্মানেৰে থৈ আহিবগৈ লাগে। এই মিনম্ গকনামত এটা সাধাৰণ নীতি আছে। সেইটো এইদৰে ধৰাহওঁক এবাৰ 'ক' গাৱঁৰ দলে 'খ' গাৱঁৰ ডেকাগাভৰুৰ দলক মাতি আনিলে, যদি খ' গাৱঁৰ দলে প'ৰাগ্‌

কৰে তেন্তে ক'-গাৱঁৰ ডেকাগাভৰুৰ দলক মাতিবগৈ লাগে। অৱশ্যে ব্যতিক্ৰমো আছে। এইবোৰেই প'ৰাগ্‌ৰ সন্মানৰ নিয়ম আৰু বৈশিষ্ট। ইয়াৰ উপৰিও এনে এবুৰি নীতি নিয়মেৰে অতি উলহ-মালহকৈ প'ৰাগ্‌ উৎসৱ পালন কৰা হয়।

আলিয়াই লিগাঙৰ পাচতেই প'ৰাগ মিছিঙৰ কৃষ্টি সংস্কৃতিৰ প্ৰধান বাহক। প'ৰাগেই জীয়াই ৰাখিছে ৰিবিগাছেং মিবুগালুক আৰু মূৰৰ ভুমেৰ। কিন্তু অতি দুখৰ বিষয় যে আজিৰ নতুন পুৰুষ এই বিলাকৰ প্ৰতি অন্যমনস্ক। তেওঁলোকে এই বিলাকত যোগ দিয়াটো লাজৰ কথা বুলি ভাবে। অৱশ্যে সকলোৱে নহয়, বহুতে। ইয়াত নতুন পুৰুষ বুলি মাত্ৰ স্কুল কলেজৰ ছাত্ৰছাত্ৰীকহে কোৱা হৈছে। গাৱঁৰ ডেকা গাভৰুবোৰ কিন্তু সম্পূৰ্ণ আগৰ দৰে। শিক্ষিত ডেকাগাভৰু সকলে নিজক সভ্যতাৰ শাৰীত মিলাবলৈ প'ৰাগ নচা বা ঢোল বজোৱাবোৰক হেয়জ্ঞান কৰা যেন অনুমান হয়। কিন্তু তেওঁলোকে হেম বৰুৱাৰ এই কথাষাৰ পাহৰা উচিত নহয় যে—"সভ্যতাই সংস্কৃতি নহয়" তেওঁলোক শিক্ষিত হব পাৰে, সেই বুলি প'ৰাগ সভা হৈ 'বলডেঞ্চ' বা থেঙ্কচ গিভিং চেৰিমনি' (Thanks giving ceremony) নহয়। প'ৰাগ সদায়েই প'ৰাগ। প্ৰথম শ্ৰেণীৰ অফিচাৰ জনেও প'ৰাগত মিবুগালুক পিন্ধিবই লাগিব। আগৰ দিনত যি ঢোল বজাব আৰু যিজনে নাচিব পাৰিব সেই সকলৰ বেচি নাম আছিল। এতিয়াও আছে। কিন্তু বাহাদুৰী নাই। আজিকালি যিজন ল'ৰাই Tiet fitting long pant পিন্ধি দহখোজ আতৰৰ পৰা চাই আৰু যিজনী ছোৱালীয়ে হাতকটা টেৰেলীন High hills ladies shoe পিন্ধি অইন ছোৱালীবোৰক নাচিবলৈ আদেশ দি মাস্তি কৰাব পাৰে সিহঁতৰ হে বেচি বাহাদুৰি। অৱশ্যে সন্মান বা গৌৰৱ তাত নাই। এইবোৰ যেন নতুন পুৰুষ-সকলে শুধৰাবলৈ চেষ্টা কৰে তাৰে নিজে নিজেই লক্ষ্য কৰা উচিত। আজিকালি চৰকাৰৰ ফালৰ পৰাও কৃষ্টি উন্নয়ন মূলক কাৰ্য্যত সহায় কৰিবলৈ পাচঁবছৰীয়া আচঁনিত ধৰা হৈছে। ভৈয়ামৰ জনজাতি সকলৰ কাৰণে চলিত আচনিত প্ৰায় ২২১৫০'০০ টকা মঞ্জুৰ কৰা কথা আমি গম পাও। বহুতে ইয়াৰ সুবিধা ভোগ কৰাও দেখা যায়। এইবোৰৰ খা-খবৰ লৈ আমি সুবিধাবোৰ লবলৈ চেষ্টা কৰা উচিত। প'ৰাগ্‌ৰ উন্নতিয়েই মিচিংসমাজৰ উন্নতি। বাবে কেবাওঁে ইয়াৰ উন্নতিৰ প্ৰতি সচেতন হোৱাৰ সময় হৈছে। প'ৰাগ্‌ৰ জৰিয়তে মিচিং কৃষ্টি সজীৱ হওঁক এয়েই আমাৰ কামনা।

———

# কেইটামান নতুন শিতান

—অগ্ৰগামীৰ স্মৃতি কানন--

॥ নগ্নদুপৰ ॥ ৮২ ॥

॥ ধুপৰ ছাই ॥ ৮৩ ॥

—সুন্দৰৰ বৰ চ'ৰা—

॥ এটি সাক্ষাত প্ৰসঙ্গ ॥ ৮৭ ॥

॥ ড: ভূপেন হাজৰিকাৰ এখনি চিঠি—এটি গীত ॥ ৮৯ ॥

॥ গীত ॥ ৯১ ॥

॥ কলেজৰ সুন্দৰসেৱী সকলৰ বিষয়ে একাষাৰ ॥ ৯১ ॥

— মনন সমীক্ষা —

॥ ছাত্ৰ-ছাত্ৰীৰ ব্যক্তি স্বাধীনতা, চিন্তাধাৰা আৰু মতামত— ॥ ৯৩ ॥

( দুখন ৰচনা )

—ক্ৰীড়াজগতত এভুমুকি— ॥ ১০০ ॥

# ॥ এটি সাক্ষাৎ প্ৰসঙ্গ ॥

## জৱাহৰলাল নেহেৰু অধ্যাপক ডঃ মহেশ্বৰ নেওগৰ সৈতে

[ গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহেৰু অধ্যাপক অসমীয়া বিভাগৰ মুৰব্বী আৰু অসমীয়া সাহিত্যৰ বিদগ্ধ সমালোচক সাহিত্যিক শ্ৰদ্ধেয় ডঃ মহেশ্বৰ নেওগ দেৱৰ অসম সাহিত্য সভাৰ মাকুম অধিবেশনত এখন্তেক লগ ধৰি এটি সাক্ষাতৰ বাবে অকণি আমনি কৰিলোঁ। তেখেতেও অতি আগ্ৰহেৰে আমাৰ উদ্দেশ্যক সহাঁৰি জনালে। নেওগদেৱৰ উদাৰ মহানুভৱতাক আমাৰ চিৰদিন মনত থাকিব। ]

( সাক্ষাত গ্ৰহণত আলোচনী সম্পাদক শ্ৰীমোহন সোনোৱালক সহায় কৰিছে শ্ৰীকুঁহিৰাম গগৈ আৰু শ্ৰীঅজয় দাসে। )

***আমাৰ প্ৰশ্নঃ*** (১):— আপোনাৰ দৃষ্টিত আপোনাৰ ছাত্ৰ জীৱন আৰু বৰ্ত্তমান ছাত্ৰ ছাত্ৰী জীৱনৰ প্ৰভেদ কেনেদৰে ধৰা দিছে। অলপ কবনে ?

***তেখেতৰ উত্তৰঃ***— আমাৰ ছাত্ৰজীৱন আৰু আজিৰ ছাত্ৰজীৱনৰ মাজত generation gap বা পুৰুষ-পুৰুষান্তৰৰ খান্দ বা প্ৰভেদ এটা আহি পৰিছে। তেতিয়াৰ ছাত্ৰসকল ভৱিষ্যত সম্পৰ্কে প্ৰায় নিৰুদিগ্ন আছিল। কিন্তু আজিৰ ছাত্ৰৰ সন্মুখত এক অনিশ্চয়তাৰ অন্ধকাৰ। ডিগ্ৰীটো লৈ তেওঁলোক কলৈ যাব, অনেক সময়ত আমিয়ে তত ধৰিব নোৱাৰোঁ। তদুপৰি আজিৰ ছাত্ৰ সমাজত ৰাজনীতিৰ মতবাদ আৰু ব্যৱস্থা'ৰে থৌকি-বাথৌ লগাব লাগিছে, মনবোৰ বিক্ষিপ্ত কৰি পেলাইছে। তেতিয়া ৰাজনীতি মানে জাতীয় আন্দোলনত যোগদান, খদ্দৰ ব্যৱহাৰ আৰু জেললৈ তীৰ্থযাত্ৰা। সিও এক শান্তি আৰু সান্তনাৰ পথেই আছিল। আজিকালি পুথি-পত্ৰৰ সংখ্যা বাঢ়িছে। গতিকে আগতকৈ ছাত্ৰৰ মাজত জ্ঞানৰ চৰ্চাৰ পৰিধিও বাঢ়িছে। আনফালে মাজে মাজে অনুভৱ হয় যেন সেই জ্ঞানৰ ঘনতা আৰু Thoroughness অলপ আগৰ তুলনাত কমিছে। চুটিকৈ ক'লে মেথিউ আৰ্নল্ডৰ ভাষাত অলপ Sick hurry and divided aim হৈছে হ'ব পাৰে।

***আমাৰ প্ৰশ্নঃ*** (২):— ছাত্ৰ জীৱনত সাহিত্য চৰ্চা কৰাটো আপুনি সমীচীন বুলি ভাবেনে ?

***তেখেতৰ উত্তৰঃ***— ছাত্ৰজীৱনত সাহিত্য চৰ্চা কৰাটো অসমীচীন বুলি মই নাভাবোঁ।

বৰং শ্ৰেণীৰ শিক্ষাক প্ৰগাঢ় কৰাত সেই চৰ্চাই সহায় কৰে আৰু সম্ভৱতঃ জীৱনকো directions বা গতি দিব পাৰে। আধুনিক অসমীয়া সাহিত্য আন্দোলন এমুঠিমান কলিকতা প্ৰৱাসী ছাত্ৰৰ সাহিত্য চৰ্চাৰ ফল; এয়া বুৰঞ্জীৰ কথা। কিন্তু তেওঁলোকৰ চৰ্চাৰ যি নিষ্ঠা, শুদ্ধি আৰু জ্ঞানোজ্জ্বলতা, সিহে আমাৰ সকলো সময়তে কামনীয়। পোনৰে পৰা ভুল বাট ল'লে, ক'ত যে ওলামগৈ কোনে ক'ব পাৰে? গতিকে পোনতে আদৰ্শ ভাব পিচত চৰ্চা।

***আমাৰ প্ৰশ্ন*** : (৩)— ছাত্ৰছাত্ৰীৰ মাজত বৰ্ত্তমান দেখা দিয়া অশান্তিৰ মূল কাৰণ হ'ল আধুনিক ভাৰতীয় শিক্ষা পদ্ধতিৰ কেৰোণ। আপোনাৰ মতামত জানিব পাৰোনে?

***তেখেতৰ উত্তৰ***:—আধুনিক ভাৰতীয় শিক্ষা পদ্ধতিক চেকা দিয়াটো আজিকালি সকলোৰে দস্তুৰ হৈ পৰিছে। সকলো প্লেটফৰ্ম বক্তাই প্ৰসংগত সেইটি কৰে। কিন্তু আমাৰ ছাত্ৰ সমাজ বহল সমাজ খনৰে এটা অংগ; সেই বহল শৰীৰৰ ৰোগবোৰ নানা লক্ষণেৰে সেই অংগত দেখা দিয়া—এয়েহে তথা কথিত ছাত্ৰ অশান্তি যেন মোৰ মনত লাগে। বহল সমাজৰ স্বাস্থ্য ভাল হলে ল'ৰা ছোৱালীৰ সমাজো নিৰোগী হ'ব।

***আমাৰ প্ৰশ্ন*** : (৪)— আপুনি বিদেশলৈ যাওঁতে তাত পোৱা ছাত্ৰছাত্ৰী সকলক দেখি আমাৰ অসমৰ ছাত্ৰছাত্ৰী সকললৈ মনত পৰিছিলনে? যদি পৰিছিল আপোনাৰ ভাব কি জানিব পাৰোনে?

***তেখেতৰ উত্তৰ***:—মই পূব ইউৰোপত ফুৰোঁতে আমাৰ দেশৰ ল'ৰাছোৱালী-বোৰলৈ বৰকৈ মনত পৰিছিল আৰু তেওঁলোকৰ কথা ভাবি দুখ লাগিছিল। সেইবোৰ দেশত Planned economy প্ৰবৰ্ত্তমান। গতিকে তাত স্কুল, কলেজ, বিশ্ববিদ্যালয়ত যিখিনি ছাত্ৰভৰ্ত্তি কৰা হয়, সেইখিনিয়ে ছাত্ৰজীৱনৰ সমাপ্তিত যে উপযোগী এটা কাম পাব, সি সুনিশ্চিত। কিন্তু আমাৰ দেশত Planned economy বোধহয়—সম্ভৱ নহয় সম্পূৰ্ণৰূপে, আৰু আৱশ্যক অনুযায়ী শিক্ষাৰ আঁচনিও কৰা হোৱা নাই। গতিকে আমাৰ ছাত্ৰই নিজৰ ভৱিষ্যত হস্ত ৰেখা বিচাৰ বা জ্যোতিষৰ যোগেদিহে যদি জানিব পাৰে! ই দুখ লগা নহয় নে? কিন্তু উপায়?

***আমাৰ প্ৰশ্ন*** : (৫) আপুনি আপোনাৰ জীৱনটো এজন সাহিত্যিক হিচাপেই চাই সুখী হৈছেনে? আপোনাৰ সৰুতে নিজকে এজন সাহিত্যিক হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰতি কোনো ধৰণৰ ধাউতি আছিল নেকি?

***তেখেতৰ উত্তৰ***:- সাহিত্য সংস্কৃতিৰ এজন সাধাৰণ সেৱকৰূপে নিজকে গণিতা

কৰিয়ে মই সুখী। তাত আনৰ নহ'লেও নিজৰ পৰম তৃপ্তি। সৰুৰে পৰা কিতাপ মোৰ লগৰীয়া। সেই কিতাপৰ লেখক সকলৰ প্ৰতি সদায়েই মোৰ অদ্ভুদ শ্ৰদ্ধা। গতিকে আগলৈ তেওঁলোকে দেখুওৱা পথেৰেই আগ বাঢ়িম বা বাঢ়িব পাৰিম, এনে কল্পনা নিশ্চয় অতি সৰুতেই মনত শিপাইছিল। তেতিয়াই বোধহয় নিজকে ভৱিষ্যতৰ ডাঙৰ সাহিত্যিক এটা বুলি ল'ৰালী সপোন দেখিছিলো।

***আমাৰ প্ৰশ্ন***; (৬):— আপুনি প্ৰথম অৱস্থাত কি লিখি ভাল পাইছিল ? বৰ্ত্তমান আপুনি কি লিখি ভাল পায় ?

***তেখেতৰ উত্তৰ***:— প্ৰথম অৱস্থাত 'হাহি'ৰ লগৰ 'বাঁহী'য়েই হওক বা 'কাঁহী'য়েই হওক মিলাই ভাল পাইছিলো। বোধহয় তৃতীয়মান শ্ৰেণীত এনেকৈ এটা 'পইদ' লিখা আৰম্ভ কৰিছিলো—

দুষ্ট হোৱা কেনে ?
দুষ্ট ল'ৰাক কোনোবাই মৰম কৰেনে ?

তাৰ শেহত ফাঁকি দুটা আছিল—

এতেকতে তুমি ন'হবা দুষ্ট,
যি পোৱা, তাতেই থাকিবা তুষ্ট।

কেনে পালা বাৰু ? এইবোৰ দেখি ককাইদেৱে ( ডিচেম্বৰ নেওঁগ ) এনেকৈ হাঁহিলে যে মোৰ 'পইদ লেখা, গইদ লেখা, আকাশ পাতাল শুদা দেখা' সিমানতে শেষ হ'ল। পিছে, ৰোগটো আকৌ উকালে। অষ্টম মান শ্ৰেণীত থাকোঁতেই লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই তেতিয়া সম্পাদন কৰি থকা 'বাঁহী'ত এটা গল্প আৰু এটা কবিতা ওলাইছিল। পিছত গল্প কমেই লিখিছো। কবিতাৰ বেমাৰটোও অৱশ্যে এতিয়াও আছে। পূৱ ইউৰোপলৈও ইংৰাজী কবিতা লেখি Under one sky নামে উলিয়াইছো। প্ৰবন্ধ জাতীয় লেখা আগৰে পৰা লেখোঁ। এতিয়া বোধহয় সমালোচক বুলিয়ে মোৰ পৰিচয়।

***আমাৰ প্ৰশ্ন***: (৭):— আপুনি সমাজৰ আগত নিজকে কি হিচাবে পৰিচয় দি ভাল পায় ? আপুনি নিজকে এজন প্ৰফেচনেল লিখক হিচাবে চিনাকি দি ভাল পায়নে ?

***তেখেতৰ উত্তৰ***:— মই সমাজত শিক্ষক আৰু লেখক বুলিয়ে পৰিচিত; সেয়ে মোৰো প্ৰিয় পৰিচয়। প্ৰফেচনেল লেখক মই হ'ব পৰা নাই। কিতাপৰ পৰা মোৰ আয় বিশেষ নাই।

***আমাৰ প্ৰশ্ন***: ৮):— আপোনাৰ আজৰি সময়বোৰ আপুনি কিদৰে পাৰ কৰায় ? আপুনি কোনখিনি সময় লিখিবলৈ ভাল পায় ? আপুনি যেই কোনো পৰিবেশত লিখিব পাৰেনে ?

***তেখেতৰ উত্তৰ***: — মোৰ আজৰি সময় দেখোন নায়েই। বৈষয়িক কামৰ বাহিৰেত সভা-সমিতি কৰি থাকোঁতেই উশাহ নাপাওঁ। মোৰ লেখা পঢ়াৰ নিৰ্দ্ধাৰিত সময় নায়েই।

যেতিয়াই মন যায়, তেতিয়াই লেখোঁ। midnight oil কিন্তু নোপোৰোঁ। যেইকোনো পৰিৱেশত লেখা টান যদিও, মাজে মাজে তেনে অভ্যাসো কৰোঁ। সিদিনা মাকুমত কবি সন্মিলনত বহি থাকোঁতেই 'এটা ৰাতিপুৱাৰ ডায়েৰি: কবিতা লেখিলো আৰু তাতে পঢ়িও শুনালো। তোমালোক আছিলানেকি তেতিয়া?

**আমাৰ প্ৰশ্ন:** (৯)ঃ– আপোনাৰ জীৱন দৰ্শনৰ বিষয়ে দু-আষাৰ কবনে? আপোনাৰ আটাইতকৈ ভাল পোৱা কাম (হ'বি) কি?

**তেখেতৰ উত্তৰ:**— মোৰ জীৱন দৰ্শন কি সেইবৰ গহীন প্ৰশ্ন। মহাপুৰুষ সকলৰ লগতে মই 'মনো নৱ-তনু ভাগ' বুলি বিশ্বাস কৰোঁ। সেই নৱ জীৱন নিজৰ আধ্যাত্মিক জীৱনৰ পাৰপূৰণৰ যোগে দহৰ, দেশৰ, মানৱৰ সেৱাত লগাব লাগে; হাঁহি-কান্দোনৰ জীৱনক হাঁহিমুখেই গ্ৰহণ কৰিব লাগে; আমি জগতখনক যেনেকৈ সাজি লওঁ, জগতখন তেনেই হয়– এইবোৰ মোৰ বিশ্বাস।

---

# অগ্ৰগামীৰ স্মৃতিকানন

## ( এটি কবিতা ) নগ্ন দুপৰ

**নাহেন্দ্ৰ পাদুন**

স্মৃতিৰ সেন্দুৰীয়া আলিয়েদি
সময়ৰ সৰাপাত গছকি
আহিছোঁ উভতি
অকলে
আপোন মনে

প্ৰতিখোজত
শুকান পাতৰ
বিচিত্ৰ মূৰ্চনা
এবাৰ উভতি চালোঁ

অহাৰ বাট
একান্ত নিৰ্জন

পছোৱাই উৰুৱাই নিলে
শুকান পাত
হেৰালে কতনা
মূৰ্ত মূৰ্চনা।

চৌকাষে তৰল নিৰ্জনতা
দিগন্ত বিয়পা
নগ্ন দুপৰ
বগাগ মাহৰ।

# ॥ ধূপৰ ছাই ॥

( এটি গল্প )

মনোৰমা বৰুৱা।

"মালতী"

উচপ্ খাই উঠিল মালতী।

"কি কৈছে আই ?"

"তোৰ বাচন ধোৱা হোৱাই নাই নেকি ?"

"এই হ'ল আৰু"

খৰধৰ্কৈ ফুট ছাইৰে বাচনবোৰ ঘঁহিবলৈ ধৰে মালতীয়ে। নিজৰ ওপৰতে খং উঠে তাইৰ; তাই বৰ আনমনা হৈ পৰিছে, কাম কাজত মনপুতি লাগিব পৰা নাই। কিযে চিন্তাবোৰ মনলৈ আহে। সচাঁকৈয়ে তাইৰ ভুল হৈছে। কিন্তু তাই জানো নিজেই ভাবো বুলি ভাবিছে কথাবোৰ ? কেতিয়া কেনেকৈ ভাববোৰে মনলৈ আহি মনটোক অশান্ত কৰি তোলে তাই যে কবই নোৱাৰে। চকুপানী দুধাৰ সৰ্ সৰ্কৈ বৈ আহে। আঁঠুটোত চকু দুটা ঘহাঁই চকুপানীবোৰ মোহাৰে তাই। বাওনা হৈ চন্দ্ৰলৈ হাত মেলিবলৈ যোৱাৰ বাবে নিজকে তিৰস্কাৰ কৰে।

এটা সময়ত মালতীৰ বাচনখিনি ধোৱা শেষ হ'ল। খৰ্ধৰ্কৈ নি পাকঘৰত থলেগৈ।

"শুনচোন মালতী— "

"কি কৈছে আই ?"

"আজি মোৰ আৰু দেউতাকৰ আঠুৰা দুখন আৰু লেপৰ কভাৰ দুখন ধুবিচোন, বৰ লেতেৰা হৈছে।"

"আৰু কিবা ধুব লাগিব নেকি ?"

"মোৰ আৰু ধুব লগীয়া নাই। কমী-হতঁৰ আৰু দেউতাকৰ কিবা ধুব লগীয়া কাপোৰ আছে যদি সুধি ধোগৈ।"

"পাচলি আৰু কিবা কুটিম নেকি আই ?"

"আৰুনো কি ৰান্ধিম ? কাঞ্চাক কণী আনিবলৈ দিছো নহয়। আনিলে কণীৰে কিবা এখন কৰিম আৰু। তই কাপোৰ ধোগৈ যা।"

কলৰ পাৰত কাপোৰত চাবোন ঘহোঁতে আকৌ তাইৰ মনলৈ আহে সেই কথাবোৰ। কান্দি দিবৰ মন যোৱাকৈ দুখ লাগে মালতীৰ। নিজকে তাইৰ বৰ নিঃসগায় যেন লাগে। আকৌ পিচ মুহূৰ্ত্ততে মনলৈ আহে ভবাত জানো পাপ আছে ? তাইতো আনৰ দৰে জীৱনত

একোকে পোৱা নাই। তাই যে এজনী সাধাৰণ চাকৰণী ছোৱালী। তাই সদায় বাচন-বৰ্ত্তন, কাপোৰ কানি ধোৱে, ঘৰ পৰিস্কাৰ কৰে, চাহ বনোৱে আৰু কেতিয়াবা ভাতো ৰান্ধে। দৰকাৰ হলে সৰু লাচান-পাচানৰ কাম তাই কৰিব লাগে ঘৰখন পৰিস্কাৰ কৰি থাকিব লাগে। কামবোৰ কৰি কৰি অভ্যস্ত হৈ গৈছে বাবে তাই একনো আমনি নাপায়। বৰঞ্চ কাম নকৰিলেহে বেয়া লাগে। আজৰি সময়ত কুমীইতৰ লগত বহি কথা পাতে। পাঠশালা স্কুলত পঢ়া ৰিঙ্কি আৰু ৰাজুৰ লগত ধেমালি কৰে। চাকৰণী ছোৱালী হলেও কুমীইতে তাইক মৰম কৰে! খোৱা বোৱা পিন্ধা উৰা একোতে দুখ পোৱা নাই। সকলোৰে পৰা এইখন ঘৰতে ডাঙৰ হৈছে। কেওকিছু নোহোৱা ছোৱালী হিচাবে তাই কুমীইতৰ ঘৰত একনো অনাদৰ পোৱা নাই। মালতীয়ে আৰু ভাবে তাইতো একো পাপ কৰা নাই। কোনো দিন তাই কাম-কাজত অৱহেলা কৰা নাই। বেয়া কাম তাই কেতিয়াও কৰি পোৱা নাই। মিছা কথা কোৱা তাইৰ মনতেই নপৰে। কুমীৰ মাকে এদিন কৈছিল, যি মানুহে সদায় সৎকাম কৰে ভগৱানে তেওঁক এদিন নহয় এদিন চকুমেলি চাবই। কথাষাৰ তাইৰ মনত গভীৰ ভাবে সোমাই গৈছিল। ভগৱানে তাইৰ নিশ্চয় কিবা মঙ্গল কৰিব। মনটো উকলীকৃত হৈ পৰিল মালতীৰ। লাহে লাহে এটি পথাৰ পাৰ হৈ তাইৰ মনটো উৰি গ'ল বহুত দূৰলৈ।

এখন মুখ, এযোৰ চকু তাইৰ মনত ভাঁহি উঠিল এযোৰ গভীৰ ক'লা চকুৰ মণি দুটা টলমল কৰিছিল। চকু দুটাৰ দৃষ্টি তাইৰ মুখমণ্ডলত খন্তেক ৰৈ সমগ্ৰ দেহত এবাৰ ঘূৰি আহি আকৌ মুখ-মণ্ডলত নিবদ্ধ হৈছিল। তাই যেন কঁপি গৈছিল তাৰ পিছত কি হ'ল ভাবিলে তাইৰ মূৰটো ঘূৰি যোৱা যেন লাগে। তাই যেন এটা সপোনহে দেখিছিল।

এদিন কুমীৰ সহপাঠী বন্ধু এজন আহিছিল নামটো কুমায়ে তাইক কৈছিল জয়ন্ত শৰ্ম্মা। কিবা বোলে বৰ জৰুৰী বিষয়ৰ আলোচনা কৰিব, গতিকে চাহ জলপান মালতীক ওচৰত দি আহিবলৈ কৈছিল। আনকালে মালতীয়ে কুমীৰ ওচৰলৈ কোনোবা ল'ৰা বা ছোৱালী আহিলে চাহ কৰিহে দিয়ে; কুমীয়ে নিজে লৈ যায়। সেইদিনাহে তাইক দিবলৈ কৈছিল—"বৰ ভাল ল'ৰা জান। একো লাজ নকৰিবি তোক একো নোসোধে নহয়" চাহ জলপানৰ ট্ৰেখন লৈ পৰ্দাখন ঠেলি বাহিৰলৈ ওলাওঁতে তাইৰ মেখেলা-খন জুটি-পুটি ধৰিছিল। গাল দুখন ৰঙা পৰি উঠিছিল। কাণ দুখন গৰম

লাগিছিল। কোনোমতে চাহ - জলপান খিনি টেবুলত সজাই দিছিল। "এওঁ তোমাৰ ভনী নেকি ৰুমী?" লৰাজনৰ মাতটো শুনি তাই তেওঁৰ ফালে চাইছিল। ল'ৰা-জনৰ গভীৰ চকুদুটা তাইৰ মুখমণ্ডলত খন্তেক ৰৈ তাইৰ সমগ্ৰ দেহতে এবাৰ ঘূৰি আকৌ মুখমণ্ডলত নিবদ্ধ হৈছিল। ৰুমীয়ে সজোৰে হাঁহি দিছিল। ভীতা হৰিণীৰ দৰে মালতী তাৰ পৰা আঁতৰি আহিছিল। ৰুমীয়ে লৰাজনক কৈছিল—"তাই আমাৰ ঘৰত কাম কৰে।" "অ হয়নেকি? ক্ষমা কৰিবা দেই। মই নাজানিহে তেনেকৈ সুধিছিলো।"

সেই চকু দুটা তাইৰ মন-আকাশত আজিও জল মল্ কৰিছে। তাই যেন ভিতৰি ভিতৰি বাউলী হৈ পৰিছে। বাহিৰত খুব শান্ত হৈ আছে যদিও ভিতৰি ভিতৰি তাই দেই পুৰি মৰিছে। কেতিয়াবা মনটো ৰঙত নাচি উঠিছে। কিবা এটা পোৱাৰ আশাত মনটো চাটি ফুটি কৰিছে। জয়ন্ত ৰুমীহতৰ ঘৰলৈ আকৌ আহিব। তাই তেওঁক চাহ দিব। সেইদিনা তাই ধুনীয়াকৈ চুলিখিনি ফনিয়াই বেনী এডাল গুঠিব। কাপোৰ যোৰো ভালদৰে পিন্ধিব। চাহৰ ট্ৰেখন লৈ তাই ওলাব। জয়ন্তই তাইৰ মুখলৈ চাই থাকিব। চাহখিনি টেবুলত সজাই দি তাই জয়ন্তৰ মুখলৈ চাওঁতে তেওঁ কব—"তোমাৰ নাম কি?" তাইৰ খুউব লাজ লাগিব। কোনোমতে সেপ ঢুকি তাই ক'ব 'মালতী" লাহে লাহে মালতীৰ মনটো উদ্‌ভ্ৰান্ত হৈ যায়। মনটো তাইৰ পাটৰ সাজ পৰিহিতা কইনা এজনী হৈ বিয়াৰ বভাৰ হোমৰ জুই একুৰাৰ কাষত বহেগৈ। পুৰোহিতে মন্ত্ৰ উচ্চাৰণ কৰিছে। কাষতে দৰা জয়ন্তই তাইৰ ফালে চাই মিচিকি হাঁহিছে। তাই লাজতে তললৈ মূৰ কৰিছে। তাইৰ যেন বুকুখন ঢকৃঢক্কৈ কঁপিছে।......হঠাতে চকৃনক্কৈ মালতীৰ সপোন যেন হেৰাই যায়। পিছ মুহূৰ্ত্তে তাই সংকিত হৈ পৰে; জয়ন্তই জানো তাইক বিয়া কৰাব? তাইৰ দৰে নিঠকৰা পঢ়া শুনা নজনা নিৰক্ষৰা ছোৱালীজনীক তেওঁ কিয় বিয়া কৰাব? কিন্তু আকৌ তাই ভাবে তাইযে ইমান ধুনীয়া। সকলোৰে দেখোন তাই ধুনীয়া বুলি কয়। তাইৰ ৰূপ দেখিহে জয়ন্তই তাইক ৰুমীৰ ভনীয়েক বুলি কৈছিল। হঠাতে তাইৰ এদিনৰ ঘটনা এটা মনত পৰি গ'ল। ৰুমীৰ মাকৰ লগত ফুৰি-বলৈ যাওঁতে ওচৰৰ হাজৰিকা উকীলনীয়ে ৰুমীৰ মাকক কৈছিল,— 'আপোনাৰ চাকৰণী ছোৱালীজনীয়ে আপোনাৰ ছোৱালীক চেৰ পেলাব দেই।" তেতিয়া ৰুমীৰ মাকৰ মুখখন ক'লা পৰি যোৱা তাইৰ চকুত পৰিছিল। ৰুমীৰ লগত থাকিলে বহুতে দুয়োজনীকে বাইভনী বুলি ভুল কৰে। তাই ভগবানক সদায় চিন্তা কৰে। ভগৱানে তাইৰ মনৰ কামনা পূৰ্ণ নকৰিব জানো? আৰু তাই কাম-কাজ, মাত-কথা ব্যৱহাৰ

পাতি সকলোৱে ৰ'বে জাকত জিলিকা হৈ থাকিব পাৰিব। আনন্দৰে তাইৰ ঠেহ পেচো নাই। কোনোবাই কিবা ক'লেও তাই দেখোন কাকোৱেই বেয়া নাপায়। নিজৰ মনটোক প্ৰবোধ দিয়ে তাই।

কিন্তু ৰুমীৰ লগত নিজকে বিজাই চাই তাই থমকি ৰয় দুখনি ভিন্ন মুখী সুঁতি। ৰুমী আৰু তাই দুজনী সম বয়সীয়া ছোৱালী। ৰুমীয়ে কলেজত পঢ়ে আকাশৰ চৰাইৰ দৰেই মুকলী মুৰীয়া জীৱন। ৰাতিপুৱা শুই উঠি ভাইভনী কেইটাৰ লগত ৰুমীয়ে 'মৰ্নিংৱাক' কৰে। তাৰ পৰা আহি চাহখাই কিতাপ পঢ়ে। তাৰ পিচত গা-ধুই ভাত খাই সাজি কাচি কলেজলৈ ওলাই যায়। ৰুমী যিমান ধুনীয়া সাজি কাচি গলে তাতোকৈ বেচি ধুনীয়া লাগে। চুলিবোৰো ইমান ধুনীয়াকৈ বান্ধিব জানে। মালতীতকৈ ৰুমীৰ চুলি তাকৰ। কিন্তু মালতীয়ে ভিতৰত কাম কৰি থাকোতে ৰুমীয়ে কি কায়দা কৰি ইমান ডাঙৰ খোপাটো বান্ধে মালতীয়ে ভাবি নেপায়। মূৰৰ ওপৰত ঢৌ এটাও তোলে। ৰুমীজনীক সচাঁকৈ গোসাঁনী যেন লাগে। ৰুমীৰ চকু দুটা ডাঙৰ ডাঙৰ। চকু আৰু চেলাউৰিত তাই কাজল ঘহেঁ; চকু দুটা উজ্বলি থাকে। এদিন আকাশী নীলা, এদিন ৰঙা, কেতিয়াবা সেউজীয়া কেতিয়াবা আকৌ কমলা ৰঙৰ, কোনোবা দিনা আকৌ বেঙুনীয়া— বিধে বিধে কাপোৰ ৰুমীয়ে পিন্ধে। মালতীৰ চাই চাই হেপাহ নপলায়। কাপোৰবোৰো ইমান আটোম টোকাবিকৈ পিন্ধে। ৰুমীৰ পুৰণি কাপোৰবোৰ মালতীক দি দিয়ে। মালতীয়ে সেইবোৰকে ধুই মেলি পিন্ধে। বিয়াই সবাহে পিন্ধি যায়। ৰুমীৰ দৰে মুকলী মুৰীয়া জীৱন তাইৰ নাই ৰাতিপুৱাৰে পৰা নিশা শোৱালৈকে তাই ইখন সিখন বনকে কৰি থাকিব লাগে। দুপৰীয়া কেতিয়াবা ভাত খাই উঠি অলপ জিৰণি পাই মূঢ়া এটা টানি বহোতে ৰুমীৰ মাকে মাতিব—"চাওঁ মালতী, মোৰ মূৰটো অকনমান চাচোন বৰ খজুৱাইছে—ওকনী উঠিছে নেকি ? এই ৰিঙ্কিজনীয়ে স্কুলৰ ছোৱালীৰ পৰা ওকনীৰ সচঁ আনিছে নহয়,—" মালতীয়ে ৰুমীৰ মাকৰ ওকনী চাবলৈ বুলি মূঢ়াটো কাষলৈ চপাই লয়।

বিয়াই সবাহে কেতিয়াবা মালতীকো ৰুমীৰ মাকে লৈ যায়। মালতীয়ে বিয়া ঘৰৰ এচুকত বহি তামোল কাটি দিয়ে।

আবেলি চাহখাই থাকোতে ৰুমীয়ে মালতীক ক'লে—"মা আজি ফুৰিবলৈ যাব মালতী। বিঙ্কি আৰু ৰাজুকো লৈ যাব। ৰাতুলো ফুটবল মেচ চাবলৈ যাব। দেউতা তু'ৰৰ পৰা অহাই নাই। গতিকে আজি তোৱে মোৰে ৰাম ৰাজত্ব কি কৰ মালতী ?"

"ধেৎ" মালতীৰ হাঁহি উঠি যায়। ৰুমীৰ মনৰ কথা তাই বুজি পায়। মাক নাথাকিলে পাকঘৰত ক'ত কি আছে বিচাৰি ফুৰে। আনক'লে পাকঘৰৰ কাম নকৰা ৰুমায়ে কিবা কিবি কৰি নিজেও খায় আৰু মালতীকো দিয়ে। তাৰ পিচত সেইবোৰ চাফ্ চিকুণ কৰাৰ ভাৰ মালতীৰ ওপৰত। "মাক নকবি দেই মালতী" – ৰুমীৰ কাণ্ড দেখি মালতীৰ হাঁহি উঠে। সৰু ছোৱালীৰ দৰে তাই কিবোৰ যে নকৰে মালতীয়ে ভাবি নাপায়।

মাকহঁত ওলাই যোৱাৰ পিচত ৰুমীয়ে মালতীক ক'লে – "আজি আমাৰ ঘৰলৈ জয়ন্ত আহিব জান মালতী।" মালতীৰ বুকুখন কঁপিবলৈ ধৰিলে। "তই কিবা এটা ভালকৈ কৰিবি দেই মালতী। এতিয়া মূৰ চুৰ আঁচুৰি লগৈ যা। চাহ লাহে লাহে কৰিলেও হ'ব।

মালতীৰ মনটো বতাহত গছ পাত নচাৰ দৰে নাচিবলৈ ধৰিলে। আজিযেই সেই দিনটো। তাইৰ জীৱনৰ প্ৰথম পৰীক্ষা। বুকুত ধপ ধপনি লৈ নিজৰ কোঠাত সোমাই তাই দুৱাৰখন বন্ধ কৰি দিলে। খোপাটো খুলি তাই চুলিখিনি মেলি দিলে। সৰু আয়নাখন হাতত লৈ খিৰিকীৰ ওচৰলৈ গৈ নিজৰ মুখখন চালে। দাপোণত প্ৰতিবিম্বিত হোৱা নিজৰ মুখখনকে তাইৰ অচিনাকী ছোৱালী এজনীৰ দৰে লাগিল। সচাঁকৈ তাইযে ইমান ধুনীয়া আজিহে যেন তাই দেখিলে। দীঘল বৈ পৰা চেলাউৰিৰে চকুহুটা গভীৰ ক'লা। নাকটো ধুনীয়া। ওঁঠ দুটা মৰম লগা। দাতঁবোৰ সৰু সৰু। নিজকে তাইৰ মৰম লাগি গ'ল। সৌ সিদিনালৈকে তাই সৰু ছোৱালী আছিল। এতিয়া তাই ডাঙৰো হ'ল। কোনোবা বিশেষ এজনৰ কথা ভাবি ভাবি নিজৰ কথা পাহৰি যাবলৈ, মনৰ কথাবোৰ কাৰোবাক ক'বলৈ দুৰ্ব্বাৰ আকাঙ্খা জন্মিল মালতীৰ।

ধুনীয়াকৈ মূৰটো আঁচুৰিলে মালতীয়ে। দীঘল ক'লা চুলিটাৰিৰে বেণী এডাল গুঠিলে। কপালত ফোট এটাও ললে। পৰিষ্কাৰ কাপোৰ এযোৰ পিন্ধি তাই বাহিৰলৈ ওলাওঁতে ৰুমীয়ে তাইৰ ফালে অবাক হৈ চাই কলে—"চাহ কৰগৈ যা মালতী।" মালতী খৰ্ধৰলৈ পাক্ঘৰলৈ সোমাই গ'ল।

যথা সময়ত জয়ন্ত আহিল। তামোল ৰুমীয়ে দিলেগৈ। লুচি ভাজি থাকোতে মালতীৰ মনটো উচ্পিচাই উঠিল। কেনেকৈ তাই আজি জয়ন্তৰ আগত ওলাব? তাইৰ মনৰ কথা যদি তেওঁ বুজি পায়। লাজ সংশয়ত তাই ঘামি জামি উঠিল। পিচমুহূৰ্ত্ততে তাই নিজকে প্ৰবোধ দিলে কিজানি তেওঁৰো অৱস্থা তাইৰ দৰেই হৈছে। সেই চকুজুৰি মনত পৰিলে তাই সেই কথাৰ বিপৰীত কেতিয়াও

ভাবিব নোৱাৰে। এই কেইদিন তেওঁৰো নিশ্চয় তাইৰ দৰে চিন্তাত ভুগিছে। জুহুৰ ওচৰত ৰঙা পৰি থকা মালতীৰ ৰঙচুৱা গাল দুখন আৰু ৰঙা হ'ল।

চাহ দুকাপ বাকী থাকোতেই কমী ভিতৰলৈ সোমাই আহিল। ট্ৰেখনত চাহ আৰু লুচি ভাজিৰ প্লেট দুখন সজাই মালতী উঠিব খোজোতে কমীয়ে ক'লে—

"তই গুলাব নেলাগে বইছ মালতী। ময়েই লৈ যাওঁ চাহখিনি।" চাহ জলপানৰ ট্ৰেখন মালতীৰ হাতৰ পৰা লৈ কমী ড্ৰইং ৰুমলৈ গ'ল। মালতী হতভম্ব হৈ ৰৈ গ'ল। কমী যোৱা ফালে তাই অবাক হৈ চাই থাকিল! মালতীৰ মনটো মৰহি গ'ল।

---

# সুন্দৰৰ বৰচ'ৰা

"নামি আঁহা সুন্দৰৰে সেনা
শিল্পীদল এৰা সপোন ধেমালি।
বাধা যদি নিদিয়া পিশাচী আন্ধাৰক
ধৰা হব ৰণেৰে বাঙলি॥"

পিশাচী আন্ধাৰক বাধা দিবলৈ আমাক লাগে সুন্দৰৰ সাধক সকলক। ধৰাৰ বুকুত সুন্দৰৰ প্ৰতিষ্ঠা কৰিবলৈ সুন্দৰৰ নদৰ্শ উন্মোচন কৰি প্ৰাণৰ মাজত সুন্দৰৰ মন্ত্ৰ দি মানৱ সমাজক সঞ্জীৱীত কৰিবলৈ সুন্দৰৰ পূজাৰী সকলে কৰা প্ৰচেষ্টা আদিম যুগৰে পৰা আদৰণীয়, প্ৰশংসনীয় আৰু সবাৰে গ্ৰহণীয়। এই সৌন্দৰ্য্য সৃষ্টিৰ প্ৰতি যুগে যুগে জনমানসত প্ৰচেষ্টাৰ জালি কটাইদি যি জ্যোতিৰ ৰেঙণি পাইছে সেই জ্যোতিৰ ৰঙীণ আলোকে সকলোকে সুপ্ৰতিভ কৰি তুলিছে। কাৰৈ মহাবিদ্যালয়ৰ বাৰ্ষিক সূত্ৰৰ ২৫ তম সংখ্যাটিত সুন্দৰৰ বৰচ'ৰা'ৰ দৰে সপোনবুলীয়া শিতানটি যুগুত কৰিবৰ বাবে সম্পাদক শ্ৰীমোহন সোনোৱালে আমাৰ ওপৰত দায়িত্ব অৰ্পণ কৰিলে। অত্যন্ত অযোগ্যতা আৰু অনভিজ্ঞতাৰ দায়ত দায়ী হৈও সম্পাদকৰ মৰমৰ দাবী কান্ধত তুলি ললোঁ। নাজানো অসুন্দৰৰ কৰ্কশতাই আৰু অপটুৰ অপটুতাই সুন্দৰ সেৱী আৰু শ্ৰদ্ধাভাজন সকলক কি দিব পাৰে। সেই বাবেই ক্ষমা বিচাৰিলো। সদৌটিৰে কামত।

ইতি — পৰিচালকদ্বয়।
ভীম কান্ত বৰগোহাঞি।
বসন্ত কুমাৰ বৰা।

[ কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অসমীয়া আধুনিক গীতৰ তুবৰি দলিচাত সুৰৰ অৰ্চ্চনাৰে, শুৰদীমাতৰ ঝঙ্কাৰেৰে ইথাৰ কপাই তোলা জ্যোতিষ ককাইদেউক 'আকাশ বাণী ডিব্ৰুগড় কেন্দ্ৰৰ তেখেতৰ নিজা কাৰ্য্যালয়ত অকণমান আমনি কৰিলো এটি সাক্ষাতৰ বাবে। তেখেতেও আমাৰ উদ্দেশ্যক আগ্ৰহেৰে সহাঁৰি জনালে। দৰদী শিল্পী জনাৰ স-হৃদয়তাই আমাক এই চ'ৰাটি পৰিচালনা কৰাত যথেষ্ট সহায় কৰিলে। তেখেতলৈ আমাৰ শ্ৰদ্ধা ভৰা আন্তৰিকতা সদায়ে থাকিব। ]

***আমাৰ প্ৰশ্ন***- সঙ্গীত জগতৰ সৈতে আপোনাৰ পৰিচয় কিমান দিনৰ আমাক কবনে ?

***তেখেতৰ উত্তৰ***—সৰু কালৰ পৰাই মোৰ সঙ্গীত জগতৰ সৈতে পৰিচয় হয় আৰু লগে লগে শাস্ত্ৰীয় সঙ্গীত শিল্পী আৰু লঘু সঙ্গীত শিল্পীসকলৰ সান্নিধ্য লাভ কৰাৰ সুবিধা মই পাইছিলো।

***আমাৰ প্ৰশ্ন***—অনাতাঁৰ শিল্পীহিচাবে আপুনি কোতয়াৰ পৰা আত্ম প্ৰকাশ কৰিবলৈ সুবিধা পাইছে—এই কাৰ্য্যত আপোনাৰ বাবে কোনোবা বিশিষ্ট ব্যক্তিৰ উৎসাহ উদগনি আছে নেকি ?

***তেখেতৰ উত্তৰ*** - ১৯৫৪ চনৰ পৰাই গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগেদি গীত পৰিবেশন কৰো। এই কাৰ্য্যত বিশেষকৈ মোৰ অভিভাৱক, সঙ্গীত গুৰু আৰু শুভাকাঙ্ক্ষী সকলে উৎসাহ দিয়ে।

***আমাৰ প্ৰশ্ন***—বৰ্ত্তমান অসমৰ সঙ্গীত জগতত সাধাৰণতে বহুতো অভাৱ অনুভৱ কৰা যায়। আপোনাৰ মতে আমাৰ এই সমূহ অভাৱৰ ভিতৰত কোন কোন কেইটা প্ৰধান ?

***তেখেতৰ উত্তৰ***—সঙ্গীত জগতৰ শিল্পী সকলে বহুতো অভাৱ অভিযোগৰ সন্মুখীন হবলগীয়া হয়। অসমত শিল্পীৰ অভাৱ নাই, সমলৰো অভাৱ নাই, অভাৱ মাত্ৰ সু-পৰিকল্পনা আৰু সংগঠনৰ। সুসংবদ্ধ হৈ শিল্পীসকলে সকলো কামতে অগ্ৰসৰ হব পাৰে দ্বিতীয়তে শাস্ত্ৰীয় সঙ্গীতৰ ভেঁটিত শিল্পীসকলে নিজকে গঢ়ি তুলিবলৈ হলে প্ৰকৃত শিক্ষক আৰু সঙ্গীত প্ৰতি-ষ্ঠানৰ প্ৰয়োজন। যিটোৰ অভাৱ অসমৰ প্ৰায়বোৰ ঠাইতেই দেখা পোৱা যায়। এনেধৰণৰ প্ৰতিস্থানৰ জৰিয়তে লঘু সঙ্গীত শিল্পী সকলো লাভ বান হব বুলি মোৰ বিশ্বাস।

আজিৰ যুগত ঠায়ে ঠায়ে চিত্ৰ প্ৰতিষ্ঠান আৰু গ্ৰামোফণ কোম্পানীৰ ( Recording studio ) হোৱাটো সকলো শিল্পীৰে কাম্য। কিয়নো এনে ধৰণৰ প্ৰতিষ্ঠান সমূহে উঠি অহা শিল্পী সকলক নিজৰ নিজৰ প্ৰতিভা বিকাশৰ বাবে সুবিধা দিব পাৰে। শেষত কব

লাগিব যে সঙ্গীত সাধনাৰ বস্তু। আমাৰ দেশত শিল্পী সকলৰ মাজৰ প্ৰকৃত বুজা পৰাৰ ( Proper understanding ) প্ৰয়োজন। নহলে সাধনাত সদায় ব্যাঘাত জন্মিব।

*আমাৰ প্ৰশ্ন —*

ডিব্ৰুগড়ত প্ৰতিষ্ঠা হোৱা আকাশবাণীয়ে যিখিনি অন্ততঃ সঙ্গীত আৰু লোকগীত প্ৰচাৰ কৰিছে সিবিলাকৰ মানদণ্ড বৰ বেচি উন্নত হোৱা বুলি কব নোৱাৰি। আপোনাৰ এই সন্দৰ্ভত মতামত কি? চমুকৈ কওকচোন। এই বিলাক আসোঁৱাহ কেনে ধৰনেৰে দূৰ কৰিব পৰা যায়?

*তেখেতৰ উত্তৰঃ—*

আকাশবাণীয়ে প্ৰচাৰ কৰা লোক সঙ্গীতৰ মানদণ্ডৰ বিষয়ে নিশ্চয় শ্ৰোতাসকলেহে বিচাৰ কৰিব। কাৰণ সকলো অনুষ্ঠান শ্ৰোতা সকলৰ বাবেহে যুকলি কৰা হয়। প্ৰকৃত চৰ্চ্চাই শিল্পী সকলৰ সকলো আসোঁৱাহ দূৰ কৰিব পাৰে।

*আমাৰ প্ৰশ্ন*

আপুনি সাধাৰণতে কাৰ ৰচনা ভাল পায়? এতিয়ালৈকে কাৰ গীত আপুনি অধিক পৰিবেশন কৰিছে?

*তেখেতৰ উত্তৰঃ—*

গীত ৰচনাৰ বিষয়ে মতামত দিয়াটো টান। কিয়নো ন-পুৰণি সকলো গীতিকাৰৰে ৰচনাৰ ক্ষেত্ৰত নিজৰ এক স্বকীয়া বৈশিষ্ট আছে। মই সকলো গীতিকাৰৰে ৰচনা গোৱা নাই। প্ৰথম অৱস্থাত মই সৰ্ব্বশ্ৰী নৰকান্ত বৰুৱা, কেশৱ মহন্ত তফজ্জুল আলি, নিৰ্ম্মল প্ৰভা বৰদলৈ আৰু হেমন্ত গোস্বামীৰ ৰচনা অনাতাঁৰ যোগেদি পৰিবেশন কৰিছিলো। বিশেষকৈ শ্ৰীতফজ্জুল আলি দেৱৰ অধিক সংখ্যক গীত মই গাইছো।

*আমাৰ প্ৰশ্নঃ —*

ডিব্ৰুগড় নগৰত এটা সুস্থ শিল্প সংস্কৃতি তথা সঙ্গীত চৰ্চ্চাৰ কেন্দ্ৰ আজিও সফল ভাৱে গঢ়ি নুঠিল। আপোনালোকে তেনে এটা চৰ্চ্চা কেন্দ্ৰ গঢ়ি তুলিবলৈ কিবা চেষ্টা কৰিছে নেকি?

*তেখেতৰ উত্তৰঃ—*

ডিব্ৰুগড়ত এনে ধৰণৰ সঙ্গীত-চৰ্চ্চাৰ কেন্দ্ৰ এটা গঢ়ি উঠাত ৰাইজৰ পূৰ্ণ সহযোগিতা আৰু শুভ-কামনাৰো প্ৰয়োজন। বৰ্ত্তমান অৱস্থাত মই নিজে বিশেষ একো কৰিব পৰা নাই কিন্তু এনে অনুস্থানৰ প্ৰতি মোৰো সহযোগিতা আৰু শুভেচ্ছা সদায়ে থাকিব।

# শিক্ষা আৰু সুন্দৰৰ সাধনাত কানৈয়ান



ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ১৯৭০ চনৰ প্ৰাক্‌বিশ্ববিদ্যালয় (কলা) পৰীক্ষাত প্ৰথম স্থান লাভ কৰা শ্ৰীহীৰেণ গগৈ। এওঁ এই বছৰ আমেৰিকা চৰকাৰৰ পৰা এটি প্ৰতিভা সম্পৰ্ণ বৃত্তি লাভ কৰিছে।



অঞ্জলি বৰুৱা। এওঁ একেৰাহে তিনি বছৰ ধৰি কলেজ সপ্তাহৰ শ্ৰেষ্ঠা সঙ্গীত প্ৰতিযোগীৰ সন্মান অক্ষুন্ন ৰাখিছে।




এই বছৰৰ শ্ৰেষ্ঠ অভিনেতা ৰূপে খ্যাতি লাভ কৰা শ্ৰীযতীন গগৈ।



উজ্জ্বলা দত্ত। এওঁ এই বছৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান অৰ্জ্জন কৰিছে।

# মৃত্যুৰ শীতল শয্যাত দুজন কানৈয়ান। স্বৰ্গীয় প্ৰভাত কোৱঁৰ আৰু ৰেণু প্ৰভা বৰগোহাঞি।



৺প্ৰভাত কোৱঁৰ।



৺ৰেণুপ্ৰভা বৰগোহাঞি।

**প্ৰভাত কোৱঁৰ :—** কানৈ মহাবিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত পঢ়ি থকা প্ৰভাত কোৱঁৰে যোৱা ১৯।৯।৭০ তাৰিখে হঠাতে ট্ৰেনৰ খুন্দাত পৰি মৃত্যুৰ মুখত পৰে। এওঁ আছিল সৰল অন্তৰৰ এজন ছাত্ৰ। সাহিত্য কলা আদিত এওঁ অনুৰাগী আছিল। তেওঁৰ অকাল মৃত্যুত শিক্ষক সকল আৰু ছাত্ৰ-ছাত্ৰী বৃন্দই গভীৰ শোক প্ৰকাশ কৰে আৰু তেওঁৰ আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়।

**ৰেণু বৰগোহাঞি :—** কানৈ মহাবিদ্যালয়ৰে ২য় বাৰ্ষিক বিজ্ঞানৰ কৃতী ছাত্ৰী ৰেণু প্ৰভা বৰগোহাঞি অকস্মাৎ টাইফয়েড্ ৰোগত পৰি প্ৰাণ হেৰুৱায়। তেওঁৰ মৃত্যুৱে কানৈমহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছত্ৰী বৃন্দৰ অন্তৰত বিষাদৰ সোঁত বোৱাইছিল। তেওঁৰ আত্মাৰ সদ্‌গতিৰ কাৰণে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীবৃন্দই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# এটি গীত

## অসমৰ খ্যাতনামা শিল্পী ডঃ ভূপেনহাজৰিকাৰ মৰমৰ কানৈ কলেজৰ ছাত্ৰছাত্ৰী সকললৈ,

।। সম্পাদক মোহনৰ মাধ্যমে এখন চিঠি : এটি গীত ।।

মোহন,

কানৈকলেজৰ আলোচনীৰ বাবে তুমি কিবা এটা বিচাৰিছা। মই এতিয়া বৰ ব্যস্ত। কিয় ব্যস্ত পিচত কম। জানা মোহন যোৱা ১৭ জুনত ( ১৯৭১ ) বোম্বেত এগৰাকী চিনাকী মাৰাঠী জীয়ৰীক লগ পাইছিলোঁ। তেওঁৰ নাম লতা মঙ্গেশকাৰ। তেওঁ অসমক ভালহে পায় – দেখা নাই কিন্তু। বোম্বেৰ H. M. V. য়ে কলে লতাই মোৰ ৰচিত চাৰিটা অসমীয়া গীত বাণীবদ্ধ কৰিব এখন E P. ৰেকৰ্ডৰ বাবে। লতাৰ মনটো জানিয়েই মই সেইদিনা এটা গীত লিখিছিলোঁ। মোৰ সন্মুখত আছিল বিশাল আৰবসাগৰ। গীতটো এয়া :—

গোদাবৰী নৈৰে পাৰৰে পৰা
অসমী আইলৈ' যাচিছোঁ প্ৰনাম।
সেইখন দেশ মোৰ নেদেখা দেশ
তথাপি চিনাকি শুৱনি নাম ॥
অসমী আইলৈ' যাচোঁ প্ৰনাম ॥।
( হেনো ) শঙ্কৰে দিছিলে মানৱী ধৰম
লাচিতে দিছিলে দুৰ্জ্জেয় সাহ
দেশভক্ত তৰুণে দিলে, মুক্তিৰ মহাপ্ৰবাহ ॥
মহাৰাষ্ট্ৰতো বীৰ শিবাজীয়ে
তিয়াগি নৃপৰ বিলাস
দেশৰ হকে জীৱন যাচিলে
গুৰু আছিল ৰাম দাস ॥
মহান তিলক আৰু বীৰ সাভাৰকৰে
যুঁজিছিল অবিৰাম,
সেইখন দেশৰে জীয়াৰী মই
যাচিছোঁ অসমী আইলৈ' প্ৰনাম।
সেইখন দেশ মোৰ নেদেখা দেশ
তথাপি চিনাকি শুৱনি নাম ॥
অসমত জোনাকৰে ৰাতি ছাগে
অগ্নিগড়ৰ উবাই ; আজিও বিনায়,
গোদাবৰী বুকুতো সীতাৰ কান্দোন শুনি
পঞ্চৱতীৰ বনে চকুলো সৰায়।
( মই ) মাৰাঠী গাৱঁৰে জীয়াৰী
( মোৰ ) নয়নত, লাজ ভৰা চাৱনি

( পিচে ) ৰণক্ষেত্ৰতে 'পোয়াড়া' গাওঁ
আনন্দতে গাওঁ 'লাৱনী'
সুৰুজ উঠাৰ আগতে 'ওভী'
গাওঁ প্ৰভুকে সুৰঁৰী ;
অসমৰ জীয়ৰীয়ে যেনেকে গায়
বৰগীত, বিহু হুচৰি !

লুইতৰ পাৰে পাৰে আছে হেনো কত
ধুনীয়া ধুনীয়া ধাম
সেইখন দেশ মোৰ নেদেখা দেশ
তথাপি চিনাকি শুৱনি নাম ।
গোদাবৰী নৈৰে পাৰৰে পৰা
অসমী আইলৈ যাচিছো প্ৰনাম ॥

'কত প্ৰেয়সী আহিল গ'ল
কত তোষামোদ কাৰী
কত শত্ৰুৱে বন্ধু ৰূপেৰে
জোকাবিলে তকুবাৰী !
মাৰ দৰে জানো প্ৰাণৰ বন্ধু
এই পৃথিবীত আছে ?
শয্যা পাশত মোক দেখি আজি
শেতাঁ হাঁহি এটি হাঁহিছে
মৌন মোৰ ৰুগীয়া মাই
মৰণৰ ক্ষণ গণিছে !'

এই গীতটো ৰচি সুৰ দিলোঁ— মাৰাঠী আৰু অসমীয়া সুৰৰ সমন্বয় কৰি । ৰেকৰ্ডিং হব আৰু । ২৭ জুনত খবৰ পালোঁ মোৰ মা গুৱাহাটী মেডিকেল কলেজত । খাদ্যনলীত কেন্সাৰ হৈ মৰণৰ ক্ষণ গনিছে । ভৱিষ্যতলৈ ৰেকৰ্ডিং এৰিয়ে উৰি আহি মাৰ কাষ পালোঁহি । আচৰিত কথা, যিটো কোঠাত একে ৰোগৰ বাবে মোৰ মৰমৰ ৺বিষ্ণু ককাইদেউ, ৺ৰজনীদা ( ফনী শৰ্মা ) কিছুদিনৰ আগতে আছিল তাতে মাকো ৰখা হৈছে । মাক মই এতিয়া পৰ দিছোঁ । মই মাৰ বৰ মইনা । এতিয়া মোৰ মা যেন মোৰেই শিশু । মই অসহায় । বুইছা, 'মই' কিয় ব্যস্ত ? 'মই আৰু মোৰ মা' বুলি ৩১ জুনৰ নিশা এটি গীতও লিখি পেলাইছোঁ । একাংশ :

মৰমৰ মোহন, বিচাৰিলা কিবা দিলো কিবা । আচলতে মোৰ ওচৰত মৌন মা মৌন ক্ষণ । মনজগত মৌন । মোৰ সন্মুখত বাৰিষাৰ লুইত । এৰা, মই ব্যস্ত । তথাপি কানৈ কলেজৰ ডেকাগাভৰুলৈ মই নিশ্চয় মোৰ মৰম জনামেই । তোমালোকৰ সকলোৰে অনাগতদিনৰ বাবে শুভকামনা কৰি মই এই গোটেই চিঠি খনকে উপহাৰ দিলো । নিঃকিন মই— দিমেই বা কি ?

তোমালোকৰ শুভাকাঙ্ক্ষী
ভূপেন হাজৰিকা ।

(* পোয়াড়া, লাৱনী, ওভী তিনিপ্ৰকাৰৰ মাৰাঠী লোক সঙ্গীত । )

# ॥ গীত ॥

শ্রীকুঁহিৰাম গগৈ ।
১ম বাৰ্ষিক কলা ।

অ' বন্ধু তোমাৰ পৰা
এই জীৱনত বহুত মৰম পালো
তোমাৰ স্মিতিত সুন্দৰ ধৰা
জুমি জুমি চালো । .........

তোমাৰ ৰূপত ভোলগৈ
বতাহৰ বুকুতে
তোমাক জনাবলৈ
মোৰ জীৱনৰ কথাবোৰ
সিচি সিচি দিলো । ........

এই জীৱনত মোৰ
তোমাক নেদেখিলে
থৰহৈ চাই ৰম
নীলা আকাশলৈ,

আবেলি নামিলে
মোৰ জীৱনলৈ
দেখিম তোমাক বুলি
হাঁহি হাঁহি ৰ'লো । .........

## আমাৰ কলেজৰ সুন্দৰ সেৱী সকলৰ বিষয়ে একেষাৰ

আমাৰ কলেজৰ সুন্দৰসেৱী সকলৰ বিষয়ে কবলৈ গলে এই কলেজৰ পৰা ইতিমধ্যে ওলাই যোৱা ছাত্ৰছাত্ৰী সকলৰ না'মা নিশ্চয় লব লাগিব। এই প্ৰসঙ্গত আমি যথেষ্ট গৌৰৱ কৰিব পৰাৰ স্থল আছে। এই কলেজৰে ছাত্ৰ বিজু ফুকনে অতি অলপ দিনৰ ভিতৰতে অসমৰ কথা ছবি জগতত প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে তেখেতৰ সুদৰ্শন দেহশ্ৰী আৰু অভিনয় প্ৰতিভাৰ মাজেদি। বাৰ্লিন মহোৎসৱলৈ আন্তৰ্জাতিক বোলছবি প্ৰদৰ্শনৰ প্ৰতি-যোগিতাত অংশ গ্ৰহণ কৰিবলৈ যোৱা 'ডঃ বেজবৰুৱা' ছবিত যন্ত্ৰসংগীত পৰিবেশন কৰা বিখ্যাত 'দি কুইৰ্ভাচ' দলৰ অধিক সংখ্যক শিল্পী এই কলেজৰে। আন এজন ডেকা শিল্পী হেমন্ত দত্তই 'ডঃ বেজবৰুৱা' কথাছবিত শিল্প নিৰ্দশক ৰূপে আত্মপ্ৰকাশ কৰি প্ৰচুৰ সম্ভাৱনাৰ পৰিচয় দিছে।

শ্ৰীৰাজেন গোঁহাই, গুলচন-আৰা বেগম, মুনীন দত্ত আৰু অঞ্জলী বৰুৱাৰ দৰে গায়ক গায়ীকা এই কলেজৰে ন-পুৰণি ছাত্ৰ-ছাত্ৰী। শ্ৰীমুনিন দত্তই পেৰডা গায়ক হিচাবে বৰ্ত্তমান ডঃ ভূপেন হাজৰিকাৰ দলৰ বিশিষ্ট অঙ্গ হৈ পৰিছে। এই কলেজৰে প্ৰাক্তন ছাত্ৰী শ্ৰীমতী ৰেণু সিংহ আৰু শ্ৰীমতী ৰঞ্জনা বৰদলৈ প্ৰতিভা সম্পন্না অভিনেত্ৰী। ইয়াৰ উপৰিও যন্ত্ৰসংগীতত আব্দুল হেলিম, পূৰ্ণানন্দ ভৰালী আৰু সুন্দৰ কণ্ঠৰ অধিকাৰী মেঘকোৱঁৰৰ শলাগ লব লাগিব। আমাৰ কলেজৰ এজন শিল্পীমনৰ অধ্যাপক শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ চক্ৰৱৰ্ত্তী। স্বভাৱ সৰল আৰু অত্যন্ত স্বল্পভাষী অধ্যাপক চক্ৰৱৰ্ত্তী ভাল বেহেলাবাদক আৰু সুৰকাৰ। আন এজন যন্ত্ৰ-সঙ্গীতত দখল থকা ব্যক্তি, ৰাসায়ণ বিদ্যাৰ অধ্যাপক শ্ৰীযুত ত্ৰিপাঠী ডাঙৰীয়া। আমাৰ কলেজৰ দুৰ্ভাগ্য যে অসমৰ শ্ৰেষ্ঠ অনাতাঁৰ শিল্পী গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, সাহিত্যপ্ৰাণা শ্ৰীযুত তফজ্জুল আলি চাৰক আমি আমাৰ কলেজৰ পৰা সুদূৰ গুৱাহাটীৰ কমাৰ্চ কলেজলৈ বিদায় দিব লগাত পৰিলো। স্বভাৱ শিল্পী জনাৰ বিদায় বেলাৰ থুকা-থুকি মাত আৰু তুটোপাল অশ্ৰুনিৰৰ কথা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কিবা এটি অমূল্য সম্পদ হেৰুৱাই পেলোৱাৰ ভাৱ সুন্দৰৰ বৰচ'ৰাই কেতিয়াও পাহৰিব নোৱাৰে।

## ॥ সুন্দৰৰ সেৱাত কানৈয়ান ॥

গতবছৰৰ প্ৰতিযোগিতাত (১৬ তম বাৰ্ষিক প্ৰতিযোগিতা) শ্ৰেষ্ঠ গায়ক/গায়িকা — শ্ৰীমতী অঞ্জলী বৰুৱা; ২য় বাৰ্ষিক কলা শ্ৰেষ্ঠ অভিনেতা — শ্ৰীযতীন্দ্ৰনাথ গগৈ। ৩য় বাৰ্ষিক কলা। শ্ৰেষ্ঠ অভিনেত্ৰী — শ্ৰীউজ্জ্বলা দত্ত, প্ৰাক্-বিশ্ববিদ্যালয়--কলা। শ্ৰেষ্ঠ নাট পৰিচালক — শ্ৰীহীৰালাল বৰকাকতি, ৩য় বাৰ্ষিক বিজ্ঞান।

[ সুন্দৰৰ বৰচ'ৰাই প্ৰতিবছৰ কানৈ কলেজ আলোচনীৰ বুকুত সত্যম্ শিৱম সুন্দৰম্'ৰ ৰূপলৈ আত্ম প্ৰকাশ কৰক; এইয়ে আমাৰ আন্তৰিক কামনা ]

---

শ্ৰীৰাজেন গোহাঁই, গুলচন-আৰা বেগম, মুনীন দত্ত আৰু অঞ্জলী বৰুৱাৰ দৰে গায়ক গায়ীকা এই কলেজৰে ন-পুৰণি ছাত্ৰ-ছাত্ৰী। শ্ৰীমুনিন দত্তই পেৰডা গায়ক হিচাবে বৰ্ত্তমান ডঃ ভূপেন হাজৰিকাৰ দলৰ বিশিষ্ট অঙ্গ হৈ পৰিছে। এই কলেজৰে প্ৰাক্তন ছাত্ৰী শ্ৰীমতী ৰেণু সিংহ আৰু শ্ৰীমতী ৰঞ্জনা বৰদলৈ প্ৰতিভা সম্পন্না অভিনেত্ৰী। ইয়াৰ উপৰিও যন্ত্ৰসংগীতত আব্দুল হেলিম, পূৰ্ণানন্দ ভৰালী আৰু সুন্দৰ কণ্ঠৰ অধিকাৰী মেঘকোৱঁৰৰ শলাগ লব লাগিব। আমাৰ কলেজৰ এজন শিল্পীমনৰ অধ্যাপক শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ চক্ৰৱৰ্ত্তী। স্বভাৱ সৰল আৰু অত্যন্ত স্বল্পভাষী অধ্যাপক চক্ৰৱৰ্ত্তী ভাল বেহেলাবাদক আৰু সুৰকাৰ। আন এজন যন্ত্ৰ-সঙ্গীতত দখল থকা ব্যক্তি, ৰাসায়ণ বিদ্যাৰ অধ্যাপক শ্ৰীযুত ত্ৰিপাঠী ডাঙৰীয়া। আমাৰ কলেজৰ দুৰ্ভাগ্য যে অসমৰ শ্ৰেষ্ঠ অনাতাঁৰ শিল্পী গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, সাহিত্যপ্ৰাণা শ্ৰীযুত তফজ্জুল আলি চাৰক আমি আমাৰ কলেজৰ পৰা সুদূৰ গুৱাহাটীৰ কমাৰ্চ কলেজলৈ বিদায় দিব লগাত পৰিলো। স্বভাৱ শিল্পী জনাৰ বিদায় বেলাৰ থুকা-থুকি মাত আৰু দুটোপাল অশ্ৰুনিৰৰ কথা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কিবা এটি অমূল্য সম্পদ হেৰুৱাই পেলোৱাৰ ভাৱ সুন্দৰৰ বৰচ'ৰাই কেতিয়াও পাহৰিব নোৱাৰে।

॥ *সুন্দৰৰ সেৱাত কানৈয়ান* ॥

গতবছৰৰ প্ৰতিযোগিতাত (১৬ তম বাৰ্ষিক প্ৰতিযোগিতা) শ্ৰেষ্ঠ গায়ক/গায়িকা — শ্ৰীমতী অঞ্জলী বৰুৱা; ২য় বাৰ্ষিক কলা শ্ৰেষ্ঠ অভিনেতা — শ্ৰীযতীন্দ্ৰনাথ গগৈ। ৩য় বাৰ্ষিক কলা। শ্ৰেষ্ঠ অভিনেত্ৰী — শ্ৰীউজ্জ্বলা দত্ত, প্ৰাক্-বিশ্ববিদ্যালয় -- কলা। শ্ৰেষ্ঠ নাট পৰিচালক — শ্ৰীহীৰালাল বৰকাকতি, ৩য় বাৰ্ষিক বিজ্ঞান।

[ সুন্দৰৰ বৰচ'ৰাই প্ৰতিবছৰ কানৈ কলেজ আলোচনীৰ বুকুত সত্যম্ শিৱম সুন্দৰম্'ৰ ৰূপত আত্ম প্ৰকাশ কৰক; এইয়ে আমাৰ আন্তৰিক কামনা ]

# ॥ মনন সমীক্ষা ॥

[‘কানৈ কলেজ আলোচনীৰ নতুন শিতান ‘মনন সমীক্ষা’ৰ যোগেদি ছাত্ৰছাত্ৰী সকলৰ মাজত এখনি প্ৰৱন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। প্ৰৱন্ধৰ বিষয় আছিল— "ছাত্ৰছাত্ৰীৰ ব্যক্তি স্বাধীনতা, চিন্তাধাৰা আৰু মতামত"। প্ৰতিযোগিতাৰ ফলাফল তলত দিয়া ধৰণে ঘোষণা কৰা হয়।

১ ম—শ্ৰীবসন্ত কুমাৰ বৰা। ২ য় বাৰ্ষিক, কলা।
২ য়—শ্ৰীঅনুপকুমাৰ সোনোৱাল। ৩ য় বাৰ্ষিক, কলা]

(সম্পাদক)

[*‘মনন সমীক্ষা’ৰ প্ৰৱন্ধ প্ৰতিযোগিতাৰ প্ৰথম মনোনীত প্ৰৱন্ধ*]

(১)

## ছাত্ৰছাত্ৰীৰ ব্যক্তি স্বাধীনতা, চিন্তাধাৰা আৰু মতামত

শ্ৰীবসন্ত কুমাৰ বৰা।
২য় বাৰ্ষিক কলা

ছাত্ৰ-ছাত্ৰীৰ মাজত স্বাধীনতা বোলা বিষয়টো এটা বিবাদমান বা বিতৰ্কিত বিষয় বুলিব পাৰি। স্বাধীনতা শব্দটো বিশ্লেষণ কৰিলে যি অৰ্থ পোৱা যায় সেই অৰ্থত ব্যৱহাৰিক স্বাধীনতাই তাৰ যথাৰ্থতা ৰক্ষা কৰিছেনে নাই সিও মন কৰিব লগীয়া। স্ব-অধীন, স্বাধীন। নিজেই নিজৰ সকলো প্ৰকাৰ উৎকৰ্ষ সাধনৰ বাবে চেষ্টা কৰিবলৈ পৰ্য্যাপ্ত পৰিমানৰ সুবিধা আৰু অনুকুল পৰিবেশ (essential environment) পোৱাই হ’ল স্বাধীনতা।

মই ভাবোঁ ছাত্ৰ ছাত্ৰী সকলৰ ব্যক্তি স্বাধীনতা থকা একান্তই প্ৰয়োজন। অথচ আগতেই উনুকিয়াই অহা হৈছে যে ছাত্ৰ ছাত্ৰীয়ে ব্যক্তি স্বাধীনতা লাভ কৰাৰ সপক্ষে কবলৈ গলে সমাজত বিবাদমান

সমস্যা এটা আহি পৰে। অভিভাৱক বা শিক্ষক সকলে এই বিষয়টো বৰ সহজে লয় বুলি কব নোৱাৰি। ইয়েই বিষয়টোক বিতৰ্কমূলক কৰি আহিছে।

পৃথিবীত মানুহ হিচাবে জন্ম লাভ কৰিলে প্ৰত্যেকৰে জন্মগত একোটা নৈতিক স্বত্ব থাকে। গান্ধীজীয়ে স্ব-ধীকাৰ প্ৰাপ্ত আৰু তাৰ পৰিচালনাৰ ভাৰ গ্ৰহণৰ বাবে সকলোৱে সমানে আগবাঢ়ি অহাকে স্বাধীনতা বুলিছিল। কিন্তু তেনে স্বাধীনতা লাভ কৰিবলৈ মানুহৰ সাহস আৰু নৈতিক একাগ্ৰতাৰ প্ৰয়োজন। ব্যক্তি হিচাবে যাৰ এখানমানো মুক্ত আৰহাৱা নাই, যাৰ স্বাধিকাৰ প্ৰাপ্তিৰ অনুকূল পৰিবেশ নাই; সেই ব্যক্তিৰ জীৱন স্থবিৰ হবলৈ বাধ্য। স্থবিৰতাৰ অন্য এটা নাম মৃত্যু। গতিকেই ছাত্ৰ ছাত্ৰী সকলৰ ব্যক্তি স্বাধীনতাৰ প্ৰয়োজন। এই ব্যক্তি-স্বাধীনতা ছাত্ৰসকলক সমাজ, অভিভাৱক আৰু বিদ্যালয় সমূহৰ কতৃপক্ষই দিব লাগিব তেতিয়াই ছাত্ৰছাত্ৰীৰ জীৱন গঠনত সহায় কৰে। মোৰ বিতৰ্কৰ প্ৰশ্ন এইখিনিতেই আহি পৰে। তথাকথিত সমাজে সন্তানক ভাটৌক মাত মতাৰ প্ৰশিক্ষণ দিয়াৰ দৰে, নিজৰ সন্তান সকলোকো পাৰ্শ্বমানে প্ৰভাবিত ৰাখি থয়। অৱশ্যে বহুতে ছাত্ৰছাত্ৰী সকলক প্ৰয়োজনীয় সা-সুবিধা অৰ্থাৎ খোৱাবস্তু, টকা-পইচা আৰু ৰুচিগত তুপদমান নিম্নতম সুবিধা মাথো আগবঢ়ায়। এইখিনি সম্পদেৰেই এজন ছাত্ৰৰ ব্যক্তি-স্বাধীনতা গঢ় উঠিব নোৱাৰে। সেই খিনি আগবঢ়োৱাৰ পাচত অভিভাৱক সকলে কঠোৰ ভাবে ছাত্ৰক শাসন কৰে আৰু শিক্ষক সকলেও কঠোৰতা অবলম্বন কৰে। ইয়াৰ ফলত শিক্ষাৰ নিম্নপৰ্য্যায়ত ছাত্ৰ সকল অধিকভাৱে ক্ষতিগ্ৰস্ত হোৱা দেখা যায়। স্বাধীনতা কি, মুক্ত পৰিবেশ কেনে, সেই বিষয়ৰ কোনো খা-খবৰ নোহোৱাকৈয়ে তেওঁলোকৰ পূৰ্ণতম সময়-হোৱা অপচয় হয়।

যাৰ সৰুৰে পৰা স্বাধীনতাৰ প্ৰতি বা নিজৰ মুক্ত পৰিবেশৰ প্ৰতি সচেতনতা নাই, তেনে ছাত্ৰই পৰৱৰ্ত্তী জীৱনত স্ব-অধিকাৰৰ প্ৰতি তৎপৰ হব নোৱাৰে। সেইবাবেই প্ৰথম অৱস্থাৰে পৰা ব্যক্তিগত স্বাধীনতাৰ প্ৰতি সচেষ্ট কৰি তোলা প্ৰত্যেক অভিভাৱক, শিক্ষক আৰু সমাজ সচেতন নাগৰিকৰ কৰ্ত্তব্য। স্বাধীনতাবিহীন হৈ কেৱল পাঠ্যপুথি আওৰাই থকা ছাত্ৰই অধ্যয়নত ৰত হলেও ছাত্ৰজীৱনত বিশেষ ধৰণৰ প্ৰতিভা পদৰ্শন কৰিলেও বহু সময়ত তেওঁলোক সমাজ, ৰাজনীতি আৰু বৈপ্লৱিক চিন্তাধাৰাৰ প্ৰতি বিমুখ হোৱা দেখা যায়।

চিন্তাবিহীন জীৱনৰ কোনো মহত্ব নাই। চিন্তাবিহীন ব্যক্তিয়ে কেৱল খাই-বৈ জীয়াই থকাকেই প্ৰধান উদ্দেশ্য বুলি ভাবে। কিন্তু চিন্তাশীল ব্যক্তিয়ে নিজৰ জীৱনলৈ মহত্ব কঢ়িয়াই অনাৰ উপৰিও

আনৰ বাবে মহান ভাব ৰাজ্যৰ সৃষ্টি কৰি থৈ যায়। চিন্তাশীল ব্যক্তিৰ পুষ্ট চিন্তা-ধাৰা আৰু স্বকীয় দৰ্শনেই মানৱ সমাজক বহু যুগ আগবঢ়াই নিয়ে। আমি লক্ষ্য কৰিলে দেখোঁ যে চিন্তাশীল মনীষীৰ মননশীলতা আৰু চিন্তাৰ গভীৰতা সৰু কালৰে পৰা গঠন হোৱা একোটি বিশেষ গুণ। তেখেত সকলে একোটিহঁত পৰিবেশ আৰু স্বাধীনতা নিজে উলিয়াই লবলৈ সক্ষম হৈছিল। বুদ্ধদেৱে চিন্তা ৰাজ্যৰ ওপৰত থকা বাধাবিঘিনি খিনি অতঁৰ কৰিবলৈ আৰু নিজৰ দাৰ্শনিক চিন্তাধাৰাক পৰিপুষ্ট কৰিবলৈ ৰাজসুখ আৰু নিজৰ পত্নী পুত্ৰ ত্যাগ কৰি গভীৰ অৰণ্যত অনুকুল পৰিবেশ বিচাৰি গৈছিল। গান্ধীজীয়ে নিজৰ চিন্তাধাৰা কাৰ্যকৰী কৰিবলৈ আৰু চিন্তাশক্তিৰ উৎকৰ্ষ সাধন কৰিবলৈ কঠোৰ ব্ৰত কৰিছিল, ব্ৰহ্মচৰ্য্য সাধন কৰিছিল, বিলাসিতা ত্যাগ কৰি প্ৰাৰ্থনা সভা আয়োজন কৰিছিল। গভীৰ নিশালৈকে কঠোৰ পৰিশ্ৰম কৰি সজপু'থ অধ্যয়ন কৰিছিল। মাক্সে বৃটিছ মিউজিয়ামত প্ৰস্তৰ মুৰ্ত্তি লৈ অধ্যয়ন কৰিছিল। এদিচনে মাদ-কেবিনত সোমাই গৱেষণা কৰিছিল। লেনিনে ব্যস্তমুখৰ জীৱনতো চিন্তা নেৰিছিল আৰু কিতাপ অধ্যয়ন কৰিছিল। নেপোলিয়নে সমৰ সজ্জাৰ মাজত শুই থাকিও মেকিয়াভেলিৰ ৰাজ্যখন গাকুৰ তলত গুজি থৈছিল।

চিন্তাচৰ্চাহীন ছাত্ৰ জীৱন বৃথা। নিজৰ পাঠ্যপুথি পঢ়ি তাক পৰীক্ষালৈকে মনত ৰাখি পাচত পাহৰি যোৱাকে চিন্তা বুলি নকয়। চিন্তাধাৰা মানে মই ভৱিষ্যত জীৱনৰ নিখুঁত আৰ্হিৰ সমলখিনিহে বুজোঁ। এইখিনিতে ব্যক্তিগত স্বাধীনতাৰ লগত চিন্তাধাৰাৰ সামঞ্জস্যৰ কথা আহি পৰে। সৰুৰে পৰা স্বাধীন চিন্তা নকৰা আৰু স্বাধীন মনোভাৱ গঢ়ি নুঠা লোকৰ চিন্তাধাৰা বহল নহয়। জীৱনত নিখুঁত চিন্তাৰ বুনিয়াদ গঠন কৰিবলৈ, সুস্থিৰ জীৱন দৰ্শনৰ প্ৰতি সচেতন হবলৈ চিন্তাধাৰা স্বাধীনতাৰ পট-ভূমিত প্ৰতিষ্ঠিত হব লাগিব। পৰাধীনতা বা অবাঞ্ছিত হস্তক্ষেপ মূলক পৰিস্থিতিত স্বাধীন চিন্তা ধাৰাৰ উদ্ৰেক হব নোৱাৰে। ই সুস্থ চিন্তাধাৰাৰ প্ৰতিকূল এইকথা আব্ৰাহাম লিঙ্কনে মানি লৈছিল বাবেই নিগ্ৰোজাতিৰ স্বাধীনতাৰ বাবে তেওঁ যুঁজ কৰিছিল। পৰাধীন দেশৰ হোৱা কাৰণেই বিবেকানন্দৰ ধৰ্ম্ম দৰ্শন আমেৰিকাত কটু সমালোচনাৰ সন্মুখীন হৈছিল। একে কাৰণতেই গান্ধীজীয়েও দক্ষিণ আফ্ৰিকা বা বিলাতত ভীষণ বিপদৰ সন্মুখীন হৈছিল। আমি স্বাধীন ৰাষ্ট্ৰৰ ছাত্ৰছাত্ৰী গতিকে আমি আমাৰ চিন্তাধাৰা বহল ভিত্তিৰে গঢ় দিবলৈ যত্ন কৰা উচিত। অগভীৰ মনৰ লোকৰ চিন্তাধাৰা পুতৌজনক। স্বাধীন পৰিবেশত চিন্তাধাৰা পুৰঠ হয় যদিও মৌলিক চিন্তা হীন ছাত্ৰই স্বাধীন পৰিবেশ পালেও লাভ

কৰিব নোৱাৰে। গ্ৰহণ যোগ্য মানসিক প্ৰস্তুতিবিহীন অস্থিৰ চিন্তাধাৰাত গঢ় লোৱা জীৱন দৰ্শনৰ মূল্য নাই। সুস্থিৰ জীৱনদৰ্শনৰ বাবে লাগে সৰল জীৱনবোধ। ছাত্ৰাৱস্থাত চিন্তাধাৰা বহুধা বিভক্ত হোৱা দেখা যায়।

এনে অৱস্থাত কেক উদ্দেশ্যৰ জীৱন'দৰ্শন গঢি লোৱাতকৈ অনুকৰণ ধৰ্মীতাতে গ্ৰহণ কৰো। এনেদৰে স্বকীয় চিন্তাধাৰাৰে জীৱন পৰিচালনা কৰাৰ দৃঢ়তা নোহোৱাৰ বাবে বহুতো ছাত্ৰ পাচৰ জীৱনত বিপৰ্য্যস্ত হয়। সেই বাবেই মৌলিক চিন্তাৰ প্ৰতি ছাত্ৰসকল তৎপৰ হব লাগে। ইয়াত মই সকলো প্ৰকাৰৰ চিন্তাধাৰাৰ বিশ্লেষণ আগ বঢ়াইচোঁ। সকলো চিন্তা উৎকৃষ্ট, জনকল্যান মুখী তথা জনমুখী হোৱা উচিত। অবাস্তৱ চিন্তা অহিতকৰ আৰু ইয়াৰ বাস্তৱ ফল গঠনমূলক হব নোৱাৰে। বেঞ্জামিন ফ্ৰেঙ্ক লিনে এই বিষয়ত বিশেষ দৃষ্টি ৰাখিছিল। উৎকৃষ্ট চিন্তা চৰ্চাই ছাত্ৰৰ নৈতিক চৰিত্ৰ মহিয়ান কৰি তোলে। বৰ্ত্তমানৰ চিন্তাধাৰাত বৈপ্লৱিক দৃষ্টিভঙ্গী লক্ষ্য কৰা যায়। পৰিৱৰ্ত্তনশীল সমাজ ব্যৱস্থা আৰু চিন্তাশক্তিৰ উৎকৰ্ষতাৰ ফলত বৈপ্লৱিক ভাবধাৰা আহি পৰে। কিন্তু সাম্প্ৰতিক সমাজৰ ৰুচিৰ পৰিবৰ্ত্তনে চিন্তাচৰ্চাক প্ৰভাবান্বিত নকৰাকৈ থকা নাই। সুদূৰ প্ৰসাৰী মৌলিক চিন্তাধাৰাই সৰ্ব্বকালৰ কাৰণে সমাজ জীৱনত স্থায়িত্ব লাভ কৰে। মহৎ লোকৰ চিন্তাই বহু যুগৰ সমাজৰ দাবী পূৰণ কৰিব পাৰে। ছাত্ৰছাত্ৰীয়ে মহৎলোকৰ চিন্তাধাৰা অনুকৰণ কৰিব লাগে যদিও সকলো ক্ষেত্ৰতে নহয়। নিজৰ স্বাধীন মনপ্ৰানক আনৰ ওচৰত বলি নিদিয়াকৈ জীপ দিব পৰাটোহে আচল অনুকৰণ। ফৰাচী দাৰ্শনিক ৰুচোৱে উন্মুক্ত চিন্তাধাৰাৰ সৰ্বাধিক পক্ষপাতিত্ব কৰিছিল আনৰ চিন্তাধাৰাত হস্তক্ষেপ কৰিলেই সেই চিন্তা বিপথগামী হয়। সৃষ্টিমূলক চিন্তা ( Creative thought ) সকলোৱে পৰা বাচি লবলৈ শিকা উচিত।

ছাত্ৰছাত্ৰীৰ ব্যক্তি স্বাধীনতা আৰু চিন্তাধাৰাৰ এটি নিৰপেক্ষ আলোচনা আগবঢ়াই মই প্ৰতিয়া মতামতৰ দিশলৈ আহোঁ। আমাৰ সম্পাদকে উপযুক্ত বিষয় এটিৰ অৱতাৰণা কৰিছে। কেৱল ব্যক্তি স্বাধীনতাই নহয় অন্য সকলো প্ৰকাৰ স্বাধীনতাৰ প্ৰতি কুৰি শতিকাৰ মানুহ সম্পূৰ্ণ সচেতন। যেতিয়া মানুহৰ ব্যক্তিগত স্বাধীনতা হেৰাই যায়, স্বেচ্ছাই কিবা কৰাত বাধা পায় তেতিয়াই মন বিপ্লৱমুখী হয়। ব্যক্তিগত স্বাধীনতা আৰু স্বাধীন চিন্তা থাকিলে মানুহে মানসিক বিপ্লৱ নকৰে। মই উপলব্ধি কৰিছোঁ এটা সুস্থিৰ চিন্তাধাৰা পোষণ কৰিবলৈ হলে ছাত্ৰছাত্ৰী সকলে সকলোৱে পৰা এটা অনুকুল বাতাবৰণ পোৱা প্ৰয়োজন। এই সন্দৰ্ভত শিক্ষক আৰু অভিভাৱক সকলে উপযুক্ত চিন্তাৰ প্ৰতি

লৰাছোৱালীক মনোযোগী কৰি তুলিবলৈ চেষ্টা কৰা উচিত। নতুন পুৰুষ সকলে সহজাত পদ্ধতিৰে গতানুগতিক ভাৱে জীৱন নিৰ্ব্বাহ কৰাতকৈ বৌদ্ধিক উৎকৰ্ষতাৰ প্ৰতি সজাগতা ৰাখি নৱোন্মেষশালী জীৱন পদ্ধতি গ্ৰহণ কৰা বেচি প্ৰয়োজন। ঝাঁ-পল চাৰ্ট্ৰেৰ দৰে চিন্তাবিদে সেই বাবেই নতুন যুগোপযোগী চিন্তাধাৰাৰ প্ৰতি সচেতনতা অৱলম্বন কৰাটো মন কৰিব লগীয়া। নতুন চিন্তাধাৰা মানে বুজিব লাগিব পৰিবৰ্ত্তনশীল সমাজথনৰ লগত খাপ খোৱাকৈ কৰা চিন্তাস্ৰোত। উইল ডুৰাণ্টে সাম্প্ৰতিক নতুন পুৰুষৰ বৈপ্লৱিক কাৰ্য্যাৱলীলৈ লক্ষ্য কৰি ভৱিষ্যতৰ প্ৰতি সকিয়নি দি কিছুমান অতি চিন্তা গধূৰ পৰামৰ্শ দিছে। এনে সাৱধান বানী আৰু পৰামৰ্শক স্বাগত জনাই মই মোৰ ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱী সকলক স্পষ্ট মতামত দিব খোজোঁ যে এই যুগত ব্যক্তিগত স্বাধীনতা ৰক্ষাৰ প্ৰতি সজাগ দৃষ্টি ৰখাৰ উপৰিও স্বাধীন চিন্তা আৰু ভৱিষ্যত সমাজ সংগঠনৰ প্ৰতি সৰ্তকতা অবলম্বন কৰক। তেনে ধৰণৰ চিন্তাধাৰাই ব্যক্তিগত জীৱন মহান কৰাৰ উপৰিও সমাজ জীৱনত গভীৰ ভাবে আলোকপাত কৰিবলৈ সমৰ্থ হ'ব।

## ['মনন সমীক্ষা'ৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ ২য় মনোনীত প্ৰবন্ধ]

*শ্ৰীঅনুপকুমাৰ সোনোৱাল।*
৩য় বাৰ্ষিক কলা।

বৰ্ত্তমান জগতৰ যুগজয়ী বা কালজয়ী সমাজ সৃষ্টিৰ গুৰিত দেশৰ ধৰণী ছাত্ৰ ছাত্ৰী সকলৰ ভূমিকাৰ আভ্যন্তৰীণ গতিগোত্ৰ সম্পৰ্কে মনঃসমীক্ষকৰ দৃষ্টিভঙ্গীৰ মাজেদিহে প্ৰকৃত সম্ভেদ লাভ কৰিব পাৰি। সমাজ সংগঠন আৰু সুস্থ সামাজিকতাৰ নিৰ্ম্মানত সমাজৰ জাতীয় জীৱনৰ অঙ্গাঙ্গী স্বৰূপ ছাত্ৰছাত্ৰীসকলৰ পটভূমি, তেওঁলোকে সন্মুখীন হোৱা ভিন্নমুখী সমস্যাৱলীৰ বাস্তৱ কাৰ্য্যাৱলীৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি। জাতীয় জীৱনৰ প্ৰগতিৰ পৰিকল্পনাত এই পৰীক্ষামূলক আলোচনাই আগশাৰী পোৱাতো বাঞ্চনীয়। দেশৰ ভৱিষ্যত নেতৃত্ব বহনকাৰী ছাত্ৰছাত্ৰীসকলৰ মানসিকতাৰ অনুসন্ধান মূলক বৃত্তান্ত আৰু সুনিৰ্দ্দেশনাৰ ওপৰতেই জাতিৰ উন্নতি বিকাশৰ সোপান নিৰ্ম্মিত হয়।

ছাত্ৰছাত্ৰীসকলৰ ব্যক্তি স্বাধীনতাৰ বিশ্লেষণৰ পূৰ্ব্বে 'ব্যক্তিত্ব' বা Personality কি এই বিষয়ে আলোচনা কৰা

হওক। ব্যক্তিৰ মনৰ সৰু দৈনন্দিন আচাৰ ব্যৱহাৰত প্ৰতিফলিত চিৰস্থায়ী কিছুমান গুণ আৰু ব্যক্তিৰ এনেকুৱা আচাৰ ব্যৱহাৰৰ (Behaviour) নিৰ্দিষ্ট ধৰণক (Pattern of traits) বুজায়। এই লক্ষণ সমূহেই ব্যক্তিৰ স্বতন্ত্ৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু এই বিশিষ্ট লক্ষণ সমূহৰ সংযোজনেই (Synthesis) ব্যক্তিত্ব (Personality)। আধুনিক মনোবিজ্ঞানে আৱিষ্কাৰ কৰা ব্যক্তিত্ব লক্ষণ (traits) সমূহৰ ভিতৰত শাৰীৰিক লক্ষণ (Physical traits) বুদ্ধি (intelligence), স্বভাৱ (temperament) ইচ্ছা ও চৰিত্ৰ (volition & character), সামাজিকতা (Sociability), আৰু অধ্যৱসায় (Perseverance) মুখ্য। কোনো ব্যক্তিৰ স্বাভাৱিক চেতনাই যেতিয়া এই গুণ সমূহৰ জ্ঞান লাভ কৰে আৰু এই আত্ম সচেতন অভিজ্ঞতাৰ জোঁতিত নিজকে পাৰি-পাৰ্শ্বিকতাৰ মাজেদি কোনো এক নিৰ্দিষ্ট পথেৰে আদৰ্শ অনুসৰি পৰিচালিত কৰে; সংস্পৰ্শত থকা পৰিৱেশৰ ঘটনাৱলীৰ সান্নিধ্যই মনলৈ এক স্বাধীন চিন্তা আনি দিয়ে আৰু সেই পৰিৱেশৰ বিভিন্ন কাৰ্য্যক্ষেত্ৰৰ সুফল-কুফল বিচাৰ কৰাৰ ক্ষমতা প্ৰাপ্ত হয়, তেনে ব্যক্তিয়েই ব্যক্তি স্বাধীনতাৰ (Personal independence) পৰ্য্যায়ত উপনীত হয়। সমাজত তেনে ব্যক্তিয়েই নিজৰ সুকীয়া অস্তিত্বৰ স্থান লভে আৰু স্বাধীন সত্ত্বাৰ জৰিয়তে পাৰিপাৰ্শ্বিকতাৰ সম্বন্ধে ব্যক্তিগত অথচ সাৰ্ব্বজনীন মত পোষণ কৰে। গতিকে ব্যক্তি স্বাধীনতাৰ পূৰ্ব্বতেই মানুহৰ সুকীয়া অস্তিত্ব আৰু মনোভাৱ অভিজ্ঞতাৰ পৰিপক্কতাক ধৰি লয়। ই মানুহৰ আত্ম সচেতনতাক (Self consciousness) সূচায়।

ছাত্ৰছাত্ৰী সকল এই পৰ্য্যায়ত উপনীত হয় তেওঁলোকৰ স্কুলীয়া জীৱনৰ উচ্চ শ্ৰেণীৰ পৰা কলেজীয়া জীৱনৰ আৰম্ভনিলৈকে। এই মাজ ছোৱাতে তেওঁলোকৰ তেতিয়া ব্যক্তিত্বৰ বিশিষ্ট লক্ষণ সমূহ সম্পৰ্কে সচেতন অভিজ্ঞতা লাভ হয় আৰু মানসিক চিন্তা শক্তিও পুৰঠ হয়। মনৰ সহজাত চেতনা প্ৰখৰ হয় আৰু পাৰিপাৰ্শ্বিকতাৰ সৈতে সংস্পৰ্শ ঘটাত তেওঁলোকৰ মনত এক স্বাধীন চিন্তাই ৰেখাপাত কৰে। প্ৰত্যেকে নিজৰ সুকীয়া অস্তিত্বৰ মূল্য বুজে আৰু এই উপলব্ধিৰ লগে লগে সম্বন্ধীয় জগত খনৰ বিষয়ে ব্যক্তিগত ধাৰণাই মনত পোখা মেলে। এনে নতুন ভাৱধাৰাৰ সৃষ্টি হয় আৰু তেতিয়া এখন নতুন পৃথিৱীৰ সন্ধান দিয়ে। যেতিয়া ডেকা গাভৰুৰ মন যৌৱনৰ বা-বতাহে আমনি কৰে তেতিয়া তেওঁলোকৰ কেউকাষে নতুন আৱিষ্কাৰ আৰু উত্থান পতনে মনৰ আকাশ মুকলি কৰে। তেতিয়া প্ৰত্যেকে স্বাধীন ভাৱে সুপ্ৰতিষ্ঠিত

কৰিব খোজে। ফলত তেওঁলোক আত্ম সচেতন ( Self conscious ) হয় আৰু লগে লগে সামাজিক চেতনাৰ ( Social-consciousness ) জন্ম হয়।

দ্বিতীয়তে, এই ব্যক্তি স্বাধীনতাই ছাত্ৰছাত্ৰীৰ মনত চিন্তাৰ শক্তি প্ৰগাঢ় কৰে। ফলত তেওঁলোকৰ চিন্তাধাৰাই দেশৰ আৰু সমাজৰ বিভিন্ন সমস্যাৱলীৰ সমাধানত কাৰ্য্য কৰে। দেশৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, নৈতিক (moral) আৰু বিজ্ঞান সম্বন্ধীয় সমস্যাৱলীয়ে চিন্তাৰাজ্যত তোলপাৰ লগায় আৰু নানান প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। বিজ্ঞানৰ অগ্ৰগতিত হোৱা বৈষয়িক উন্নতি আৰু মানৱতাৰ ওপৰত তাৰ প্ৰভাৱ সম্পৰ্কে নতুন ভাৱৰ সৃষ্টি কৰে। ৰাজনৈতিক দলবোৰৰ উত্তপ্ততা, অৰ্থনৈতিক বৈষম্যতা, সামাজিক উত্থান পতন আৰু নৈতিক অৱস্থাৰ ধাৰা সমূহে মনলৈ দীঘলীয়া আৰু জটিল চিন্তা আনি দিয়ে। শিক্ষা সম্বন্ধীয় সমস্যাৱলীৰ ওপৰত ছাত্ৰছাত্ৰীৰ চিন্তাই গভীৰ ৰূপ ধাৰণ কৰে যিহেতু এই সমস্যাৰ লগত তেওঁলোকৰ প্ৰত্যক্ষ সম্বন্ধ আৰু তেওঁলোকে যি শিক্ষা অধ্যয়ন কৰিছে তাতে তেওঁলোকৰ পৰবৰ্ত্তী জীৱনৰ প্ৰতিষ্ঠাপনৰ ব্যৱস্থাকৰণ চলিছে। এই শিক্ষানীতি তেওঁলোকৰ দাবী পূৰক নে নিৰাশজনক সেই প্ৰশ্ন চিন্তনীয় হৈ পৰে। যদি ই দাবীপূৰক নহয় তেন্তে তাৰ বিৰুদ্ধে তেওঁলোকৰ চিন্তাত বৈপ্লৱিক জোৱাৰ উঠে। সেই দৰে ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত চিন্তা বিপ্লৱৰ ঢৌ উঠে।

অৱশেষত, চিন্তা বিপ্লৱে যেতিয়া ছাত্ৰছাত্ৰীৰ অন্তৰত এক আবেগময়ী আঘাত দিয়ে সেই সংঘাততে তেওঁলোকে মনৰ মুক্তি বিচাৰি চিন্তাৰ চক্ৰবেহুৰ পৰা অব্যাহতি লভিবলৈ মনোভাৱ সমূহ প্ৰকাশ কৰে বিভিন্ন মাধ্যমেদি। ব্যক্তিস্বাধীন বা আত্ম সচেতন মনৰ চিন্তাধাৰাই এই অন্তৰত কৰ্ম্মী হৈ পৰে আৰু কাৰ্য্যকৰী ( Practical ) পন্থা অৱলম্বন কৰে। তেওঁলোকে প্ৰচলিত সমস্যাৱলীৰ স্বাভাৱিক কাৰণ সমূহ ফাহিয়াই আলোচনা কৰি কোনো এক নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হয়। এই সিদ্ধান্ত অনুসৰি তেওঁলোকে মতামত প্ৰদৰ্শন কৰে। তেওঁলোকৰ অভিজ্ঞতাৰ আবিষ্কৃত মতামত সমূহৰ বা দাবীৰ পূৰণাৰ্থে কতৃপক্ষক হেচা দিয়ে আৰু তেওঁলোকৰ প্ৰকৃত মৰ্যাদা বিচাৰে; সেই দাবী সমূহৰ যোগেদি তেওঁলোকে ভৱিষ্যতৰ নিৰাপত্তা বিচাৰে আৰু জীয়াই থকাৰ প্ৰয়োজনীয় সা-সুবিধাৰ দাবী কৰে। এনে প্ৰয়োজনীয়তা পূৰণৰ অন্যথা তেওঁলোকে এক দৃঢ় প্ৰত্যাহবানৰ ভাবাক দিয়ে। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক অৱস্থাৰ পৰিবৰ্ত্তন বিচাৰে আৰু নৈতিক উৎকৰ্ষ সাধনৰ ( moral reformation ) আপোপুৰুষাৰ্থ কৰে। এনে কাৰ্য্য বা মতামতৰ উপায় হিচাপে শ্লগান,

বন্ধ, হৰতাল বা স্মাৰক পত্ৰৰ সহায় লয়। নানান সভা সমিতি পাতে। সাধাৰণতে এনেবোৰ মতামত ছাত্ৰ সমিতিৰ ফালৰ পৰা দাঙি ধৰা হয়

মনস্তাত্বিক দৃষ্টিকোণেৰে চালে দেখা যায় যে আজিৰ ছাত্ৰছাত্ৰী সকলৰ ব্যক্তি স্বাধীনতাৰ অন্তৰায় ঘটিছে উপযুক্ত পাৰিপাৰ্শ্বিকতা আৰু যোগ্য নেতৃত্বৰ অভাৱত, চিন্তাধাৰাত বিষাক্ত বীজানু সিচঁৰিত হৈ মন কলুষিত কৰি তুলিছে আৰু ফলস্বৰূপে তেওঁলোকৰ মতামতত ক্ষোভ আৰু উগ্ৰতা প্ৰতিধ্বনিত হৈছে। ছাত্ৰছাত্ৰী সকলৰ নিজৰ স্বকীয়া অস্তিত্ব আৰু স্বাধীন মৰ্য্যাদা পোৱাৰ পথ ৰুদ্ধ হৈছে আৰু মুক্ত কল্পনা বা চিন্তাৰ বাতাবৰণ শূণ্য হৈছে। ভবিষ্যতৰ নিৰাপত্তাহীনতা আৰু স্থায়িক, উদ্দেশ্য আৰু নেতৃত্বৰ কৰুণ অভাৱে তেওঁলোকৰ চকুত সন্দেহৰ মায়াজাল আঁকিছে। প্ৰচলিত সমাজ ব্যৱস্থাৰ সকলোতে কেৰোণৰ এলান্ধু দেখি মন বিক্ষুব্ধ হৈছে। দেশত উপযুক্ত নেতৃত্বৰ অভাৱ, নিবনুৱা সমস্যা, ৰাজনৈতিক উদ্ভণ্ডালী, অৰ্থনৈতিক অসাম্যতা সামাজিক বৈষম্যতা, দুৰ্ভিক্ষ আৰু নৈতিকতাৰ চৰম অধৰ্ম্মতা, শিক্ষা সম্বন্ধীয় দুনীতি আৰু অবিচাৰ প্ৰভৃতি মাৰাত্মক সমস্যাই ছাত্ৰছাত্ৰীৰ মানসিকতাৰ স্বাভাৱিক স্থিৰতাৰ পতন ঘটাইছে। সেয়েহে ছাত্ৰছাত্ৰী সৱে বিপ্লৱৰ ধুমুহা সৃষ্টি কৰিছে, কেউফালে শ্লোগান, ছাত্ৰ সমদল, বন্ধ হৰতাল, অনশন ব্ৰত ইত্যাদিৰ মাজেদি দাবীৰ জুই জ্বলি উঠিছে। দেশৰ জাতিৰ সমাজৰ পূৰ্ণজীৱন স্থাপন কৰিব খুজিছে আমূল সংস্কাৰৰ যোগেদি।

এই ক্ষেত্ৰত ছাত্ৰসকলে উগ্ৰ ৰূপ লয়। ৰাজনীতিজ্ঞৰ বশীভূত হৈ ভ্ৰান্ত পথেদি যায় তেওঁলোকৰ মনত দুৰ্ব্বল মানসিকতাৰ পৰিলক্ষিত হয়। আৰু শেষত অদূৰদৰ্শিতাৰ পৰিচয় দিয়ে।

ছাত্ৰছাত্ৰীসকলৰ সমস্যাটোক এনে পৰিপ্ৰেক্ষিতত অতি সাৱধানেৰে সচেতন সূক্ষ্ম মানসিক পৰ্য্যালোচনাৰে সমাধান কৰাৰ সময় আহিল। বৰ্ত্তমান চলি থকা এই ধাৰাটোৰ সংস্কাৰ সাধিব নোৱাৰিলে অদূৰ ভৱিষ্যতত ই ভয়াবহ পৰিণতি লভাৰ আশঙ্কা আৱশ্যম্ভাৱী। ছাত্ৰছাত্ৰী সকলৰ ব্যক্তিত্ব আৰু তাৰ স্বাধীনতা সম্পৰ্কে প্ৰকৃত কাৰণ সমূহ উদ্ধাৰ কৰি তেনেধৰণৰ সুফলজনক ব্যৱস্থা গ্ৰহণ কৰা উচিত। মুকলি চিন্তাৰ বাতাবৰণ আৰু ভৱিষ্যত নিৰাপত্তাৰ নিশ্চয়তা অত্যান্ত দৰকাৰ। তেওঁলোকৰ প্ৰতিভা বিকাশৰ সুযোগ আৰু উদ্দেশ্য সন্ধানী যুক্তি সঙ্গত শিক্ষা ব্যৱস্থাৰ দিহা কৰা নিতান্ত আৱশ্যক। যোগ্য নেতৃত্বৰ মাধ্যমেদি তেওঁলোক পৰিচালিত হলেহে অস্থিৰতাৰ সাম কাটিব আৰু চিন্তাৰ বৈপ্লৱিক জোৱাৰ শান্তি হব। তেওঁলোকৰ মতামত সমূহ যুক্তিসঙ্গত ভাৱে

আৰু বহুল মনোভাৱেৰে ফঁহিয়াই আলোচনা কৰি বিশ্লেষণ কৰিব লাগে আৰু সেই অনুসৰি দাবীসমূহ পূৰণ কৰা প্ৰয়োজন। ভ্ৰান্ত পথেদি ছাত্ৰসকলৰ চিন্তাৰ সোঁত বাগৰি যাবলৈ দিয়া অনুচিত। তাৰ বাবে উপযুক্ত নিৰ্দ্দেশৰ আৱশ্যক। ছাত্ৰসকলৰ চিন্তাৰ বায়ুমণ্ডল পবিত্ৰ কৰি ৰাখিবলৈ হলে সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক ও নৈতিক সমস্যাৱলীৰ সমাধান হব লাগিব আৰু দুৰ্নীতিৰ কোনো আঁতৰাব লাগিব। তেওঁলোকৰ সৎচিন্তা চৰ্চ্চাৰ বাবে এনেবোৰ ব্যৱস্থা অপৰিহাৰ্য্য। আদৰ্শবাদী ব্যক্তি গঢ়াৰ বাটত তেওঁলোকৰ ব্যক্তি স্বাধীনতাক প্ৰকৃত মৰ্যাদা দিব লাগিব, চিন্তাধাৰাৰ সোঁত পবিত্ৰ পাৰিপাৰ্শ্বিকতাৰ মাজেদি প্ৰবাহিত হব লাগিব আৰু তেওঁলোকৰ মতামত সমূহ যোগ্য বিবেচনাৰ অধীন হব লাগিব।

---

## ক্ৰীড়া জগতত এভুমুকি

### *: বিশ্বক্ৰিকেটত ভাৰতৰ ইতিহাস ৰচনা :—*

***: ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতৰ 'ৰাবাৰ' অৰ্জন :—*** ৱেষ্ট ইণ্ডিজ ভ্ৰমণত ভাৰতীয় ক্ৰিকেটদলে ২য় টেষ্টত জয়লাভ কৰি আৰু বাকী চাৰিখন টেষ্ট ড্ৰ হোৱাৰ সূত্ৰে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে 'ৰাবাৰ' অৰ্জ্জন কৰে। ভাৰত আৰু ৱেষ্ট-ইণ্ডিজৰ মাজত টেষ্ট ছিৰিজৰ সূচনা হয়—১৯৪৮-৪৯ চনৰ পৰা। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে 'ৰাবাৰ' অৰ্জ্জনত ভাৰতক আটাইতকৈ বেচি বৰঙনি যোগায় একৈশবছৰীয়া অ'পনিং বেটছমেন সুনীল গাভাস্কাৰে। তেখেতে প্ৰথম ইনিংছত আৰু দ্বিতীয় ইনিংছত ডাবল চেঞ্চুৰী কৰি দুলৰ্ভ কৃতিত্ব অৰ্জ্জন কৰে। টেষ্ট ক্ৰিকেটৰ ইতিহাসৰ পাতত একেখন খেলতে ডাবল চেঞ্চুৰী অৰ্জন কৰা গাভাস্কাৰ বিশ্বৰ দ্বিতীয় খেলুৱৈ। এই সন্মানৰ প্ৰথম জন খেলুৱৈ আছিল অষ্ট্ৰেলিয়াৰ ডগলাছ ৱাল্টাছ।

### *: ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ 'ৰাবাৰ' অৰ্জন :—*

সাম্প্ৰতিক সদ্য সমাপ্ত ইংলণ্ড ভ্ৰমণত ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে ২ খন টেষ্টত ড্ৰ খেলি আৰু শেষ টেষ্টত চাৰি উইকেটৰ বিনিময়ত জয় লাভ কৰি 'ৰাবাৰ' অৰ্জ্জন কৰে। এই জয়লাভত ভাৰতৰ

ৱাট মুকলি কৰি দিয়ে লেগ স্কীনাৰ ভগৱৎ চন্দ্ৰশেখৰে আৰু গুৰি ধৰে দলপতি ৱাডেকাৰ আৰু তৰুণ খেলুৱৈ সকলে। ইংলেণ্ডৰ মাটিত এয়ে ভাৰতৰ প্ৰথম জয়। এই জয়লাভৰ ফলত ভাৰতে বিশ্ববাসীক চমকিত কৰিলে আৰু বিশ্বক্ৰিকেটত ভাৰতীয় খেলুৱৈ সকলে শীৰ্ষ স্থান লাভ কৰিলে। ভাৰতীয় দলৰ জয়লাভৰ গুৰিতে খেলুৱৈ সকলৰ দলগত মনোভাৱ আৰু দলপতি ৱাডেকাৰৰ সাহসী নেতৃত্ব চিৰদিন স্মৰণীয়।

### ঃ কমন ৱেলথ টেবুল টেনিচত ভাৰতৰ স্থান তৃতীয়ঃ

কমনৱেলথ টেবুল টেনিচ প্ৰতিযোগিতাত ভাৰতে পুৰুষ আৰু মহিলাৰ দলীয় পৰ্য্যায়ত ক্ৰমে ৩য় আৰু ৫ম স্থান লাভ কৰিছে। পুৰুষ বিভাগত ভাৰতৰ জি, জগন্নাথ আৰু মিৰকাচিম আলিয়ে ২য় আৰু ৩য় স্থান লাভ কৰে আৰু আন এজন খেলুৱৈ ভি এম মাৰ্চেন্টে প্ৰথম বাৰ-জনৰ ৰেংকিংত একাদশ স্থান পাইছে। মহিলাৰ ভিতৰত ভাৰতৰ একমাত্ৰ কেটী চাৰ্জমেনে ষষ্ঠস্থান লাভ কৰিছে।

### ঃ উইম্বলডন টেনিচত গোলাগঙ আৰু জন নিউকম্বৰ সম্মান অৰ্জনঃ-

এইবাৰ মহিলাৰ উইম্বলডন টেনিচ প্ৰতিযোগিতাত উনৈশ বছৰীয়া গোলাগঙে যোৱা তিনিবাৰৰ ৰমেনছ চেম্পিয়ন আঠাইশ বছৰীয়া প্ৰচুৰ অভিজ্ঞতা থকা মাৰ্গাৰেট বটক পৰাজিত কৰি বিশ্বৰ ইতিহাসত এক নতুন ৰেকৰ্ড স্থাপন কৰে। আনহাতেদি পুৰুষৰ ফাইনেল প্ৰতিযোগিতাত অষ্ট্ৰেলিয়াৰ জননিউকম্বে তেওঁৰ যোৱাবছৰৰ সম্মান অক্ষুন্ন ৰাখে।

### ৰাষ্ট্ৰীয় হকীত পঞ্জাৱৰ জয়লাভ :-

এইবাৰ ৰাষ্ট্ৰীয় হকীত পুনৰ জয়লাভ কৰি পঞ্জাৱদলে তেওঁলোকৰ আগৰ সন্মান অক্ষুন্ন ৰাখে।

### ঃ দিল্লীৰ এছীয় এথলেটিকছ :-

অহা ৭৬বৰ ফেব্ৰুৱাৰী মাহত এছীয় এথলেটিকছ প্ৰতিযোগিতা দিল্লীত পাতিবলৈ ভাৰত চৰকাৰে আন্তঃৰাষ্ট্ৰীয় এমেচাৰ এথলেটিকছ ফেডাৰেচনৰ পৰা আমন্ত্ৰণ পাইছে। এই প্ৰতিযোগিতাত উনত্ৰিশ খন দেশে যোগদান কৰাৰ সম্ভাৱনা আছে।

### ফুটবলত ভাৰতৰ অৱস্থা অতি-দুখ জনকঃ-

অন্যান্য খেলত যদিও ভাৰতে গৌৰৱ অৰ্জন কৰিছে কিন্তু ফুটবলত বিশেষ তেনে কোনো কৃতিত্ব অৰ্জন কাৰৰ পৰা নাই। কাৰণ এইবাৰ মাৰ্ডেকা ফুটবলত ভাৰতে অভাবনীয় হিচাবে পৰাজয় বৰণ কৰিছে। গতিকে ভাৰত চৰকাৰে ভাৰতীয় ফুটবল খেলুৱৈ সকলক উপযুক্ত প্ৰশিক্ষণ দিব লাগে যতে ভাৰতীয় দলেও উপযুক্ত প্ৰশিক্ষণ পাই এদিন বিশ্বৰ দৰবাৰত গৌৰৱ মুকুট পিন্ধিব পাৰে।

# KANOIANS

# A T T H E

# PLAY GROUND



Miss, Dibya Gogoi.
'Best Lady Athlete'. Inter College Sports Festival, D.U. 1970-71.



Miss Minalini Barua.
Inter College Table Tennis Champion. Glorious three years at a stretch.



Mr Budhindra Narayan Doley.
Best Athlete of this year 1970-71.



Miss Lalita Rajput.
Best Lady Athlete (Joint) of this year 1970-71.




Miss Kalpana Das Gupta.
Best Lady Athlete (Joint) of this year.



Best Gymnastic 'Mr. Kanoi' Benu Gogoi, of this year 1970-71.

(L. to R.)—H. N. Dutta, SNR. U.O.—'F' 'Coy' and H. C. Phukan, SNR. U.O. 'A' 'Coy'. Both appeared C.A.T.C.C. 1971 Jan. 11. S.U.O. Dutta attended All India Summer Training Camp. Yusmarg (J & K) 1970.



# ঃ স্মৃতি তৰ্পণ ঃ

## ঃ অশ্রু অঞ্জলি প্ৰেছিডেণ্ট গামাল আব্দেল নাছেৰৰ মৃত্যুত ঃ

মিছৰৰ বিপ্লৱী জননেতা আৰু যোৱা ওঠৰ বছৰ ধৰি নিজ দেশৰ ভাগ্যৰ গঢ় দিওঁতা আৰৱ গণৰাজ্যৰ প্ৰেছিডেণ্ট গামাল আব্দেল নাছেৰৰ যোৱা ১৯৭০ চনৰ ২৮ চেপ্তেম্বৰ তাৰিখে হঠাতে হৃদৰোগত আক্ৰান্ত হৈ পৰলোক প্ৰাপ্তি ঘটে। তেওঁৰ আকস্মিক মৃত্যুত কেৱল যে মিছৰৰে সৰ্ব্বশ্ৰেণীৰ মানুহৰ গৰিসম্বাদী নেতাজনে ৰাজনৈতিক মঞ্চৰ পৰা বিদায় ললে এনে নহয় সমগ্ৰ বিশ্বৰে এজন সাহসী শান্তিকামী আৰু মহান ৰাষ্ট্ৰনায়কো চিৰকাললৈ লুপ্ত হৈ গ'ল। তেখেতৰ আকস্মিক মৃত্যুত সমগ্ৰ বিশ্ববাসীৰে অপূৰণীয় ক্ষতি হ'ল। সেয়েহে এইজনা মহান নেতাক সুঁৱৰি আজি তেখেতৰ আত্মাৰ সদ্‌গতি কামনা কৰিলো !

## ঃ অশ্রু অঞ্জলি জেনেৰেল চাল্‌ৰ্ছ ডি'গলৰ মৃত্যুত ঃ

অৱশেষত বৰ্ত্তমান যুগৰ ইতিহাসৰ এক সুবিখ্যাত জননায়ক ফ্ৰান্সৰ ভূতপূৰ্ব্ব প্ৰেছিডেণ্ট জেনেৰেল চাল্‌ৰ্ছ ডি, গলৰ যোৱা ১৯৭০ চনৰ ৯ নৱেম্বৰ তাৰিখে ৭৯ বছৰ বয়সত মৃত্যু ঘটিল। বিপ্লৱৰ পিতৃৰাজ্য ফ্ৰান্সৰ আধুনিক কালৰ অন্ততঃ আটাইতকৈ সঙ্কটৰ দুটা সন্ধিক্ষণত এই বৈপ্লৱিক ৰণনেতাজনে ৰাষ্ট্ৰৰ নেতৃত্ব গ্ৰহণ কৰি ফ্ৰান্সক ঐতিহাসিক বৰঙনি যোগাইছিল। আন-অতীজৰ খ্যাতি আৰু গৌৰৱেৰে গৰ্বিত কৰি ঐতিহাসিক কৰ্ণ-ধাৰৰ ভূমিকা গ্ৰহণ কৰিছিল হাতেদি ডি, গলে দ্বিতীয় মহাযুদ্ধৰ সময়ত ফ্ৰান্সৰ কৰ্ণ-ধাৰৰ ভূমিকা গ্ৰহণ কৰিছিল আৰু আলজেৰিয়াৰ যুদ্ধৰ সময়ত ফ্ৰান্সত হব খোজা গৃহ যুদ্ধৰ পৰা দেশক ৰক্ষা কৰিছিল। এই যুগটোৰ ইতিহাস নিৰ্ম্মাতা যি কেইজন বিশিষ্ট ব্যক্তি তেওঁলোক প্ৰেছিডেণ্ট ৰুচভেল্ট, চাৰ্চিল আৰু ষ্টেলিনৰ লগতে তেওঁৰ নাম উল্লেখযোগ্য। এনে এজন মহান বিশ্ববিখ্যাত নেতাৰ মৃত্যুত সমগ্ৰ বিশ্ববাসীৰ অপূৰণীয় ক্ষতি হ'ল। তেখেতৰ বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ চিৰশান্তিৰ বাবে পৰমেশ্বৰৰ চৰণত সেৱা নিবেদিলো।

## ঃ অশ্ৰু অঞ্জলি ভাৰতীয় বিজ্ঞানৰ ঋষি ডঃ চি, ভি, ৰমনৰ পৰলোকত ঃ

"বিজ্ঞানেই মোৰ ধৰ্ম আৰু মোৰ মৃত্যুৰ মুহূৰ্তলৈকে মই ইয়াৰ অনুসন্ধান কৰি যাম।"

মৃত্যুৰ মাত্ৰ তিনিদিনৰ আগতে তেওঁ কৈছিল এইযাৰি কথা। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰশে মনৰ সকলো ইচ্ছাক বাকৰুদ্ধ কৰি এজন বৈজ্ঞানিকৰ অকাল সমাধি ঘটালে। তেখেত আছিল নোবেল পুৰস্কাৰ বিজয়ী বিশ্ব বিশ্ৰুত ভাৰতীয় বিজ্ঞানী ডঃ চি. ভি, ৰমন। তেখেতৰ যোৱা ১৯৭০ চনৰ ২১ নবেম্বৰত পুৱা হৃদৰোগত আক্ৰান্ত হৈ বাঙ্গালোৰত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ ৮২ বছৰ হৈছিল। তেখেত আছিল সমগ্ৰ এচিয়াৰে একমাত্ৰ নোবেল বঁটা-বিজয়ী বিজ্ঞানী আৰু ভাৰতীয় বিজ্ঞানৰ নবন্যাস যুগৰ স্ৰষ্টা আৰু অগ্ৰদূত। এনে এজন বিশ্ববিশ্ৰুত বৈজ্ঞানিকৰ মৃত্যুত ভাৰতৰ লগতে বিশ্ববাসীৰো অভাৱনীয় ক্ষতি হ'ল। পৰমেশ্বৰৰ ওচৰত আমাৰ একান্ত প্ৰাৰ্থনা যেন তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰে।

## ঃ শিক্ষাবিদ গোবিন্দ চন্দ্ৰ শৰ্ম্মাদেৱৰ বিয়োগত ঃ

জন্মিলে এ'দিন মৰিবই লাগিব। অৱশেষত গোবিন্দ চন্দ্ৰ শৰ্ম্মাদেৱো আমাৰ মাজৰ পৰা আঁতৰি গ'ল। লেলিহান অগ্নিশিখাই তেখেতৰ দেহা এমুঠি ধুলিৰ লগত মিহলি কৰিলে। তেখেত মৃত্যুৰ বাতৰিয়ে সমগ্ৰ অসমবাসীক ম্ৰিয়মান কৰিলে। স্তব্ধ হৈ ৰ'ল সমগ্ৰ ডিব্ৰুগড়বাসী বাইজ। বিষাদৰ গধূলি বেদনাত চাৰিও ফালে এক শূন্যতাই বিৰাজ কৰিলে।

তেখেত আছিল এজন গুণী শিক্ষাবিদ, কেইবাটাও অনুষ্ঠানৰ লগত জড়িত এজন ব্যক্তি। ডিব্ৰুগড় পৌৰসভাৰ সভাপতি, কানৈ কলেজ পৰিচালনা সমিতিৰ সভাপতি আদি। তেখেতৰ মৃত্যুত আমি গভীৰ শোক পাইছো। ভগৱানৰ ওচৰত আমাৰ একান্ত প্ৰাৰ্থনা যেন তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰে।

## ঃ ডঃ কে, এম, মুন্সীৰ বিয়োগত ঃ

ভাৰতমাতৃৰ সুসন্তান শিক্ষাবিদ ডঃ কানাইয়ালাল মানিকলাল মুন্সীৰ যোৱা ১৯৭১ চনৰ ৮ ফেব্ৰুৱাৰীৰ দিনা বোম্বাইৰ নিজা বাসভৱনত পৰলোক প্ৰাপ্তি ঘটে।

তেখেত আছিল সুসাহিত্যিক, ভাৰতীয় বিদ্যাভৱনৰ প্ৰতিষ্ঠাতা আৰু এজন প্ৰথম ব্যক্তি। ভাৰতৰ সংস্কৃতি আৰু সংস্কৃত ভাষাৰ সংৰক্ষণৰ বাবে ডঃ মুন্সীৰ অবদান অসীম। গতিকে ভাৰতমাতৃৰ এনে এজন গুণী সন্তানৰ বিয়োগত আমাৰ এৰিব নোৱাৰা ক্ষতি হ'ল। সেয়েহে দুটোপাল চকুলোৰে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই তেখেতৰ আত্মাৰ সদ্‌গতিৰ কামনা কৰিলো।

## ঃ ডঃ প্ৰসন্ন গোস্বামীৰ পৰলোকত ঃ

'নিয়তি কেন বাধ্যতে' জন্মিলে এদিন মৰিবই লাগিব। অৱশেষত আমি অসম মাতৃৰ এজন সুসন্তান হেৰুৱালো। তেখেত আছিল ডঃ প্ৰসন্ন গোস্বামী। ডঃ গোস্বামী আছিল একাধাৰে শিক্ষাবিদ, ভাৰতৰ এগৰাকী বিশিষ্ট বিজ্ঞানী, ৰসায়ন বিভাগৰ অধ্যাপক, স্কুল পৰিদৰ্শক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় পৰিদৰ্শক, কটন কলেজৰ অধ্যক্ষ আদি এজন বিশিষ্ট ব্যক্তি। গতিকে এনে এজন গুণী সন্তানৰ মৃত্যুত আমাৰ অপূৰণীয় ক্ষতি হ'ল। তেখেতৰ বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

## ঃ ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাৰ জীৱনাৱসানত ঃ

অসমৰ ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী, স্বাধীনতা সংগ্ৰামৰ অগ্ৰনী যুজাৰু, দেশপ্ৰেমিক, পদ্মবিভূষণ বিমলা প্ৰসাদ চলিহাৰ যোৱা ১৯৭১ চনৰ ২৫ ফেব্ৰুৱাৰী তাৰিখে পুৱা ৫ বজাত শিচলংৰ বাসভৱনত পৰলোক প্ৰাপ্তি ঘটে।

এইগৰাকী মহান নেতাৰ বিয়োগত অসমবাসীৰ লগতে সমগ্ৰ ৰাষ্ট্ৰৰে এক অপূৰণীয় ক্ষতি হ'ল। তেখেত আছিল একেধাৰে দেশত এতিয়ালৈকে জন্মহোৱা শীৰ্ষ-স্থানীয় ৰাজনীতিবিদ সকলৰ অন্যতম প্ৰভুত সন্মানীয় অসমৰ কংগ্ৰেছ নেতা, একেৰাহে তিনিবাৰ ধৰি অসমৰ মুখ্যমন্ত্ৰীৰ আসনত সমাসীন হৈ ৰাজ্যখনক সুদৃঢ় নেতৃত্ব দান কৰা এজন ব্যক্তি। এনেজন এই অবিসম্বাদী নেতাগৰাকীৰ মৃত্যুৰ লগে লগে অসমৰ ইতিহাসত এটা যুগৰ অৱসান ঘটিল। তেখেতৰ মৃত্যুত সমগ্ৰ দেশবাসীৰ লগতে আমি গভীৰ শোক পাইছো। তেখেতৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ কাৰণে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।